

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



একাদশ বছৰ ■ সংখ্যা ১০২ ■ গুৱাহাটী ■ মঙলবাৰ, ১৭ নৱেম্বৰ, ২০২০, ১ আঘোণ, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ৭.০০ টকা

VOL. 11 ISSUE NO. 102 Dainandin Barta ■ Guwahati, Tuesday ■ 17 November 2020 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only




বাৰ্তাৰ অতিথিৰ কলম

■ ৰামচন্দ্ৰ চুতীয়া

## সাগৰ সঙ্গমত কতনা সাঁতুৰিলোঁ

'সাগৰ সঙ্গমত সাতুৰি থাকোঁতে'ই ভূপেনদাই জীৱন সংগ্ৰামৰ পথ বহুদূৰ আগুৱালে আৰু শেহান্তত যেতিয়া সময় আহিল, তেওঁ এই ধৰাধামৰ মায়ামোহ এৰি আমাৰ মাজৰ পৰা চিৰকালৰ বাবে গুচি গ'লগৈ। জীৱিত কালত, জীৱন যুঁজৰ নানান ঘাত-প্ৰতিঘাতত ঠেকেচা খাই, কিছু আগুৱালে আৰু কিছু পিছুৱালে, তথাপি সংগ্ৰামী যাত্ৰাৰ অন্ত নপৰিল। তেওঁ 'সাগৰ সঙ্গম'ত উটিলে-বুৰিলে, তথাপি জীৱন তৰিৰ বঠা বাই বাই 'ক্লান্ত' নোহোৱাকৈ লক্ষ্য স্থানৰ দিশে অবিৰাম গৈ থাকিল। তেওঁও আন দহজনৰ ■ ৮ পৃষ্ঠাত

বিহাৰত এনডিএ মিত্ৰজোঁটৰ নেতা নীতিশ কুমাৰ চৰকাৰৰ শপতগ্ৰহণ

অভিলেখ

## সপ্তমবাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে কুমাৰৰ শপত

দিল্লীৰ পৰা আহিল অমিত শ্বাহ-জে পি নড্ডা

বিজেপিৰ ৭, জনতা দলৰ ৪ আৰু ভিআইপি-হামৰ এজনকৈ সোমাল কেবিনেটত

তাৰকিশোৰ প্ৰসাদ-ৰেণু দেৱী হ'ব নতুন উপ-মুখ্যমন্ত্ৰী ঃ সুশীল মোডীক কেন্দ্ৰীয় মন্ত্ৰিত্বৰ সম্ভাৱনা



**পাটনা, ১৬ নৱেম্বৰ ঃ** বিহাৰৰ নৱ নিৰ্বাচিত চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে আজি শপত গ্ৰহণ কৰে নীতিশ কুমাৰে। তেওঁৰ লগতে অন্য ১৩জন বিধায়কে কেবিনেট মন্ত্ৰী হিচাপে শপত বাক্য পাঠ কৰে। ৰাজ্যখনৰ শীৰ্ষস্থানীয় বিজেপি নেতা তথা বিদায়ী চৰকাৰৰ উপ-মুখ্যমন্ত্ৰী সুশীল কুমাৰ মোডী বিৰত থাকিল শপতগ্ৰহণৰ পৰা। ইয়াৰ বিপৰীতে বিজেপিয়ে ৰেণু দেৱী আৰু তাৰকিশোৰ প্ৰসাদক নতুন উপ-মুখ্যমন্ত্ৰী হিচাপে মনোনীত কৰিছে। উল্লেখ্য যে নীতিশ কুমাৰে আজি জনতা দল সংযুক্তৰ চতুৰ্থখন চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। কিন্তু ইয়াৰ পূৰ্বে তেওঁ সাময়িক কাৰ্যকালৰ বাবে একাধিকবাৰ মুখ্যমন্ত্ৰীত্বৰ পদ দখল কৰিছিল আৰু ফলশ্ৰুতিত ■ ৮ পৃষ্ঠাত



ক'ভিড-১৯ ভেকচিন

ভাৰত বায়টেকৰ ঘোষণা—ভাৰতত ক'ভেক্সিনৰ তৃতীয় পৰ্যায়ৰ পৰীক্ষা আৰম্ভ

দেশৰ ২৫টা বিভিন্ন কেন্দ্ৰত তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষাত জড়িত ২৬ হাজাৰ ভলণ্টিয়াৰ ■ ২০২১ৰ আৰম্ভণিৰ ফালে সম্পূৰ্ণ হ'ব তৃতীয় পৰ্যায়ৰ এই সম্পৰীক্ষা ■ সম্পৰীক্ষাত জড়িত প্ৰতিগৰাকী ভলণ্টিয়াৰে বয়স ১৮ বছৰৰ অৰ্ধৰ ■ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ সম্পৰীক্ষাত নিৰীক্ষণ কৰিছিল প্ৰায় এক হাজাৰ বিষয়ত

■ ভাৰতত ক'ভিড-১৯ ভেকচিনৰ সৰ্ববৃহৎ ক্লিনিকেল সম্পৰীক্ষা ■

■ এই সম্পৰীক্ষাত ভলণ্টিয়াৰসকলে প্ৰায় ২৮ দিনৰ ভিতৰত ল'ব লাগিব দুটা ইণ্ট্ৰমাছকুলাৰ ইনজেকচন ■

# সবাতোকৈ কম মূল্যৰ হ'ব ক'ভেক্সিন




**দৈনন্দিন বাৰ্তাৰ নিউজ ফিচাৰ্ছ, ১৬ নৱেম্বৰ ঃ** বিশ্বজুৰি ক'ভিড মহামাৰীয়ে গ্ৰাস কৰি থকাৰ সমান্তৰালকৈ চিকিৎসা শাস্ত্ৰৰ বিশেষজ্ঞই ইয়াৰ প্ৰতিকাৰ হিচাপে বিভিন্ন স্থানত গৱেষণা চলাই আছে। শাস্ত্ৰ বিজ্ঞানত বিশ্বৰ ভিতৰতে আগবঢ়া ভাৰততো ইয়াৰ গৱেষণা চলিছে। ভাৰত বায়'টেকে ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিচাৰ্ছ (আইচিএমআৰ)ৰ সৈতে যুটীয়াকৈ ক'ভিড-১৯ ৰ ভেকচিন কভেক্সিনৰ পৰীক্ষা চলাই আছে। ইতিমধ্যেই প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ ক্লিনিকেল সম্পৰীক্ষা ধনাত্মক ৰূপত সমাপ্ত হোৱাৰ পিছত আজিৰ পৰা তৃতীয় পৰ্যায়ৰ ক্লিনিকেল সম্পৰীক্ষা আৰম্ভ হৈছে। ভাৰত বায়'টেকে চলোৱা ক'ভিড-১৯ ভেক্সিনৰ এই সম্পৰীক্ষা বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ ক্লিনিকেল সম্পৰীক্ষা। এই তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষা ভাৰতৰ ২৫ টা ভিন্ন কেন্দ্ৰত চলাইছে আৰু এই সম্পৰীক্ষাত ২৬ হেজাৰ ভলণ্টিয়াৰ জড়িত হৈ আছে। ■ ৮ পৃষ্ঠাত



*গুৰনি হৰিণী, ভেলেঙী চাৰনি... জুখি-মাখি দিয়া খোজেৰেই জাক পাতি যায় আগুৱাই, অসম ৰাজ্যিক চিৰিয়াখানাত সোমবাৰৰ ছবি*

ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

## সাংবাদিক সুৰক্ষা আইন আৰু মিডিয়া কাউঞ্চিল গঠনৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ নৱেম্বৰ ঃ** 'সাম্প্ৰতিক সময়ত দেশ আৰু ৰাজ্যৰ সংবাদ মাধ্যম তথা সাংবাদিক আৰু সংবাদকৰ্মীৰ সামগ্ৰিক নিৰাপত্তাৰ প্ৰতি তীব্ৰ ভাবুকিৰ সৃষ্টি হৈছে। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে বিশ্বত স্বীকৃত সংবাদ মাধ্যম আৰু সাংবাদিকৰ বিধিগত স্বাধীনতা আৰু অধিকাৰসমূহ চৰকাৰী অথবা বে-চৰকাৰী উভয় পক্ষৰ চত্ৰছাঁয়াত খৰ্ব হ'ব ধৰিছে। এই লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে 'নেচনেল ইউনিয়ন অৱ জাৰ্নেলিষ্ট ইণ্ডিয়া' (এনইউজেআই) আৰু জাৰ্নেলিষ্ট এছচিয়েছন অব আছাম, 'জা'য়ে। আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে গুৱাহাটী ■ ৮ পৃষ্ঠাত

# ৰাজ্যজুৰি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱাল— সুস্থ আৰু শক্তিশালী গণতন্ত্ৰৰ বাবে সংবাদ মাধ্যম সজাগ আৰু সচেতন হ'বই লাগিব

এখন সমাজে যেতিয়া ঐক্যবদ্ধভাৱে কাম কৰে, তেতিয়া যিকোনো দুৰ্যোগ নিৰ্ভীকতাৰে অতিক্ৰম কৰিব পৰা যায় ঃ মুখ্যমন্ত্ৰী

সাংবাদিকতাৰ নৈতিকতা অক্ষুন্ন ৰখাৰ বাবে সাংবাদিকসকলক আৰ্থিকভাৱে স্বচ্ছল কৰা তথা অন্যান্য সা-সুবিধা প্ৰদানৰ দিশটোৰ প্ৰতিও সংবাদ গোষ্ঠীসমূহে চকু দিব লাগিব ঃ অধ্যাপিকা জয়া চক্ৰৱৰ্তী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ নৱেম্বৰ ঃ** 'এক সুস্থ আৰু শক্তিশালী গণতন্ত্ৰৰ বাবে সংবাদ মাধ্যম সজাগ আৰু সচেতন হ'বই লাগিব। সাংবাদিকসকল সৰৱ হৈ থকাটো আৰু চৰকাৰক সমালোচনা কৰাটো চৰকাৰখনৰ বাবেই মঙ্গলজনক। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমে চৰকাৰৰ ওপৰত প্ৰতি মুহূৰ্ততে চোকা দৃষ্টি ৰাখিব লাগে। ইয়াৰ দ্বাৰা মাথোঁ চৰকাৰেই নহয়, দেশৰ প্ৰতিগৰাকী নাগৰিকেই উপকৃত হয়। অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ ■ ৮ পৃষ্ঠাত

বীৰ জোৱান হৰধন চন্দ্ৰ ৰায়ৰ সামৰিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন

## মুখাগ্নি কৰিলে কণমানি পুত্ৰই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৬ নৱেম্বৰ ঃ** জম্মু কাশ্মীৰত পাক উগ্ৰপন্থীৰ বৰ্বৰ আক্ৰমণত দেশৰ বাবে প্ৰাণ আহুতি দিয়া অসমৰ সু-সন্তান শ্বহীদ হাবিলদাৰ হৰধন চন্দ্ৰ ৰায়ৰ নশ্বৰদেহ গুৱাহাটীৰ পৰা আজি পুৱা ৮ বজাত জন্মস্থান ধুবুৰীৰ ফুটকীবাৰী মেধিপাৰাত অনা হয়। আজি বিলাসীপাৰাৰ ফুটকীবাৰী মেধিপাৰা গাঁৱৰ বীৰ শ্বহীদ জোৱান হৰধন ৰায়ৰ নশ্বৰ দেহ নিজ বাসভৱনত আহি পোৱাৰ লগে লগে এক শোকাকুল পৰিৱেশ পৰিলক্ষিত হয়। শ্বহীদজনৰ নশ্বৰদেহ দৰ্শনৰ বাবে নিজ গৃহত অগণন গুণমুগ্ধৰ ভিৰ ■ ৮ পৃষ্ঠাত



গোৰেশ্বৰত মহিলাৰীক সমালোচনা-ৰাইজৰ প্ৰতি প্ৰলোভিত মন্তব্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

বিটিআৰত বিটিচিৰ নিৰ্বাচন

## 'চৰকাৰ অহাৰ পোন্ধৰ দিনৰ পিছতে মাটিৰ পট্টা দিম'



বিটিচিৰ মাটি হাগ্ৰামাৰ নহয়, চৰকাৰৰ মাটি

ব্ৰয়লাৰ মুৰ্গীৰ দৰে পুহি ৰাখিছে হাগ্ৰামাই ঃ শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ১৬ নৱেম্বৰ ঃ** বিটিচিৰ মাটি কাৰো পৈতৃক সম্পত্তি নহয়, এই মাটি চৰকাৰৰ মাটি, হাগ্ৰামা মহিলাৰীৰ নহয়। আমি কোকৰাঝাৰত বিজেপি চৰকাৰ অহাৰ পোন্ধৰ দিনৰ পিছতে মাটিৰ ■ ৮ পৃষ্ঠাত

তেজপুৰ কলিয়াভোমোৰা সেতুত ভয়ংকৰ দুৰ্ঘটনা

## দলঙৰ পৰা ব্ৰহ্মপুত্ৰত পৰিল ১৮ চকীয়া ট্ৰাক

চালক সন্ধানহীন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৬ নৱেম্বৰ ঃ** তেজপুৰৰ কলিয়াভোমোৰা সেতুঁত আজি নিশা ভয়ানক পথ দুৰ্ঘটনা সংঘটিত হয়। বগীবিলৰ পৰা ৩৭ (ক) ৰাষ্ট্ৰীয় ঘাইপথেৰে গুৱাহাটীলৈ বুলি গৈ থকা আৰ জে ৪২ জি এ ৪৭৬৬ নম্বৰৰ এখন ১৮ চকীয়া ট্ৰাক দলঙৰ ৰেলিং ভাঙি ব্ৰহ্মপুত্ৰত পৰি যায়। ■ ৮ পৃষ্ঠাত



*কংগ্ৰেছ ত্যাগী বিশ্বজিৎ ৰায়ৰ সংবাদমেল সম্বোধনৰ ছবি*

বিপিএফে দাহ কৰিলে বিশ্বজিৎ দৈমাৰীৰ পুত্তলিকা

সংবাদমেলযোগে দৈমাৰীৰ প্ৰতিক্ৰিয়া

## মই বিপিএফ ত্যাগ কৰাত দলটো অভিভাৱকত্বহীন হৈ হেৰুৱাইছে মানসিক ভাৰসাম্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৬ নৱেম্বৰ ঃ** আজি পুৱা গয়বাৰী বিপিএফ দলৰ কৰ্মীয়ে বিপিএফ দল ত্যাগ কৰি বিজেপিলৈ গমণৰ বাবে প্ৰস্তুতি চলাই থকা ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰীৰ ■ ৮ পৃষ্ঠাত

বিজেপি মুৰ্দাবাদ-হিমন্ত বিশ্ব শৰ্মা গ' বেক ধ্বনিৰে উত্তাল গোসাঁইগাঁও


চৰাইবিলৰ বিপিএফ প্ৰাৰ্থী মৃত্যুঞ্জয় নাৰ্জাৰীৰ সমৰ্থনত বিশাল সমদল

## ইউপিপিএল-বিজেপি, গণ সুৰক্ষা পাৰ্টী জোঁট বান্ধিও বিপিএফক পৰাস্ত কৰিব নোৱাৰে ঃ বিল্লা ব্ৰহ্ম

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৬ নৱেম্বৰ ঃ** বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ মিত্ৰজোঁটৰ অংশীদাৰ দল বিপিএফ দলৰ কৰ্মী-সমৰ্থকে আজি বিজেপি গ' বেক, হিমন্ত বিশ্ব শৰ্মা গ' বেক, বিজেপি মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মাৰ দাদাগিৰি নচলিব, বিটিচিত ■ ৮ পৃষ্ঠাত

তেজপুৰৰ বুৰঞ্জী আৰু ঊষা-অনিৰুদ্ধৰ বিষয়ে নতুন তথ্যৰে গঢ়ি উঠিছিল গড়দল

## হ'ব পাৰে বাণৰ নগৰী শোণিতপুৰৰ কিয়দংশ বা শালস্তম্ভীয় বংশৰ ৰজাসকলৰ ৰাজত্ব কালৰ



গড়দৌলৰ ভগ্নাৱশেষ খ্ৰীষ্টীয় সপ্তম-অষ্টম শতিকাৰ বুলি সন্দেহ ঃ ব্ৰিটিছ শাসনৰ সময়ত গড়দৌলৰ প্ৰকাণ্ড শিলাখণ্ড-ফটা ইটাবোৰ আনি বিভিন্ন গৃহ নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰা বুলি স্থানীয় লোকে ক'ব বিচাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৬ নৱেম্বৰ ঃ** সৌন্দৰ্য নগৰী তেজপুৰ এখন ইতিহাসপ্ৰসিদ্ধ ঠাই। প্ৰাচীন কালতে তেজপুৰত বাণ ৰজাই ৰাজত্ব কৰিছিল বুলি বিশ্বাস আছে। কিংবদন্তি বা লোক-বিশ্বাসতেই নহয় পৌৰাণিক গ্ৰন্থতো শোণিতপুৰত বাণ ৰজাৰ শাসনৰ কথা উল্লেখ আছে। তেজপুৰ আৰু ইয়াৰ আশে-পাশে সিঁচৰতি হৈ থকা পুৰাতাত্বিক সমলবোৰে পৌৰাণিক কাহিনীবোৰৰ ঐতিহাসিক ■ ৮ পৃষ্ঠাত




NEMCARE Group of Institutions, Mirza
Shantipur, Mirza, Kamrup, Assam-781125
ESTD : 2017
AFFILIATED TO: SSUHS, ASTU, and ANC Govt. of Assam
APPROVED BY: HFW Govt of Assam, AICTE, PCI, and INC Govt of India
APPLY ONLINE
Our Courses
Pharmacy: B Pharm, D Pharm, B Pharm (L)
Nursing: BSc Nursing, GNM
Allied Health Science
HS Science/Arts, Under SALTBROOK Mirza
Contact Us
98540-07355/56
info@ngiguwahati.in www.ngiguwahati.in

# ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ বিভিন্ন কাৰ্যসূচী

## নগাঁৱত জিলা প্ৰশাসন-প্ৰেছ ক্লাবৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ নৱেম্বৰ ঃ** 'সাংবাদিকসকল সমাজৰ ধৰণী। ক'ভিড-১৯ সংক্ৰমণৰ সময়ত যিসকল সাংবাদিকে নিজৰ জীৱনকো বিপন্ন কৰি নিষ্ঠা সহকাৰে বাতৰি যোগান দায়িত্ব পালন কৰি আহিছে সেইসকল সাংবাদিক কৃতজ্ঞতাৰ পাত্ৰ। এই জটিল সময়ছোৱাত যিসকল সাংবাদিকে সেৱা আগবঢ়াইছে আৰু এনে সেৱা আগবঢ়াওঁতে যিসকল সাংবাদিকৰ অকালতে মৃত্যু বৰণ কৰিছে তেওঁলোক আমি শ্ৰদ্ধাৰে স্মৰণ কৰা উচিত।'-এই মন্তব্য নগাঁও সদৰ বিধানসভাৰ বিধায়ক ৰূপক শৰ্মাৰ। আজি নগাঁওত আয়োজিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিধায়ক শৰ্মাই কয় যে ক'ভিড-১৯ সংক্ৰমণৰ জটিল পৰিস্থিতিত একাংশই বাতৰি কাকতৰ সম্পৰ্কত অপপ্ৰচাৰ আৰম্ভ কৰিছিল। সেইসকলে বাতৰি কাকতৰ মাধ্যমৰে কৰ'না ভাইৰাছ সংক্ৰমণ হয় বুলি অপপ্ৰচাৰ চলাইছিল। তাৰ ফলত বাতৰি কাকতসমূহ ক্ষতিগ্ৰস্ত হৈছিল। কিন্তু বৰ্তমান ৰাইজে বুজি পাইছে যে বাতৰি কাকতৰ জৰিয়তে কৰ'না ভাইৰাছ সংক্ৰমিত নহয় আৰু পুনৰ বাতৰি কাকতক আঁকোৱালি লৈছে। বিধায়ক শৰ্মাই কয় যে সম্প্ৰতি বহু বেৱ পৰ্টেল আৰম্ভ হৈছে। কিছুসংখ্যক বেৱ পৰ্টেলে অৱশ্যে সাংবাদিকতাৰ নীতি-নিয়মক অমান্য কৰি সমালোচনাৰ পাত্ৰ হৈছে। [illegible] নগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত জয়ন্ত কুমাৰ বৰাই সঞ্চালনা কৰা সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড' ৰমেশ নাথে ক'ভিড-১৯ সংক্ৰমণৰ সময়ত সংবাদ মাধ্যমে গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে ব্যাখ্যা কৰে। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে কয় যে সংবাদ মাধ্যমে সঠিক দিশত আগবাঢ়িলে আমাৰ সমাজখন লাভান্বিত হ'ব। তেওঁ সাংবাদিকৰ নিৰাপত্তাৰ ক্ষেত্ৰত চৰকাৰক গুৰুত্ব প্ৰদানৰ দাবী উত্থাপন কৰাৰ লগতে ৰাইজকো সাংবাদিকক নিৰাপত্তা প্ৰদান কৰিবলৈ আহ্বান জনায়। জিলা তথ্য আৰু জনসংযোগ বিষয়া সমৰ কলিতাই আঁত ধৰা সভাখনত বিশিষ্ট সমাজসেৱী মুকুট চন্দ্ৰ ভূঞা, জ্যেষ্ঠ সাংবাদিক ড° আবু হানিফা, নগাঁও প্ৰেছ ক্লাবৰ সভাপতি কনক চন্দ্ৰ হাজৰিকা আদিয়ে বক্তব্য আগবঢ়ায়। সভাত [illegible] সাংবাদিকসকল উপস্থিত থাকে। নগাঁও প্ৰেছ ক্লাবৰ হৈ বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনায় নগাঁও প্ৰেছ ক্লাবৰ সম্পাদক চন্দনজ্যোতি বৰাই। আনহাতে, সাপ্তাহিক কলংপাৰ আৰু সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সহযোগত কলংপাৰৰ কাৰ্যালয়ত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। বিশিষ্ট শিক্ষাবিদ মুক্তিনাথ খাউণ্ডৰ সভাপতিত্বত অনুষ্ঠিত সভাত শিক্ষাবিদ পূৰ্ণ বেজবৰুৱা, ভৰেন বৰা, অনিমা শৰ্মা বৰুৱা আৰু মুৰুলী বৰুৱাই অংশগ্ৰহণ কৰে।

## মৰাণত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচী



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ ঃ** মৰাণ প্ৰেছ ক্লাবৰ উদ্যোগত মৰাণতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। মৰাণ শাখা চাহ মজদুৰ সংঘৰ সভাকক্ষত বিয়লি অনুষ্ঠিত মৰাণ প্ৰেছ ক্লাবৰ সম্পাদক কৰুণা ফুকনে আঁত ধৰা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ মুকলি সভাত মৰাণ প্ৰেছ ক্লাব আৰু আছাম প্ৰেছ কৰেছপণ্ডেছ ইউনিয়ন (আপকু)ৰ প্ৰতিষ্ঠাপক সম্পাদক, প্ৰাক্তন সভাপতি, যোৱা তিনি দশক সংবাদ সেৱাত জড়িত জ্যেষ্ঠ সাংবাদিক শোভিত কুমাৰ ছেত্ৰীক মৰাণ প্ৰেছক্লাবে সম্বৰ্ধনা জনায়। মৰাণ প্ৰেছক্লাবৰ সভাপতি দয়ানন্দ সিঙৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে দুলীয়াজান আৰু ডুমডুমাৰ সাংবাদিকদ্বয় প্ৰদীপ গগৈ আৰু পৰাগ ভূঞাৰ মৃত্যুত শোক পালন কৰি এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক শোভিত কুমাৰ ছেত্ৰীয়ে কয়— ১৯৬৪ চনত প্ৰতিষ্ঠিত প্ৰেছ কাউঞ্চিল অৱ ইণ্ডিয়াৰ সেই দিনটো যোৱা ৫৪ বছৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপিত হৈ আহিছে। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভস্বৰূপ সাংবাদিকসকল অধিক সচেতন আৰু অতন্দ্ৰ প্ৰহৰী হ'ব লাগিব। কাৰণ সাধাৰণ জনতাই সাংবাদিকসকলৰ মুখলৈ অতি আশাৰে চাই থাকে, যাতে সাংবাদিকসকলে সংবাদৰ মাধ্যমেৰে সমাজৰ সমস্যাবিলাকৰ সমাধানৰ পথ প্ৰদৰ্শন কৰি সমাজৰ উপকাৰ সাধে। সাংবাদিকসকলে নিজৰ জীৱনকো তুচ্ছ কৰি বিনা পাৰিশ্ৰমিকেৰে সমাজ আৰু জনসাধাৰণক ভালপোৱাৰ তাগিদাতে হাতত কলম অব্যাহত ৰাখিছে। সভাত মৰাণ প্ৰেছক্লাবৰ উপদেষ্টাদ্বয় ড' যতীন চুতীয়া আৰু লক্ষেশ্বৰ তাঁতী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপ-সভাপতি ৰঞ্জিত চাংমাই, চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অনুপজ্যোতি ভুঞা, তাই আহোম যুৱ পৰিষদ মৰাণ মহকুমা সমিতিৰ উপদেষ্টা উত্তম দিহিঙীয়া, জ্যেষ্ঠ সাংবাদিক বাস্তু বৰা, চুতীয়া ছাত্ৰ সন্থা মৰাণ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিতোপন বৰা আদিয়ে সাংবাদিকসকলে দায়িত্ব আৰু কৰ্তব্যৰে নিজৰ কৰ্মত অগ্ৰসৰ হ'বলৈ আহ্বান জনাই সৰ্বতো প্ৰকাৰে সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি ভাষণ দিয়ে।

## ধনশিৰি মহকুমা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি ঃ** ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি ধনশিৰি মহকুমাতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। ধনশিৰি মহকুমা প্ৰশাসনৰ উদ্যোগত ধনশিৰি মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা প্ৰেছ দিৱস অনুষ্ঠানত ধনশিৰি মহকুমাৰ সংবাদ কৰ্মীসকলক ধনশিৰি মহকুমা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ লগতে সংগতি ৰাখি "ক'ভিড ১৯ সময়ত প্ৰচাৰ মাধ্যমৰ ভূমিকা আৰু সংবাদ মাধ্যমৰ প্ৰভাৱ" শীৰ্ষক আলোচনা-চক্ৰও অনুষ্ঠিত কৰা হয়। আলোচনা চক্ৰৰ লগত সংগতি ৰাখি ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিবাকৰ নাথে মন্তব্য আগবঢ়ায় কয় যে ক'ভিড ১৯ সময়ছোৱাত সংবাদকৰ্মীসকলে সেৱাৰ মনোভাৱেৰে যোগাত্মক বাতৰি পৰিৱেশন কৰি জনসাধাৰণক এই মহামাৰীৰ ভয়াৱহতাৰ সম্পৰ্কে জ্ঞাত কৰিছিল। সভাত ধনশিৰি মহকুমাৰ সংবাদকৰ্মী জ্যেষ্ঠ সাংবাদিক দ্বিপেন কুমাৰ বৰা, মাখমুদ আলী, অৱনী শৰ্মা, বিবেকানন্দ দত্ত, বেদান্ত ভাৰ্গৱকে ধৰি ভালেকেইজন জ্যেষ্ঠ সংবাদ কৰ্মীসকলে মহকুমাটোৰ বিভিন্ন বা-বাতৰি সংগ্ৰহ কৰি প্ৰেৰণ কৰোঁতে হোৱা অভিজ্ঞতাসমূহ বৰ্ণনা কৰে। সংবাদ সেৱা কৰাটো পেছা নহয় নিচাহে পৰিগণিত হৈ পৰিছে। সংবাদ কৰ্মীসকলে নিজাকৈ উপলব্ধি কৰিবলৈ সক্ষম হৈছে বুলি জ্যেষ্ঠ সংবাদিক অৱনী শৰ্মাই মতপোষণ কৰে। ধনশিৰি মহকুমা তৰফৰ পৰা ধনশিৰি মহকুমাৰ জ্যেষ্ঠ সংবাদকৰ্মী ৰাধিকা বল্লভ গোস্বামী আৰু সোণাৰাম ভৰালীক তেওঁলোকৰ নিজা গৃহত গৈ সম্বৰ্ধনা জনোৱাৰ সিদ্ধান্ত লোৱা হয়। অনুষ্ঠানত ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিবাকৰ নাথ, প্ৰশাসনিক বিষয়া কৃষাণ জ্যোতি ডেকাৰ উপৰি মহকুমাটোৰ বহুকেইজন সংবাদকৰ্মী উপস্থিত থাকে।

## পৰ্বতঝোৰাত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, পৰ্বতঝোৰা ঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়ৰ সভাকক্ষত পৰ্বতঝোৰা মহকুমা প্ৰশাসনৰ সহযোগত আৰু তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়ৰ উদ্যোগত আজি দিনৰ ১২.০০ বজাত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে পৰ্বতঝোৰাৰ মহকুমাধিপতি হেমন্ত প্ৰসাদ ৰাজকুমাৰ, তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱা, অঞ্চলটোৰ শিক্ষাবিদ ৰোহিনী কুমাৰ ব্ৰহ্ম আৰু নাৰায়ণ চন্দ্ৰ শৰ্মাৰ লগতে বগৰীবাৰী, গৌৰীপুৰ, আলমগঞ্জ আদি অঞ্চলৰ বিভিন্ন মাধ্যমৰ সাংবাদিকে অংশগ্ৰহণ কৰে। স্থানীয় সমাজসেৱক তথা বিশিষ্ট ব্যক্তি সুবল ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত 'সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে সৰস বক্তব্য আগবঢ়ায় কাজিগাঁও ট্ৰাইবেল সংঘৰ সভাপতি তথা গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ বংশধৰ নিৰঞ্জন ব্ৰহ্মই। লগতে সাংবাদিক পাৰ্থসাৰথি চক্ৰৱৰ্তী, আবুল হুছেইন, প্ৰকৃতিশ সাহা আদিয়ে ক'ৰোনা মহামাৰীৰ প্ৰভাৱ আৰু ভূমিকা সন্দৰ্ভত বিস্তাৰিতভাৱে আলোকপাত কৰে। এই সন্দৰ্ভত বিশেষকৈ মহকুমাধিপতি হেমন্ত প্ৰসাদ ৰাজকুমাৰে ক'ৰোনাৰ সময়ছোৱাত তেখেতে লাভ কৰা অভিজ্ঞতাৰ সৰস বৰ্ণনা কৰে। লগতে এইক্ষেত্ৰত তেওঁ মহকুমা প্ৰশাসনৰ বলিষ্ঠ পদক্ষেপৰ বিষয়েও মন্তব্য কৰে। পৰ্বতঝোৰাত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা ঘটনাত মহকুমাধিপতিগৰাকীয়ে জনসংযোগ বিষয়া বিজয় বেজবৰুৱাক প্ৰশংসা কৰাৰ লগতে অনাগত দিনত মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়।

## বিলাসীপাৰাতো পালন ৰাষ্ট্ৰীয় প্ৰেছ দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিলাসীপাৰা ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমা তথ্য আৰু জনসংযোগ বিষয়া স্নিগ্ধাৰাণী দাসৰ উদ্যোগত আৰু লগতে বিলাসীপাৰা মহকুমা প্ৰশাসনৰ সহযোগত সংবাদ মাধ্যমৰ ওপৰত ক"ভিড ১৯ মহামাৰীৰ প্ৰভাৱ আৰু সংবাদ মাধ্যমৰ ভূমিকা ওপৰত লক্ষ্য ৰাখি আজি বিলাসীপাৰা ডঃ বি আৰ অম্বেদকাৰ ভৱনত



আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস খনত উপস্থিত থাকে মুখ্যবক্তা তথা মুৰব্বী আৰু সহযোগী অধ্যাপক, চাপৰ ৰত্নপীঠ কলেজৰ ইংৰাজী বিভাগ শ্ৰীযুত শ্বেখ হেদায়েতুল্লাহ, বিলাসীপাৰা মহাবিদ্যালয়ৰ লাইব্ৰেৰীয়ান শ্ৰীযুত হৰিচৰণ দাস, শ্ৰীযুত বিশিষ্ট সাংবাদিক দয়াল পাল, বিশিষ্ট সাংবাদিক মছলেম উদ্দিন,আদিকে ধৰি বিভিন্ন পৰ্যায়ৰ সাংবাদিক ৰাষ্ট্ৰীয় প্ৰেছ দিৱস অনুষ্ঠানটোত উপস্থিত থাকে।

## মুছলপুৰত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ ঃ** সম্প্ৰতি বিশ্বত্ৰাস ক'ভিড-১৯ মহামাৰীৰ মাজতো সাংবাদিকসকলে কভিড নিয়ন্ত্ৰণৰ আৰু সজাগতাৰ ক্ষেত্ৰত যি অনবদ্য ভূমিকা গ্ৰহণ কৰিছে সেয়া প্ৰসংশনীয়। আজি মুছলপুৰ প্ৰেছ ক্লাব আৰু বাকসা জিলা প্ৰশাসনৰ যৌথ উদ্যোগত মুছলপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৰণিকা "কলম - কেমেৰা" উন্মোচন কৰি বাকসা জিলাৰ উপায়ুক্ত ৰঞ্জন শৰ্মাই এইদৰে কয়। মহামাৰী ক'ভিড-১৯ৰ সময়ছোৱাত সাংবাদিক সকলে নিজৰ জীৱনৰ প্ৰতি আওকাণ কৰিও ডাঁৱৰ বাতৰি ডাঁৱে দি সংবাদ পৰিৱেশন কৰাৰ লগতে জনসাধাৰণকো সজাগ কৰি তুলিছে। জটিল সময়ত সাংবাদিকসকলৰ এনে ভূমিকা অতি প্ৰশংসনীয়। স্মৰণিকা উন্মোচনৰ পিছত "সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু সংবাদ মাধ্যমৰ ভূমিকা" শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। বাগ্‌সা জিলাৰ আৰক্ষী অধীক্ষক হিৰণ্য বৰ্মনে উদ্বোধন কৰা আলোচনা চক্ৰখন সঞ্চালনা কৰে বাগ্‌সা জিলা তথ্য আৰু জনসংযোগ বিষয়া হেমচন্দ্ৰ পাঠকে। আলোচনা চক্ৰত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়াই সাম্প্ৰতিক সময়ত সংবাদ মাধ্যমৰ ভূমিকা আৰু ক'ভিড-১৯ৰ কালছোৱাত সাংবাদিকে গ্ৰহণ কৰা তৎপৰতা সম্পৰ্কে বিতং ব্যাখ্যা দাঙি ধৰে। ক'ভিড-১৯ ৰ সময়ত ছপা মাধ্যম সমূহৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱিত হোৱাত প্ৰচলনৰ সংখ্যা ব্যাপক হ্ৰাস পায়। সংবাদ মাধ্যমৰ ক্ষেত্ৰত এয়া গভীৰ চিন্তনীয় বিষয় বুলি অভিহিত কৰি তেখেতে কয় যে আজিৰ নতুন যুগত সমাজত সাংবাদিক সকলে প্ৰতিষ্ঠিত হ'বলৈ হ'লে সততা আৰু নীতিনিষ্ঠ হ'ব লাগিব। সম্প্ৰতি সামাজিক মাধ্যমৰ গুৰুত্ব বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিততে সংবাদ মাধ্যমে জনতাৰ ওচৰত আৰু অধিক ওচৰ চপাই অহা বুলি মন্তব্য কৰি বিশিষ্ট সাংবাদিক গৰাকীয়ে এয়া এক শুভলক্ষণ বুলি অভিহিত কৰে। ছপা মাধ্যম আৰু নিউজ চেনেলৰ পিছতে সামাজিক মাধ্যমৰ প্ৰৱেশে অধিক জনপ্ৰিয় হোৱা বুলি মন্তব্য কৰে। আমাৰ অসম কাকতৰ সহকাৰী সম্পাদক মন্টু শইকীয়াই আলোচনা চক্ৰত ভাষণ দি কয় যে ভাৰতীয় সংবিধানে সাংবাদিকক বাক্ স্বাধীনতা দিছে। এই স্বাধীনতাৰ দ্বাৰাই সাংবাদিক সকলে নিজ স্বাৰ্থ অবিহনে নিজৰ কৰ্ম সম্পাদন কৰি আহিছে। বাকসা জিলা স্বাস্থ্য বিভাগৰ মিডিয়া এক্সপাৰ্ট প্ৰশান্ত কুমাৰ দত্ত, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনিৰ ৰাজ্যিক সমন্বয়ক কুলেশ তালুকদাৰ আৰু চিত্ৰ সাংবাদিক পাৰ্থজ্যোতি দাসে আলোচনা চক্ৰত অংশ লৈ ভাষণ প্ৰদান কৰে। মুছলপুৰ প্ৰেছ ক্লাবৰ সম্পাদক নিকুঞ্জ কলিতাই আঁত ধৰা আজিৰ এই অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে প্ৰবীণ সাংবাদিক অনিল চন্দ্ৰ কাকতিয়ে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় প্ৰেছ ক্লাবৰ সভাপতি কাৰ্তিক দাসে।

## লামডিঙতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৱাঝাৰ ঃ** হোজাই জিলা প্ৰশাসন আৰু লামডিং প্ৰেছ ক্লাবৰ সৌজন্যত অনুষ্ঠিত প্ৰেছ দিৱসত উপস্থিত আছিল হোজাই জিলাৰ অতিৰিক্ত উপায়ুক্ত এ কে ইলিয়াছ এন আহমেদ, প্ৰাগ নিউজৰ সহযোগী সম্পাদক দেৱজিৎ ভূঞা, অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পদুম ৰাজখোৱাকে ধৰি বহু বিশিষ্ট ব্যক্তি তথা জিলাৰ সকলো সাংবাদিক। আজিৰ এই দিনটোতে হোজাই জিলাৰ কেইবাজনো জ্যেষ্ঠ সাংবাদিকক সম্বৰ্ধনা প্ৰদান কৰাৰ লগত লামডিঙৰ কেইবাজনো ক'ভিড যোদ্ধাকো সম্বৰ্ধনা প্ৰদান কৰে। লামডিঙত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ মূল বিষয় আছিল কৰ'না মহামাৰীৰ সময়ত সাংবাদিকৰ ভূমিকা আৰু সাংবাদিকৰ ওপৰত ইয়াৰ প্ৰভাৱ। বহু বিশিষ্ট সাংবাদিক তথা বক্তাই এই মূল বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰাৰ লগতে ভালেসংখ্যক



মূল্যৱান মন্তব্য আগবঢ়ায়। মুখ্য অতিথি তথা বক্তা দেৱজিৎ ভূঞাই কয় যে সমাজত ক'ভিডৰ নীতি নিয়ম সাংবাদিক, আৰক্ষী, ৰাজনৈতিক নেতাসকলৰ বাবে প্ৰযোজ্য। বিভিন্ন পত্ৰ-পত্ৰিকা, টিভি চেনেলত সাংবাদিকসকলক নিযুক্তি দিয়াৰ সময়ত যেনেদৰে বিভিন্ন প্ৰক্ৰিয়াৰ মাজেদি নিযুক্তি কৰা হয়, সাংবাদিকসকলক নিলম্বন কৰাৰ সময়তো যেন এটা প্ৰক্ৰিয়াৰ মাজত নিলম্বন কৰাৰ বাবে মালিক পক্ষই ব্যৱস্থা কৰিব লাগে। ইফালে, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ হোজাই জিলা সমিতিৰ উদ্যোগত ডবকাত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়।

## জোনাইতো উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, জোনাই, ১৬ নৱেম্বৰ ঃ** জোনাই মহকুমা প্ৰশাসনৰ উদ্যোগত তথা মহকুমা জনসংযোগ বিভাগৰ সহযোগত মহকুমাধিপতিৰ সভাকক্ষত আজি সমগ্ৰ দেশৰ লগতে জোনাইতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। আজিৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ সভাপতিত্ব কৰে জোনাই মহকুধিপতি জিমলি শইকীয়া কাকতিয়ে। জোনাই প্ৰেছ ক্লাবৰ সভাপতি গৌতম পেগুৱে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা পিছতে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস অনুষ্ঠানত সন্মানিত আমন্ত্ৰিত অতিথি সকলক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছতে জোনাই মহকুমাত সংবাদ সেৱা আগবঢ়াই থকা সকলো সংবাদকৰ্মীক সম্বৰ্ধনা জনাই জোনাই মহকুমা জনসংযোগৰ ফালৰ পৰা জনসংযোগৰ বিষয়া চৌবিশ ভূঞাই। ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষ্য ক'ভিড-১৯ মহামাৰী সময়ছোৱাত সংবাদ মাধ্যমৰ ভূমিকা আৰু ইয়াৰ প্ৰভাৱ উক্ত বিষয়ৰ ওপৰত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি মুৰ্কংচেলেক কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰকান্ত পেগু, জেষ্ঠ নাগৰিক ৰাযেশ্বৰ পায়েং, জেষ্ঠ সাংবাদিক ৰয়েল পেগু, মুৰ্কংচেলেক মহাবিদ্যালয়ৰ অধ্যক্ষ জয়কুমাৰ দলে, মুৰ্কংচেলেক মহাবিদ্যালয়ৰ প্ৰবক্তা হেমন্ত শৰ্মা, সাংবাদিক প্ৰফুল্ল কামানে আদিয়ে বিগত কৰুণা মহামাৰীৰ সময়ত কিদৰে সংবাদ কৰ্মীসকলে প্ৰত্যাবানৰ সন্মুখীন হৈছিল তাৰ ওপৰত বহুমূলীয়া বক্তব্য ৰাখে। আজিৰ সভাত জোনাই বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ খগেশ্বৰ পেগু, দণ্ডাধীশ প্ৰীতম কুমাৰ দাস, নিৰ্বাচনী বিষয়া গায়ত্ৰী পাতিৰ লগতে জোনাই তথ্য আৰু জনসংযোগৰ বিষয়া কৰ্মচাৰী উপস্থিত থাকে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় জোনাই মহকুমা তথ্য আৰু জনসংযোগ বিষয়া চৌবিশ ভূঞাই।

## গোলাঘাটত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট ঃ** গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত আজি গোলাঘাটৰ আবৰ্ত ভৱনৰ সভাকক্ষত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। দিৱসৰ আৰম্ভণিতে প্ৰয়াত সাংবাদিকসকলৰ স্মৃতিত স্মৃতি তৰ্পণ কাৰ্যসূচী শুভাৰম্ভ কৰে গোলাঘাটৰ উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী আৰু প্ৰবীণ সাংবাদিক দ্বিপেন দত্তই। ইয়াৰ পিছতে উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত এই বছৰৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ মূল বিষয়বস্তু " ক'ভিড -১৯ মহামাৰীৰ সময়ত প্ৰচাৰ মাধ্যমৰ ভূমিকা আৰু সংবাদ মাধ্যমৰ ওপৰত ইয়াৰ প্ৰভাৱ " শীৰ্ষক বিষয় সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক জিতেন কাকতিয়ে। কাকতিয়ে কৰুণাকালত সংবাদ মাধ্যম তথা সাংবাদিকসকলে গ্ৰহণ কৰা ভূমিকা আৰু সংবাদ মাধ্যমৰ ওপৰত পৰা বিৰূপ প্ৰভাৱ সম্পৰ্কত বিস্তৃতভাৱে আলোকপাত কৰে। সভাত সাংবাদিক পেন্সনাৰ দ্বিপেন দত্ত, জ্যেষ্ঠ সাবাদিক অপূৰ্ব বল্লভ গোস্বামী, দুগ্ধ দত্ত , বিকাশ শৰ্মা , সমীৰণ দিগন্ত বৰা , প্ৰণৱ চক্ৰৱৰ্তী আদিয়ে বক্তব্য প্ৰদান কৰে। সভাত চলিত বৰ্ষৰ সাংবাদিক পেন্সনপ্ৰাপ্ত দুই জ্যেষ্ঠ সাংবাদিক অপূৰ্ব বল্লভ গোস্বামী আৰু দুগ্ধ দত্তক সম্বৰ্ধনা জনোৱা হয়। সহকাৰী আয়ুক্ত তথা জিলা ভাৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া পাপু গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ শলাগৰ শৰাই আগবঢ়ায় অতিৰিক্ত উপায়ুক্ত ধীৰাজ দাসে।

## গুৱাহাটী প্ৰেছ ক্লাবত 'আপকু'ৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱস



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে আজি চৰকাৰী পঞ্জীয়নভুক্ত সাংবাদিকসকলৰ সংগঠন 'আসাম প্ৰেছ কৰেছপণ্ডেন্টছ ইউনিয়ন' চমুকৈ 'আপকু'ৱে গুৱাহাটী প্ৰেছ ক্লাৱত দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰে। মন কৰিবলগীয়া যে 'প্ৰেছ কাউঞ্চিল অৱ ইণ্ডিয়া'ৰ প্ৰতিষ্ঠা দিৱসৰ দিনটোতে সমগ্ৰ দেশত ১৬ নৱেম্বৰৰ দিনটো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস ৰূপে পালন কৰা হয়। আজি পুৱাৰ ভাগত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ পতাকা উত্তোলন কৰে 'আপকু'ৰ কেন্দ্ৰীয় সভাপতি মনোজ সিঙে। এই পতাকা উত্তোলন কাৰ্যসূচীৰ পৰাই 'আপকু'ৱে প্ৰতিদিন টাইম আৰু অসমীয়া খবৰৰ কাকপথাৰৰ সাংবাদিক পৰাগ ভূএঁাৰ ৰহস্যজনক মৃত্যু আৰু মিৰ্জাস্থিত অসমীয়া প্ৰতিদিন আৰু দৈনিক অসম কাকতৰ সাংবাদিক মিলন মহন্তক একাংশ অসাধু ব্যক্তিয়ে ৰাজহুৱাভাৱে অপদস্থ কৰা ঘটনাৰ সম্পৰ্কত গভীৰ উদ্বেগ প্ৰকাশ কৰে। সাম্প্ৰতিক সময়ত পুনৰ নিতৌ সাংবাদিক অপদস্থ হোৱাৰ ঘটনাৰ পৰিপেক্ষিতত 'আপকু'ৱে অসমৰ সাংবাদিকসকলৰ সামাজিকসুৰক্ষাৰ বাবে এক বিশেষ আইন প্ৰণয়নৰ দাবী উত্থাপন কৰে। ৰাজ্য চৰকাৰে আলোচনাৰ ভিত্তিত এই আইন প্ৰণয়ন কৰি নিহত সাংবাদিকসকলৰ পৰিয়ালক ২০ লাখকৈ এককালীন সাহাৰ্য্য দিবলৈ 'আপকু'ৱে চৰকাৰক অনুৰোধ জনায়। প্ৰেছ দিৱসৰ কাৰ্যসূচীতেই ইতিমধ্যে ৰাজ্যত বিভিন্ন ঘাতকৰ হাতত প্ৰাণ হেৰুওৱা সাংবাদিকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি যচা হয়। এই কাৰ্যসূচীৰ শুভাৰম্ভণী কৰে 'আপকু'ৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্যই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানতেই 'আপকু'ৱে পুনৰ ক্ষোভ উজাৰি কয় যে, ১৯৯১ চনৰ পৰা ঘাতকৰ হাতত প্ৰাণ হেৰুওৱা সাংবাদিক সকলৰ এজনো হত্যাকাৰীয়ে আইনৰ দৃষ্টিত শাস্তি নাপালে। ৰাজ্য চৰকাৰে যাতে এই গোচৰবোৰৰ তদন্ত খৰটকীয়া কৰি দোষীক আদালতৰ জড়িয়তে উচিত শাস্তি দিব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰৰ ওচৰত 'আপকু'ৱে দাবী উত্থাপন কৰে। 'আপকু'ৰ সভাপতি মনোজ সিঙৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসমীয়া প্ৰতিদিন কাকতৰ জেষ্ঠ সাংবাদিক প্ৰকাশ মহন্ত। নিজ ভাষণ প্ৰসংগত বিশিষ্ট সাংবাদিক গৰাকীয়ে কয় যে, শেহতীয়াকৈ পুনৰ ৰাজ্যত একাংশ মাফিয়াৰ দ্বাৰা সাংবাদিক হত্যা, সাংবাদিক নিগ্ৰহৰ ঘটনা বৃদ্ধি পাইছে। যিটো অতিকৈ দুৰ্ভাগ্যজনক সাংবাদিক সকলৰ বাবে আন এক দুৰ্ভাগ্যৰ কথা যে, আৰক্ষী প্ৰশাসনেও এতিয়া কোনো সাংবাদিক নিগ্ৰহ হ'লে তেওঁলোকে সেই ঘটনাক গাপ দিবলৈ বিচাৰে। ৰাজ্যত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰৰ অহাৰ পিছত ভবা হৈছিল যে সাংবাদিক নিগ্ৰহৰ ঘটনা কমিব। কিন্তু কাজে কামে সেইয়া হৈ নুঠিল। এতিয়া ৰাইজেই সাংবাদিকক সুৰক্ষা দিব লাগিব আৰু সকলো সাংবাদিকে ঐক্যবদ্ধভাৱে সংগ্ৰামখন আগবঢ়াই নিব লাগিব। মুকলি সভাতেই 'আপকু'ৱে আমাৰ অসম কাকতৰ ডেপুটি এডিটৰ গৌতম শৰ্মা আৰু ইউ বি ফটোজৰ জেষ্ঠ ফটো সাংবাদিক উৎপল বৰুৱাক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। উৎপল বৰুৱা বিশেষ কাৰণত প্ৰেছ দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকিব নোৱাৰাত তেওঁৰ হৈ ফটো সাংবাদিক আব্দুল ছাজিদে সম্বৰ্ধনা গ্ৰহণ কৰে। 'আপকু'ৰ সম্বৰ্ধনা গ্ৰহণ কৰি আমাৰ অসম কাকতৰ ডেপুটি এডিটৰ গৌতম শৰ্মাই সাংবাদিকসকলে ৰাজ্যখনত দীৰ্ঘদিন ধৰি ভোগ কৰি অহা সমস্যাৰ বিষয়ে অৱগত কৰে। আৰ্থসামাজিক নিৰাপত্তা আদিকে ধৰি উমেহতীয়া ইছুবোৰত সকলো সাংবাদিকে ঐক্যবদ্ধভাৱে সংগ্ৰাম কৰিব লাগিব। নিজৰ ভাষণত গৌতম শৰ্মাই সাংবাদিকৰ গুণগত মানদণ্ড বৃদ্ধিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

## আটাইতকৈ বেছি বাধাগ্ৰস্ত মাধ্যম হ'ল সংবাদ মাধ্যম

### দৰঙত প্ৰেছ দিৱসত ৰাজ্যিক তথ্য আয়ুক্ত সমুদ্ৰগুপ্ত কাশ্যপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৬ নৱেম্বৰ ঃ** 'সংবাদ মাধ্যম আইনৰ উৰ্দ্ধত নহয়। আজিৰ দিনত আটাইতকৈ বাধাগ্ৰস্ত মাধ্যম হ'ল সংবাদ মাধ্যম। যিহেতু সংবাদ মাধ্যমৰ ওপৰত বৰ্তমান প্ৰায় ৫৭টা আইন প্ৰযোজ্য হয়। সংবাদসেৱীসকলে সংবাদ পৰিৱেশনৰ বেলিকা এই কথা মনত নাৰাখিলে বহুক্ষেত্ৰত বিপদত পৰিব পাৰে'— এই মন্তব্য দেশৰ বিশিষ্ট সাংবাদিক, লেখক আৰু অসমৰ এগৰাকী ৰাজ্যিক তথ্য আয়ুক্ত সমুদ্ৰগুপ্ত কাশ্যপৰ। দৰং জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ সহযোগত সোমবাৰে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীত মুখ্য বক্তা হিচাপে উপস্থিত থাকি এই মন্তব্য কৰে। 'সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক বক্তৃতা অনুষ্ঠানত ভাগ লৈ তেওঁ লগতে কয় যে সাংবাদিকসকলে অতিৰঞ্জিত বাতৰি পৰিৱেশনৰ পৰা আঁতৰি থাকি সত্য বাতৰি পৰিৱেশন কৰিব লাগে। অসমৰ সংবাদক্ষেত্ৰখন অধিক শক্তিশালী কৰিবলৈ সাংবাদিকৰ পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই নিজৰ উদাহৰণসহ তেওঁ কয় যে শিক্ষা বা অৰ্হতা লাভৰ কোনো বয়স নাথাকে, বৰঞ্চ ই সাংবাদিকসকলক সংবাদ পৰিৱেশনত বহুগুণে সহায় কৰিব। সভাখন পৰিচালনা কৰি জিলাখনৰ উপায়ুক্ত দিলীপ কুমাৰ বৰাই জিলাখনৰ ক'ভিড-১৯ নিয়ন্ত্ৰণত সহায়-সহযোগ কৰি ইতিবাচক ভূমিকা গ্ৰহণ কৰাৰ বাবে সাংবাদিকসকলক ধন্যবাদ জনায়। জিলাখনৰ সকলো সাংবাদিকক ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি মঙলদৈ সমষ্টিৰ বিধায়ক গুৰুজ্যোতি দাসে ক'ভিড মহামাৰীৰ সময়ত নিজ জীৱনক তুচ্ছ কৰি সংবাদ সেৱা আগবঢ়োৱাৰ বাবে সাংবাদিকসকলৰ ধন্যবাদ জ্ঞাপন কৰে। আনহাতে জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাসে সাংবাদিকসকলৰ দুৰ্ঘটনা, বিভিন্ন বেমাৰ-আজাৰ আদি বিপৰ্যয়ৰ বেলিকা আৰ্থিক সাহাৰ্য আগবঢ়োৱাতো সংশ্লিষ্ট সংবাদ প্ৰতিষ্ঠানৰ কৰ্তব্য বুলি সভাত মন্তব্য কৰে। আৰক্ষী অধীক্ষক অমৃত ভূঞা, অতিৰিক্ত উপায়ুক্তদ্বয় পংকজ কুমাৰ ডেকা, কুমাৰ সুৰজিত বৰা, সহকাৰী আয়ুক্ত মণিকা বুঢ়াগোহাঁই, জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সকলো বিষয়া-কৰ্মচাৰী উপস্থিত থকা এই সভাত বিশিষ্ট সাংবাদিক প্ৰশান্ত বৰুৱাকে ধৰি কেইবাজনো সাংবাদিক, বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

## ক'ভিড প্ৰ'টকল মানি ডিফুত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিফু, ১৬ নৱেম্বৰ ঃ** আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি ডিফুত প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। ডিফু প্ৰেছ ক্লাব আৰু জনসংযোগ বিভাগৰ উদ্যোগত ডিফু তাৰালাংছাস্থিত কাৰ্বি সংস্কৃতিক প্ৰেক্ষাগৃহত আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। বৰ্তমানৰ মহামাৰী ক'ৰনা ভাইৰাছৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি কভিড প্ৰটকল অনুসৰি এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

## মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী ঃ** মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত জিলা তথ্য আৰু জনসংযোগ বিভাগ, মাজুলী জিলা সাংবাদিক সন্থা আৰু আপকু জিলা সমিতিৰ সহযোগত জিলা উপায়ুক্তৰ সভাগৃহত আজি দিনযোৱা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসটি উদ্‌যাপন কৰা হয়। অতিৰিক্ত উপায়ুক্ত নৰেন দাসৰ সঞ্চালনাত অনুষ্ঠিত সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰি জিলা তথ্য আৰু জনসংযোগ বিষয়া ৰাজেন্দ্ৰ বৰুৱাই কয় বিশ্বৰ গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতবৰ্ষৰ গণতন্ত্ৰ ব্যৱস্থাৰ সুনাম আছে আৰু ভাৰতীয় সংবাদ মাধ্যমৰো এই ক্ষেত্ৰত যথেষ্ট অৰিহণা আছে। ক'ভিড অতিমাৰিৰ ক্ষেত্ৰতো দেশৰ সংবাদ মাধ্যমে উল্লেখনীয় ভূমিকা পালন কৰি জনতাক সজাগ সচেতন কৰিবলৈ সক্ষম হৈছে। মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞাই উদ্বোধন কৰা অনুষ্ঠানটোত মুখ্য অতিথি ৰূপে উপস্থিত থাকি জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰীয়ে ক'ভিডৰ সময়ত বহু কঠিন পৰিস্থিতিৰ সন্মুখীন হৈ মাজুলীৰ সাংবাদিকসকলে জিলা প্ৰশাসন, স্বাস্থ্য বিভাগৰ লগতে আৰক্ষী প্ৰশাসনক সহযোগিতাৰে সেৱা আগবঢ়োৱা বুলি উল্লেখ কৰি ধন্যবাদ জ্ঞাপন কৰে। মাজুলী যদিওবা সামগ্ৰিকভাৱে এক পিছপৰা অঞ্চল তথাপি জিলাখনৰ সংবাদকৰ্মীসকলে অতি তৎপৰতাৰে মাজুলীৰ যোগাত্মক তথা বিয়োগাত্মক বা-বাতৰি পৰিৱেশন কৰি সমস্যা সমাধানত গুৰুত্ব দি আহিছে। উপায়ুক্তগৰাকীয়ে আৰু কয় সাংবাদিকসকল সমাজৰ একো একোজন দায়িত্বশীল ব্যক্তি। সেয়ে তেখেতসকলে দূৰদৰ্শী চিন্তা চৰ্চাৰে দায়িত্ব আগবঢ়াই নিলে সমাজৰ কাৰণে মংগল হয়। একেদৰে মাজুলীত বিভিন্ন ক্ষেত্ৰত বহু লোকে নিজ নিজ গুন, চিন্তা আৰু কৰ্মৰে একো একোটা সুন্দৰ কৰ্ম সম্পাদন কৰি আছে। প্ৰচাৰবিমুখ সেইসকলৰ কৰ্ম আদৰ্শকো সংবাদ মাধ্যমে উপযুক্ত ভাৱে জনসমাজলৈ উলিয়াই নিয়াটো বাঞ্চনীয় বুলি প্ৰকাশ কৰে। সভাত "সংবাদ মাধ্যমৰ ওপৰত কভিড-১৯ অতিমাৰিৰ প্ৰভাৱ আৰু এইসময়ত সংবাদ মাধ্যমৰ ভূমিকা" শীৰ্ষক বিষয়ত ভাষন প্ৰদান কৰে নিৰ্দিষ্ট বক্তা উত্তৰ লক্ষীমপুৰ প্ৰেছ ক্লাবৰ সভাপতি শৈলেন বৰুৱাই। ভাষন প্ৰসংগত বৰুৱাই প্ৰথমেই মফচলীয় সাংবাদিক সকলক দা-দৰমহা, সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত মালিক গোষ্ঠীয়ে লোৱা ভূমিকা, ক'ভিডৰ সময়ত সাংবাদিক সকলে লোৱা ভূমিকাৰ সন্দৰ্ভত তথ্যসমৃদ্ধ বক্তব্য আগবঢ়াই। সামূহিক পেক্ষাপটত মাজুলীক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত জিলাখনৰ প্ৰতিজন সাংবাদিকৰে দায়িত্ব আছে বুলিও প্ৰকাশ কৰে। সভাত উপস্থিত থাকি অতিৰিক্ত উপায়ুক্ত অৰিন্দম বৰুৱাই কয়- প্ৰেছ দিৱসটি প্ৰকৃততে সংবাদকৰ্মী সকলৰ আত্মবিশ্লেষণৰ দিন। তাহানিৰ সংবাদসেৱা আৰু আজিৰ সংবাদসেৱাৰ তুলনামূলক বিশ্লেষণ কৰাটোও প্ৰয়োজনীয় বুলি উল্লেখ কৰি বৰুৱাই মাজুলীৰ সংবাদসেৱাৰ ধাৰাটোৰো শলাগ লয়। অনুষ্ঠানত জিলা উপায়ুক্ত বিক্ৰম কৈৰীয়ে ক'ভিডৰ সময়ছোৱাত মাজুলীৰ সাংবাদিক সকলে গ্ৰহণ কৰা সহযোগিতাৰ শলাগ লৈ মাজুলী জিলা সাংবাদিক সন্থা,জিলা আপকু , গড়মূৰ প্ৰেছক্লাব আৰু ইলেক্ট্ৰনিক মিডিয়া ফ'ৰামক একোখন সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। ইফালে মাজুলী জিলা সাংবাদিক সন্থায়ো ড° আনন্দ হাজৰিকা, সাহিত্যিক তৰুণ বৰা আৰু উপায়ুক্ত বিক্ৰম কৈৰীক একোখনকৈ চেলেঙেৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া,জিলা আপকুৰ সভাপতি জীৱন বৰুৱা,গড়মূৰ প্ৰেছ ক্লাবৰ সভাপতি অৰুণ বৰা আৰু ইলেক্ট্ৰনিক মিডিয়া ফ'ৰামৰ পৰা মিটু খাটনীয়াৰে বক্তব্য প্ৰদান কৰে। ইয়াৰ পূৰ্বে সদ্য প্ৰয়াত সাংবাদিক পৰাগ ভূঞাৰ সোঁৱৰণত সভাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে।

## ৰাশিফলত আজিৰ দিনটো

**১ আঘোণ, মঙলবাৰ, ১৭ নৱেম্বৰ, ১৪২৭ ভাস্কৰাব্দ**
**তিথি ঃ তৃতীয়া, নক্ষত্ৰ ঃ উত্তৰভাদ্ৰপদ, জন্মৰাশি ঃ মেষ**
**সূৰ্যোদয়-০৪.৩৫, সূৰ্যাস্ত-০৬.০৩**



■ **মেষ** ঃ ব্যয় বৃদ্ধি। ■ **বৃষ** ঃ স্বাস্থ্য ক্ষতি। ■ **মিথুন** ঃ আনৰ সহায়। **কৰ্কট** ঃ মাতৃৰ সহায়। ■ **সিংহ** ঃ আলহী আগমন। ■ **কন্যা** ঃ আনৰ সহায়। ■ **তুলা** ঃ প্ৰেমত শুভ। ■ **বৃশ্চিক** ঃ ব্যৱসায়ত লাভ। ■ **ধনু** ঃ মন পৰিৱৰ্তন। ■ **মকৰ** ঃ প্ৰেমত নিৰাশ। ■ **কুম্ভ** ঃ ব্যয়বহুলতা। ■ **মীন** ঃ অৰ্থ ব্যয়।

## নাম সলনি

মোৰ সন্তান মিফ্‌টাফিজুৰ ৰহমানৰ জন্ম প্ৰমাণ পত্ৰত মোৰ নাম ৰেজাউল ইছলাম হৈ আছে। প্ৰকৃততে পিতৃৰ নাম অৰ্থাৎ মোৰ নাম জিয়াউৰ ৰহমান।

ঠিকনা
জিয়াউৰ ৰহমান
৫নং ৱাৰ্ড, মঙলদৈ
জিলা ঃ দৰং (অসম)
পিন ঃ ৭৮৪১২৫

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

১৭ নৱেম্বৰ, ২০২০ মঙলবাৰ, গুৱাহাটী ১ আঘোণ ১৯৪২ শক





## ২৩ টা দিনে নিমাতীঘাটত ৰ'পে' জাহাজ ৰাখি থোৱাক লৈ প্ৰতিক্ৰিয়া

### দাহ কৰিলে পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ প্ৰতিকৃতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ১৬ নৱেম্বৰ ঃ** মাজুলীবাসীৰ বাবে প্ৰদান কৰা দুখনকৈ ৰ'পে' জাহাজ নিমাতী ঘাটত ৰাখি থোৱাক লৈ মাজুলীত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।শীঘ্ৰে এই জাহাজ মাজুলীবাসীৰ উপকাৰৰ স্বাৰ্থত চলাচলৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে মধ্য মাজুলী কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাই।উল্লেখযোগ্য যে মাজুলী- যোৰহাট সংযোগী কমলাবাৰী নিমাতী পাৰ ঘাট আৰু অফলামুখ নিমাতী পাৰ ঘাটত চলাচল কৰিবৰ বাবে মাজুলীবাসীৰ যাতায়তৰ সুবিধাৰ বাবে প্ৰদান কৰা অত্যাধুনিক জাহাজ দুখন ২৪ অ'ক্টোবৰ তাৰিখেই নিমাতী ঘাট পোৱাৰ পাছতো আজি পৰ্যন্ত ২৩ টাকৈ দিনে ৰাইজৰ সেৱাত উচৰ্গা কৰা নহ'ল। যাক লৈ এতিয়া জাঙুৰ খাই উঠিছে মধ্য মাজুলী আঞ্চলিক ছাত্ৰ সন্থা। মাজুলীৰ ৰাস আৰু পালনামৰ এই সময়ছোৱাত মাজুলীলৈ মানুহৰ সমাগম হয়। আৰু এই সময়ছোৱাত কি কাৰণে ৰ'পে' দুখন নিমাতী ঘাটত ফুলদানীৰ দৰে সজাই থোৱা কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিলে আঞ্চলিক ছাত্ৰ সন্থাই।আজি মাজুলীৰ কমলাবাৰী চাৰিআলিত মধ্য মাজুলী কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাই পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে।প্ৰতিবাদ কাৰীসকলে ৰ'পে' চলাব নোৱাৰা চন্দ্ৰমোহন পাটোৱাৰী গ'বেগ , বিজেপি চৰকাৰ গ'বেগ মুখ্যমন্ত্ৰী গ'বেগ আদি ধ্বনি দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত সদৌ মাজুলী ছাত্ৰ সন্থাৰ উপ সভাপতি দীপক নেওগে কয় মাজুলীবাসীৰ বাবে প্ৰদান কৰা ৰ'পে' নিমাতী ঘাটত ফুলদানীৰ দৰে সজাই নথৈ মাজুলীবাসীৰ স্বাৰ্থত শীঘ্ৰে চলাবলৈ দাবী জনোৱাৰ লগতে পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মাজুলীক দিনে ৰাতিয়ে উপলব্ধ ফেৰী সেৱা প্ৰদান কৰিম বুলি মাজুলীবাসীৰ আগত প্ৰকাশ কৰাৰ পাছতো সেই ফেৰী আজি পৰ্যন্ত নিদি যিখন ৰ'পে' মাজুলীৰ বাবে প্ৰদান কৰিলে সেইখনো নিমাতী ঘাটত ২৩ টাকৈ দিনে ৰাখি থোৱা কাৰণ কি বুলি পাটোৱাৰীক প্ৰশ্ন কৰে।উক্ত কাৰ্যসূচীত ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক পবিত্ৰ গোস্বামী, মধ্য মাজুলী কমলাবাৰী ছাত্ৰ সন্থাৰ সভাপতি পংকজ বৰুৱা, সম্পাদক ৰুবুল কটকীৰ লগতে ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিৰ সভাপতি জগত হাজৰিকা উপস্থিত থাকে।

## তামুলপুৰত বিশ্বজিৎ দৈমাৰী-ইমানুৱেল মুছাহাৰীৰ প্ৰতিকৃতি দাহ বিপিএফ কৰ্মীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ,১৬ নৱেম্বৰ ঃ** ক্ৰমশঃ উৎতপ্ত হৈ পৰিছে বিটিচিৰ নিৰ্বাচনী প্ৰেক্ষাপট। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দলৰ কামকাজত অসন্তুষ্টি প্ৰকাশ কৰি ইতিমধ্যে বিপিএফৰ অন্যতম সাধাৰণ সম্পাদক ইমানুৱেল মছাহাৰীয়ে বিপিএফ দলৰ পৰা আঁতৰি থাকি বিজেপি দলৰকামকাজত জৰিত হৈ থকাৰ পিছত শেহতীয়া ভাৱে বিপিএফৰ কাৰ্যকৰী সভাপতি তথা ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰীয়ে বিপিএফ ত্যাগ কৰি বিজেপি গমণৰ পূৰ্ণ প্ৰস্তুতি চলাই আছে। এই সময়তে আজি গয়বাৰী ব্লক বিপিএফৰ উদ্যোগত বিপিএফ কৰ্মী সকলে দিনৰ ভাগত ৰঙিয়া-ভূটান আন্তঃৰাষ্ট্ৰীয় ঘাইপথত সাংসদ বিশ্বজিৎ দৈমাৰী আৰু তামুলপুৰৰ বিধায়ক ইমানুৱেল মছাহাৰীৰ প্ৰতিকৃতি দাহ কৰে। প্ৰতিবাদকাৰী বিপিএফ কৰ্মী সকলে বিশ্বজিৎ দৈমাৰী মুৰ্দাবাদ, ইমানুৱেল মছাহাৰী মূৰ্দাবাদ,বিজেপি মুৰ্দাবাদ,হিমন্ত বিশ্ব মুৰ্দাবাদ,হাগ্ৰামা মহিলাৰী জিন্দাবাদ,বিপিএফ জিন্দাবাদ ধ্বনিৰে ৰাজপথ উত্তাল কৰি তোলে। প্ৰতিবাদ কাৰীসকলে দুয়োজন নেতাকে প্ৰতাৰক আখ্যা দিয়ে। দুয়োগৰাকী নেতাই দলটোক দমন কৰি থকাৰ অভিযোগ তুলি দলৰ তৃণমূল কৰ্মী সকলক কাম কৰিব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে গয়বাৰী ব্লক বিপিএফৰ কৰ্মীসকলে ।বিপিএফ দলত থাকিয়েই সাংসদ, বিধায়ক হোৱা দুয়োজন নেতাক তেওঁলোকে গাদ্দাৰ বুলিও অভিযোগ কৰে। ভৱিষ্যতে বিটিচিত প্ৰৱেশ নকৰিবলৈ সকিয়নী দিয়ে প্ৰতিবাদ কাৰীসকলে ।আজিৰ প্ৰতিবাদী কাৰ্যসূচীত তামুলপুৰ জিলা



বিপিএফৰ কাৰ্যকৰী সভাপতি আদিত্য সিংহা, গয়বাৰী সমষ্টিৰ প্ৰাৰ্থী চণ্ডী বসুমতাৰী, তামুলপুৰ জিলা মহিলা বিপিএফৰ সভানেত্ৰী গোলাপী ভৰালী, জিলা যুৱ বিপিএফৰ উপ সভাপতি চন্দ্ৰ শেখৰ ৰবিদাসকে ধৰি বহুসংখ্যক নেতা কৰ্মী উপস্থিত থাকে।

## অৱসৰপ্ৰাপ্ত শিক্ষক কমল চন্দ্ৰ নাথৰ পৰলোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৬ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জোকতলি মৌজাৰ অন্তৰ্গত নাথ গাঁৱৰ নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক তথা সৰবৰহী ব্যক্তি কমল চন্দ্ৰ নাথ(৯০)ৰ আজি দিনৰ প্ৰায় ১-৪৫ বজাত বাৰ্দ্ধক্যজনিত অসুখত ভুগি নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। নামতি উচ্চ বিদ্যালয়ৰ পৰা ১৯৯৯ চনত হিন্দী শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা কমল চন্দ্ৰ নাথ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত আছিল। অঞ্চলটোত 'বাপুজী' পৰিচয়েৰে সকলোৰে প্ৰিয় ব্যক্তিজনে বহুবছৰ ধৰি ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ লগত জড়িত হৈ আহিছিল আৰু অঞ্চলটোৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীক অনানুষ্ঠানিকভাৱে বিনাবেতনে হিন্দী বিষয়ৰ পাঠদান কৰাৰ লগতে সমিতিৰ অধীনত হোৱা পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো ব্যৱস্থা কৰি দিছিল। অতি অমায়িক স্বভাৱৰ ব্যক্তিজনে অংকীয়া নাট-ভাওনাৰ এগৰাকী সুদক্ষ ভাৱৰীয়া হিচাপেও মনপৰশা অভিনয়েৰে ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তেখেতৰ মৃত্যুত নামতি চাৰিআলি উচ্চ বিদ্যালয়, কালুগাঁও প্ৰেছ ক্লাব, ৩৪২ নং কাটনি গাঁও প্ৰাথমিক বিদ্যালয়, নাথগাঁও বৰনামঘৰ পৰিচালনা সমিতি, সুদৰ্শন মইনা পাৰিজাত, নৱজ্যোতি নামদাং উচ্চ মাধ্যমিক বিদ্যালয়, নাথগাঁও সাংস্কৃতিক বিকাশ মঞ্চ, কালুগাঁও কলা-ক্ৰীড়া সন্থা, বটবৃক্ষ, কালুগাঁও ব্যৱসায়ী সন্থা, সংবাদ প্ৰতিষ্ঠান 'কালুগাঁও সংবাদ' আৰু নিউজ ৰেভ আছাম, কালুগাঁও ৰাইটাৰ্ছ গীল্ড, প্ৰকাশন প্ৰতিষ্ঠান 'বাক্য বুক্‌ছ', পৰমানন্দ শলগুৰি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পৰিবাৰ সহ দুজন পুত্ৰ-বোৱাৰী, তিনিগৰাকী জীয়াৰী-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজন ইহসংসাৰত এৰি গৈছে।

## ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৬ নৱেম্বৰ ঃ** ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়, ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সহযোগত আজি ডিব্ৰুগড় জিলা উপায়ুক্ত কাৰ্যালয়ৰ জিলা প্ৰশিক্ষণ গৃহত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয়। 'সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভূমিকা' -এই বিষয়ৰ ওপৰত আজিৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলাৰ অতিৰিক্ত উপায়ুক্ত ডিপু কুমাৰ ডেকাই আজিৰ কাৰ্যসূচীত উদ্বোধকৰূপে উপস্থিত থাকি ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচী বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰে । উদ্বোধনী বক্তব্য ৰাখি ডিব্ৰুগড় জিলাৰ অতিৰিক্ত উপায়ুক্ত ডিপু কুমাৰ ডেকাই বিগত সময়চোৱাত বিশেষকৈ ক'ভিড-১৯ মহামাৰীৰ সময়ত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলে যিদৰে নিৰন্তৰ গতিত উৎসৰ্গিত মনোভাৱৰে যি সেৱা আগবঢ়াই আহিছে, তাৰ বাবে সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলক ধন্যবাদ জনায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক ডঃ চন্দন কুমাৰ শৰ্মাই আজিৰ প্ৰেছ দিৱসৰ কাৰ্যসূচীত 'সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভূমিকা' বিষয়ৰ ওপৰত মূল বক্তাৰূপে বক্তব্য আগবঢ়ায়। সভাত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিত বৰা আৰু সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁই , ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক অনিল পোদ্দাৰেও বক্তব্য ৰাখে।

## শালি ধানৰ নিম্নগামী দামত ৰামটাঙোন কৃষকৰ মূৰত ঃ কাণষাৰ নাই চৰকাৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ১৬ নবেম্বৰ ঃ** অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আৰু শাক-পাচলীৰ নিয়ন্ত্ৰণহীন মূল্যবৃদ্ধিৰ বিপৰীতে শালি ধানৰ নিম্নগামী দামে ৰাজ্যৰ কৃষক সকলৰ মুৰত ৰামটাঙোন সোধাইছে।বছৰটোৰ উপাৰ্জনৰ মূল উৎস খেতিৰ ধান খিনিও উচিত মূল্যত বিক্ৰী কৰিব নোৱাৰি কৃষক সকল হতাশ গ্ৰস্ত হৈ পৰিছে।কৃষক সকলে পানীৰ দৰত মধ্যভোগী ব্যৱসায়ীৰ হাতত বিক্ৰী কৰিব লগা হৈছে। ইপিনে মধ্যভোগী ব্যৱসায়ী সকলে কৃষকৰ পৰা ধান ক্ৰয় কৰা নাই এজন কৃষকে জানিব দিয়া মত,প্ৰতি বিঘা মাটিত শালি ধানৰ খেতি কৰিলে অতি কমেও ৫০০০ৰ পৰা ৫৬০০ টকা খৰচ হয়।প্ৰতি বিঘা মাটি যদি নিম্নতম ১৫ মোন ধান উৎপাদন হয় তেনে হ'লে প্ৰতি মোনত ৪২০ টকাকৈ বিক্ৰী কৰিলে কৃষকে পাব মাত্ৰ ৬৩০০টকা।খৰচ খিনি বাদ দিলে এজন কৃষকে এবিঘা মাটিত ধান খেতি কৰি মাত্ৰ ৬০০ৰ পৰা ৭০০ টকাহে পায়।যদি বিঘাই প্ৰতি ১৫ মোনতকৈ কম হয় তেনেহ'লে কৃষকৰ হাতত লাভৰ নামত এটকাও নাথাকে।বহু কৃষকে গাঠিৰ ধন খৰচেৰে ধান খেতি কৰি সৰ্বস্ৰান্ত হ'ব লগা হৈছে।কৃষি মন্ত্ৰীয়ে ৰাজ্যৰ কৃষক ৰাইজৰ বাবে বিভিন্ন অভিলাষি আঁচনি ঘোষনা কৰি আহিছে যদিও কৃষকৰ পৰা উচিত মূল্যত ধান ক্ৰয় কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাত কৃষক ৰাইজ ক্ষুব্ধ হৈ পৰিছে। কিছুসংখ্যকে ক্ৰয় কৰিছে যদিও কৃষকে তেওঁলোকৰ পৰা উচিত মূল্য পোৱা নাই।ইফালে ভাৰতীয় খাদ্য নিগমেও এই পৰ্যন্ত কৃষকৰ পৰা ধান ক্ৰয় কৰা নাই বুলি জনা গৈছে।ইয়াৰে সুযোগ লৈ একাংশ মধ্যভোগী ব্যৱসায়ীয়ে কৃষকৰ পৰা নিম্ন দৰত ধান ক্ৰয় কৰিছে।কৃষকেও উপায়ন্তৰ হৈ বৃহৎ লোকচান ভৰি হলেও কম মূল্যতে নিজৰ উৎপাদিত ধান মধ্যভোগী ব্যৱসায়ীৰ হাতত বিক্ৰী কৰিব লগা হৈছে।



গোৰেশ্বৰত বিটিচিৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানত কেবিনেট মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক মন্ত্ৰী ভৱেশ কলিতা

### কথা সাহিত্যিক ইমৰান শ্বাহক ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ শুভেচ্ছা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৬ নৱেম্বৰ ঃ** আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ উপলক্ষ্যে অসমৰ এগৰাকী প্ৰসিদ্ধ কথা সাহিত্যিক, অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি, শিৱসাগৰৰ পৰা প্ৰকাশিত অধুনালুপ্ত সাপ্তাহিক কাকত 'সোৱণশিৰি' কাকতৰ সম্পাদক ইমৰান শ্বাহক প্ৰেছ দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে অসম ৰাজ্যিক সাংবাদিক সংস্থা আৰু শিৱসাগৰ জিলা সাংবাদিক সংস্থাই। ধাইআলিৰ বাসগৃহত উপস্থিত হৈ প্ৰবীন সাংবাদিক গৰাকীক শুভেচ্ছা জনাই সজাতি দলটোৱে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ শুভেচ্ছা গ্ৰহণ কৰি সাহিত্যিক ইমৰান শ্বাহে একৈশ শতিকাত সাংবাদিকতালৈ বহু নতুন প্ৰত্যাহবান আহিছে বুলি কয় সাংবাদিক সকলক সততাৰে কাম কৰি যাবলৈ আহবান জনায়। শিৱসাগৰ জিলা সাংবাদিক সন্থাৰ সভাপতি সোমেশ ডেকাৰ নেতৃত্বত যোৱা সজাতি দলটোত অসম ৰাজ্যিক সাংবাদিক সংস্থাৰ প্ৰচাৰ সম্পাদক জয়জ্যোতি গগৈ, চৈয়দ মুস্তাকুৰ ৰহমান, হিমাংশু নেওগ, ৰাজকুমাৰ কনচেং, অচিন্ত বৰঠাকুৰ আৰু সত্যজিত নাথ উপস্থিত থাকে।

## ৩৭খন গ্ৰন্থ প্ৰকাশৰ কাম সম্পূৰ্ণ

## ডিব্ৰুগড়ত নৱবৰ্ষত সোণোৱাল সাহিত্য সভাৰ স্থগিত অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ নৱেম্বৰ ঃ** চলিত বৰ্ষৰ এপ্ৰিলত অনুষ্ঠিত হবলগীয়া আৰু মহামাৰী ক'ভিডৰ পৰিপ্ৰেক্ষিতত স্থগিত ৰখা সোনোৱাল কছাৰী সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক অধিৱেশন অহা বছৰৰ জানুৱাৰী মাহত দুদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড়ত অনুষ্ঠিত হব। জাক-জমকতা পৰিহাৰ কৰি কেৱল গ্ৰন্থ প্ৰকাশত গুৰুত্ব প্ৰদান কৰি অনুষ্ঠিত হব এই অধিৱেশন। ১৫ নৱেম্বৰত টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ সভাপতি গুণেশ্বৰ সোনোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত অধিৱেশনৰ প্ৰস্তুতিৰ লগতে যাৱতীয় অন্যান্য বিভিন্ন দিশ আলোচনাৰ্থে অহা ২২ নবেম্বৰত অভ্যৰ্থনা সমিতিৰ স'তে যৌথ বৈঠক ডিব্ৰুগড়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত গ্ৰন্থ প্ৰণয়ন সমিতিৰ সচিব মোহন সোনোৱালে বৰ্তমানলৈকে ৩৭ খন গ্ৰন্থ প্ৰকাশৰ কাম সম্পুৰ্ণ হোৱাৰ পথত বুলি সদৰি কৰে। অধিৱেশনত এশখন গ্ৰন্থ প্ৰকাশৰ লক্ষ্যস্থিৰ কৰি ৰখা সভাই বাকী গ্ৰন্থৰ সম্পাদনা আৰু ছপাৰ কামো চলিত বৰ্ষৰ ডিচেম্বৰৰ ভিতৰত সম্পুৰ্ণ কৰা হব বুলি জানিবলৈ দিয়ে। মুখ্য সম্পাদক শিৱ নাথ সোনোৱালে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাৰ মুখপত্ৰ 'হালালী'ৰ বাবে লেখা প্ৰেৰণৰ অন্তিম দিন অহা ৫ ডিচেম্বৰ আৰু স্মৃতিগ্ৰন্থৰ বাবে ১৫ ডিচেম্বৰ নিৰ্ধাৰণ কৰা হয়। সভাত উপস্থিত থকা সংগঠনটোৰ বিষয়ববীয়া অহিন্দ্ৰ শইকীয়া, প্ৰশান্ত কুমৰাল, জিতেন চন্দ্ৰ সোনোৱাল, ৰতন হাজৰিকা, দিগন্ত হাজৰিকা, মৃদুল সোনোৱাল, জোনটি সোনোৱাল, সুমন্ত বড়া, প্ৰশান্ত বড়া, সদস্যা নিৰ্মলা সোনোৱাল, অনিমা বড়া, কুসুম শইকীয়া আদিয়ে সাৰুৱা পৰামৰ্শ আগবঢ়ায়। সভাৰ আৰম্ভণিতে সভাৰ কাৰ্যনিৰ্বাহক সদস্য তথা অৰুণাচলৰ বৰডুমচা নিৱাসী দ্বীপেন সোনোৱালৰ অকাল মৃত্যুত এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়।

### শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

## 'মানৱ সমাজক ভাল পাবলৈ শিকিলেহে সাংবাদিকতা কৰাত সাৰ্থকতা থাকিব'

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৬ নৱেম্বৰ ঃ** আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। সমগ্ৰ ভাৰবৰ্ষৰ লগতে আজি শিৱসাগৰ জিলাতো উদ্‌যাপিত হ'ল প্ৰেছ দিৱসৰ এই বিশেষ দিনটো। শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু শিৱসাগৰ জিলা তথ্য আৰু জনসংযোগ বিভাগৰ লগতে শিৱসাগৰ প্ৰেছক্লাৱ, শিৱসাগৰ ই-মিডিয়াৰ সহযোগত শিৱসাগৰ প্ৰেছক্লাৱত অনুষ্ঠিত কৰা এই প্ৰেছ দিৱসৰ এক গাম্ভীয্যপূৰ্ণ অনুষ্ঠানত অংশ গ্ৰহণ কৰে জিলাখনৰ সাংবাদিক মহলৰ লগতে লেখক-লেখিকা, কবি-সাহিত্যিক, শিক্ষাবিদ, সমাজ সচেতন ব্যক্তি সকলে। প্ৰেছ ক্লাৱত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আজিৰ দিনটোৰ মুখ্য বক্তা হিচাপে উপস্থিত থাকে ৰাজ্যখনৰ বিশিষ্ট সাংবাদিক শোভিত কুমাৰ ছেত্ৰী। শিৱসাগৰ প্ৰেছ ক্লাৱৰ সভাপতি ড০ সৌমাৰজ্যোতি মহন্তৰ পৌৰহিত্যত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে প্ৰেছ ক্লাৱৰ সম্পাদক ইনামুল হাজৰিকাই। সভাৰ তাৎপৰ্য ব্যাখ্যা কৰে জ্যেষ্ঠ সাংবাদিক ভৈৰৱ মুণ্ডাই। সভাৰ তাৎপৰ্য ব্যাখ্যা কৰি ভৈৰৱ মুণ্ডাই কয় যে, ১৯৬৬ চনত পোন প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষৰ সংবাদ মাধ্যমৰ লগতে সংবাদ মাধ্যমৰ সৈতে জড়িত সাংবাদিক সকলৰ বাক্ স্বাধীনতা, সংবাদ মাধ্যমৰ স্বতন্ত্ৰতা আৰু সংবাদ মাধ্যমৰ ঐক্যবদ্ধ কণ্ঠক প্ৰতিফলিত কৰিবৰ বাবে গঠন হৈছিল ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। আৰু এই ১৬ নৱেম্বৰৰ দিনটোক ভাৰতত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস হিচাপে উদ্‌যাপন কৰি অহা হৈছে। সাম্প্ৰতিক সময়ত সাংবাদিকতাৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশকেই পাঠক-দৰ্শকে সুক্ষ্ণভাৱে বিশ্লেষণ কৰিছে। সংবাদ মাধ্যমৰ কৰ্মী সকলে ৰাইজৰ উত্তৰণৰ স্বাৰ্থত নেতিবাচক দিশ সমূহ পৰিত্যাগ কৰি ইতিবাচক দিশ সমূহক সামৰি বাতৰি পৰিৱেশন কৰিলে নিশ্চিতভাৱে ৰাইজ উপকৃত হোৱাৰ লগতে গণতন্ত্ৰও শক্তিশালী হৈ উঠিব বুলি মন্তব্য কৰে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ 'সংবাদ মাধ্যমৰ ওপৰত কভিড-১৯ অতিমাৰিৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভুমিকা' শীৰ্ষক আলোচ্য বিষয়ৰ মুখ্য বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট সাংবাদিক শোভিত কুমাৰ চেত্ৰীয়ে কয় যে— সংবাদ মাধ্যমৰ ক্ষেত্ৰখনৰ নিৰপেক্ষতা ভূমিকাক লৈ সচেতন ৰাইজ বিভ্ৰাট। সত্যৰ ওপৰতেই প্ৰতিষ্ঠিত হ'ব লাগে সংবাদ মাধ্যম। সত্যৰ পথত থাকি সংবাদ মাধ্যমে জাতিটোৰ উত্তৰণৰ বাবে কাম কৰি গলে সকলোৰে উত্তৰণ হ'ব বুলি উল্লেখ কৰে। কৰ'না মহামাৰী আতংকৰ মাজতে সংবাদ মাধ্যমে আগবঢ়াই যোৱা সেৱা প্ৰশংসনীয়। সাংবাদিকে কৰা ত্যাগ কেতিয়াও ত্যাগ বুলি ধৰিব নালাগে। ইপ্ৰকৃততে মানৱ সেৱা। আৰ্তজনৰ কণ্ঠস্বৰ। আন এক প্ৰসংগত তেখেতে কয় যে কৰ'নাৰ দৰে মহামাৰী অৱস্থাৰ ক্ষেত্ৰত সাংবাদিক সকলে সজাগতা সৃষ্টি কৰিব লাগে। সাংবিধানিক অধিকাৰ নোপোৱা অৱহেলিত ৰাইজৰ পক্ষত সাংবাদিক সকলে মাত মাতিব লাগে। মানৱ সমাজক ভাল পাব শিকিলেহে সাংবাদিকতা কৰাৰ সাৰ্থকতা থাকিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আজিৰ এই প্ৰেছ দিৱসৰ শুভ উদ্বোধন কৰি শিৱসাগৰ জিলা উপায়ুক্ত লক্ষীনন্দন গগৈয়ে কয় যে সংবাদ মাধ্যম শক্তিশালী হলেহে গণতন্ত্ৰ শক্তিশালী হ'ব। গণতন্ত্ৰক শক্তিশালী কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা অপৰিসীম। জনসাধাৰণক শুদ্ধ খবৰ প্ৰদান কৰি সংবাদ মাধ্যমে শৃংখলাবদ্ধ এখন শক্তিশালী সমাজ গঠন কৰাৰ লগতে দেশ গঢ় দিয়াৰ ক্ষেত্ৰতো সংবাদ মাধ্যম এক শক্তিশালী মাধ্যম হৈ পৰে বুলি তাৎপৰ্যপূণ মন্তব্য কৰে। অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট কবি-সাহিত্যিক প্ৰেম গগৈয়ে কয় যে, বিশ্বত প্ৰথম বাৰৰ বাবে ৰোমত সংবাদ পত্ৰৰ প্ৰচলন হৈছিল। সেই সময়চোৱাত এই সংবাদ পত্ৰ সমূহ সেই দেশৰ ৰজাঘৰীয় পত্ৰ হিচাপে বিৱেচিত হৈছিল। সেই সময়চোৱাত ৰজাঘৰীয়াৰ গুণানুকীৰ্ত্তনৰে সন্নিবিষ্ট হৈ থকা এই ৰজাঘৰীয়া পত্ৰ সমূহ ডাঙৰ ডাঙৰ ৰাজপথৰ বেৰা সমূহত আঁৰি দিয়া হৈছিল। এই পথেদি যোৱা বাটৰুৱাই এই ৰজাঘৰীয়া পত্ৰ তথা সংবাদ পত্ৰ সমূহ পঢ়ি শাসক পক্ষৰ তৰফৰ পৰা গ্ৰহণ কৰা বিভিন্ন বিষয়ৰ সৰ্দভত জানিবলৈ সুবিধা লাভ কৰিছিল। সেই সময়চোৱাতেই বিশ্ববীৰ আলেকজেণ্ডাৰে কৈছিল 'এহেজাৰ যুঁজাৰুতকৈ তিনিজন সাংবাদিকেই যথেষ্ট'। ভাষণ প্ৰসংগত তেখেতে আৰু কয় যে প্ৰাচীনকালৰ সংবাদ সেৱা আৰু সাম্প্ৰতিক সময়ৰ সংবাদ সেৱাৰ পাৰ্থক্য আছে যদিও সংবাদ মাধ্যমৰ মুল উদ্দেশ্যটোৱেই হৈছে সমাজ অথবা ৰাষ্ট্ৰ এখনক ইতিবাচক চিন্তাৰে উত্তৰণৰ দিশলৈ আগুৱাই নিয়াটোহে বুলি উল্লেখ কৰে। জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক আব্দুল জেলিলে কয় যে শিক্ষাৰ দিশত সংবাদ মাধ্যমে ইতিবাচক দিশবোৰ উন্মোচিত কৰি শিক্ষক-অভিভাৱক-ছাত্ৰ ছাত্ৰীক উৎসাহিত কৰিছে বুলি মন্তব্য কৰে। জিলা তথ্য আৰু জনসংযোগ বিষয়া চৈয়দা হাচনা হানা বেগমে শলাগৰ শৰাই অনুষ্ঠানটোৰ আৰম্ভণিত প্ৰয়াত সাংবাদিক পৰাগ ভূঞাৰ স্মিতিত এক মিনিট মৌণ প্ৰাৰ্থনা কৰে।




## কংগ্ৰেছে সংখ্যালঘুক ভোটবেংক হিচাপেহে ব্যৱহাৰ কৰি আহিছে ঃ ৰূপক শৰ্মা

### নগাঁৱৰ ভকতগাঁৱত বিজেপিৰ বুথ সন্মিলন সম্পন্ন ঃ কংগ্ৰেছে দলীয় টিকট বেচা-কিনা কৰে ঃ প্ৰাক্তন বিধায়ক মজিবুৰ ৰহমান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ নৱেম্বৰ ঃ** " স্বাধীনতাৰ পিছৰে পৰা অসমত সংখ্যালঘু ৰাইজক কংগ্ৰেছে প্ৰতাৰণা কৰি আহিছে। ইমানদিনে এই সহজ-সৰল জনগোষ্ঠীটোক কংগ্ৰেছে ভোট বেংক হিচাপে ব্যৱহাৰ কৰাৰ বাহিৰে কোনো উন্নয়নমুলক কাম কৰা নাই।" - এই মন্তব্য নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ। আজি নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত ভকতগাঁও জিলা পৰিষদ ভিত্তিত অনুষ্ঠিত বিজেপিৰ বুথ সন্মিলনত অংশগ্ৰহণ কৰি এইদৰে মন্তব্য কৰি বিধায়ক শৰ্মাই আৰু কয়, "২০১৬ চনৰ বিধান সভা নিৰ্বাচনত কংগ্ৰেছে সংখ্যালঘু ৰাইজক কৈছিল যে অসমত বিজেপি চৰকাৰ আহিলে মুছলমান লোকে নামাজ পঢ়িব নোৱাৰে, আজান দিয়া বন্ধ হ'ব। কিন্তু আমাৰ বিজেপি চৰকাৰৰ কাৰ্যকাল প্ৰায় শেষ হ'বৰ হ'ল। মছজিদত আজান দিয়া অথবা নাজাম পঢ়া বন্ধ হ'ল জানোঁ?" বিজেপিৰ একাংশ নেতাই সাম্প্ৰদায়িক ৰাজনীতি কৰাৰ লগত দলৰ কোনো সম্পৰ্ক নাই বুলি উল্লেখ কৰি বিধায়ক শৰ্মাই কয়, "বিজেপিয়ে সম বিকাশ আৰু সম উন্নয়ন বিচাৰে। অহা বিধান সভা নিৰ্বাচনত সদৰ সমষ্টিত সংখ্যালঘু ৰাইজে ভোট দি তেওঁক জয়ী কৰালে কোনো দাবী-আবেদন নকৰাকৈয়ে সকলো সমস্যাৰ স্থায়ী সমাধান হ'ব।" বিধায়ক গৰাকীয়ে কংগ্ৰেছক সমালোচনা কৰি অহা বিধান সভা নিৰ্বাচনত সংখ্যালঘু ৰাইজক বিবেক ভোট দিবলৈ আহ্বান জনায়। ভকতগাঁও জিলা পৰিষদৰ সদস্য তথা বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক ওৱাজিউল্লা কবিৰে সঞ্চালনা কৰা সভাত প্ৰাক্তন বিধায়ক তথা অৱসৰপ্ৰাপ্ত অধ্যাপক মজিবুৰ ৰহমানে কয়, "কংগ্ৰেছে দলীয় টিকট বেচা-কিনা কৰে।" প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনৰ কংগ্ৰেছ বৰ্তমান নাই বুলি উল্লেখ কৰি তেওঁ কয়, "বিগত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ দলীয় টিকট ৫ ৰ পৰা ১০ লাখ টকাত বিক্ৰী হৈছে। তৰুণ গগৈ নেতৃত্বাধীন তদানীন্তন কংগ্ৰেছ চৰকাৰৰ দিনত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱা বুলি উল্লেখ কৰি ৰহমানে কয়, বিধান সভা নিৰ্বাচনত কংগ্ৰেছৰ দলীয় ৩ কোটি টকা পৰ্যন্ত বিক্ৰী হৈছে। সেয়ে সৎ মানুহে কংগ্ৰেছৰ দলীয় টিকট নাপায়। যাৰ বাবে তেওঁ দুমাহ পুৰ্বে বিধায়ক ৰূপক শৰ্মাৰ নেতৃত্বত কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিছে বুলি মন্তব্য কৰে। কেবা শতাধিক সংখ্যালঘু ৰাইজ উপস্থিত থকা সভাত বিজেপিৰ নগাঁও জিলা সমিতিৰ সভাপতি অভিজৎ নাথ, দলৰ খাগৰিজান মণ্ডল কমিটিৰ সভাপতি হৰিচৰণ ডেকাও ভাষণ দিয়ে।



দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৭ নৱেম্বৰ ■ ২০২০ ■ ১ আঘোণ ■ গুৱাহাটী

# নিৰ্বাচন আৰু ৰাজনৈতিক নেতা

কৰ'না মহামাৰী আতংকই নিৰ্বাচনী বেৰ কিয় ম্লান কৰিব পৰা নাই। ইতিমধ্যে বিহাৰৰ নিৰ্বাচন পাৰ হৈ গ'ল আৰু মন্ত্ৰীকেইটাই শপতো ল'লে। বিহাৰ বিধান সভাৰ নিৰ্বাচনে অসমৰ প্ৰভাৱান্বিত কৰিব বুলি ভবা হৈছিল। কিন্তু অসম আৰু বিহাৰৰ ভূ-ৰাজনৈতিক চৰিত্ৰৰ পাৰ্থক্য আছে সম্পূৰ্ণ ৰাজনৈতিক ব্যৱস্থাটোত। শাসক দলৰ লোক কেৱল পাকৈত হৈ থকা নাই তেওঁলোকে অধিনায়কৰ ৰূপতো অৱতীৰ্ণ হৈছে। তেওঁলোকৰ তুলনাত বিৰোধী দলবোৰ দুৰ্বল। বিদেশীৰ আটাইবোৰেই সাজু একোখন পাকৈত খেলুৱৈ বুলি। তেওঁলোকে নিৰ্বাচন খেলিব জানে আৰু জিকিবই বুলি বিশ্বাস। কিন্তু এইবোৰ ধাৰণা কিমান সমীচিন তেওঁলোক কিমান পাকৈত যোদ্ধা আৰু ইতিমধ্যে অসমৰ ৰাইজে বুজি পাইছে। নিৰ্বাচনী বতৰ সমাগত। বিৰোধী এতিয়াও বিভক্ত। তেওঁলোক সকলোৱেই দেশদ্ৰোহী, অমৰ প্ৰেমী, জাতীয়তাবাদী, আঞ্চলিকতাবাদী ঠিকেই। কেৱল কথাৰেই কাৰ্যক্ষেত্ৰত তেওঁলোক নিধিৰাম চৰ্দাৰ। সৰ্বভাৰতীয় হৈ বহল মনৰ পৰিচয়ৰে সুবিধা বুজি ৰাষ্ট্ৰীয় দলত যোগদান কৰিবলৈ বাটচাই আছে। অসমত আগেয়ে আখৈ ফুটা দি ফুটাই সদস্যবোৰ যেন নাইকিয়া হৈ হ'ল। সমস্যাবোৰ ৰাইজৰ সন্মুখত দাঙি ধৰিবলৈ তেওঁলোকক ৰাজপাট লাগে। সকলোৱে মুধামাৰি পাৰিলে কোনো মতে মূৰটো গুজি মন্ত্ৰিত্ব লাভ কৰিলে সকলো সমস্যা নাইকিয়া হৈ যাব। সকলো সময়তে সুখ-সুবিধা, দুখ-যন্ত্ৰণা, বিপদ আপদ মূৰ পাতি লোৱাসকলে শাসক দলৰ দৰে কোনো নিৰ্বাচনী আঁচনি প্ৰস্তুত কৰা নাই। ৰাইজৰ সন্মুখত ঠিয় হ'ব পৰা সাসহ গোটাব পৰা নাই। ইতিমধ্যে শাসক দলটোৱে নিৰ্বাচনৰ ৰণশিঙা বজাইছে আৰু ৰাইজৰ ওচৰলৈ গৈছে। কিছুমান আঁচনি যুগুত কৰি ৰাইজৰ সেৱকৰ আশ্বাস পতিয়ন নিয়াবলৈ যত্ন কৰিছে। আচল সমস্যাবোৰৰ কথা পাহৰাই কেৱল চমক দেখুৱাইছে। ইফালে শাসক বিৰোধীৰ সকলো সমাধানক নেতাই সমস্যা সৰ্বস্ব ৰাজনীতিৰ কচৰৎ কৰি ধৰ্ম, ভাষা আৰু বেশ ভূৱাক লৈ মানুহক ভাগ ভাগ কৰা হৈছে। এই ক্ষেত্ৰত মানুহক ভাগ ভাগ কৰা ৰাজনীতিয়ে কেনেদৰে সহায় কৰে শাসক বিৰোধীয়ে নতুনকৈ নাযানে। কেৱল এইদৰে নিৰ্বাচনত জিকিবলৈ নেতাসকলে নিশ্চয় নুবুজাকৈ নাথাকে। কিন্তু সকলো চালি জাৰি চাই শাসকগোষ্ঠীৰ জীৱিকা নিৰ্বাহ কৰাৰ কৌশল সুকীয়া। সকলো বুজিব পৰা যাব কেইমাহ মান মাহৰ পিছতেই। গতিকে বিৰোধী নতুন পুৰণি ৰাজনৈতিক নেতাই ৰাইজৰ মাজলৈ গৈ হাতে কামে লাগে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# আদৰ্শৰ মিল নহ'লেও উদ্দেশ্য এক হোৱা উচিত

ইতিমধ্যে আমি সকলোৱে দেখিবলৈ সক্ষম হৈছো যে ৰাজ্যত কা বিৰোধিতা কৰি তথা বৃহত্তৰ খিলঞ্জীয়া অসমীয়া জাতিটোক সুৰক্ষা আৰু ৰক্ষণাবেক্ষণ দিয়াৰ হেজাৰ প্ৰতিশ্ৰুতিৰে কেইবাটাও আঞ্চলিক ৰাজনৈতিক শক্তিৰ জন্ম হৈছে। এই আঞ্চলিক শক্তি জন্ম দিয়াৰ জোৰদাৰ প্ৰতিযোগিতাখন বৰ্তমানলৈকে ৰাজ্যত ভাবিব নোৱাৰা ধৰণে অব্যাহত আছে। বিশেষকৈ লক্ষ্যণীয় বিষয় এইটোৱেই যে প্ৰতিদিনে আমি টেলিভিচন ৰ পৰ্দাত নিতৌ নতুন নতুন আঞ্চলিক শক্তিৰ নাম শুনিবলৈ পাই আছো। কেতিয়াবা মনলৈ প্ৰশ্নৰ উদ্ভৱ হয় যে প্ৰকৃততে এইবিলাক আঞ্চলিক ৰাজনৈতিক শক্তিয়ে আগন্তুক বিধানসভা নিৰ্বাচনত শাসনাধিস্থ বিজেপি চৰকাৰখনত তীব্ৰ প্ৰতিদন্দ্বিতা আগবঢ়াবলৈ সক্ষম হ'ব নে মিচাতে ভোট নষ্টহে কৰিব? বিশেষকৈ কা বিৰোধিতাৰে জন্ম লাভ কৰা আঞ্চলিক দল আৰু লগতে কংগ্ৰেছ দলে যদিহে শাসনাধিস্থ বিজেপি চৰকাৰক ২১ ৰ মহাৰণত উচিত প্ৰত্যুত্তৰ দিব বিচাৰে তেনেহ'লে সকলোৱে একত্ৰিত হৈ আগবঢ়াটো উচিত। কা বিৰোধিতা মুখ্য উদ্দেশ্য হিচাপে আগত ৰাখি ইতিমধ্যে ৰাজ্যত নতুনকৈ জন্ম লাভ কৰা আঞ্চলিক দলসমূহৰ লগতে কংগ্ৰেছ দলেও আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপি ৰ বিৰুদ্ধে নিজৰ নিজৰ শক্তি প্ৰদৰ্শন কৰিব তাত কোনো সন্দেহ নাই, কিন্তু এই সদ্যঘোষিত আঞ্চলিক শক্তিসমূহে আজিৰ তাৰিখত চাবলৈ গলে প্ৰকৃততে অসমবাসী ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব নে নাই সেয়া কিন্তু এক ধৰণৰ সন্দেহৰ আৱৰ্তত বসবাস কৰা কথা। কিয়নো আমি সাধাৰণ জনতাই ইতিমধ্যে ৰাজ্যত নতুনকৈ জন্ম লাভ কৰা আঞ্চলিক দলসমূহৰ কোনো ধৰণৰ বিশেষ প্ৰভাৱ ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপটত ভাল দৰে দেখিবলৈ সক্ষম নাই হোৱা আৰু লগতে নিতৌ নতুন নতুন আঞ্চলিক শক্তি গঠনৰ খবৰে আমাৰ মাজত একধৰণৰ চিন্তা তথা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে যে প্ৰকৃততে এইসকল আঞ্চলিক শক্তিৰ উদেশ্যে কা বিৰোধিতা কৰা নে কা বিৰোধিতা ৰ নাটক সজোৱাই নিজৰ নিজৰ ব্যক্তিগত মুনাফা অৰ্জন কৰা? যদিহে কা বিৰোধিতা কৰি শাসনাধিস্থ বিজেপি চৰকাৰক অসমবাসী ৰাইজৰ পৰা মুক্ত কৰিব বিচাৰে তেনেহ'লে সকলোৱে মিলি এটা বিশেষ আঞ্চলিক শক্তিৰ জন্ম নিদি সকলোৱে পৃথকে পৃথকে কিয় আঞ্চলিক শক্তি গঠনৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে? এইটোৱে হয় যে সকলো জাতীয় তথা ছাত্ৰ সংগঠন ৰ নিজৰ নিজৰ আদৰ্শ বেলেগ বেলেগ কিন্তু যদিহে সকলোৰে উদ্দেশ্য কা বিৰোধিতা কৰা তেনেহ'লে কিয় সকলোৱে একত্ৰিত নোহোৱাকৈ পৃথকে পৃথকে আঞ্চলিক দল গঠন কৰিছে? নে কা বিৰোধিতা ৰ শেগান ৰাইজৰ মাজত ঠেলি দি প্ৰকৃততে শাসনাধিস্থ বিজেপি চৰকাৰক আকৌ ৰাজ্যত পুনৰবাৰ শাসন কৰিবলৈ পথ মুকলি কৰি দিছে সেয়া কিন্তু সন্দেহ ৰ আৱৰ্তত বসবাস কৰা কথা? মুঠতে ৰাজ্যত জন্ম লাভ কৰা আঞ্চলিক দলসমূহে যদিহে সকলোৱে মিলি একত্ৰিতভাৱে কা বিৰোধিতা তথা খিলঞ্জীয়া অসমীয়া জাতিটোক সুৰক্ষা তথা ৰক্ষণাবেক্ষণ দিব বিচাৰে তেনেহ'লে নিশ্চিতভাৱে একত্ৰিত হ'বই লাগিব নহ'লে আকৌ ৰাজ্যত শাসনাধিস্থ বিজেপি চৰকাৰক পুনৰবাৰ ৰাজ্যত নিজৰ স্হান দখল কৰিবলৈ বাট মুকলি কৰি দিয়াৰ নিচিনাই প্ৰায় হ'ব তাত কোনো সন্দেহ নাই।

■ চন্দন কুমাৰ নাথ

ফোন ঃ ৯১৩২৮-৪৯৭২৬

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

*নীতীশ কুমাৰৰ নিজৰ হেৰোৱা ইমেজ ঘূৰাই পোৱা অসম্ভৱঃ নীতীশ কুমাৰ ক্ষমতাত ঘূৰি আহিব পাৰে। কিন্তু যিভাৱে নিৰ্বাচনৰ সময়ত তেওঁৰ বিৰুদ্ধে জনগণৰ অসন্তোষ দেখা গৈছিল তাত নীতীশ কুমাৰৰ 'সুশাসনবাবু'ৰ যি ছবি আছিল সেয়া ডাঙৰ ধোকা খাইছে। নিৰ্বাচনৰ সময়ত চৰকাৰবিৰোধী মন্তব্য স্পষ্ট দেখা গৈছিল আৰু ৰাজ্যবাসীয়ে নীতীশ কুমাৰৰ প্ৰতি তেওঁলোকৰ ক্ষোভ প্ৰকাশ কৰিছিল। বিহাৰ বিধানসভা নিৰ্বাচনত উন্নয়ন আৰু কৰ্মসংস্থানৰ এটি ডাঙৰ ইচ্যু আছিল। এনে পৰিস্থিতিত এতিয়া নীতীশ কুমাৰ ক্ষমতাৰ বাবে আগবাঢ়িছে, যি হেৰোৱা 'সুশাসনবাবু'ৰ ভাবমূৰ্তি জোৰদাৰ কৰা তেওঁৰ বাবে বৃহৎ প্ৰত্যাহ্বান হ'ব। কেৱল সেয়ে নহয় তেওঁৰ নিৰ্বাচনৰ সময়ত ঘোষণা কৰিছিল যে, এইটোৱে তেওঁৰ শেষ নিৰ্বাচন...*

# বিহাৰত পুনৰ মুখ্যমন্ত্ৰীৰ পদত নীতিশ কুমাৰ ঃ সন্মুখত ৫টি বৃহৎ প্ৰত্যাহ্বান



■ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী

বিহাৰত জেডিইউ প্ৰধান নীতীশ কুমাৰ বিজেপি নেতৃত্বাধীন জোট 'এনডিএ'ৰ পক্ষৰ পৰা মুখ্যমন্ত্ৰী হ'লে ৫ টি বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। বিহাৰত বিৰোধীসকলৰ কঠোৰ প্ৰত্যাহ্বানক ওফৰাই একক সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে এনডিএ। ইয়াৰ ফলত নীতীশ কুমাৰৰ মুখ্যমন্ত্ৰী হোৱাৰ সপোন আকৌ বাস্তৱায়িত হোৱাৰ পথত। কাৰণ বিজেপিয়ে ঘোষণা কৰিছে, তেওঁলোকৰ তুলনাত অনেক কম আসন পালেও নীতীশ কুমাৰকেই তেওঁলোকে মুখ্যমন্ত্ৰীৰ পদত বহুৱাব। নীতীশ কুমাৰ একেৰাহে সপ্তমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে হয়তো শপত ল'ব। এইবাৰ তেখেতৰ পক্ষে আগৰদৰে সকলোবোৰ সহজসাধ্য নহ'ব। এইবাৰ ৰাজনৈতিক সমীকৰণ আৰু পৰিস্থিতি উভয়ে বেলেগ, যাৰ কাৰণে নীতীশৰ সন্মুখত প্ৰত্যাহ্বানো অনেক। ইফালে তেওঁ বিৰোধীসকলৰ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব আৰু অন্যফালে তেওঁ চাৰিটা মিত্ৰদলৰ স'তে ভাৰসাম্য বজায় ৰাখিব লাগিব।

১। মিত্ৰদলৰ লগত ভাৰসাম্য ৰক্ষা কৰাঃ নীতীশ কুমাৰে বৰ্তমান পৰ্যন্ত একমাত্ৰ মিত্ৰ দল বিজেপিৰ লগত বিহাৰত চৰকাৰ পৰিচালনা কৰিছে। কিন্তু এইবাৰ এনডিএ'ত চাৰিটা দল সংযুক্ত হৈছে। এইবাৰ বিজেপিৰ লগতে জিতন ৰাম মাঝিৰ 'হাম' আৰু মুকেশ সাহনীৰ 'ভিআইপি' দল জোটৰ অংশ। এই দুটি দল কেৱল জোটৰেই অংশ নহয়, চৰকাৰ পৰিচালনাৰ বাবে প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠতা পাবলৈ জৰুৰী সংখ্যাৰ অংশীদাৰ। এনডিএ'ই এনে এটি ম্যাণ্ডেট পাইছে যি নীতীশৰ চেয়াৰৰ চাৰিখন খুড়াৰ মালিক চাৰিজন। অৰ্থাৎ এনডিএ'ৰ কোনো এক সহযোগীৰ অসন্তোষ প্ৰকাশ কৰা মানে চৰকাৰৰ প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠ পৰিসংখ্যাৰ পৰা দূৰত যোৱা। এনে পৰিস্থিতিত প্ৰত্যেকৰ নিজস্ব চৰ্ত আৰু নিজস্ব দৃষ্টিভংগী থাকিব। নীতীশৰ মন্ত্ৰীসভাৰ পৰা চৰকাৰী সিদ্ধান্তৰ চাপ স্পষ্টভাৱে দেখা যাব। এই মুহূৰ্তত নীতীশ কুমাৰৰ ওচৰত সকলোতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল চাৰি সহযোগী দলৰ লগত ভাৰসাম্য বজায় ৰখা।

২। শক্তিশালী বিৰোধীৰ মুখামুখিঃ বিহাৰৰ ৰাজনীতিত নীতীশ কুমাৰ প্ৰথমবাৰৰ বাবে শক্তিশালী বিৰোধী দলৰ মুখামুখি হ'ব লাগিব। ২০০৫ চনত যেতিয়া তেওঁ প্ৰথমবাৰ পূৰ্ণসময়ৰ মুখ্যমন্ত্ৰী হৈছিল তেতিয়াৰ পৰা বিহাৰৰ বিৰোধী দল দুৰ্বল অৱস্থাত অৱস্থান কৰিছে। এইবাৰ প্ৰথমবাৰৰ দৰে বিৰোধী দলৰ কমপক্ষে ১১৫ জন বিধায়কে তেওঁক বিভিন্ন ইচ্যুত প্ৰশ্নবান কৰিব। বিৰোধীসকলে কেৱল সংখ্যাতে নহয়, নিৰ্বাচনতো শক্তিশালী নেতা হিচাপে আত্মপ্ৰকাশ কৰিছে। উদাহৰণঃ বিৰোধী আৰজেডি'ৰ তেজস্বী যাদৱ। এই পৰিস্থিতিত বিৰোধীসকলে নীতীশ কুমাৰক অস্বস্তিত পেলোৱাৰ বাবে সৰ্বাত্মক চেষ্টা কৰিব। তেজস্বীৰ লগে লগে আচাদউদ্দিন ওৱেইছি'ৰ দলৰ বিভিন্ন ইচ্যুৰ মুখামুখি হোৱা নীতীশৰ পক্ষে ডাঙৰ প্ৰত্যাহ্বান হ'ব।

৩। চৰকাৰৰ নিয়ন্ত্ৰণ কিভাৱে কৰিবঃ নীতীশ কুমাৰক কাৰোবাৰ হস্তক্ষেপ অবিহনে কাম কৰা মুখ্যমন্ত্ৰী বুলি মনে কৰা হয়। কিন্তু বিহাৰৰ বৰ্তমান ৰাজনৈতিক সমীকৰণ এনে যে, নীতীশৰ চৰকাৰ পৰিচালনা কৰাৰ আৰু মুকলিকৈ সিদ্ধান্ত লোৱাৰ স্বাধীনতা আগৰ দৰে নহ'ব। নীতীশ কুমাৰে নিজৰ নিয়ন্ত্ৰণত ৰাখি শাসন কৰাৰ বিভিন্ন প্ৰত্যাহ্বানৰ মুখামুখি হ'ব লাগিব। ২০১৫ চনত আৰজেডি'এ বেছি আসন পায় চৰকাৰৰ অংশীদাৰ হোৱাৰ কেইমাহ পিছত নীতীশ কুমাৰ অনেক বিষয়ত অস্বস্তিত পৰিছিল। এইবাৰ লক্ষ্যণীয় হ'ব যে তেওঁ কিদৰে চৰকাৰক নিয়ন্ত্ৰণ কৰিব

৪। মন্ত্ৰীসভাত জেডিইউ সংখ্যালঘু হৈ থাকিবঃ নীতীশ কুমাৰৰ দল জেডিইউৰ চৰকাৰৰ ভিতৰত অংশীদাৰিত্ব হ্ৰাস পাব। এনডিএ'ৰ বৃহত্তম দল বিজেপি। জেডিইউ দ্বিতীয় স্থানত আছে। এনে পৰিস্থিতিত কেৱল নীতীশ কুমাৰৰ মন্ত্ৰীসভাত বিজেপি আৰু জেডিইউ'য়েই নহয় জিতন ৰাম মাঝিৰ 'হাম' আৰু মুকেশ সাহানীৰ 'ভিআইপি' দলকো মন্ত্ৰীৰ পদ দিব লাগিব। কাৰণ তেওঁলোকৰ সহযোগতেই এনডিএ'ই সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। বিধানসভাত যাৰ যিমান অংশীদাৰিত্ব মন্ত্ৰীসভাত তেওঁলোকৰ সিমান অংশৰ ফৰ্মুলা চলি আহিছে। এই অৰ্থত নতুন মন্ত্ৰীসভাত বিজেপিৰ মন্ত্ৰী বেছি থাকিব আৰু জেডিইউৰ মন্ত্ৰী বিগত বছৰতকৈ কম হ'ব। কাৰণ বিজেপিতকৈ তেওঁলোকৰ বিধায়কৰ সংখ্যা অনেক কম। বিহাৰত সৰ্বাধিক ৩৬ জন মন্ত্ৰী হ'ব পাৰিব। এইভাৱে মন্ত্ৰীসভাত জেডিইউ সংখ্যালঘুত পৰিণত হ'ব।

৫। নীতীশ কুমাৰৰ নিজৰ হেৰোৱা ইমেজ ঘূৰাই পোৱা অসম্ভৱঃ নীতীশ কুমাৰ ক্ষমতাত ঘূৰি আহিব পাৰে। কিন্তু যিভাৱে নিৰ্বাচনৰ সময়ত তেওঁৰ বিৰুদ্ধে জনগণৰ অসন্তোষ দেখা গৈছিল তাত নীতীশ কুমাৰৰ 'সুশাসনবাবু'ৰ যি ছবি আছিল সেয়া ডাঙৰ ধোকা খাইছে। নিৰ্বাচনৰ সময়ত চৰকাৰবিৰোধী মন্তব্য স্পষ্ট দেখা গৈছিল আৰু ৰাজ্যবাসীয়ে নীতীশ কুমাৰৰ প্ৰতি তেওঁলোকৰ ক্ষোভ প্ৰকাশ কৰিছিল। বিহাৰ বিধানসভা নিৰ্বাচনত উন্নয়ন আৰু কৰ্মসংস্থানৰ এটি ডাঙৰ ইচ্যু আছিল। এনে পৰিস্থিতিত এতিয়া নীতীশ কুমাৰ ক্ষমতাৰ বাবে আগবাঢ়িছে, যি হেৰোৱা 'সুশাসনবাবু'ৰ ভাবমূৰ্তি জোৰদাৰ কৰা তেওঁৰ বাবে বৃহৎ প্ৰত্যাহ্বান হ'ব। কেৱল সেয়ে নহয় তেওঁৰ নিৰ্বাচনৰ সময়ত ঘোষণা কৰিছিল যে, এইটোৱে তেওঁৰ শেষ নিৰ্বাচন। এনে পৰিস্থিতিত জনগণৰ ধাৰণা পৰিৱৰ্তন কৰিব লাগিব আৰু লগতে জেডিইউ'ৰ ভাগি যোৱা জনভিত্তি ঘূৰাই অনাৰ চেষ্টা কৰিব লাগিব।


শেষত আমাৰ আবেদন এই যে নীতীশ কুমাৰে যেন ৰাজধৰ্ম অটুত ৰখাৰ প্ৰয়াস অব্যাহত ৰাখে কিয়নো নিৰ্বাচনত জিকাৰ ঠিক পিছতেই হিন্দু মৌলবাদী সন্ত্ৰাসবাদীয়ে মুছলমান এলেকাবিলাকত আক্ৰমণ কৰিবলৈ লৈছেই। উদাহৰণ স্বৰূপে অলপতে বিহাৰত হিন্দু সন্ত্ৰাসবাদীসকলে নামাজ পঢ়ি থকা অৱস্থাত এটি মছজিদত আক্ৰমণ কৰি ভালেমান ক্ষতিসাধন কৰাৰ বাতৰি পোৱা গৈছে। এয়া ফেহুজালিৰে সময় আগবঢ়াৰ লগে লগে আগন্তুক পাঁচটা বছৰত আৰু এনেকুৱা ধৰণৰ যে ঘটনা নঘটিব তাক ন দি ক'ব নোৱাৰি। সেয়ে নীতীশ কুমাৰে মুখ্যমন্ত্ৰীৰ আসনখনত বহি তাৰ লগে লগে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো যেন গুৰুত্ব ৰাখে। হিন্দুত্ববাদী সন্ত্ৰাসবাদী সকলৰ হাতৰ পুতলা যেন নহয়। এয়া আমি ভাৰতীয় গণতন্ত্ৰৰ প্ৰতি আস্থা ৰাখি কৰা এক ন্যায্য আবেদন।

ফোন ঃ ৯৯৫৭৩১০৪৩৬

# হাগ্ৰামা মহিলাৰীৰ একনায়কত্ববাদ আৰু বড়োভূমিত বিপিএফৰ পতনৰ আগজাননী

■ মুৰুলী বৰুৱা

বিধান সভা নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান মাহ বাকী। এনে পৰিস্থিতিত এতিয়া প্ৰাসংগিক হৈ পৰিছে বিটিছি নিৰ্বাচন। ইতিমধ্যে বিটিছি নিৰ্বাচনক লৈ সেহতিয়াকৈ উত্তাল হৈ পৰিছে বড়োভূমিৰ ৰাজনীতি। অসমৰ ৰাজনীতিত এদিন যি দৰে অগপৰ বিপৰ্যয় আৰম্ভ হৈছিল এতিয়া যেন সেই একেই প্ৰক্ৰিয়া আৰম্ভ হ'বলৈ ধৰিছে বড়োভূমিত। একমাত্ৰ নিজৰ ৰাজনৈতিক লাভালাভৰ বাবে প্ৰতিটো নিৰ্বাচনত ৰং সলোৱা হাগ্ৰামা মহিলাৰীৰ মুখৰ ৰং এইবাৰ যেন ক্ৰমান্বয়ে ম্লান পৰিবলৈ ধৰিছে। নিজকে কিং মেকাৰ বুলি আত্মসন্তুষ্টি লভা হাগ্ৰামাৰ বৰঘৰত এইবাৰ প্ৰৱেশ কৰিলে বিজেপিয়ে। হাগ্ৰামাই হয়তো সপোনটো ভবা নাছিল যে বিজেপি ৰ লগত মিত্ৰতাৰে একেলগে চৰকাৰ গঠনৰ অংশিদাৰ হোৱাৰ পাছত এনে পৰিস্থিতিৰ উদ্ভৱ হ'ব বুলি। তেও হয়তো ভাবি আছিল আসন্ন অসম বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিজেপিয়ে পুনৰ হাগ্ৰামাকেই বিটিছি ত চৰকাৰ গঠন কৰাৰ বাবে সুবিধা দিব। কিন্তু সেয়া হৈ নুঠিল। কাৰণ দীঘলীয়া সময় ধৰি বিটিছি ৰ অনাবড়ো জনসাধাৰণৰ ওপৰত একপ্ৰকাৰ চাপ সৃষ্টি কৰি আহিছিল হাগ্ৰামাৰ নেতৃত্বত চলি থকা বিটিছি চৰকাৰ খনে। এইবাৰো যদি পুনৰ বিটিছিত হাগ্ৰামাই বিজেপিৰ সহযোগত বিটিছি দখল কৰে তেতিয়া দীৰ্ঘ দিনৰে পৰা শোষণৰ বলি হোৱা বিটিছি এলেকাৰ অনা বড়ো জনসাধাৰণে বিজেপিক সহজ ভাৱে নলব। যাৰ প্ৰভাৱ আসন্ন বিধান সভা নিৰ্বাচনত বিজেপি দলত পৰিব। সেয়ে বিজেপিয়ে হাগ্ৰামাক নিয়ন্ত্ৰণৰ ভিতৰত ৰাখি বিটিছিত অনাবড়ো সকলৰ স্বাৰ্থ সুৰক্ষিত কৰি ৰখাৰ লগতে ভৱিষ্যতে হাগ্ৰামাৰ পৰা আহিব সম্ভাব্য ৰাজনৈতিক চাপৰ পৰা বিজেপি দলো যাতে সুৰক্ষিত হৈ থকিব পাৰে তাৰ এক ৰণকৌশল প্ৰস্তুত কৰে ভাৰতীয় জনতা পাৰ্টীয়ে। বিগত দীঘলীয়া সময়খিনিত হাগ্ৰামা নেতৃত্বাধীন বিপিএফ চৰকাৰ খনে বিটিছি এলেকা উন্নয়নৰ বাবে যিমানবোৰ সুবিধা কেন্দ্ৰ অথবা ৰাজ্য চৰকাৰ খনৰ পৰা লাভ কৰিছিল সেই সুবিধাৰে বড়োভূমিত যি উন্নয়নহ'ব লাগিছিল সেয়া নহ'ল। বিশেষকৈ অনাবড়ো অঞ্চল সমূহৰ উন্নয়ন বৰ সিমিত আছিল। কেৱলমাত্ৰ নিৰ্বাচনৰ সময়ত অনাবড়ো সকললৈ মনত পৰা একাংশ বড়ো নেতৃত্বই একমাত্ৰ ভোটবেংক হিচাপে ব্যৱহাৰৰ কৰি আহিছে অনাবড়ো সকলক। বহু সময়ত ভয় ভাবুকিৰে এই সকল লোকক দমন কৰি ৰখাৰ প্ৰয়াস কৰিছিল বিটিছিত। তাৰ স্থানীয় জনসাধাৰণ বুলিয়েই তাত চাকৰি সুত্ৰে যোৱা অনাবড়ো চাকৰিয়াল সকলকো দুৰ্নীতি অনিয়মৰ বাবে বাধ্য কৰাইছিল হাগ্ৰামা নেতৃত্বাধীন বিটিছি চৰকাৰ খনে। বিগত দিন বোৰত ব্যাপক চৰকাৰী ধনৰ অপচয় আৰু আত্মসাত হ'ল বিটিছিত। একাংশ ৰাজনৈতিক নেতা তথা দালাল, ঠিকাদাৰৰ বাহিৰে সৰ্বসাধাৰণ জনতাৰ জীৱনৰ মানদণ্ডৰ একো পৰিৱৰ্তন নহ'ল। যাৰ বাবে অনাবড়ো বুলিয়েই নহয় একাংশ বড়ো জনসাধাৰণৰো মোহভংগ হৈছে এতিয়া বিপিপিএফৰ প্ৰতি। ২০০৩ চনৰে পৰা একৰাহে বিটিছিৰ শাসনত অধিষ্ঠিত হৈ থকা হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিপিএফক উৎক্ষাত কৰাৰ বাবে নৱ কুমাৰ শৰণীয়া লগত বিজেপি দলেও যুদ্ধ ক্ষেত্ৰত নামি পৰিছে। বিটিছিত বড়ো জনসাধাৰণৰ তুলনাত অনাবড়ো জনসাধাৰণৰ সংখ্যা বেছি। ইতিমধ্যে একাংশ বড়ো নেতাই বিপিপিএফৰ পৰা আতৰি আহি বিজেপিত যোগদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। বড়োভূমিত বহুধা বিভক্ত বড়ো ৰাজনীতিৰ তুলনাত এতিয়া ঐক্যবদ্ধ অনাবড়ো ৰাজনীতিৰ শক্তি যঠেষ্ট বেছি। মুছলমান ভোটাৰ সকলক বাদ দিলেও বিটিছিত আন অনাবড়ো ভোটাৰ সকলৰ লগতে একাংশ বড়ো ভোটাৰে ইতিমধ্যেই বিজেপি দলৰ প্ৰতি আস্থা প্ৰকাশ কৰি বিটিছি নিৰ্বাচনৰ নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে। সেহতিয়াকৈ বিটিছিত ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী সভাত ইয়াৰ বহি:প্ৰকাশ ঘটিছে। ইয়াৰ উপৰিও বিটিছি নিৰ্বাচনৰ পূৰ্বে বিপিএফত মোক্ষম আঘাত হানি হাগ্ৰামাৰ সংগ এৰিলে বিপিপিএফৰ কাৰ্যকৰী সভাপতি বিশ্বজিৎ দৈমাৰীয়ে সহ আন একাধিক বিপিপিএফ কৰ্মীয়ে। এনেকৈয়ে এদিন অসমৰ প্ৰধান আঞ্চলিক দল অগপ ধ্বংস দিশেৰে গতি কৰিছিল। একমাত্ৰ অহংকাৰ আৰু সঘনাই নিজৰ ৰূপ সলোৱা স্বভাৱৰ বাবেই হাগ্ৰামাৰ বিপিপিএফক এতিয়া কোনো ৰাজনৈতিক দলেই বিশ্বাসত লব নোৱাৰা অৱস্থা এটা আহি পৰিছে। ইয়াৰ উপৰিও হাগ্ৰামাৰ একনায়কত্ববাদী কৰ্মৰাজিৰ বাবেও বিপিপিএফৰ বহু শীৰ্ষ দলীয় কৰ্মী অসন্তুষ্ট হৈ পৰিছে দলটোৰ প্ৰতি। দীৰ্ঘ দিন ধৰি আনক চাপত ৰখা হাগ্ৰামাই এতিয়া নিজেই যে ভয়ংকৰ চাপত সময় পাৰ কৰিব লগা হৈছে সেয়া নিশ্চিত। ভৱিষ্যতে হাগ্ৰামাই পুনৰ বিটিছিত শাসন কৰাৰ সুবিধা পালেও সেয়া হয়টো সম্ভৱ অন্য দলৰ সহযোগিতাতহে। সেয়ে আসন্ন অসম বিধান সভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত বিজেপি দলে অতি সময়োপযোগী সিধান্তৰে একাংশ বড়ো নেতৃত্বক নিজৰ ফলিয়া কৰি লৈ হাগ্ৰামাক এশিকনী দিয়াৰ প্ৰস্তুতি আৰম্ভ কৰিলে। সময় আৰু পৰিস্থিতিয়ে সম্পূৰ্ণ ভাৱে লগ দিলে বিজেপিক। হাগ্ৰামাই নিজেই কবলৈ বাধ্য হৈছে বিটিছিত তেওঁলোকৰ বাবে মুল প্ৰত্যাহ্বান এতিয়া আন কোনো নহয়, বিজেপিহে।



**... এইবাৰো যদি পুনৰ বিটিছিত হাগ্ৰামাই বিজেপিৰ সহযোগত বিটিছি দখল কৰে তেতিয়া দীৰ্ঘ দিনৰে পৰা শোষণৰ বলি হোৱা বিটিছি এলেকাৰ অনা বড়ো জনসাধাৰণে বিজেপিক সহজ ভাৱে নলব । যাৰ প্ৰভাৱ আসন্ন বিধান সভা নিৰ্বাচনত বিজেপি দলত পৰিব ...**

# অন্ধকাৰত ডুব গ'ল ছবিগৃহবোৰ...

■ ড° জ্যোতি ৰাণী বৰা

কৰ'না ভাইৰাছে মানুহৰ জীৱনলৈ ভয় আৰু শংকাৰ লগতে অভাৱনীয় পৰিৱৰ্তন আনিছে। দীৰ্ঘদিন ধৰি লকডাউন অব্যাহত থকাৰ ফলত জনজীৱন স্তব্ধ হৈ পৰিল। শিক্ষানুষ্ঠানসমূহ, অফিচ, ব্যৱসায়িক প্ৰতিষ্ঠান সকলোবোৰ বন্ধ হৈ গ'ল। মন্দিৰ, মছজিদ, গীৰ্জাঘৰৰ দুৱাৰো বন্ধ হৈ গ'ল। চিনেমা, থিয়েটাৰ আদি মনোৰঞ্জনকাৰী উদ্যোগসমূহ একেবাৰে বন্ধ প্ৰায় অৱস্থা।

লাহে লাহে লক্‌ডাউনৰ ক্ষেত্ৰত পৰ্যায়ক্ৰমে বহু পৰিমাণে শিথিলতা আহি পৰিল। চৰকাৰী নীতি-নিৰ্দেশনা মানি অফিচ, ব্যৱসায়িক প্ৰতিষ্ঠান, কল-কাৰখানাসমূহত স্বাভাৱিক গতিত কাম-কাজ আৰম্ভ হৈ গ'ল। ২১ ছেপ্টেম্বৰত সীমিত পৰিসৰত শিক্ষানুষ্ঠানসমূহ খোলাৰ সিদ্ধান্তও গ্ৰহণ কৰা হ'ল। পিছে মনোৰঞ্জনৰ প্ৰধান আহিলা চিনেমা তথা থিয়েটাৰ উদ্যোগৰ ভৱিষ্যৎ যেন অনিশ্চিত হৈ পৰিল। প্ৰায় ৯২টা ছবিগৃহ মাহৰ পিছত মাহ ধৰি বন্ধ হৈ থাকিল। এই উদ্যোগৰ লগত জড়িত শিল্পী তথা হাজাৰ হাজাৰ কলা-কুশলী, কৰ্মচাৰীৰ জীৱনলৈ ঘোৰ অমানিশা নামি আহিল। প্ৰথমাৱস্থাত শিল্পীসকলে ঘৰতে থাকি চিনেমা চোৱা, কিতাপ পঢ়া, পাচলিৰ খেতি আদি কৰি সময় অতিবাহিত কৰিবলৈ ধৰিলে। ইফালে কৰ্মচাৰীৰ বেতন তথা বৃহৎ অংকৰ বিদ্যুতৰ বিল ভৰিবলগীয়া হোৱাত মালিকপক্ষ অৰ্থনৈতিকভাৱে জুৰুলা হৈ পৰিল। বিশেষকৈ কোনো চৰকাৰী আঁচনিয়ে ঢুকি নোপোৱা কলা-কুশলীসকলৰ জীৱন দুৰ্বিসহ হৈ পৰিল। 'একালৰ বৃন্দাবন, একালত পৰে ছন।' মানুহেৰে গিজ্‌গিজাই থকা ঘৰৰ কাষৰ 'অনুৰাধা' আৰু 'বন্দনা' ছবিগৃহত এতিয়া নিমাওমাও পৰিৱেশ বিৰাজ কৰিছে। বৰ্তমান ক'ৰনাসৃষ্ট ভয়াৱহ পৰিস্থিতিত চিনেমা আৰু থিয়েটাৰ উদ্যোগৰ অনিশ্চিত ভৱিষ্যতৰ কথা ভাবি শংকিত হোৱাৰে কথা। ইতিমধ্যে কেইবাটাও ছবিগৃহ একেবাৰে বন্ধ হৈ যোৱাটো দুৰ্ভাগ্যজনক। উল্লেখযোগ্য যে মাজতে অসমীয়া ছবিৰ দুৰৱস্থা হৈছিল। 'শ্ৰীশংকৰদেৱ', 'শৃঙ্খল', 'মহাবীৰ চিলাৰায়'ৰ দৰে ছবি চাবলৈ গৈ ছবিগৃহ শূণ্যপ্ৰায় দেখি হতাশ হৈ পৰিছিলোঁ। যোৱা দুটা বছৰ অসমীয়া ছবিজগতৰ বাবে অতি আশাব্যঞ্জক। মঞ্জুল বৰাৰ 'কানীন', ৰিমা দাসৰ 'বুলবুল কেন ছিং', 'ভিলেজ ৰকষ্টাৰ', জুবিন গাৰ্গৰ 'কাঞ্চনজংঘা', যতীন বৰাৰ 'ৰত্নাকৰ', ভাস্কৰ হাজৰিকাৰ 'আমিষ', ড° সান্ত্বনা বৰদলৈৰ 'মাজ ৰাতিৰ কেতেকী' আদি বহুকেইখন বাছকবনীয়া কথাছবি দৰ্শকে আদৰি লৈছে। অসমীয়া ছবি জগতলৈ যেন পূৰ্বৰ সুদিন ঘূৰি আহিছে এনে ভাৱ হয়। ইতিমধ্যে জুবিন গাৰ্গৰ 'কাঞ্চনজংঘা' আৰু যতীন বৰাৰ 'ৰত্নাকৰ'-এ বক্স অফিচৰ পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ব্যৱসায়িক সফলতা অৰ্জন কৰিলে। ইফালে ৰিমা দাসৰ 'বুলবুল কেন ছিং'-এ ৬১ সংখ্যক চলচ্চিত্ৰ মহোৎসৱৰ Best Assamese Feature Film বঁটা লাভ কৰিছে। সঁচাকৈয়ে গৌৰৱৰ বিষয়। ভাস্কৰ হাজৰিকাৰ 'আমিষ' কথাছবিখনে মননশীল চিনেমা হিচাৱে দৰ্শকৰ দ্বাৰা সমাদৃত হৈছে। পিছে ছবিগৃহৰ অভাৱত বহুতে কথাছবিখন চাবলৈকে নোপোৱাটো চিন্তনীয় বিষয়।

এনে জটিল পৰিস্থিতিত নিপন গোস্বামীৰ দৰে প্ৰসিদ্ধ অভিনেতাই 'ড° বেজবৰুৱা' (ব্ৰজেন বৰুৱাৰ দ্বাৰা পৰিচালিত জনপ্ৰিয় কথাছবি) পুনৰ নিৰ্মাণ কৰিবলৈ ওলোৱাটো অতি গুৰুত্বপূৰ্ণ বিষয়। এনে কঠিন সময় চিৰকাললৈ নাথাকে। এটা সময়ত ক'ৰনাৰ সংক্ৰমণ বন্ধ হ'ব। কিন্তু চিনেমা, থিয়েটাৰৰ ভৱিষ্যৎ সম্পৰ্কে এক নিশ্চিত ধাৰণা কৰিব পৰা নাযায়। এতিয়া ঘৰতে বহি অ'টিপি প্লেটফৰ্মবোৰত বছা বছা চিনেমা চোৱাৰ সুবিধা উপলব্ধ হৈছে। ম'বাইলতো চাব পাৰি। তেনেস্থলত পইচা ভৰি হলত চিনেমা চাবনো কোনে? হয়তো চিনেমা চোৱাৰ অভ্যাসেই সলনি হৈ যাব। হ'লেও পপকৰ্ণৰ লগত কল্ড ড্ৰিংকছৰ জুতি লৈ চিনেমা চোৱাৰ আমেজেই সুকীয়া। সৰুতে 'ৰূপালীম' ছবিগৃহত বাইদেউহঁতৰ লগত বাদাম চোবাই চিনেমা চোৱাৰ কথা জানো পাহৰিব পাৰি? চিনেমা তথা থিয়েটাৰ উদ্যোগৰ সোণালী দিনবোৰ বাৰু ঘূৰি আহিবনে?

**ফোন ঃ ৯৯৫৪০-৬৭৮৮০**



# জীৱনৰ চালিকা শক্তি শিক্ষা আৰু ছাত্ৰ সমাজ



জীৱনৰ এটা অপৰিহাৰ্য মৌলিক উপাদান হ'ল শিক্ষা। শিশু এটা জন্মগ্ৰহণ কৰাৰ পৰা বৰ্ণিল জীৱনৰ খলা-বমা বাটত প্ৰতিটো পলে-অনুপলে অবিৰতভাৱে শিক্ষাগ্ৰহণত নিমগ্ন হৈ থাকিবলগীয়া হয় সেয়া যেনিবা আনুষ্ঠানিকে হওক বা অনানুষ্ঠানিক হওক। আপত দৃষ্টিত বিদ্যালয়, মহাবিদ্যালয় আদিত অধ্যয়নৰত ল'ৰা-ছোৱালীক শিক্ষাৰ্থী, বিদ্যাৰ্থী বা ছাত্ৰ-ছাত্ৰী নামেৰে নামাংকিত কৰিলেও দৰাচলতে অনানুষ্ঠানিক শিক্ষাই মানুহক পৰিপক্কতা বৃদ্ধিত প্ৰভুত্বপূৰ্ণ অৰিহণা যোগায় বুলি ক'লে অত্যুক্তি কৰা নহ'ব কিজানি। যিদৰে অৰ্থ-কড়ি অবিহনে পূৰ্ণিমাৰ সুউজ্জ্বল জ্যোতিৰ মাজতো চকুৰে অমাৱস্যাৰ ঘোপমৰা আন্ধাৰ দেখা পোৱা যায়, ঠিক একেদৰে শিক্ষা অবিহনে কাপোৰ পিন্ধিও নগ্ন হোৱাৰ লেখীয়া। শিক্ষাই মানুহক প্ৰকৃত দিক্‌দৰ্শন কৰাই জীৱনৰ পথ সুগম কৰে। মনৰ কৰ্ষণেৰে উৎকৰ্ষ সাধন কৰি শান্ত-সৌম্য মানসিক স্বাস্থ্য অটুট ৰখাত বাৰুকৈয়ে সহায়ক হৈ পৰে। আধ্যাত্মিক চেতনাৰ উন্মেষ ঘটাই সংস্কৃতিৱান ব্যক্তিত্বৰে সমাজত নিজৰ স্বকীয় আসন দখল কৰিবলৈ সক্ষম হয়। সেয়েহে মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল - By education, I mean an allround drawing of the best in child and man in body, mind and spirit.

উল্লেখযোগ্য যে শিক্ষা গ্ৰহণ কৰোঁতাজন হ'ল শিক্ষাৰ্থী, বিদ্যাৰ্থী বা ছাত্ৰ-ছাত্ৰী সেয়া যেনিবা প্ৰাচীনকালৰ গুৰুকুলৰ হওক নতুবা বৰ্তমানৰ ইণ্টাৰনেটৰ মাধ্যমেৰে প্ৰদান কৰা শিক্ষাই হওক । শিক্ষা গ্ৰহণৰ বাবে ছাত্ৰ-ছাত্ৰীক শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানত নামভৰ্তি কৰাই দিয়া হয়, য'ত জীৱনৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক আদিগুৰু শিক্ষকৰ লগত সংযোগ স্থাপন হৈ পৰে। যাৰ শিক্ষাৰ আভাৱে উদ্ভাসিত হৈ পৰে ছাত্ৰ- ছাত্ৰীৰ মনৰ পদূলি। জ্ঞানৰ প্ৰদীপ জ্বলি নিজৰ লগতে আনক জ্যোতিৰ্ময় কৰি তোলে। পিতৃ-মাতৃতকৈ অলপ হ'লেও বেছি শ্ৰদ্ধাৰ যোগ্য শিক্ষাগুৰুৰ তত্ত্বাৱধানতে চৰিত্ৰ গঠনৰ বীজ অংকুৰিত হয়। পৰম পূজ্য শিক্ষকৰ সঠিক নীতি-নিৰ্দেশনাত মনত অনুসন্ধিৎসু জাগ্ৰত হৈ মেধাশক্তি পৰিচয় দাঙি ধৰিবলৈ সক্ষম হয়। এক কথাত নিজৰ ভৱিষ্যৰ ওপৰত নিজক থিয় হ'বলৈ উদ্বুদ্ধ কৰা শিক্ষাক জীৱনৰ চালিকা শক্তি বুলি নিশ্চিতভাৱে ক'ব পাৰি। স্বামী বিবেকানন্দদেৱৰ এষাৰি অমোঘ বাণীত তাৰ স্পষ্টতা সুন্দৰ আৰু সাৱলীলভাৱে প্ৰকট হৈ পৰে— 'আমাক সেই শিক্ষা লাগে, যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শক্তি বাঢ়ে, মেধাশক্তি বৃদ্ধি পায় আৰু মানুহে নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পাৰে।' স্মৰ্তব্য যে সাম্প্ৰতিক সময়ত অসমৰ আকাশে-বতাহে বহু জনপ্ৰিয় আৰু বহু চৰ্চিত হৈছে ছাত্ৰ আৰু ৰাজনীতি। ছাত্ৰ সমাজ দেশৰ ভৱিষ্যৎ হোৱাৰ সুবাদত ৰাজনৈতিক বৰপথাৰখনত ৰাজনীতিৰ কঠীয়া সিঁচিছে। নিজৰ শক্তি, সাধ্যানুসাৰে সাৰ-পানী দি পথাৰখন পলসুৱা কৰিবলৈ বদ্ধপৰিকৰ হৈছে সেইটো শুভ লক্ষণ। আকৌ ব্যক্তিৰ সমষ্টিয়েই সমাজ গতিকে সমাজৰ অংগ হিচাপে সমাজে বিচাৰিলেই নিজৰ কৰ্তব্য বীতশ্ৰদ্ধ কৰি সক্ৰিয় ৰাজনৈতিক ক্ষমতাত মত্ত হোৱাটো অবাঞ্ছনীয় যেন বোধ হয়। অসমৰ ছাত্ৰ সংগঠন বুলি ক'লে অসম আন্দোলনৰ পিছত জন্ম হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) কথা মনলৈ আহে। শিক্ষাৰ মান উন্নীতকৰণ, খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষা আৰু জাতীয় প্ৰেমৰ স্বাৰ্থত ধৰ্মঘট, প্ৰতিবাদ কৰি নিজৰ সুকীয়া পৰিচয় বহন কৰা সংগঠনটোৱে শেহতীয়াকৈ সক্ৰিয় ৰাজনীতিত আত্মপ্ৰকাশ কৰাটো কিমান সমীচীন হৈছে সেইটো নিশ্চিতভাৱে সময়ে ক'ব। এইটো দোহৰাৰ প্ৰয়োজন নাই যে এনে ছাত্ৰ ৰাজনীতিয়ে অদূৰ ভৱিষ্যতে সুদক্ষ ৰাজনীতিজ্ঞ সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা যে নল'ব তেনে নহয়। এইটো সহজে অনুমেয় যে প্ৰতি বছৰে কঠোৰ শ্ৰম আৰু আত্মবিশ্বাসৰ বিনিময়ত বহু কৃতী শিক্ষাৰ্থীয়ে বিপুল সম্বৰ্ধনাৰে সমাজ আৰু দেশৰ সম্পদ হিচাপে নিজক প্ৰতিষ্ঠা কৰিছে। অধ্যয়নসৰ্বস্ব ছাত্ৰ জীৱনটোৰ প্ৰতিটো পল-অনুপলৰ সদ্ব্যৱহাৰ কৰি নিজৰ বুদ্ধিমত্তাৰ চানেকি ৰাখিছে। জাতি আৰু সমাজৰ গৌৰৱ সেই কৃতী শিক্ষাৰ্থীসকল পৰৱৰ্তী সময়ত গুৰু দায়িত্ব, যথাৰ্থ কৰ্তব্য আৰু আপোচবিহীন সিদ্ধান্তৰ যথোপযুক্তাই নিশ্চয় সঁচা কৃতিত্ব নিৰূপণ কৰিব। নহ'লে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কোৱাৰ দৰে হ'ব- 'আজিৰ শিক্ষা আৰু সমাজৰ সংযোগী চিৰি নাই, দেশ আৰু জাতিক অস্বীকাৰ কৰা শিক্ষাৰ মূল্য ক'ত।'

পৰিশেষত কওঁ— সভ্যতাৰ জখলাত বগাবলৈ শিকোৱা শিক্ষাই যে শৈশৱৰ পৰা মানৱীয় প্ৰমূল্যবোধৰ উত্তৰণ ঘটাই এগৰাকী সুনাগৰিক গঢ়াত অহোপুৰুষাৰ্থ কৰে তাৰ কোনো দ্বিমত নাই। উল্লেখনীয় যে একেখন বিদ্যালয় বা মহাবিদ্যালয়ত অধ্যয়ন কৰা সহপাঠীৰ পৰা একে শিক্ষাগুৰুৰ তত্ত্বাৱধানত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ মাজত কোনোবা ডকাইত, কোনোবা সাধু বিষয়া, কোনোবা দুৰ্ঘোৰ অপৰাধী আৰু কোনোবা নম্ৰ ব্যৱসায়ী হোৱা নজিৰ দেখা যায়। গতিকে নিজক কি শিক্ষাৰে শিক্ষিত কৰিব সেইটো নিজৰ হাতত, নিজক চিনক, নিজৰ আত্মপৰিচয় নিজৰ আগত জাজ্বল্যমান কৰক তেতিয়াহে নিশ্চয় প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ উঠিব ছাত্ৰ সমাজখন ।

■ নৱ ডেকা

ফোন ঃ ৭৫৭৬৮৯৫৯৭০

> শিক্ষা গ্ৰহণ কৰোঁতাজন হ'ল শিক্ষাৰ্থী, বিদ্যাৰ্থী বা ছাত্ৰ-ছাত্ৰী সেয়া যেনিবা প্ৰচীনকালৰ গুৰুকুলৰ হওক নতুবা বৰ্তমানৰ ইণ্টাৰনেটৰ মাধ্যমেৰে প্ৰদান কৰা শিক্ষাই হওক । শিক্ষা গ্ৰহণৰ বাবে ছাত্ৰ-ছাত্ৰীবৃন্দক শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানত নামভৰ্তি কৰাই দিয়া হয়, য'ত জীৱনৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক আদিগুৰু শিক্ষকৰ লগত সংযোগ স্থাপন হৈ পৰে। যাৰ শিক্ষাৰ আভাৱে উদ্ভাসিত হৈ পৰে ছাত্ৰ-ছাত্ৰীৰ মনৰ পদূলি। জ্ঞানৰ প্ৰদীপ জ্বলি নিজৰ লগতে আনক জ্যোতিৰ্ময় কৰি তোলে । নিজৰ পিতৃ-মাতৃতকৈ অলপ হ'লেও বেছি শ্ৰদ্ধাৰ যোগ্য শিক্ষাগুৰুৰ তত্ত্বাৱধানতে চৰিত্ৰ গঠনৰ বীজ অংকুৰিত হয়। পৰম পূজ্য শিক্ষকৰ সঠিক নীতি-নিৰ্দেশনাত মনত অনুসন্ধিৎসু জাগ্ৰত হৈ মেধাশক্তিৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হয়।

# অভিভাৱক আৰু জ্যেষ্ঠসকলৰ দায়বদ্ধতা অপৰিসীম

এটা সময় আছিল যেতিয়া মানুহে জগতত সংঘটিত প্ৰতিটো ঘটনাকে দৈৱৰ প্ৰভাৱত হোৱা বুলি ভাবি জীৱন অতিবাহিত কৰিছিল। কিন্তু কাল অতিক্ৰম কৰাৰ লগে লগে জীৱশ্ৰেষ্ঠ মানৱে মগজু খটুৱাই প্ৰতিটো ঘটনাৰে কাৰণ উদ্ভাৱন কৰিবলৈ ধৰিলে। জীৱনক সুচল কৰাৰ স্বাৰ্থত নিত্য-নতুন বিজ্ঞানৰ অত্যাধুনিক সৃষ্টিসমূহে মানুহক তাহানিৰ যাযাবৰী জীৱনৰ পৰা বৰ্তমানৰ যন্ত্ৰনিৰ্ভৰ বিলাসী মানৱত পৰিণত কৰাইছে। আমাৰ জীৱন-যাত্ৰাক সহজ কৰি তুলিলেও বিজ্ঞানৰ প্ৰতিটো আৱিষ্কাৰৰে এক ভয়াৱহ দিশো নথকা নহয়। কিন্তু এয়া নিৰ্ভৰ কৰে আমাৰ ব্যৱহাৰৰ ওপৰত। যিহেতু যন্ত্ৰই নিজে আহি আমাৰ অপকাৰ সাধিব নোৱাৰে, গতিকে ভুল মানুহৰেই বুলি আমি স্বীকাৰ কৰিবই লাগিব। কম্পিউটাৰ, ম'বাইল ফোনো ইয়াৰ ব্যতিক্ৰম নহয়। ই ডেকাৰ পৰা বুঢ়ালৈকে এতিয়া দৈনন্দিন জীৱনৰ লগৰী। মূলতঃ ইণ্টাৰনেটৰ সুবিধাৰ জৰিয়তে যিকোনো কাম সহজতে সম্পাদন কৰিব পাৰি বাবেই ইয়াৰ প্ৰয়োজনীয়তা আধুনিক জীৱন-যাত্ৰাত অপৰিসীম। শিশুসকলকো তীব্ৰ গতিময় এই পৃথিৱীখনৰ সৈতে তাল মিলি চলিবলৈ হ'লে ইয়াৰ সংস্পৰ্শৰপৰা সম্পূৰ্ণকৈ আঁতৰাই ৰখা অসম্ভৱ। বৰ্তমান কৰ'নাসৃষ্ট পৰিস্থিতিতেই বিদ্যাৰ্থীসকলৰ ক্ষেত্ৰত ই কিমান উপযোগী হৈ পৰিছে, তাৰ চাক্ষুষ অভিজ্ঞতা আমাৰ আটাইৰে হ'ল। কিন্তু বয়স অনুযায়ী ইয়াৰ ব্যৱহাৰ নিয়ন্ত্ৰিত নোহোৱাৰ বাবেই ই বহুতৰ বাবে ভয়ানক সমস্যাত পৰিণত হৈছে। কাৰণ আমাৰ প্ৰয়োজনীয় কামবোৰৰ উপৰি এখন মনোৰঞ্জনৰ জগতো ইণ্টাৰনেটত পোৱা যায়। এই জগতখনৰ সকলো উপাদান শিশুসকলৰ বাবে উপযোগী নহয়। সামাজিক মাধ্যমবোৰত মানুহে নিজৰ ইচ্ছা অনুসৰি যিকোনো কথাই প্ৰচাৰ কৰিব পাৰে। এই অবাধ সুবিধাই সমাজখন



কলুষিত কৰি ৰাখিছে। নিতৌ উৰা বাতৰি প্ৰচাৰ হৈছে। ই শিশুসকলৰ মানসিক সমস্যাৰ উদ্ৰেক ঘটোৱাৰ সম্ভাৱনা থাকে। অত্যধিক ইণ্টাৰনেট আসক্তিৰ ফলত চৌপাশৰ পৰিৱেশৰ প্ৰতি উদাসীনতা, সৌজন্যবোধ-দায়িত্ববোধৰ অভাৱ আদিয়ে গা কৰি উঠে। চকুৰ সমস্যা, মূৰ কামোৰণি, আলস্য আদি শাৰীৰিক সমস্যাৰ সৃষ্টি কৰে। প্ৰতিটো কথাই ইণ্টাৰনেটত খুঁচৰি জনাৰ ফলত শিশুৰ সৃষ্টিশীল আৰু জিজ্ঞাসু মনটো ক'ৰবাত হেৰাই যায়। সেয়ে অভিভাৱক আৰু জ্যেষ্ঠসকল এই ক্ষেত্ৰত সজাগ-সচেতন হোৱা অত্যন্ত দৰকাৰ। তেওঁলোকৰ হাতত সম্পূৰ্ণকৈ ম'বাইল বা কম্পিউটাৰ এৰি দিয়া অনুচিত। আগতীয়াকৈ সাৱধানতা অৱলম্বন নকৰি পিছত শিশুটোক দোষাৰোপ কৰি একো লাভ নাই। আমি নিজেও কনিষ্ঠসকলৰ ওচৰত অনবৰতে ম'বাইলত ব্যস্ত থাকিব নালাগিব। বহু অভিভাৱকক দেখা যায় শিশুটোক নিচুকাবলৈ ম'বাইলটো নিশ্চিন্তে হাতত তুলি দিয়ে। ওপৰে ওপৰে চাবলৈ গ'লে ই তেনেই সাধাৰণ কথা। ৰং-বিৰঙী কিবাকিবি দেখি কেঁচুৱাৰ কান্দোনো স্তব্ধ হৈ যায়। কিন্তু গভীৰভাৱে ভাবিলে আমি গম পাম যে এনেদৰেই এদিন-দুদিনকৈ শিশুটো আসক্ত হৈ পৰে। আমি জ্যেষ্ঠসকলে ইয়াৰ সীমাহীন সুবিধাবোৰ আঙুলিয়াই দি সমান্তৰালকৈ ইয়াৰ কু-দিশবোৰ দেখুৱাই তাৰ পৰা আঁতৰাই ৰাখিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। নেতিবাচক নিচাবোৰৰ পৰা আঁতৰোৱাৰ বাবে ইতিবাচক সৃষ্টিমূলক নিচাত নিমজ্জিত হ'বলৈ অনুপ্ৰাণিত কৰিব লাগিব। জুই-পানী-বায়ুৱেও মাজে মাজে আমাৰ অপকাৰ সাধন কৰিলেও সেইবোৰক আমাৰ জীৱনৰ পৰা যেনেদৰে নিলগাব নোৱাৰোঁ, ঠিক তেনেদৰে তীব্ৰ গতিশীল পৃথিৱীত খোপনি ধৰি ৰাখিবলৈ শিশুসকলকো আমি ইণ্টাৰনেটৰ জগতখনৰ পৰা আঁতৰাই ৰাখিব নোৱাৰোঁ। পাৰিম কেৱল সঠিক মাৰ্গদৰ্শন কৰিবহে।

■ অংশুমান ভূঞা

ফোন ঃ ৬০০২৯৯৪৯৮০

# পুতলা নাচক কেন্দ্ৰ কৰি অসমীয়া চিনেমা 'লাইফ ইন এ পাপেট'

■ ভুপেশ খাটনিয়াৰ

কৰোণা মহামাৰীৰ দুৰ্দিনতো অসমীয়া চলচ্চিত্ৰ জগতলৈ এক সুখৰ বতৰা লৈ আহিছে চলচ্চিত্ৰ নিৰ্মাতা ৰাজেন দাসে। ৰিভাৰছাইড ফ্লিমছৰ বেনাৰত "Life in a Puppet" এখন সম্পূৰ্ণ অসমীয়া চলচ্চিত্ৰৰ দৃশ্যগ্ৰহণ চলি আছে। সঁচাকৈয়ে অসমীয়া সমাজ জীৱনৰ বাবে এক সুখবৰ। বিশেষভাৱে এই চিনেমাখনৰ কাহিনী আমাৰ সমাজৰ পৰা হেৰাই যাব ধৰা অসমীয়া পৰিৱেশ্য লোক-কলাৰ অন্যতম কলা পুতুলা নাচৰ বিষয়টোৰ আধাৰত নিৰ্মাণ হ'বলৈ গৈ আছে "Life in a Puppet"। পুতুলা নাচ দেখুৱাই জীৱিকা নিৰ্বাহ কৰা এটা পৰিয়ালৰ কাহিনী। দৰিদ্ৰতাৰে পিষ্ট পৰিয়ালটো সন্মুখীন হয় অভাৱনীয় সংঘাতৰ। তথাপি এৰি নিদিয়ে লোক-সংস্কৃতি পুতলা নাচক। সেয়া যে জীৱনৰ শিপা।পুতলা নচুৱাই নচুৱাই দৰিদ্ৰতাৰ মাজত শেষ হৈ যায় লোক-শিল্পীসকলৰ জীৱন। তথাপি তেওঁৰ অবৰ্তমানত পৰিয়ালটোৰ পৰা হেৰাই যাব নেকি পুতলা নাচ ? কেনেধৰণ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে এই শিল্পৰ লগত জড়িত পৰিয়ালসমূহ। ছবিখনৰ চিত্ৰগ্ৰহণ বজালী ভালুকীৰ সেউজীয়া সুন্দৰ লোকেশ্বনত সামাজিক দূৰত্ব ৰক্ষা কৰি চলি আছে। এখন পূৰ্ণদৈৰ্ঘ্যৰ অসমীয়া চলচ্চিত্ৰ "লাইফ ইন এ পাপেট"ৰ। ছবিখনৰ কাহিনী, চিত্ৰনাট্য আৰু পৰিচালনা ৰাজেন দাসৰ। নাট্যকাৰ, পৰিচালক হিচাপে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্তৰত স্বীকৃতি লাভ কৰা ৰাজেন দাসৰ পৰিচালিত এইখন প্ৰথম অসমীয়া চলচ্চিত্ৰ। অসমৰ বিলুপ্তপ্ৰায় পুতলা নাচক জীয়াই ৰখা এটি পৰিয়ালৰ জীৱন সংগ্ৰামৰ পটভূমিত চলচ্চিত্ৰখনৰ জৰিয়তে সমাজলৈ এক শক্তিশালী বাৰ্তা দিবলৈ প্ৰয়াস কৰা হৈছে। পূৰ্ণদৈৰ্ঘ্যৰ অসমীয়া চলচ্চিত্ৰখনত অভিনয়ৰ বাবে চুক্তিবদ্ধ হৈ ভ্ৰাম্যমাণ তথা অসমীয়া চলচ্চিত্ৰ জগতৰ মোহময়ী অভিনেত্ৰী আশা বৰদলৈ আৰু নৱাগত দ্বিপান্বিতা দাস। উল্লেখ্য যে ৰাজেন দাসৰ ৰচিত নাটক 'দেওঘৰৰ স্বপ্ন'ই ৰাষ্ট্ৰীয় পৰ্যায়ত সৰ্বভাৰতীয় ৰে'ল নাট প্ৰতিযোগিতাত NF Railwayৰ হকে অংশগ্ৰহণ কৰি দ্বিতীয় শ্ৰেষ্ঠ নাটকৰ সন্মান লাভ।

জ্যোতিৰূপা একাংক নাট প্ৰতিযোগিতাত ১৮-১৯ বৰ্ষত ৰাজেন দাসৰ ৰচিত নাট 'পিঞ্জৰা'ই দ্বিতীয় শ্ৰেষ্ঠ নাটকৰ সন্মান লাভ কৰে। ২০১৯-২০ বৰ্ষত 'জ্যোতিৰূপা'ৰ শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ 'জংগম' একাংক নাট প্ৰতিযোগিতাত একেৰাহে তিনি বছৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ, এবছৰ শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান, দুবছৰ শ্ৰেষ্ঠ নাটকৰ সন্মান লাভ কৰে। এই পূৰ্ণদৈৰ্ঘ্য চলচ্চিত্ৰখনৰ আগতে তিনিখনকৈ চুটি চিনেমাও নিৰ্মাণ কৰে—'মোক্ষ', 'মা' আৰু 'পুতলা'।

ফোন ঃ ৯৭০৬১৪৫০৯৯



# চোৰাং তেল ভাণ্ডাৰৰ বিপদ

ঐতিহাসিক শিৱসাগৰ জিলাৰ চুকে-কোণে অৱস্থিত অ' এন জি চিৰ বিভিন্ন খাৰুৱা তেল পুঙৰ পৰা অসাধু-খাৰুৱা তেল চুৰি চক্ৰই প্ৰায় নিয়মীয়াকৈ তেল চুৰি কৰি আহিছে। জানিব পৰা মতে--চোৰাং ক্ৰুড-অইল স্মাগলাৰ্ছে এই ধৰণে অবৈধ আৰু চুৰি তেল পুনৰ বিক্ৰীৰ কাৰণে গ্ৰহণ কৰিছে অভিনৱ কৌশল। তেওঁলোকে শিৱসাগৰ, চৰাইদেউ, মৰাণ, যোৰহাট, ডিব্ৰুগড়কে ধৰি প্ৰায় সমগ্ৰ উজনিতে বিভিন্ন গ্ৰাম্য ভিতৰুৱা স্থানত স্থাপন কৰিছে কেইবা হাজাৰ সৰু-মজলীয়া আকাৰৰ অবৈধ তথা গোপন তেল-মজুত ভাণ্ডাৰ। এনে মজুত ভাণ্ডাৰৰ পৰা কিছুমান লোকে চুৰি তেল বজাৰ দৰতকৈ বহু সস্তা দামতে ক্ৰয় কৰিব পাৰে। শিৱসাগৰকে ধৰি সমগ্ৰ উজনিতে তৈল-প্ৰতিষ্ঠানসমূহৰ পৰা খাৰুৱা তেলৰ লগতে নানা ধৰণৰ ৰসায়নিক দাহ্য পদাৰ্থ, জুলীয়া পদাৰ্থ আৰু অন্যান্য অতি মূল্যৱান সা-সৰঞ্জামৰো অবাধ গতিত চোৰাং লুট-মাৰ কাৰবাৰ দীৰ্ঘ বছৰ জুৰি চলিয়ে থকাৰ নানা সংবাদ সততে পাই থকাই হৈছে। এইবোৰৰ কাৰণেও ৰাজহুৱা খণ্ডৰ আমাৰ দেশৰ তৈল-উদ্যোগবোৰে লক্ষ্য নিৰ্দিষ্ট লাভ উপাৰ্জনত আৰু উন্নতিত বাবে বাবে ব্যৰ্থ হৈছে বুলিও থাওকতে নিশ্চয় ভাবিব পাৰি। ৰাষ্ট্ৰীয় মূল্যৱান পেট্ৰপণ্যৰ চোৰাং ব্যৱসায়ীয়ে চৰকাৰৰ সংশ্লিষ্ট বিভাগ, সাধাৰণ প্ৰশাসন, পুলিচ বিভাগকে ধৰি আনকি নিৰ্বাচিত কিছুমান মিডিয়াকো উৎকোচ প্ৰদানেৰে হাত কৰি লৈ তেওঁবিলাকৰ স্মাগলিঙৰ বিশাল গোপন কাৰবাৰ বছৰ বছৰ জুৰি চলাই গৈছে। এনে ধৰণৰ গোপন-অবৈধ তেল মজুত ভাণ্ডাৰ কিছুমানত সময়ে সময়ে অগ্নিকাণ্ডৰ ঘটনাও ঘটিছে। শিৱসাগৰতে এনে অগ্নিকাণ্ডৰ ঘটনা অধিক সংঘটিত হৈছে। শেহতীয়াকৈ শিৱসাগৰৰ উপকণ্ঠ বেতবাৰীৰ এটি অঞ্চলত এনেধৰণৰ অবৈধ তেল-মজুত ভাণ্ডাৰত ভয়ানক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে। পোহৰৰ আনন্দ উছৱ দীপাৱলীৰ মাজতে সংঘটিত এই কৰুণতম ঘটনাই দুটিকৈ উঠি অহা কম বয়সৰ যুৱকৰ প্ৰাণ কাঢ়ি নিছে। এই ধৰণৰ অপমৃত্যুৰ বাবে দায়ী কোন ? দুৰ্ঘটনাটো এটি কাৰণহে। প্ৰকৃততে ৰাষ্ট্ৰীয় সম্পদৰ বিশাল, বিস্তৃত আৰু ক্ষমতাশালী যি প্ৰায় মুকলি, সামান্যহে গোপন অবৈধ কোটি কোটিটকীয়া ব্যৱসায় উজনি অসমত চলিছে-- যি অবৈধ ব্যৱসায়ৰ লাভাংশ বহু ক্ষমতাশালী পক্ষলৈকো নিয়মীয়া গৈ থাকে--এই বিশাল সংগঠিত স্মাগলাৰ্ছ চক্ৰই প্ৰকৃততে এনে ধৰণৰ প্ৰতিটো দুৰ্ঘটনা আৰু অপমৃত্যুৰ কাৰণে প্ৰধান দায়ী বুলি ভাবিব পাৰি। আনহাতে নৰহত্যাসদৃশ এনে ৰাষ্ট্ৰবিৰোধী, অবৈধ ব্যৱসায়বোৰক নাকী নলগোৱাকৈ অসৎ উপাৰ্জনৰ ধান্দাত নিমজ্জিত যিসকল চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু ৰাইজৰ প্ৰতিনিধিসদৃশ নেতা, মিডিয়াৰ মানুহো এইবোৰত গোপনে জড়িত— সেই সকলো এই ধৰণৰ অনাঅভিপ্ৰেত নৰহত্যাৰ পাপৰ নিশ্চয়কৈ অংশীদাৰ। সংশ্লিষ্টসকলৰ চৰকাৰী-বেচৰকাৰী কিম্বা পেছাগত বা 'জাতীয় দায়িত্ব'ই কি তেওঁবিলাকৰ অন্তৰৰ নিভৃত কোণত কৰুণ অপঘটনাৰ চিকাৰ হোৱাসকলৰ মৰণপণ আৰ্তনাদৰ ধ্বনি প্ৰতিধ্বনিত নকৰে নেকি ? আজি মানুহ কি সঁচাই তেজ-মাংসৰ জীৱিত কিছুমান চলা-ফিৰা কৰি থকা মৃতদেহেই হৈ পৰিছে নেকি ? তৎকালীন কেতবোৰ ঘটনাই সৰলৰৈখিক কিছুমান সাধাৰণ প্ৰশ্নই সন্মুখলৈ নানে-- লগতে তাৰে সৈতে জড়িত বহু বহু বক্ৰ ধৰণৰ প্ৰাসংগিক প্ৰশ্নও সন্মুখলৈ আনে-- যি প্ৰশ্নই সময়ত মানুহক নৈতিকতাৰ দাপোনত লজ্জানত কৰি তুলিবও পাৰে...!!

■ প্ৰাঞ্জল ৰাজগুৰু

ফোন ঃ ৮৪৮৬১-৮৭২৮০

# দীপাৱলীৰ অনুভৱ



দেৱালী সন্ধিয়া আমাৰ বজাৰ তিনিআলিত কালী মন্দিৰৰ বিপৰীতে পাণ্ডেজীৰ দোকানত বহি দীপাৱলীৰ ৰং চাই আছিলোঁ। ৰং মানে বসুমতী আইৰ বুকু কঁপাই কাণ তাল মৰা ফটকাৰ শব্দ আৰু শব্দ। এনেতে দোকানলৈ এজনে আহি বুকু ফিন্দাই ক'লে— 'ফটকাৰ বহুত দাম বাঢ়িল আৰু বহুত গ'ল দুই লাখ টকাৰ ফটকা ফুটালোঁ' কথা শুনি এজনে প্ৰশংসাৰ সুৰত দোহাৰিলে যে আপুনি কিন্তু দেখালে দেই নহ'লে ইমান ৰঙা-ৰঙী আতচবাজী চাব নাপালোঁহেঁতেন। এনে ভাবত ক'লে যেন এওঁ আজি বৈকুণ্ঠৰ দুৱাৰ চাই আহিল। যি কি নহওক গগন ক'লা কৰি ২ লাখ টকা মিলি গ'ল বতাহত। পিছে এটা কথাই মনতে ভাবি আছো যে- ইমান টকাৰ ফটকা ফুটাই এখেত কিমান পুণ্য আৰ্জিলে বা দেৱী কালীক কিমান তুষ্ট কৰিলে নাজানো পিছে এই দুই লাখ টকা যদি ২জন দুখীয়া ব্যক্তিক দান কৰিলেহেঁতেন তেন্তে সেই দুই পৰিয়ালে সেই মূলধনৰে কিবা ব্যৱসায় কৰি পৰিয়ালৰ পোহপাল দিযাৰ লগতে সেই পৰিয়ালৰ আশীৰ্বাদ আৰু দাতাৰ হৈ নেদেখাজনৰ প্ৰতি কৰা মিনতিত ইহ আৰু পৰজনমত যে দাতাজনৰ কুশল হ'লহেঁতেন সেয়া ন-দি ক'ব পাৰোঁ। কিয়নো ঈশ্বৰ সদায় ভক্তিতহে তুষ্ট হয়।

■ মইনুল হক

ফোন ঃ ৯৯৫৭৮৬০৮৮০

# ধুবুৰী আইন মহাবিদ্যালয়ৰ শিক্ষকবৰ্গ আৰু ইয়াৰ শৈক্ষিক পৰিৱেশ

■ ঈশ্বৰ দেবনাথ

এখন উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে ধুবুৰী আইন মহাবিদ্যালয় অসমত এক সুকীয়া আৰু সুনাম অৰ্জিত অনুষ্ঠান ৰূপে প্ৰকাশ পাইছে। কিয়নো ইয়াৰ শিক্ষা, শিক্ষকবৰ্গ আৰু শৈক্ষিক পৰিৱেশ প্ৰতিটো দিশতেই অগ্ৰণী লাভ কৰিছে। মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অধ্যাপক আৰু অধ্যাঅপিকাৰ কৰ্মস্পৃহা আৰু কৰ্মনিপুণতাই শিক্ষাৰ মানদণ্ড আৰু নিৰ্ভৰযোগতা যথেষ্ট উন্নত কৰিছে। নিযমানুৱৰ্তিতা, কতব্যকনিষ্ঠা আৰু পৰিশ্ৰমৰ যোগেদি যে মানুহে সফলতা পাব পাৰি তাৰেই উদাহৰণ হ'ল এইখন মহাবিদ্যালয়ৰ শিক্ষকবৰ্গ। আকৌ এইখন মহাবিদ্যালয়ৰ পৰিৱেশো লেখত ল'বলগীয়া। কিয়নো সুন্দৰ-শৈক্ষিক বাতাবৰণ আৰু শান্তিময় পৰিৱেশে শিক্ষাৰ দিশত ধনাত্মক ফলাফল আনিছে। গতিকে শিক্ষকবৰ্গ আৰু শৈক্ষিক পৰিৱেশ দুয়োটা সুন্দৰ হোৱা বাবে শিক্ষাদান প্ৰক্ৰিয়া আৰু ইয়াৰ ফলাফল চমকপ্ৰদ পৰিৱৰ্তন ঘটিছে। শিক্ষকবৰ্গৰ অৱদান অনস্বীকাৰ্য, তাৰে ভিতৰত মোৰ প্ৰিয় কেইজনমানৰ কৰ্ম আৰু চাৰিত্ৰিক বৈশিষ্ট্য দাঙি ধৰিলোঁ।

**ড° মৃদুলা বৰ্মন (অধ্যক্ষ)**

এগৰাকী নাৰী হিচাপে তেখেতে একেধাৰে বহুকেইটা গুণৰ অধিকাৰী। ধৈৰ্য, কামৰ পৰিসজ্জা, সুপৰিচালনা, দয়ালু, কৰ্মস্পহা, সাহসী আদি সকলো গুণেই তেখেতৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ ভিতৰত পৰে।

আনহাতে, গুণীক যশস্যা আৰু ভাল কামৰ প্ৰশংসাও কৰিব পাৰে। নিজৰ শিক্ষকমণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে মিলিত হৈ মনৰ ভাব প্ৰকাশ কৰে। গতিকে এনেবোৰ গুণৰ অধিকাৰী হিচাপে তেখেতেক এগৰাকী বিদুষী নাৰীৰ লগতে নাৰী সমাজৰ প্ৰতীকী হিচাপে দাঙি ধৰিব পাৰি।

**তৌফিকুল ইছলাম ছাৰ (সঞ্চালকপ্ৰধান)**

আমাৰ অতি প্ৰিয় তৌফিকুল ছাৰ আমাক অকল শিক্ষাদানেই নকৰে, তেখেতে আমাক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়ায়। এক কথাত তেখেতক আমি সমস্যা সমাধানৰ পথ হিচাপে গণ্য কৰো। কিয়নো তেখেত যিকোনো ধৰণৰ সমস্যা যিকোনো পৰিস্থিতিত সমাধান কৰিবলৈ সাজু হৈ থাকে। গতিকে সমস্যা সমাধানৰ আন এটা নাম তৌফিকুল ইছলাম ছাৰ।

**গীতা বাইদেউ (সহঃ অধ্যাপিকা)**

এগৰাকী সহঃ অধ্যাপিকাৰ লগতে বিশিষ্ট সমাজসেৱিকা বুলি ক'ব পাৰি। তেখেতৰ কৰ্মনিষ্ঠা আৰু বিনম্ৰ চাৰিত্ৰিক বৈশিষ্ট্যই সকলোকে মুগ্ধ কৰে। সকলো ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ লগতে বন্ধুতৰ দৰে আচৰণ কৰি সকলোৰে মন জয় কৰিব পাৰে।

**ইন্দ্ৰজিৎ দাস ছাৰ আৰু পাৰ্থপ্ৰতিম বৰা ছাৰ (সহঃ অধ্যাপক)**



এই দুয়োগৰাকী ছাৰ হ'ল উৎসাহ আৰু পৰামৰ্শদাতাৰ পথ প্ৰদৰ্শকস্বৰূপ। তেখেতসকলৰ অনুপ্ৰেৰণা আৰু উৎসাহে আমাক শিক্ষাৰ দিশত মনোগ্ৰাহী কৰি তোলে। ইয়াৰ উপৰি আমাৰ মাজত আছে উদয় ৰঞ্জন ছাৰ, দীপান্বিতা বাইদেউ, নৱনীতা বাইদেউ, জুৰি বাইদেউ, বিমান ছাৰ, নৱদীপা বাইদেউ আদি সকলো ছাৰ-বাইদেউৰ নিজা নিজা চাৰিত্ৰিক বৈশিষ্ট্য আৰু গুণ লেখত ল'বলগীয়া। সকলোৰে কৰ্মনিষ্ঠা আৰু ইয়াৰ অনুশীলন আদিয়ে আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশটো দিনে দিনে উন্নত হৈ আহিছে। অৱশেষত ইয়াকে ক'ব পাৰি যে ধুবুৰী আইন মহাবিদ্যালয় অসমৰ আন শিক্ষানুষ্ঠানৰ ফালৰ পৰা কোনো দিশতেই পিছপৰি থকা নাই। যদি একে গতিৰে শিক্ষাৰ মান উন্নত হৈ থাকে এটা সময়ত সমগ্ৰ ভাৰতত সুনাম অৰ্জন কৰিব পাৰিব আমাৰ ধুবুৰী আইন মহাবিদ্যালয়ে।

ফোন ঃ ৮০১১৯৪৪২৪০

# বাঘমাৰাচৰ-শিমলীতোলা সংযোগী ৯০০ ফুট দৈৰ্ঘ্যৰ বাঁহ-কাঠৰ দলং নিৰ্মাণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৬ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ দক্ষিণ পাৰৰ চৰাঞ্চলৰ লক্ষাধিক লোকক দীৰ্ঘদিন ধৰি একাংশ ৰাজনৈতিক নেতাই বাঘমাৰাচৰ-শিমলীতোলা সংযোগী পকী দলং নিৰ্মাণৰ সপোন দেখুৱাই অহাৰ সময়তে অঞ্চলটোৰ একাংশ সমাজ সচেতন ব্যক্তিয়ে জলজলি নদীৰ ওপৰত প্ৰায় ৯০০ মিটাৰ দৈৰ্ঘ্যৰ বাঁহ-কাঠৰ দলং নিৰ্মাণ কৰি চৰকাৰ তথা জনপ্ৰতিনিধিসকলক যোগ্য প্ৰত্যুত্তৰ দিলে। বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে সমষ্টিৰ বাঘমাৰাচৰ-শিমলীতোলাক সংযোগ কৰি জলজলি নদীৰ ওপৰত পকী দলং নিৰ্মাণৰ আশ্বাস আৰু প্ৰতিশ্ৰুতি দিয়াৰ উপৰি নিৰ্বাচন আহিলেই তেওঁৰ এচাম সমৰ্থকে সামাজিক মাধ্যমৰ জৰিয়তে ৰাইজক পকী দলং নিৰ্মাণৰ ললীপপ দেখুৱাই আহিলেও নিজৰ ১০ বছৰীয়া শাসন কালত উক্ত স্থানত দলং নিৰ্মাণ কৰিব নোৱাৰিলে। বিধায়কগৰাকীৰ প্ৰতিশ্ৰুতিক একাষৰীয়া কৰি উক্ত স্থানত থকা পাৰঘাটৰ লেচীয়ে বৃহত্তৰ অঞ্চলটোৰ সৰ্বস্তৰৰ লোকৰ যাতায়াতৰ সুবিধাৰ্থে বাঁহ-কাঠেৰে নিৰ্মাণ কৰে বৃহৎ দলং। প্ৰায় ৯০০ ফুট দৈৰ্ঘ্যৰ বাঁহ-কাঠৰ দলং নিৰ্মাণ কৰিবলৈ কেইবা লাখ টকা ব্যয় কৰা হয়। দলংখন নিৰ্মাণ কৰিবলৈ পাঁচ শতাধিক বাঁহ আৰু বৃহৎ পৰিমাণৰ কাঠৰ ব্যৱহাৰ কৰা হয়। প্ৰায় ২০গৰাকী শ্ৰমিকে ১৫ দিনত নিৰ্মাণ কৰি উলিয়ায় জলজলি নদীৰ ওপৰৰ এই বৃহৎ দলংখন। কালি যাতায়াতৰ বাবে দলংখন মুকলি কৰে শিমলীতোলা বজাৰ পৰিচালনা সমিতিৰ সভাপতি আলতাপ হুছেইন আৰু কাজী নুৰ হুছেইনে। উক্ত অনুষ্ঠানত পাৰঘাট পৰিচালনা সমিতিৰ সভাপতি জাফৰ আলী, সম্পাদক ৰহমত আলীৰ উপৰি নবীৰ হুছেইন ফকীৰৰ লগতে কেইবাজনো ব্যক্তি উপস্থিত থাকে। শীৰ্ষে উক্ত স্থানত চৰকাৰক এখন পকী দলং নিৰ্মাণ কৰাৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনায় উপস্থিত ৰাইজে। উল্লেখ্য যে, বাঁহ-কাঠেৰে নিৰ্মাণ কৰা দলংখনে অঞ্চলটোৰ যাতায়াতৰ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তনৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক প্ৰগতিতো অৰিহণা যোগাব বুলি স্থানীয় ৰাইজে মতপোষণ কৰে।



## চাবুৱাত পথ দুৰ্ঘটনাত হতাহত ২

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ৪১৬ নৱেম্বৰ ঃ** দীপান্বিতাৰ আনন্দ-উল্লাসৰ মাজতে চাবুৱাত ১৪ নৱেম্বৰত নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন যুৱক মৃত্যু হোৱাৰ বিপৰীতে এজন গুৰুতৰভাৱে আহত খবৰে গভীৰ শোকৰ ছাঁ পেলায়। মৃত্যু হোৱা যুৱকজন চাবুৱা মেৰেলী পথাৰৰ বঞ্চিত গগৈ (২৬) বুলি জানিব পৰা গৈছে। বঞ্চিত গগৈ চাবুৱা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ প্ৰাক্তন সদস্য আছিল। প্ৰাপ্ত খবৰ অনুসৰি কালি নিশা প্ৰায় ১০.৩০ বজাত AS-06 U-7894 নম্বৰৰ এখন বুলেট মটৰচাইকেলেৰে তিনিচুকীয়া-ডিব্ৰুগড় বাইপাছেৰে ঘৰলৈ আহি থকা অৱস্থাত পথত শুই থকা এটা গৰুক তীব্ৰ বেগত খুন্দা মাৰি কাষৰ পানীভৰা পৰেগৈ। যাৰ ফলত যুৱকজন থিতাতে মৃত্যু হয়। আনজন আৰোহী যুৱক শান্তনু শইকীয়া গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ বৰ্তমান ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে।

## টীয়কত ‘নৰ সেৱা নাৰায়ণ সেৱা’ শীৰ্ষক স্বাস্থ্য সজাগতা সভা

দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা — ১৬ নৱেম্বৰ :বেচৰকাৰী সংস্থা সেৱা ভাৰতী পূৰ্বাঞ্চল আৰু অৰ্ণদা ছচিঅ’ইকনমিক হেল্‌থ এচ’ছিয়েশ্বনৰ সহযোগত টীয়ক মুদৈজান ভৰলুৱা গাঁৱৰ ৩২৮ নং ভৰলুৱা প্ৰাথমিক বিদ্যালয়ত এক স্বাস্থ্য সজাগতা সম্পৰ্কীয় আলোচনা-চক্ৰৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত টীয়কৰ সুসন্তান তথা কৰ্কটৰোগ বিশেষজ্ঞ ড° যদুনাথ বুঢ়াগোহাঁয়ে কৰ্কট ৰোগৰ লক্ষণ আৰু ইয়াৰ প্ৰতিৰোধৰ ওপৰত বিতংভাৱে লগতে কভিড-১৯ৰ ওপৰতো সজাগতাৰ ওপৰত উপস্থিত ৰাইজক অৱগত কৰিবলৈ চেষ্টা অব্যাহত ৰাখে। উল্লেখ্য যে সজাগতাৰ সমান্তৰালকৈ অনুষ্ঠানটিত উপস্থিত প্ৰায় দেৰ শতাধিক ৰাইজৰ মাজত বিনামূলীয়াকৈ হেণ্ড ছেনিটাইজাৰ, ভিটামিন, আইৰন, ছেনিটেৰী পেইড আদি বিতৰণ কৰা হয়। এই অনুষ্ঠানত সেৱা ভাৰতীৰ প্ৰমুখ অবিনাশ হাজৰিকাই অৰ্থনৈতিক ভাৱে স্বাভলম্বী হ’বলৈ বিভিন্ন কুটিৰ শিল্পৰ বিষয়ে সুন্দৰভাৱে এক চমু আভাস দিয়ে আৰু পৰৱৰ্তী সময়ত ইচ্ছুক সকলক প্ৰশিক্ষণৰো ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি মন্তব্য কৰে।

## আমিনগাঁৱত ‘ৰাষ্ট্ৰীয় প্ৰেছ দিৱস’ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৬ নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাৰ আমিনগাঁৱতো জিলা প্ৰশাসনৰ উদ্যোগত আৰু কামৰূপ জিলা সাংবাদিক সন্থাৰ সহযোগত উদ্‌যাপন কৰা হয় ‘ৰাষ্ট্ৰীয় প্ৰেছ দিৱস’। কামৰূপ জিলাৰ আমিনগাঁওস্থিত লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলাত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আয়োজন কৰা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে আঁত ধৰে কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি মধুসূধন মেধিয়ে। জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতাই সহযোগ কৰা অনুষ্ঠানত পৌৰোহিত্য কৰে কামৰূপ জিলাৰ উপায়ুক্ত কৈলাস কাৰ্তিক এনে। অনুষ্ঠানত উপস্থিত থাকি প্ৰেছ দিৱসৰ কাৰ্যসূচী শুভাৰম্ভ কৰে অসম চৰকাৰৰ প্ৰশাসনিক বিষয়া তথা কামৰূপ জিলাৰ প্ৰাক্তন উপায়ুক্ত বিনোদ ছেছানে। সমাজত সাংবাদিকৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত বক্তব্য ৰাখে ছেছান ডাঙৰীয়াই। অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক পাৰ্থ সাৰথি মহন্ত, অসমীয়া দৈনিক খবৰ কাকতৰ কাৰ্যবাহী সম্পাদক বিশ্বজিৎ দাস, অসম চৰকাৰৰ আয়ুক্ত সচিব তথা বিশিষ্ট শিক্ষাবিদ, আমোলা থানেশ্বৰ মালাকৰ, বিশিষ্ট শিক্ষাবিদ, সমালোচক আৰু বুদ্ধিজীৱী ড° দয়ানন্দ পাঠক আদিকে ধৰি বহুকেইজন বিশিষ্ট সমাজকৰ্মী অতিথি উপস্থিত থাকে। অসম চৰকাৰৰ কামৰূপ জিলা জনসংযোগ বিভাগৰ বিষয়া প্ৰণৱ কুমাৰ দাসৰ সহযোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ তাৎপৰ্যৰ ওপৰত আলোকপাত কৰে। সাংবাদ মাধ্যম আৰু সাংবাদিকতা সদায় সামাজিক দায়বদ্ধতাৰ ওপৰত চলিত জনসংযোগৰ গণ মাধ্যম আৰু সমাজ সংস্কাৰ কৰাৰ প্ৰধান আহিলা আৰু মাধ্যম বুলি ব্যাখ্যা আগবঢ়ায় আৰক্ষী অধীক্ষক পাৰ্থ সাৰথি মহন্তই। ইফালে ৰাজ্যৰ লগতে দক্ষিণ কামৰূপৰ মিৰ্জাৰ সাংবাদিক মিলন মহন্তক দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰা ঘটনাক নিন্দা তথা গৰিহণা দিয়ে আৰু আততায়ীক শীঘ্ৰে কৰায়াত্ত কৰাৰ আহ্বান জনায় অসম প্ৰশাসনক। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত কামৰূপ জিলাৰ ভিন্ন প্ৰান্তৰ কেইবাগৰাকী সাংবাদিকক সন্মান প্ৰদান কৰা হয়। প্ৰেছ দিৱসৰ কাৰ্যসূচীত উত্তৰ কামৰূপ জিলা আৰু দক্ষিণ কামৰূপ জিলাৰ ভিন্ন প্ৰান্তৰ শতাধিক সংবাদ মাধ্যমৰ কৰ্মী উপস্থিত থাকে।




# প্ৰধান শিক্ষকৰ বিৰুদ্ধে ছাত্ৰ বৃত্তিৰ ধন আত্মসাতৰ অভিযোগ

## আলোপতি চৰ থানাত গোচৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৬ নৱেম্বৰ ঃ** একমাত্ৰ টকাৰ বাবেই নমস্য শিক্ষকতা বৃত্তিত নিয়োজিত একাংশ শিক্ষকৰ কৰ্মকাণ্ডই চকু কপালত তুলিছে সচেতন ৰাইজৰ। বৰপেটা জিলাৰ মন্দিয়া শিক্ষা খণ্ডৰ অধীনস্থ নিচানৰ চৰ কালাইৰদিয়া এম ই স্কুলত শেহতীয়াকৈ পোহৰলৈ অহা তেনে এক কাণ্ডক লৈ চাঞ্চল্য বিয়পিছে অঞ্চলটোত। প্ৰাপ্ত তথ্য অনুসৰি বিদ্যালয়খনৰ প্ৰধান শিক্ষক আব্দুছ ছামাদে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নাজিমুদ্দিনৰ সৈতে মিলি সংখ্যালঘু ছাত্ৰ বৃত্তিৰ নামত আবণ্টিত ধন আত্মসাৎ কৰে।



উত্থাপিত অভিযোগ অনুসৰি প্ৰধান শিক্ষকগৰাকীয়ে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি চিনাকি-অচিনাকি বাহিৰৰ বহুতৰে নাম সংখ্যালঘু ছাত্ৰ বৃত্তিৰ তালিকাত সন্নিৱিষ্ট কৰিছে। শিক্ষকগৰাকীৰ বিৰুদ্ধে এনে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে একাংশ ছাত্ৰ-অভিভাৱকৰ লগতে স্থানীয় নিচানৰচৰ ছাত্ৰ সন্থাই। অভিযুক্ত প্ৰধান শিক্ষক আৰু পৰিচালনা সমিতিৰ সভাপতিগৰাকীৰ বিৰুদ্ধে ছাত্ৰ-অভিভাৱকৰ লগতে ছাত্ৰ সংগঠনৰ তৰফৰ পৰা বিদ্যালয় চৌহদত এক উত্তাল প্ৰতিবাদ সাব্যস্ত হয়। ‘সংখ্যালঘু উন্নয়ন বিভাগ হায় হায়, দুৰ্নীতিপৰায়ণ শিক্ষক, সভাপতিক শাস্তি দিয়ক’ আদি বিভিন্ন শ্ল’গানেৰে প্ৰতিবাদথলী উত্তাল হৈ পৰে। ইতিমধ্যে অভিযুক্ত প্ৰঃ শিক্ষক -সভাপতিদ্বয়ৰ বিৰুদ্ধে ছাত্ৰ-অভিভাৱক আৰু নিচানৰচৰ ছাত্ৰ সন্থাই পৃথকে পৃথকে আলোপতিচৰ থানাত এজাহাৰ দাখিল কৰি এজাহাৰকাৰী পক্ষই অভিযুক্তদ্বয়ৰ বিৰুদ্ধে নজিৰবিহীন শাস্তিৰ দাবী জনাইছে।

## ছিপাঝাৰত কংগ্ৰেছৰ মহিলা সমাৰোহৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৬ নৱেম্বৰ ঃ** সমাগত ২০২১ৰ বিধানসভাৰ নিৰ্বাচনক উপলক্ষ কৰি দৰং জিলা মহিলা কংগ্ৰেছে জিলাখনত ব্যাপক তৎপৰতা অৱলম্বন কৰিছে। এই উপলক্ষে ২২ নৱেম্বৰত ছিপাঝাৰৰ বড়মপুৰ পঞ্চায়তত জিলা মহিলা কংগ্ৰেছে অনুষ্ঠিত কৰিব জিলাভিত্তিক এখন মহিলা সমাৰোহ। মহিলা সমাৰোহ আদৰণী সমিতিৰ সভাপতি আলহাজ আব্দুৰ ৰহমান, কাৰ্যকৰী সভাপতি ৰঞ্জিত ৰাজবংশী আৰু সম্পাদক পৰেশ কুমাৰ ডেকাই জনোৱা অনুসৰি সেইদিনা পুৱা ৭ বজাত স্বচ্ছতা অভিযান, ৮ বজাত সামূহিক গছপুলি ৰোপণ, ৯ দলীয় পতাকা উত্তোলন আৰু ১১ বজাত অনুষ্ঠিত হ’ব জিলা মহিলা কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সভা। দিনৰ ১ বজাত জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী অঞ্জুমণি হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত হ’ব মহিলা কংগ্ৰেছৰ মুকলি সমাৰোহ। প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশীয়ে উদ্বোধন কৰিবলগীয়া এই মুকলি সমাৰোহত প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী বিধায়িকা নন্দিতা দাস, বিধায়ক ইলিয়াছ আলী, প্ৰাক্তন মন্ত্ৰী বসন্ত দাস, দৰং জিলা কংগ্ৰেছৰ সভানেত্ৰী ৰাহিদা আহমেদ, সাধাৰণ সম্পাদক কন্দৰ্প কলিতা, কুলদীপ বৰুৱা, সৈত্যাৰাণী কলিতা, প্ৰাক্তন সভানেত্ৰী শীলা চহৰীয়া, ছিপাঝাৰ ব্লক কংগ্ৰেছৰ সভাপতি ইছিম মকছেদুল হক অতিথি হিচাপে উপস্থিত থাকিব বুলি জনোৱা হৈছে।

চেলেংহাটত আটছাৰ মানৱ শৃংখল

## সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুৰ তদন্ত চিবিআইক দিয়াৰ দাবীত স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ১৬ নৱেম্বৰ ঃ** ১২ নৱেম্বৰৰ সন্ধিয়া সাহসী সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক মৃত্যুৰ প্ৰতিবাদত আজি প্ৰেছ দিৱসৰ দিনা চেলেংহাটত এক বৃহৎ মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ চেলেংহাট উপ-শাখাই। পুৱা দহ বজাৰ পৰা ৰূপায়িত প্ৰতিবাদী মানৱ শৃংখল কাৰ্যসূচীত প্ৰতিবাদকাৰীসকলে সাংবাদিকৰ সুৰক্ষা দিয়ক, অসম চৰকাৰ হুচিয়াৰ, সাংবাদিক পৰাগ ভূঞাৰ হত্যাৰ তদন্ত চিবিআইক অৰ্পণ কৰক আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰে। মানৱ শৃংখল কাৰ্যসূচীৰ অন্তত সাংবাদিক ভূঞাৰ হত্যাৰ তদন্ত চিবিআইৰ হাতত অৰ্পণ কৰিবৰ বাবে আটছাৰ চেলেংহাট উপ-শাখাৰ সভাপতি গুঞ্জন পাত্ৰ আৰু সম্পাদক শিৱা (লস্কৰ) তাঁতী স্বাক্ষৰসম্বলিত এখন স্মাৰক-পত্ৰ টীয়ক ৰাজহ চক্ৰ বিষয়াৰ যোগেদি যোৰহাট জিলাৰ উপায়ুক্তলৈ প্ৰেৰণ কৰে।

## পশুধনৰ ‘ব্ৰুচেল’চিছ’ চবকা ৰোগ নিৰ্মূলৰ লক্ষ্যৰে নাজিৰাত ৰাষ্ট্ৰীয় আঁচনিৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৬ নৱেম্বৰ ঃ** মানুহৰ পৰা পশুলৈ বা পশুৰ পৰা মানুহলৈ সংক্ৰমণ হ’ব পৰা ৰোগ ‘ব্ৰুচেল’চিছ’ প্ৰতিৰোধৰ লগতে গৰুৰ মুখ আৰু ঠেঙত আক্ৰান্ত কৰা চবকা ৰোগৰ প্ৰতিৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনিৰ অধীনৰ টিকাকৰণ আঁচনিৰ কালি নাজিৰাত শুভাৰম্ভ কৰা হয়। নাজিৰাৰ শ্ৰীশ্ৰীগোবৰ্ধনধাৰী গো-শালাৰ প্ৰেক্ষাগৃহত শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত দীপক ভূঞাই আঁচনি শুভাৰম্ভ কৰি দিয়া ভাষণত আটাইতকৈ গুৰুত্বপূৰ্ণ এক পশুধন সুৰক্ষাৰ আঁচনি বুলি প্ৰকাশ কৰাৰ লগতে নতুনকৈ সংযোজিত ব্যক্তিগত ভেক্সিনেটৰ হিচাপে কাম কৰিবলৈ আগবাঢ়ি অহা যুৱকসকলক গ্ৰাম্য অৰ্থনীতিৰ ভেটি ধৰি ৰখাত সক্ৰিয় হৈ ৰোৱাৰ আহ্বান জনায়। পশুধন চিকিৎসা বিভাগৰ শিৱসাগৰ জিলাৰ বিষয়া ডাঃ অক্ষয় ভট্টাচাৰ্য, ডিমৌ পশুধন আই চি ডি পি বিষয়া ডাঃ দুষ্মন্ত শইকীয়া, নাজিৰাৰ খণ্ড উন্নয়ন বিষয়া অজিত গগৈ, ডাঃ অমৃত তামুলী, সাংবাদিক ভাস্কৰজ্যোতি বৰগোহাঁই, গো-শালাৰ সম্পাদক সঞ্জয় আগৰৱালাই বিষয়বস্তু সন্দৰ্ভত বক্তব্য দাঙি ধৰে। পশুধন চিকিৎসা বিভাগৰ নাজিৰা খণ্ডৰ বিষয়া ডাঃ লাচিত বৰাই অনুষ্ঠানৰ আঁত ধৰে। অনুষ্ঠানত চিকিৎসা বিষয়াসকলৰ লগতে যুৱ ভেক্সিনেটৰসকল উপস্থিত থাকে। উল্লেখ্য যে বিপজ্জনক দুবিধকৈ পশুৰোগ প্ৰতিৰোধৰ উদ্দেশ্যে গ্ৰহণ কৰা এই কাৰ্যসূচীৰে প্ৰতিটো অঞ্চলৰ প্ৰতিটো পশুধনৰ পঞ্জীয়ন কৰি একোখনকৈ স্বাস্থ্য পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে পশুধনৰ চিনাক্ত কৰ্ণপত্ৰ সংলগ্ন কৰা হৈছে। ইয়াৰ জৰিয়তে দেশৰ পশুধনৰ চোৰাং বেপাৰ প্ৰতিৰোধৰো পদক্ষেপ গঢ়ি তোলা হৈছে। আঁচনি মতে চবকা আৰু ব্ৰুচেল’চিছ ৰোগ নিৰ্মূল কৰাৰ লক্ষ্য আৰু ২০৩০ চনত সম্পূৰ্ণ নিৰ্মূলকৰণৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। আজি নাজিৰাৰ গো-শালাৰ পশুধনসমূহৰ ভেক্সিন প্ৰদান কৰা হয়।

## পৰ্বতীয়া গাঁৱত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা কাকজান, ১৬ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি টীয়কৰ পৰ্বতীয়া গাঁৱত মৃগনাভি মইনা পাৰিজাতৰ উদ্যোগত এক মনোগ্ৰাহী অনুষ্ঠান সম্পন্ন কৰা হয়। মৃগনাভি মইনা পাৰিজাতৰ সঞ্চালক অৰূপজ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত মইনা পাৰিজাতৰ কণ কণ শিশুসকলে নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সক্ষম হোৱাৰ লগতে ৱেব চেনেল ‘খবৰ ২৪৭ নামৰ চেনেলত এঘণ্টীয়া এক মনোগ্ৰাহী অনুষ্ঠান হোৱাৰ লগতে সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। মইনা পাৰিজাতৰ সভানেত্ৰী প্ৰিয়াজ্যোতি বৰুৱা আৰু সম্পাদিকা বেবী হাজৰিকাই কণ কণ শিশুসকলৰ বৌদ্ধিক সচেতনতা আগবঢ়াই নিয়াৰ লগতে এখন সফল মঞ্চ গঢ়ি তুলিছে। এটি বৰগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত সকলো শিশুশিল্পীয়ে নিজৰ প্ৰতিভাসমূহ দাঙি ধৰি আপ্লুত কৰে। অনুষ্ঠানত উপস্থিত পুব যোৰহাট প্ৰেছক্লাবৰ প্ৰাক্তন সভাপতি দিলীপ দত্ত, সাংবাদিক বিৰাজ কুমাৰ বৰা, স্মৃতিপ্ৰিয়া লাহন, শিক্ষক পল্লৱ শইকীয়া, ৰেডিঅ’ ৰদালি’ৰ অংকুৰজ্যোতি টাইকে ধৰি স্থানীয় বহু মহিলা, শিশু, বয়োজ্যেষ্ঠ লোক উপস্থিত থাকে।

মিৰ্জাৰ সাংবাদিক মিলন মহন্তক দুৰ্বৃত্তৰ আক্ৰমণক তীব্ৰ গৰিহণা আইৰাৰ

## সাংবাদিকৰ নিৰাপত্তা প্ৰদানত ব্যৰ্থ বিজেপি চৰকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৬ নৱেম্বৰ ঃ** ভাৰতবৰ্ষৰ সৰ্ববৃহৎ সাংবাদিক সংগঠন অল ইণ্ডিয়ান ৰিপ’টাৰ্ছ এছ’চিয়েশ্বন চমুকৈ আইৰাৰ অসম ৰাজ্যিক সমিতিয়ে এইখন বিজেপি চৰকাৰৰ শাসনত ৰাজ্যত সঘনাই হৈ থকা সাংবাদিক আক্ৰমণক কঠোৰ ভাষাৰে সমালোচনা কৰে। কালি ৰবিবাৰে দক্ষিণ কামৰূপৰ মিৰ্জাৰ ‘অসমীয়া প্ৰতিদিন’ কাকতৰ সাংবাদিক মিলন মহন্তক এদল দুৰ্বৃত্ত আৰু জুৱাৰীয়ে আক্ৰমণ কৰি ৰাজহুৱা স্থানত অপদস্থ কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে আইৰাৰ অসম ৰাজ্যিক সমিতিয়ে। জুৱা, অবৈধ খনন আদি দুৰ্নীতিৰ বিষয়ে বাতৰি পৰিৱেশন কৰি থকাৰ বাবেই সাংবাদিক মিলন মহন্তই তেনেদৰে ৰাজহুৱা স্থানত জুৱাৰী আৰু ভূ-মাফিয়াৰ দ্বাৰা অপদস্থ হ’বলগীয়া হোৱাত জাঙুৰ খাই উঠিছে আইৰাৰ অসম ৰাজ্যিক সমিতি। চৰকাৰৰ গৃহ বিভাগৰ দুৰ্বলতাৰ বাবে দুৰ্নীতিগ্ৰস্ত ব্যক্তি, ভূমাফিয়া, জুৱাৰী আদিয়ে তেনেদৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে পৰিগণিত সংবাদ মাধ্যম আৰু সাংবাদিকৰ ওপৰত অত্যাচাৰ কৰিবলৈ সাহস পাইছে বুলি আইৰাৰ ৰাজ্যিক সভাপতি কিৰণ কুমাৰ গগৈয়ে মন্তব্য কৰি শীঘ্ৰেই গৃহ বিভাগক এইসকল সাংবাদিক অপদস্থকাৰীৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী তুলিছে আৰু গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম আৰু সাংবাদিকৰ ওপৰত হৈ থকা আক্ৰমণ ৰোধ কৰিব নোৱৰাটো এই চৰকাৰৰ দুৰ্বলতা বুলি অভিহিত কৰি চৰকাৰক ধিক্কাৰ দিছে। আনহাতে, ৰাজ্যিক সাধাৰণ সম্পাদক পঙ্কজ নাথে এইখন বিজেপি চৰকাৰে সাংবাদিকক নিৰাপত্তা প্ৰদানত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি উল্লেখ কৰি দুৰ্বৃত্তই সাংবাদিক মিলন মহন্তক আক্ৰমণ কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দি শীঘ্ৰেই সেইসকলক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহিবলৈ দাবী জনাইছে। ইয়াৰ লগতে কেইদিনমান আগতে তিনিচুকীয়াৰ কাকপথাৰৰ প্ৰতিদিন টাইমৰ সাংবাদিক প্ৰয়াত পৰাগ ভূঞাৰ ৰহস্যজনক মৃত্যুৰ উচিত আৰু সঠিক তদন্ত কৰি দোষীক কঠোৰতম শাস্তি বিহাৰ বাবে দাবী জনাই পৰাগ ভূঞাৰ ৰহস্যময় মৃত্যুৰ ঘটনা চিবিআইৰ দ্বাৰা তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল তথা অসম চৰকাৰৰ ওচৰত সজোৰে দাবী উত্থাপন কৰিছে।

# পানীতোলাত অগ্নিশিখা সংঘৰ উদ্যোগত ‘শিশু সমাৰোহ ২০২০’




**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৫ নৱেম্বৰ ঃ** পানীতোলা নগাঁও অগ্নিশিখা সংঘৰ উদ্যোগত দুদিনীয়াকৈ সুকলমে অনুষ্ঠিত হয় শিশু সমাৰোহ ২০২০। পানীতোলা নগাঁও প্ৰাথমিক বিদ্যালয়ত ১৪ নৱেম্বৰত পুৱা ৯ বজাত পতাকা উত্তোলন কৰে সংঘৰ সভাপতি নয়নমণি ফুকনে। পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সংঘৰ উপদেষ্টা উজ্জ্বল বৰুৱাই। পুৱা ১০ বজাত গছপুলি ৰোপণ আৰু বিতৰণৰ শুভাৰম্ভ কৰে পৰিৱেশ সুৰক্ষা সমিতি, অসমৰ সভাপতি ঋতুৰাজ বৰুৱাই। ১০.৩০ বজাত চিত্ৰাংকন আৰু ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ৪ বজাত মাৰাথন দৌৰ প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে প্ৰাক্তন ৰাজ্যিক পৰ্যায়ৰ ভলীবল খেলুৱৈ, শিক্ষক চুচেন বৰুৱাই। ল’ৰা-ছোৱালী উভয় শাখাতে অনুষ্ঠিত প্ৰাইজমানী মাৰাথন দৌৰ প্ৰতিযোগিতাৰ ছোৱালী শাখাত প্ৰিয়ঙ্কা প্ৰধানে প্ৰথম,পদ্মামণি কৈৰী দ্বিতীয়, ৰিন্তীমণি বৰুৱাই তৃতীয় আৰু ল’ৰা শাখাত জিন্তু ফুকনে প্ৰথম, মৰমজ্যোতি গগৈ দ্বিতীয় আৰু জয়ন্ত গগৈয়ে তৃতীয় স্থান পাবলৈ সক্ষম হয়। অনুষ্ঠানত ৰাজ্যিক পৰ্যায় ভলীবল খেলুৱৈ, খেল পৰিচালক সৌৰভ বৰুৱা, প্ৰাক্তন খেলুৱৈ অনুশ্ৰীয়া বড়া শইকীয়া, ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল খেলুৱৈ টিংকু বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰে। পুৱা ১০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত আকস্মিক বক্তৃতা, মুকলি কুইজ, ৰাভা সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি ৩ বজাৰ পৰা মুকলি সভা, কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বসন্ত বৰুৱা, সাংস্কৃতিক কৰ্মী শৈলেন কুমাৰ বৰুৱা, প্ৰবিলতা ফুকন, সিদ্ধিনাথ ফুকন, মটক যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলাৰ সভাপতি কৃষ্ণকান্ত কাকতি, ক্ৰীড়া সম্পাদক দিব্যজ্যোতি বৰুৱা আৰু মটক মহিলা পৰিষদৰ কেন্দ্ৰীয় সহঃ সম্পাদিকা নীলাক্ষী গগৈ।

# ৰামচন্দ্ৰ দলেলৈ ‘পাঃমে আপ্পুন’ উপাধি প্ৰদান

## স্মাৰক গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১৬ নৱেম্বৰ ঃ** ৰঙানদী সাহিত্য পৰিষদে মিছিং কথাছবিৰ (ভিডিঅ’) প্ৰথমজন সংগীত পৰিচালক ৰামচন্দ্ৰ দলেলৈ মৰণোত্তৰভাৱে ‘পাঃমে আপ্পুন’ উপাধি প্ৰদান কৰে। লখিমপুৰ জিলাৰ আমতলাৰ নাহৰবাৰী- ভেকেলী ৰংগ মঞ্চত ১৫ নৱেম্বৰত লেখক জীৱন টাইদে ৰচনা কৰা ‘পামে আপ্পুন ৰামচন্দ্ৰ দলে’ শীৰ্ষক গ্ৰন্থখন উন্মোচনৰ উদ্দেশ্যে অনুষ্ঠিত সভাত ৰঙানদী সাহিত্য উৎসৱ সমিতিৰ সভাপতি তথা এ ডি কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নিৰন কুমাৰ বৰাই আজীৱন শিল্পীগৰাকীক মৰণোত্তৰভাৱে এই উপাধি প্ৰদান কৰে। পুৱা ১০.৩০ বজাৰ পৰা অনুষ্ঠিত সভাখন ৰামচন্দ্ৰ দলেয়ে ৰচনা কৰা এটি সমৱেত সংগীতেৰে আৰম্ভ হয়। প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মী বিদ্যাপুৰ দলেয়ে। আয়োজক সমিতিৰ হৈ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰঙানদী সাহিত উৎসৱ সমিতিৰ সম্পাদক ৰিণ্টু শইকীয়াই। বিশিষ্ট নাট্যশিল্পী ৰবীন দলেৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত মিছিং ভাষাৰ প্ৰথমখন ভিচিডি কথাছবি পাঃমে আপ্পুনৰ সংগীত পৰিচালক, গীতিকাৰ, সুৰকাৰ ৰামচন্দ্ৰ দলেৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত ভাষণ প্ৰদান কৰে লখিমপুৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি তথা আমতলা হাইস্কুলৰ প্ৰধান শিক্ষক পৰমানন্দ দাসে। লেখক জীৱন টাইদে ৰচনা কৰা শিল্পীগৰাকীৰ জীৱন আধাৰিত গ্ৰন্থ ‘পামে আপ্পুন ৰামচন্দ্ৰ দলে’ উন্মোচন কৰে নিৰন কুমাৰ বৰাই। শিল্পীগৰাকীৰ পৰিয়াল বৰ্গক গ্ৰন্থখন প্ৰদান কৰি ভাষণ আগবঢ়ায় ক্ৰমে লখিমপুৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি গুণ ভূঞা, ৰঙানদীপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি সদানন্দ বৰা, ৰাজেন দলে আৰু জলাপ পেগুয়ে। শিল্পীগৰাকীৰ সোঁৱৰণত অনুষ্ঠিত কবি সন্মিলনত কবিতা পাঠ কৰে ক্ৰমে জিতেন নৰহ, হেমকান্ত শইকীয়া, মিণ্টু শৰ্মা, মেঘৰাম পায়েং, ৰাজীৱ পায়েং, চুমি দাস বৰা, মম্পী সোণোৱাল, দেৱজিৎ বৰা আৰু বৰ্ণালী চিন্তেই। কাব্যানুষ্ঠানত পঠিত কবিতাসমূহৰ ওপৰত আলোচনা আগবঢ়ায় এ ডি কে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক সঞ্জীৱ বৰাই। মিছিং আনুনিতম পৰিৱেশন কৰে প্ৰিয়ংকা লাগাছুৱে। সমাজকৰ্মী ধনীৰাম শইকীয়াই সমজুৱাৰ একাষাৰত শিল্পীজনৰ সান্নিধ্য স্মৰণ কৰে। ৰমেশ পেগু আৰু ৰিণ্টু শইকীয়াই আঁত ধৰা অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় কাব্যানুষ্ঠানৰ আহ্বায়ক জীৱন টাইদে।



### শিক্ষানুষ্ঠানলৈ যাবলৈ সাহস গোটাব পৰা নাই ধিঙৰ এখন চৰকাৰী বিদ্যালয়ৰ শিক্ষকে

# বিদ্যালয়লৈ গ'লেই প্ৰাণে মৰাৰ ভাবুকি



**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১৬ নৱেম্বৰ ঃ** ধিঙৰ চৰৰ মাতাব্বৰৰ ভাবুকিত সন্ত্ৰস্ত এখন চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকল। প্ৰাণৰ মমতাত বিদ্যালয়লৈ যাবলৈ সাহস গোটাব পৰা নাই শিক্ষকে। ধিঙৰ এই খন বিদ্যালয়ৰ নাম মোৱামৰী মুক্তাব বিদ্যালয়। নৈ পৰীয়া এই বিদ্যালয়খন বটদ্ৰৱা প্ৰাথমিক শিক্ষা খণ্ডৰ এলেকাধীন। চৰাঞ্চলত অৱস্থিত এই বিদ্যালয়খন চৰকাৰৰ নিয়ম মতে নহয় চলাব লাগে মাতাব্বৰ নিয়ম মতে। মাতাব্বৰ নিয়ম নামানিলে শিক্ষকসকলৰ জীৱনলৈ আহে মৃত্যুৰ ভাবুকি। প্ৰধান শিক্ষকে মাতাব্বৰসকলক দিব লাগে মধ্যাহ্ন ভোজন, ইউনিফৰ্ম, আন্তঃগাঁথনিৰ আৰু বিদ্যালয় গৃহৰ নামত আবণ্টিত ধনৰ এটা অংশ। এই মাতব্বৰসকল হ'ল জহুৰ আলী, ছমৰ আলী আৰু কেইবাজনো। এই সকল মাতাব্বৰক উচটনি দি থাকে জিয়াবুৰ ৰহমান নামৰ এজন চি আৰ চি চি (চৰকাৰী সমল শিক্ষকে। গুৰু গোসাঁই নমনা এই জন চি আৰ চি চি য়ে বিভিন্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পৰা ভয়-ভাবুকি আৰু ছল চাতুৰীৰে সংগ্ৰহ কৰি আহিছে ধন । কিন্তু বটদ্ৰৱা প্ৰাথমিক শিক্ষা বিষয়াই এইজন চি আৰ চি চি ক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱা নাই। মোৱামৰী মুক্তাব বিদ্যালয়ৰ প্ৰধান শিক্ষক ছহিদুল ইছলামক একাংশ মাতাব্বৰ আৰু চি আৰ চি চি জিয়াবুৰ ৰহমানে বিগত কেইমাহ ধৰি ভীতিগ্ৰস্ত কৰি আহিছে। তদুপৰি বিদ্যালয়খনৰ এগৰাকী টেট শিক্ষয়িত্ৰীক অশ্ৰাব্য ভাষাৰে কেইবাবাৰো অপদস্থ কৰাৰ অভিযোগ এজন মাতাব্বৰৰ বিৰুদ্ধে। উপায়বিহীন প্ৰধান শিক্ষকজনে এতিয়া সুব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। উল্লেখ্য যে বটদ্ৰৱা, জুৰিয়া, লাহৰিঘাট আৰু গাভৰু প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ চৰ চাপৰিত থকা পঞ্চাছ খনতকৈ অধিক চৰকাৰী প্ৰাথমিক বিদ্যালয়ত মাতাব্বৰসকলে চলাই আহিছে মাতাব্বৰীৰাজ। যাৰ বাবে এতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱন অনিশ্চিত ভবিষ্যতৰ দিশে গতি কৰিছে।

### ফটকাৰ আঘাতত বস্ত্ৰনগৰীত এজনৰ মৃত্যু

# বাতৰি কাকতৰ হকাৰেৰে জীৱন সংগ্ৰাম কৰা পুতুলৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৬ নৱেম্বৰ ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তত সেউজ দীপাৱলী উদ্‌যাপন কৰি থকাৰ সময়তে বস্ত্ৰনগৰী শুৱালকুছিত এজন লোক ফটকাৰ আঘাতত মৃত্যু হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে বস্ত্ৰনগৰীৰ সৰুসত্ৰৰ সদানন্দ কলিতা (পুতুল) (৭০) নামৰ ব্যক্তিজনে ব্যৱসায় সংক্ৰান্তীয় কামৰ বাবে কালি সন্ধিয়া গাঁওবুঢ়া পামলৈ বুলি গৈ আছিল। সেই সময়ত উদণ্ড প্ৰকৃতিৰ এজন লোকে এটা আতচবাজী ষ্টীলৰ গিলাচৰ আৱদ্ধ কৰি ফুটুওৱাৰ লগে লগে সেই দিশেৰে গৈ থকা পুতুলৰ পেটত গিলাচ ফাটি প্ৰচণ্ড জোৰেৰে আহি সোমায় যায় আৰু লগে লগে অঞ্চলটোত হুৱাদুৱা লাগে। পুতুলক ততালিকে ১০৮ এম্বুলেন্সেৰে গুৱাহাটীলৈ লৈ যোৱা হয় যদিও নিশা জিএমচিএইচত মৃত্যু হয়। ইপিনে ঘটনা সংঘটিত কৰিয়ে ভাড়াঘৰত থকা লোকজনে পৰিয়াল সহিতে পলায়ন কৰে। আৰক্ষীয়ে পৰিয়ালটোৰ সন্ধান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা পৰলৈ কাকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। **হকাৰেৰে কৰ্মজীৱন ঃ** শুৱালকুছিৰ প্ৰায়বোৰ লোকেৰে চিনাকী পুতুল কাৰে বিখ্যাত হকাৰেৰে জীৱন নিৰ্বাহ কৰিছিল। অসম সাহিত্য সভাৰ অন্তৰ্গত শুৱালকুছি জ্যোতি সাহিত্য সভাই শুৱালকুছিত যি সময়ত বাতৰি কাকতৰ ব্যৱসায় আৰম্ভ কৰিছিল তেতিয়াৰ পৰাই তেওঁ হকাৰৰ কাম কৰিছিল। পিছলৈ সাহিত্য সভাই এই ব্যৱসায় বন্ধ কৰাত পৰেশ মেটাৰ দ্বাৰা পৰিচালিত বাতৰি ঘৰৰো ১৯৮৭-৮৮ চনত তেওঁ হকাৰ হিচাপে কাম কৰিছিল। তেওঁৰ মৃত্যুত শুৱালকুছিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে আৰু ঘটনাৰ সৈতে জড়িত দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।



## ডিব্ৰুগড়ত চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মদাৰখাত, ১৬ নৱেম্বৰ ঃ** ডিব্ৰুগড় জিলা চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাৰ এখন কাৰ্যনিৰ্বাহক সভা আজি ডিব্ৰুগড়ৰ মাৰোৱাৰী হিন্দী মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হয়। সভাত ২৪ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাৰ গণ অভিবৰ্তনৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা হয়। উল্লেখ্য যে উক্ত অভিবৰ্তনত ৰাজ্যখনৰ সকলো জিলাৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰিব। বিত্ত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথাটোৱে ৰাজ্যৰ এন পি এছ কৰ্মচাৰীৰ বাবে শুভ বাৰ্তা কঢ়িয়াই আনিব বুলি সকলোৱে গণ্য কৰিছে। ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সভাখন ১৯ নৱেম্বৰত ডিব্ৰুগড়ত হ'ব। গতিকে জিলাখনৰ সকলো এন পি এছ কৰ্মচাৰীসকলৰ সক্ৰিয় অংশ গ্ৰহণ কামনা কৰা হৈছে।

# ৰবি শস্যৰ বীজ বিতৰণেৰে কৃষকক উৎসাহ গমাৰিগুৰি মণ্ডল বিজেপিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৬ নৱেম্বৰ ঃ** ৰাজ্যত চাহিদাৰ অনুপাতে উৎপাদনৰ সংখ্যা কম হোৱাৰ পৰিপ্ৰেক্ষিতত বজাৰত শাক-পাচলিৰ আকাশলংঘী মূল্যবৃদ্ধিৰ সময়তে গোলাঘাট জিলাৰ গোলাঘাট সমষ্টিৰ আৰ্দশ গমাৰিগুৰি গাঁও পঞ্চায়তত বিজেপিৰ গমাৰিগুৰি মণ্ডল সমিতিয়ে পঞ্চায়তখনৰ দৰিদ্ৰ কৃষকৰ মাজত ৰবিশস্যৰ কৃষিৰ বতৰৰ আৰম্ভণিতে ৰবিশস্যৰ বীজ বিতৰণ কৰি কৃষক ৰাইজক উৎসাহ যোগোৱাৰ পদক্ষেপ গ্ৰহণ কৰিছে। আঘোণৰ শালিধান কটাৰ পাছত বিলাহী, বন্ধকবি, ফ্ৰেন্সবিন, তিতাকেৰেলা আদি ৰবিশস্য খেতিৰে নিজৰ পথাৰখন পৰিপূৰ্ণ কৰা গমাৰি পঞ্চায়তৰ কৃষক ৰাইজক এইবাৰ ভাজপাৰ গমাৰিগুৰি মণ্ডল সমিতিয়ে যোগান ধৰিছে বাদাম আৰু গোমধানৰ বীজ। সেই মতে গোলাঘাট জিলাৰ কৃষি বিভাগৰ সৌজন্যত বিগত ১৫ নৱেম্বৰৰ পৰা গমাৰি পঞ্চায়তৰ ৪নং আৰু ৭নং ৱাৰ্ডত আৰম্ভ কৰি প্ৰতিটো ৱাৰ্ডত ৬০জনৰ পৰ্যন্ত কৃষকক বাদাম আৰু গোমধানৰ বীজ বিতৰণ কৰে আৰু পঞ্চায়তখনৰ দহোটা ৱাৰ্ডত এই বীজ বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিছে। উল্লেখ্য যে, বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ সহকাৰী সম্পাদক দেৱজিৎ বৰা, গমাৰি মণ্ডল বিজেপিৰ সম্পাদক তপোৱন বৰা, মণ্ডল কিষাণ মৰ্চাৰ সভাপতি সুনীল বৰুৱা, ৰমেন নাথ, অতুল শইকীয়া, ইন্দ্ৰজিৎ পেগু আদি ভালেসংখ্যক দলীয় কৰ্মী উপস্থিত থাকি পঞ্চায়তখনৰ কৃষক ৰাইজক ৰবিশস্য কৰিবলৈ উৎসাহিত কৰে।

## আজি লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয় উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মদাৰখাত, ১৬ নৱেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ সক্ৰিয় আঞ্চলিক সমিতি হিচাপে বিবেচিত লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ নৱ নিৰ্মিত কাৰ্যালয় শ্বহীদ ভৱনটো কাইলৈ সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে শুভ উদ্বোধন কৰিব। উদ্বোধনী কাৰ্যৰ স'তে এখন ৰাজহুৱা সভাৰ আহ্বান কৰা হৈছে। সভাত ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ লগতে অঞ্চলটোৰ গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব। লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিদ্যুৎ সাগৰ দত্ত আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক উজ্জ্বল বৰুৱাই সকলোৱে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

## শিঙিমাৰীত জগদ্ধাত্ৰী পূজাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৬ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ শিঙিমাৰীৰ ৩৭১ নং শিঙিমাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অহা ২০ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজাৰ আয়োজন কৰা হৈছে বুলি পুজা পৰিচালনা সমিতিৰ সভাপতি হৰেণ বৰ্মন আৰু সম্পাদক প্ৰণৱ বৰ্মনে জনাইছে । প্ৰথম দিনা ২০ নৱেম্বৰত দেৱীৰ বোধন, আমন্ত্ৰণ আয়তীৰ নাম প্ৰসংগ, দ্বিতীয় দিনা ২১ নৱেম্বৰত আইসকলৰ পানী তোলন, দেৱীৰ নৱ পত্ৰিকা প্ৰৱেশ, তৃতীয় দিনা ২২ নৱেম্বৰত দেৱীৰ মহাষ্টমী পূজা, আয়তীৰ নাম- প্ৰসঙ্গ, আৰতি, পুৰুষৰ নাগাৰা নাম, চতুৰ্থ দিনা ২৩ নৱেম্বৰ মহানৱমী পূজা, আইসকলৰ নাম প্ৰসঙ্গ, সম্বৰ্ধনা মহাশান্তি , মহাভোগ আদি বিতৰণ, মহিলাৰ নাম, আৰতি আৰু শেষৰ দিনা ২৪ নৱেম্বৰত হনুমান পূজা, দশমী পূজা, ঘট বিসৰ্জনৰ লগতে বিয়লি দেৱীৰ প্ৰতিমা লৈ শোভাযাত্ৰা প্ৰতিমা বিসৰ্জন আদি কাৰ্যসূচীৰে পূজাৰ সামৰণি পৰিব বুলি জানিব পৰা গৈছে। জগদ্ধাত্ৰী পূজা উপলক্ষে সকলো ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যেক্তা সমিতিয়ে। আনহাতে শিঙিমাৰী বৰচুপা শিৱ মন্দিৰতো ২০ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ পাচদিনীয়াকৈ আয়তীসকলৰ নাম-প্ৰসংগ, ওজাপালি, নাগাৰা নাম আদি অনুৰূপ কাৰ্যসূচীৰে সৰ্বজনীন শ্ৰীশ্ৰী জগদ্ধাত্ৰী পূজাৰ আয়োজন কৰা হৈছে বুলি সভাপতি জ্যেতিষ কুমাৰ বৈশ্য আৰু সম্পাদক সঞ্জীৱ বৰ্মনে জানিবলৈ দিছে।

# ঐতিহাসিক থেকেৰাগুৰিৰ ৰাস মহোৎসৱৰ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৬ নৱেম্বৰ ঃ** কৰ'মা মহামাৰীয়ে আনি দিয়া আতংকময় পৰিৱেশৰ মাজতে সম্পূৰ্ণ কভি'ড প্ৰটকল মানি অহা ২৯ নৱেম্বৰত অনুষ্ঠিত হ'ব জামুগুৰিহাটৰ থেকেৰাগুৰিৰ ঐতিহ্যমণ্ডিত বাসুদেৱ থানৰ ৰাস মহোৎসৱ ।১৯৫৭চনতেই পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এই ৰাস মহোৎসৱে এইবেলি ৬৪সংখ্যক বৰ্ষত ভৰি দিলে। প্ৰতিবছৰেই দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই ৰাস মহোৎসৱ কভি'ড-১৯ৰপৰিস্থিতিৰ বেলিকা এইবেলি এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিব বুলি উদ্‌যাপন সমিতিৰ সভাপতি অতুল বৰা আৰু যুটীয়া সম্পাদকদ্বয় জয়ন্তবৰা আৰু অপূৰ্ব কাকতিয়ে জানিবলৈ দিছে। মন কৰিবলগীয়া যে জামুগুৰিহাটৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ থেকেৰাগুৰিৰ বাসুদেৱ থানত আম, জামকে ধৰি বিভিন্ন গছ বিৰিখৰে পৰিপূৰ্ণ সাইলাখ বৃন্দাবন সাদৃশ মায়াবী পৰিৱেশেৰে অনুষ্ঠিত হ'ব লগা এই ৰাস মহোৎসৱৰ প্ৰস্তুতি ইতিমধ্যে পূৰ্ণ গতিত চলি আছে।

# টিংখাঙত দিহিংচাং বহুমুখী প্ৰকল্পৰ উদ্বোধন




**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ১৬ নৱেম্বৰ ঃ** টিংখাং সমষ্টিৰ বিধায়ক বিমল বড়াৰ প্ৰচেষ্টাত সমষ্টিটোৰ নিবনুৱা যুৱক-যুৱতীসকলক লৈ গঠন কৰা দিহিংচাং নামৰ বহুমুখী প্ৰকল্প এটা আজি কৃষি মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰে। সমষ্টিটোৰ তিনি ঠাইত প্ৰায় ৩০০০ বিঘা মাটিত কৃষক সকলৰ সহযোগত কৃষিকৰ্ম, প্ৰায় ৫০ হেক্টৰ জলাশয়ত মৎস্য পালন আৰু তিনিটা স্থানত শিপিনীসকলৰ উৎকৰ্ষ সাধনৰ কাৰণে স্থাপন কৰা বয়ন শিল্প কেন্দ্ৰ প্ৰকল্পটোৱে ইতিমধ্যে সামৰি লৈছে। প্ৰকল্পটো উদ্বোধন উপলক্ষে সমষ্টিটোৰ ধমনৰ দুইনং কেন্দুগুৰি গাঁৱত আয়োজিত এখন সভাত বিধায়ক বিমল বড়া, অসম পেট্ৰ'কেমিকেলচৰ অধ্যক্ষ বিকুল ডেকা, বিজেপি নেতা জগদীশ ৰাজকোঁৱৰ, মোৱাচিৰ হাচান, সৌৰভ প্ৰাণ বৰা, টিংখাং ৰাজহ চক্ৰ বিষয়া লক্ষ্যজিৎ দুৱৰীয়া, কৃষি, জলসিঞ্চন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। সভাত সমষ্টিটোৰ কৃষকৰ মাজত কৃষি বিভাগৰ দ্বাৰা পাৱাৰটিলাকে ধৰি কৃষি কাৰ্যত ব্যৱহৃত বিভিন্ন সা-সামগ্ৰী বিতৰণ কৰা হয়।

## দিচৈসুঁতি জলচ্ছেদ সমিতিৰ কালভাৰ্টৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৬ নৱেম্বৰ ঃ** বোকাখাত মহকুমাৰ উত্তৰ মহুৰাগাঁও পঞ্চায়তৰ অন্তৰ্গত বংকুৱাল মিৰিকা মিৰি পথ- কৃষি বান্ধ সংযোগী পথৰ ওপৰত আজি দিচৈসুতি জলচ্ছেদ সমিতিৰ সহযোগত এটা কালভাৰ্টৰ শুভ উদ্বোধন কৰে অসম গণ পৰিষদ দলৰ দিচৈ আঞ্চলিক সমিতিৰ উপদেষ্টা কাৰপুং মৰাঙে। উদ্বোধনী অনুষ্ঠানত গোলাঘাট জিলা সংমণ্ডল ভূমি সংৰক্ষণ বিভাগৰ অভিযন্তা অমিত দলে আৰু দিপাংক কন্দলিৰ লগতে এম এমকেৰ উত্তৰ মহুৱা আঞ্চলিক সমিতিৰ সভাপতিৰ বাবুকান্ত দাৰ সমাজকৰ্মী নন্দনাথ দাৰ, ৰমেন দাৰ, সুৰেচ লইং, নোমল দাৰ লগতে সমিতিৰ সভাপতি সৰুধন মৰাং, সম্পাদক ৰঞ্জীত দাৰে উপস্থিত থকাৰ উপৰিও স্থানীয় ৰাইজেও উপস্থিত থাকি গঠনমূলক পৰামৰ্শ আগবঢ়ায়।

## আজি চাবুৱাত অগপৰ জাতীয় ঐক্য সন্মিলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৬ নৱেম্বৰ ঃ** বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম গণ পৰিষদ দলক শক্তিশালী ৰূপত ৰাইজৰ মাজলৈ নিয়াৰ প্ৰয়াস কৰি গৈছে দলটোৰ নেতা-কৰ্মীয়ে। নতুন উদ্যম তথা দৃঢ়তাৰে আগন্তুক ২০২১ৰ বিধান সভাৰ নিৰ্বাচনত অসম গণ পৰিষদ দল অৱতীৰ্ণ কচৰৎ অব্যাহত আছে। চাবুৱা অসমীয়া জাতীয়তাবাদৰ শক্তিশালী পীঠস্থান হিচাপে ইয়াৰ পৰাই পুনৰ বাৰ জাতীয়তাবাদৰ ভেটি শক্তিশালী কৰিবলৈ অগপই কঁকালত টঙালী বান্ধিছে। চাবুৱা সমষ্টিৰ যুৱনেতা পোনাকণ বৰুৱাৰ নেতৃত্বত অগপ কৰ্মকতাসকলে কঁকালত টঙালী বান্ধিছে। অসম গণ পৰিষদ দলৰ উদ্যোগত কাইলৈ চাবুৱাৰ ইয়ং ব্লু ক্লাবৰ খেলপথাৰত পুৱা ১০ বজাৰ পৰা 'জাতীয় ঐক্য সন্মিলন' শীৰ্ষক এক বিশাল গণ সমাৰেশ অনুষ্ঠিত হ'ব। সমাৰেশত অগপ দলৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি তথা জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ফণীভূষণ চৌধুৰী, সংগীত শিল্পী কল্পনা পাটোৱাৰী উপস্থিত থাকিব বুলি জনাইছে চাবুৱাৰ নেতা পোনাকণ বৰুৱাই। অসম হাইড্ৰ-কাৰ্বন আৰু শক্তি কোম্পানীৰ অধ্যক্ষ পোনাকণ বৰুৱাই চাবুৱা সমষ্টিৰ প্ৰতিখন গাঁৱলৈ গৈ জাতীয় ঐক্য সন্মিলনৰ বাবে নেতা-কৰ্মীক সজাগ কৰিবলৈ ব্যাপক প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ইপিনে এই সভাৰ জৰিয়তে বিজেপিৰ দখলত থকা চাবুৱাত পোনাকণ বৰুৱাৰ অগ্নিপৰীক্ষা হ'ব বুলিও কয় একাংশ লোকে। 'কা' আন্দোলনত ৰাজ্যৰ ভিতৰতে সকলোতকৈ বেছি ক্ষতিগ্ৰস্ত তথা প্ৰতিবাদ কৰা ডিব্ৰুগড় জিলাৰ চাবুৱাত অগপৰ প্ৰথমখন সভাত মানুহৰ সমাগম হ'ব নে নাই সেয়াও লক্ষ্যণীয় হ'ব।

## দৈয়াং আঞ্চলিক কৰ্মচাৰী পৰিষদৰ নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৬ নৱেম্বৰ ঃ** আজি দৈয়াং উচ্চ মাধ্যমিক বিদ্যালয়ত সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত দৈয়াং আঞ্চলিক কৰ্মচাৰী পৰিষদৰ এখন বিশেষ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। অজিত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ প্ৰতিনিধি সভাত গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰূপজ্যোতি ফুকন, সম্পাদক কৰুণাকান্ত ৰাজবংশীকে ধৰি বহু সংখ্যক প্ৰতিনিধিৰ উপস্থিতিত সৰ্বসন্মতিক্ৰমে পূৰ্বৰ অজিত শইকীয়া আৰু প্ৰবীণ গগৈ নেতৃত্বাধীন সমিতিখনকে বাহাল ৰাখে।

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ড° বাণীকান্ত কাকতি স্মাৰক বক্তৃতানুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ নৱেম্বৰ ঃ** পণ্ডিত প্ৰবৰ ড° বানীকান্ত কাকতিৰ স্মৃতি দিৱস উপলক্ষ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বিবাৰ্ষিক বানীকান্ত কাকতি স্মাৰক বক্তৃতানুষ্ঠানটি আজি অনুষ্ঠিত হয় ।গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু বৰপেটা জিলা সাহিত্য সভাৰ সহযোগত দিনৰ এক বজাৰ পৰা ৱেবলাইনযোগে বক্তৃতা অনুষ্ঠানটি অনুষ্ঠিত হয়। বাণীকান্ত কাকতি স্মাৰক বক্তৃতানুষ্ঠানটিৰ সমন্বয়ক অধ্যাপক তৰণী ডেকাৰ আদৰণি ভাষণেৰে আৰম্ভণি হোৱা মূল অনুষ্ঠানটো উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ প্ৰতাপজ্যোতি সন্দিকৈয়ে। উদ্বোধনী ভাষণত উপাচাৰ্যগৰাকীয়ে বাণীকান্ত কাকতি আসন আৰু ভাষা অধ্যয়ন গৱেষণা কেন্দ্ৰ স্থাপন সম্পৰ্কে অৱগত কৰে। মূল বক্তৃতাটো প্ৰদান কৰে দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক প্ৰকাশ চন্দ্ৰ পাটনায়কে। ভাষণ প্ৰসংগত পাটনায়কে বাণীকান্ত কাকতিৰ ভাষা চৰ্চাৰ কথা আলোকপাত কৰে। উত্তৰ পূব ভাৰতৰ অসমীয়া ভাষা আৰু সংস্কৃতিক বিশ্বত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বানীকান্ত কাকতিৰ ভূমিকা অপৰিসীম বুলি মত আগবঢ়ায়। বানীকান্ত কাকতি স্মাৰক বক্তৃতানুষ্ঠানটি সঞ্চালনা কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক বিভা ভৰালীয়ে। অধ্যাপক কামালুদ্দিন আহমেদে মূল বক্তা প্ৰকাশ চন্দ্ৰ পাটনায়ক সম্পৰ্কে পৰিচয়মূলক টোকা এটিও সকলোৰে আগত দাঙি ধৰে। উক্ত বক্তৃতানুষ্ঠানটিত বিভাগৰ অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## গোলাঘাট ফাউণ্ডেশ্বনৰ পুথিভঁৰাললৈ কিতাপ দান

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ১৬ নৱেম্বৰ ঃ** গোলাঘাটৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন গোলাঘাট ফাউণ্ডেচনৰ উদ্যোগত দৰিদ্ৰ তথা আৰ্থিকভাৱে অনগ্ৰসৰ লোকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চলাই অহা পুথিভঁৰাললৈ কেইবাখনো প্ৰয়োজনীয় কিতাপ আগবঢ়ায় গোলাঘাটৰ যুৱ সাংবাদিক তথা সমাজকৰ্মী অমিত নাগৰী আৰু সাংবাদিক তথা সমাজ সেৱিকা মীনা নাগৰীয়ে। তেওঁলোকে মুঠ ৯৮ খন কিতাপ প্ৰদান কৰে যিসমূহৰ ভিতৰত অসমীয়া, হিন্দী আৰু ইংৰাজী ব্যাকৰণ আদিৰ লগতে সাহিত্যৰ কিতাপ আছে। অমিত নাগৰী আৰু মীনা নাগৰীয়ে কিতাপসমূহ গোলাঘাট ফাউণ্ডেচনৰ পৰাগ লহকৰৰ হাতত অৰ্পণ কৰে। উল্লেখ্য যে যোৱা কেইবাবছৰ ধৰি গোলাঘাট ফাউণ্ডেচনে এই বিনামূলীয়া পুথিভঁৰাল চলাই আহিছে আৰু ইয়াৰ ফলত বহু দৰিদ্ৰ মেধাৱী ছাত্ৰ-ছাত্ৰী উপকৃত হোৱা দেখা গৈছে। উল্লেখ্য যে যোৱা কিছুদিন পূৰ্বেও অনুৰূপ ধৰণে কিতাপ আগবঢ়াইছিল নাগৰী মাতৃ পুত্ৰই।

## মেৰাপানীৰ ভেলৌগুৰিত পথ দুৰ্ঘটনাত হতাহত ৩

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৬ নৱেম্বৰ ঃ** আজি পুৱা ৯.৩০ মান বজাত মেৰাপানী মহকুমাৰ দৈয়াং পঞ্চায়তৰ চিবাংপাৰত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ লগতে আন দুজন লোক গুৰুতৰভাৱে আহত হয়। বিপৰীত দিশৰ পৰা অহা ০৩/২৬০৪ আৰুS03S 9833 নম্বৰৰ দুখন মটৰ চাইকেলৰ মাজত সংঘটিত মুখামুখি সংঘৰ্ষত সৰুপানীৰ ধন কুৰ্মী নামৰ এজন লোক ঘটনাস্থলীতে থিতাতে নিহত হয়। আনহাতে, যোৰহাট জিলাৰ বৰহোলা বেকাজানৰ ৰমেন কছাৰী আৰু পদুম পথাৰ সোনা লিম্বু নামৰ যুৱকদুজন গুৰুতৰভাৱে আহত হয়। আহত দুয়োজনকে উন্নত চিকিৎসাৰ বাবে মেৰাপানী সমূহীয়া চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে জৰুৰীকালীন সেৱাযোগে যোৰহাট মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। মেৰাপানী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্থ মটৰচাইকেল দুখন নিজৰ জিন্মাত লৈছে।

# সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ দতমা আঞ্চলিক সমিতি গঠন



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১৬ নৱেম্বৰ ঃ** আজি ১৫ নৱেম্বৰ ২০২০ তাৰিখে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ নলবাৰী জিলাৰ ১২ নং দতমা আঞ্চলিক সমিতিখন গঠন কৰা হয়। স্থানীয় বিশিষ্ট সমাজকৰ্মী চৈয়দ নুৰ ইছলাম আহমেদৰ সভাপতিত্বত পূব নলবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এখন সাধাৰণ সভাত আব্দুল লটিফক সভাপতি আৰু জাকিৰ হুছেইনক সাধাৰণ সম্পাদক আৰু তৌফিক ৰহমান আৰ্জুক যুটীয়া সম্পাদক হিচাপে লৈ এখন ২১ জনীয়া শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। উক্ত সমিতিৰ মুখ্য উপদেষ্টা হিচাপে সৰ্বসন্মতিক্ৰমে মনোনীত হয় সভাৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী চৈয়দ নুৰ ইছলাম আহমেদ লগতে পূব নলবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক খছনুৰ আলীক অন্যতম উপদেষ্টা হিচাপে সভাই মনোনীত কৰে। সভাত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি ৰাইনুৰ আহমেদে গৰিয়া মৰিয়া দেশী আদি খিলঞ্জীয়া ইছলামধৰ্মী সকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে চৰকাৰৰ ওচৰত পৰিষদে কৰি অহা দাবী তথা খিলঞ্জীয়া ইছলাম ধৰ্মী এই জনগোষ্ঠীসমূহৰ ইতিহাস ঐতিহ্যৰ ওপৰত বহল ব্যাখ্যা আগবঢ়ায়। গৰিয়া মৰিয়া দেশী জলহা আদি খিলঞ্জীয়া ইছলাম ধৰ্মী জনগোষ্ঠীসমূহৰ সুকীয়া আৰ্থ সামাজিক জৰীপ, উপগ্ৰহীয় স্বায়ত্বশাসন, উন্নয়ন পৰিষদ, বিধানসভা আৰু লোক সভাত আসন সংৰক্ষণৰ দাবী সন্দৰ্ভতো উপস্থিত ৰাইজৰ পৰা উত্থাপিত প্ৰশ্নৰ উত্তৰ প্ৰদান কৰা হয়। সভাত নলবাৰী জিলা আহ্বায়ক সমিতিৰ তৰফৰ পৰা ময়নুল হক চৌধুৰী আৰু তাইজুদ্দিন আহমেদৰ লগতে কেন্দ্ৰীয় সদস্য মইনুল হক উপস্থিত থাকি বক্তব্য আগবঢ়ায়। চলিত মাহৰ শেষৰ ফালে আঞ্চলিকৰ অন্তৰ্গত ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এখন সজাগতামূলক কৰ্মশালা অনুষ্ঠিত কৰিবলৈ সভাত সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## প্ৰথম পৃষ্ঠাৰ পৰা—

# সাগৰ সঙ্গমত কতনা

দৰে নাজানিছিল, আৰু কিমান দিনলৈবা সেই যাত্ৰা চলি থাকিব, নে লক্ষ্যস্থান পোৱাৰ আগতেই যাত্ৰাৰ অকালতে সামৰণি পৰিব। মানুহৰ সেই কথা জনাৰ কোনো উপায়ো নাই। আগতেও জনা নাছিল, এতিয়াও নাজানে আৰু আগলৈও বোধহয় নজনাকৈ থাকিব। কেনেবাকৈ এই কথাৰ ভেদ ভাঙিব পাৰিলেই, আমাৰ উপাস্য ভগৱানজনৰ মৃত্যু অনিবাৰ্য হৈ পৰিব। গতিকেই সৃষ্টিকৰ্তাই মানুহক বোধহয় সেই ক্ষমতা কোনো কালে দিয়াৰ কোনো মতলব কৰা নাই। কেনেবাকৈ মানুহে যদিহে ভূত, ভৱিষ্যতৰ কথা জানিব পৰা হৈ যায়, কেনেকৈ আঁত লাগি চলিব মানুহৰ বিশ্বখন? ভগৱানে সেই ক্ষমতা নিদিয়াৰ পাছতো সমগ্ৰ বিশ্বত অত ভেদাভেদ, অশান্তি, যুদ্ধ-বিগ্ৰহ আৰু বিশৃংখলা, কেনেবাকৈ তেনে গুপ্ত কথাৰ আগতেই অৱগত হ'ব পাৰিলে মানুহে সংসাৰত কি কৰি পেলাব তাক আজি কল্পনাও কৰিব নোৱাৰি। আকৌ কওঁ, কেতিয়াবা মানুহে ভাগ্যৰ কথা আগতীয়াকৈ জানিব পাৰিলে, ভৱিষ্যতে মানুহৰ মঙ্গলময় হোৱাতকৈ, বিষম বেমেজালিৰহে সৃষ্টি হ'ব। বিষয়ৰ পৰা বেছি আঁতৰি নগৈ আকৌ ভূপেনদাৰ কথালৈ ঘূৰি আহোঁ।

ভূপেনদাই এদিন প্ৰাণ খুলি মুক্ত কণ্ঠে গাইছিল, 'সাগৰ সঙ্গমত কতনা সাতুৰিলোঁ, তথাপিতো হোৱা নাই ক্লান্ত, তথাপি মনৰ মোৰ প্ৰশান্ত সাগৰৰ উৰ্মিমালা অশান্ত। মনৰ প্ৰশান্ত সাগৰৰ বক্ষত, জোৱাৰৰ নাই আজি অন্ত, অজস্ৰ লহৰে নৱ নৱ গতিৰে, আনি দিয়ে আশা অফুৰন্ত, তথাপি মনৰ মোৰ প্ৰশান্ত সগৰৰ, উৰ্মিমালা অশান্ত"।

উল্লেখনীয় কথাটো হ'ল, সমগ্ৰ জীৱনজুৰি নিৰন্তৰ সংগ্ৰাম কৰি কৰি ভাগৰি নপৰা ভূপেনদাই সংসাৰৰ তিতা-মিঠাৰ স্বাদ লৈ কেৱল মানুহৰ কথাকে ভাবিলে- কেতিয়াও ক্লান্ত নোহোৱাকৈ। তেওঁৰ বিশাল মনৰ প্ৰশান্ত সাগৰখনত সাঁতুৰি-নাদুৰি থাকোঁতে, সেই চিন্তা-ভাৱনাই ঢৌ তুলি তুলি অশান্ত, অগ্নিময়ো কৰি তুলিছল। তথাপি তেওঁৰ মনৰ প্ৰশান্ত সাগৰৰ সেই উৰ্মিমালা, সদায় অশান্ত হৈ ৰৈছিল, তেওঁৰ মনৰ প্ৰশান্ত সাগৰত জোৱাৰৰ কোনো দিন অন্ত নপৰিল, 'অজস্ৰ লহৰে নৱ নৱ গতিৰে, আনি দিয়ে আশা অফুৰন্ত'। তেওঁ আছিল আশাবাদী- দূৰন্ত মনৰ অধিকাৰী, তেনে হোৱাৰ বাবেই তেওঁৰ হৃদয়ত তীব্ৰগতিৰে আশাৰ সঞ্চাৰ কৰে, সেই ভাৱনা সমুদ্ৰৰ জোৱাৰৰ দৰে ঢৌ তুলি তেওঁৰ দুৰ্দান্ত মনক অশান্ত কৰি তোলে। তথাপি তেওঁ ক্লান্ত নহয়। নতুন আশাৰ পাছত তেওঁ নিতৌ দৌৰি ফুৰিছিল, গীত গাই কাল ধুমুহাৰ নিশাতো আলোকৰ সন্ধান কৰিছিল। তেওঁৰ মনৰ প্ৰশান্ত সাগৰত, নৱ নৱ গতিৰে যি অজস্ৰ অশান্ত লহৰ উঠিছিল, সেয়ে আনি দিছিল অফুৰন্ত আশা, সেই আশাৰ পৰিধি ভাঙি তেওঁ সমগ্ৰ জীৱন সংগ্ৰাম কৰি অতিবাহিত কৰিছে, ক'তো ক্ষন্তেকো থমকি ৰোৱা নাই। ক্লান্তিও অনুভৱ কৰা নাই।

'প্ৰশান্ত পাৰৰ মহা মহা জীৱনৰ' শান্তি আক্ৰান্ত হোৱা দেখি, 'দৈত্য-দানৱৰ নিষ্ঠুৰ আঘাতত' নতুন দিনৰ 'নৱ নৱ সৃষ্টিৰ' সংকট দেখি তেওঁৰ বিদ্ৰোহী মন অশান্ত হৈ পৰে। সমুদ্ৰৰ লহৰে লহৰে বিপদ সঙ্কুল সময়তো সেয়েহে তেওঁ উদ্দাত্ত কণ্ঠে গাইছে, 'ধ্বংসৰ আঘাতক দিছে আজি সংঘাত, সৃষ্টিৰ সেনানী অনন্ত, সংঘাতে আনে মোৰ প্ৰশান্ত সাগৰত প্ৰগতিৰ নতুন দিগন্ত, সেয়েহে মনৰ মোৰ প্ৰশান্ত সাগৰৰ উৰ্মিমালা অশান্ত'। ধ্বংসৰ আঘাতে আনি দিয়া সংঘাতত সৃষ্টি হৈছে অজস্ৰ সেনানী, সেই সংঘাতে তেওঁৰ প্ৰশান্ত সাগৰত প্ৰগতিৰ নতুন দিগন্তৰ সন্ধান কৰাত ইন্ধন যোগাইছে, মহাসমুদ্ৰৰ উৰ্মিমালাৰ সৃষ্টি কৰি তেওঁৰ বিশাল হৃদয় অশান্ত কৰি তুলিছে। সেই লহৰ, অশান্ত ঢৌ অথবা প্ৰতিটো মুহূৰ্তত হৃদয়-সমমুদ্ৰত জাগি উঠা ভাৱনাৰ দুৰ্বাৰ উৰ্মিমালা যেন শেষ নহ'বই, তেওঁৰ দূৰন্ত তথা শক্তিশালী মনে দৈত্য-দানৱৰ বিধি পথালি দিয়া কাৰ্যক প্ৰত্যাহ্বান ৰূপে গ্ৰহণ কৰি তাক দিগভ্ৰান্ত কৰি নিজক সাজু কৰি তোলে সংগ্ৰামত প্ৰবৃত্ত হ'বলৈ, কাৰণ তেওঁৰ লগত আছে প্ৰতিটো ক্ষণত 'সৃষ্টিকামী অগণন মানৱৰ শান্তি সমদল'। তেওঁৰ সদা জাগ্ৰত 'প্ৰচণ্ড ধুমুহা'ই মনৰ বিশাল তথা গভীৰ প্ৰশান্ত সাগৰত খলকনি তুলি নতুন দিগন্তলৈ প্ৰচণ্ড শক্তিৰে ধাবিত হৈ দানৱৰ আঘাতকো ধ্বংস কৰাৰ সংগ্ৰামত প্ৰবৃত্ত হৈছে। অজস্ৰ জনৰ শান্তিৰ সমদলত মিলি তেওঁ শক্তিমন্ত হৈ উঠিছে। তেওঁৰ মন-মগজু আৰু দিগন্ত বিয়পা প্ৰসাৰিত-দৃষ্টি অগণন মানুহৰ লগত সদায় আছে। সেয়েহে তেওঁৰ মানৱ কল্যাণৰ বাবে হৃদয়ত নিৰন্তৰ ঢৌ খেলি থাকে।

তেওঁৰ গীতৰ প্ৰতিটো শব্দ বিশাল তথা অৰ্থময়-বৰ্ণময় ৰূপেৰে সমৃদ্ধ, একো একোপাত পাশুপাত অস্ত্ৰ। একোটা শব্দই ব্ৰহ্মাত্ব লাভ কৰি ব্যাপক, অৰ্তবাহক সমাজ ৰচনাৰ ঐতিহাসিক মূল্য বহন কৰে। সেই শব্দই ব্ৰহ্মাস্ত্ৰৰ শক্তি লাভ কৰি সমাজত ফিৰিঙতিৰ পৰা খান্দবদাহ কৰাৰ সামৰ্থ্য লাভ কৰে। তেওঁৰ গীতে কেৱল আমাক সঙ্গীতৰ মাধুৰ্যই দান নকৰে, লগতে আমাক 'ৰুদ্ধ দুৱাৰ খুলি', নতুন পৃথিৱী এখনলৈও লৈ যায়। তাত গৈ গীতিকাৰৰ লগতে শ্ৰুতাই দেখা পাই এখন নতুন বিশ্বব্ৰহ্মাণ্ড। সেই 'বিশ্বব্ৰহ্মাণ্ডত নিজৰ লগতে ন-পৃথিৱীৰ নৱ আলোকেৰে আলোকিত হৈ, জীৱনৰ অৰ্থ বিচাৰি পায়। এটা সময়ত ভূপেন দাৰ বাবে সেয়াও এটা অপৰাধ আছিল; পাছে, জলন্ত অঙঠা টোপোলাত বান্ধি থ'লেও এটা সময়ত সি জ্বলি জ্বলি তললৈ সৰি পৰিবই। সত্য-সূৰ্য কোনো দিন ডাৱৰ বা কুঁৱলিৰ তলত স্থায়ীকৈ লুকাই নাথাকে, কাল ৰাত্ৰিৰ বুকুতো পুৱাৰ প্ৰভাতহে লুকাই থাকে। মৌ-মাখিৰ দৰে দিহিঙে-দিপাঙে ঘূৰি ফুৰি অমৃতৰ সন্ধান কৰি, তেওঁ তেওঁৰ গীতত মানৱতাৰ সন্ধান দিছে। সেই কাৰ্যই তেওঁক মহান কৰাৰ লগতে অসমীয়া জাতিকো চিৰকালৰ বাবে ধন্য কৰিছে, 'ধন্য ধন্য ভাৰতবৰিষ'কো বিশ্বৰ বুকুত উজলাই তুলিছে।

তেওঁৰ গীতত বিশ্ব মানৱৰ কল্যাণৰ কথা বাৰে বাৰে লিপিৱদ্ধ হৈছে। 'মানুহে মানুহৰ বাবে, যদিহে অকণো নাভাবে, অকণি সহানুভূতিৰে, ভাবিব কোনেনো কোৱা সমনীয়া? মানুহে মানুহক বেছিব খুজি, মানুহে মানুহক কিনিব খুজি, পুৰণি ইচিহাস দোহাৰিলে, ভুল জানো নহ'ব কোৱাঁ সমনীয়া'? এনে প্ৰাঞ্জল ভাষাত ইমান গভীৰ দৰ্শনৰ কথা একোটাকো মানুহৰ বুকুত সুমুৱাই মানৱতাৰ জয়গান গোৱাত ভূপেনদা নিশ্চয়কৈ সকলোৰে প্ৰিয়পাত্ৰ হৈ হৃদয়ৰ গভীৰতম কোণত লীন গৈ আছে। তেওঁৰ গানে অতি সৰল ভাষাত আমাক যেতিয়া কয়, 'দুৰ্বল মানুহে যদি, জীৱনৰ কোবাল নদী, পাৰ হয় তোমাৰ সাহত, তুমি হেৰুৱাবানো কি? মানুহ যদিহে নহয় মানুহ, দানৱ কাহানিও নহয় মানুহ, যদি দানৱ কাহানিবা হয়েই মানুহ, লাজ পাব কোনেনো কোৱাঁ সমনীয়া'? মানৱ সেৱা কৰিবলৈ মানুহক ইয়াতকৈ সহজ-সৰল ভাষাত কোৱা আন একো ভাষা নাই। মানুহৰ জীৱন তেতিয়াহে সাৰ্থক হ'ব পাৰে, যেতিয়া আনৰ কাৰণে কিবা এটা কৰিব পাৰে; 'জীৱনৰ কোবাল নদীত' কাৰোবাক যদি আমি পাৰ কৰি দিব পাৰোঁ, তাতকৈ আন আৰু কি মহৎ কাম থাকিব পাৰে? মানুহৰ কাম মানুহেই কৰিব লাগিব, দানৱে নহয়; যদি দানৱে মানুহৰ কাম কৰিবলৈ হয়-যিটো কাম সাধাৰণতে নহয়, তেতিয়া মানুহে নিজেই লাজ অনুভৱ কৰিব লাগিব। গতিকে হে বন্ধু, মানুহ হৈ মানুহৰ বাবে একোবাৰ ভাবা। পাঠকসকলে এটা কথা মন কৰিব পাৰে 'সাগৰ সঙ্গমত' গীতটোৰ (১৯৫২) প্ৰায় এটা দশকৰ পাছত লিখা 'মানুহে মানুহৰ বাবে' (১৯৬১) গীতটোতো সেই একেই লক্ষ্য প্ৰতিধ্বনিত হৈছে। ভূপেনদা মানৱ সেৱাৰ মূল পথৰ পৰা কোনো দিন পিচলি পৰা নাই, ফালৰি কাটি আঁতৰিও যোৱা নাই। 'বোলো অ' মিচিং ডেকাটি, বজালি যে পেম্পাটি, সুৰেৰে সজালি দেখোঁ, দিচাং মুখৰ নিশাটি' (১৯৫৬)আন এটি কালজয়ী গীত। তেওঁৰ মানত সকলো মানুহ, মিচিঙেও 'অসমীৰে বৰ লুইতৰ সোঁতটি বঢ়াব' বুলি জীয়া সমন্বয়ৰ কথা অকপটে হিয়া উজাৰি গাইছে। তেনে আন এটি গীত 'চিয়াঙৰে গালং, লুইতৰে খামতি, টিৰাপৰে ৱাঞ্চোৱে মোক কিয় মাতিছে'। নগা, খাচী প্ৰমুখ্যে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জাতি-উপজাতিৰ সমন্বয়ৰ কথা ভূপেনদাই সদায় চিঞৰি চিঞৰি কৈ গৈছে। সেই একেটা কথাকে বিশাল দেশখনৰ আনবোৰ মানুহৰ বাবেও কৈ গৈছে। 'আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব' বুলি কোৱাৰ পাছত তেওঁৰ আৰুনো ক'বলৈ কি বাকী থাকিল? অসমীয়াৰ উপৰি ভাৰতীয় অন্যান্য ভাষাবোৰৰ লগতে ইংৰাজীতো যাৰ গীতসমূহ অনুদিত হৈ আলোড়ণৰ সৃষ্টি হৈছে, লক্ষ-কোটি মানুহ অনুপ্ৰাণিত হৈছে, তেওঁক আমি সকলোদিন শ্ৰৰ্ধাহ সোঁৱৰণ কৰা উচিত হ'ব। শেষত কওঁ, তেওঁৰ কথাবোৰ, গানবোৰ আমি অসমীয়াই আজি বুজি পালোঁ নে, আমাৰ মতে, এয়াই ভাবিবৰ উচিত সময়।

*ফোন ঃ ৯৪৩৫৪ ৮৬১৯৩*

# সপ্তমবাৰৰ বাবে মুখ্যমন্ত্ৰী

মুঠ সাতবাৰ শপত গ্ৰহণ কৰে বিহাৰৰ শীৰ্ষ পদটোৰ বাবে। আজি সন্ধিয়া ৰাজ্যপালে নতুন চৰকাৰৰ মুৰব্বী হিচাপে গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱাৰ সময়ত উপস্থিত আছিল কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা। এইবাৰৰ বিধানসভাত বিজেপিয়ে অকলেই ৭৪ আসনত জয়লাভ কৰে। এনডিএ মৰ্চাৰ অংশীদাৰ জনতা দল সংযুক্তই লাভ কৰে ৪৩ টা সমষ্টি। মৰ্চাৰ অন্য দুই অংশীদাৰ বিকাশশীল ইনছান পাৰ্টি আৰু হিন্দুস্তানী আৱাম মৰ্চাই চাৰিটাকৈ সমষ্টি দখল কৰিবলৈ সক্ষম হয়। ফলত চৰকাৰৰ মজিয়াত নীতিশ কুমাৰৰ দলটো দ্বিতীয় স্থানত থাকিল। তথাপি প্ৰাক নিৰ্বাচনী ঘোষণা অনুসৰি এনডিএ মৰ্চাই নীতিশ কুমাৰকে মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত কৰে। আজি নীতিশ কুমাৰৰ উপৰিও মুঠ তেৰজন বিধায়কে মন্ত্ৰীসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। উপ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ সম্ভাৱনা আছে তাৰকিশোৰ প্ৰসাদ আৰু ৰেণু দেৱী। দুয়োগৰাকী হ'ল বিজেপিৰ বিধায়ক। শপতগ্ৰহণ কৰা বিজেপিৰ অন্যান্য সৌভাগ্যৱান সদস্যকেইজন হ'ল— মংগল পাণ্ডে, অমৰেন্দ্ৰ প্ৰতাপ সিং, ৰামপ্ৰিট পাছোৱান, জিভেছ মিশ্ৰ আৰু ৰাম সুৰত ৰায়। মন্ত্ৰীসভাত স্থান লাভ কৰা নীতিশ কুমাৰৰ নেতৃত্বাধীন জনতা দল সংযুক্তৰ বিধায়ককেইজন হ'ল ক্ৰমে— বীজেন্দ্ৰ প্ৰসাদ যাদৱ, অশোক কুমাৰ চৌধুৰী, মেৱালাল চৌধুৰী আৰু শীলা মণ্ডল। সহযোগী দল বিকাশশীল ইনছান পাৰ্টিৰ মুকেশ চাহানি আৰু হিন্দুস্তানী আৱাম মৰ্চাৰ পৰা সন্তোষ মাঝিয়ে মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে। লক্ষণীয় বিষয় এয়ে যে চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠান বৰ্জন কৰে মহাজোঁট বন্ধনে। আৰজেডি-কংগ্ৰেছৰ নেতৃত্বই অভিযোগ কৰে যে বিহাৰৰ জনতাই এইবাৰ এনডিএ মৰ্চাৰ বিৰুদ্ধে ভোট দান কৰিছিল। কিন্তু গণনাৰ সময়ত কাৰচাজি কৰি বিৰোধী পক্ষক ক্ষমতাৰ পৰা আঁতৰাই ৰাখিছে। ভোটগণনাত অনৈতিক পন্থা গ্ৰহণ কৰাৰ বাবেই আৰজেডি-কংগ্ৰেছে নীতিশ কুমাৰ চৰকাৰৰ শপত গ্ৰহণ বৰ্জন কৰিছে। আন এক লক্ষণীয় বিষয় যে বিদায়ী চৰকাৰৰ উপ-মুখ্যমন্ত্ৰী সুশীল কুমাৰ মোডীয়ে শপত নোলোৱা কাৰ্য। চৰ্চিত খবৰ মতে মোডী চৰকাৰৰ মজিয়াত মন্ত্ৰী হিচাপে সুশীল কুমাৰক অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা আছে। বিহাৰৰ ৰাজনীতিৰ পৰা দিল্লীলৈ প্ৰক্ষেপ কৰাৰ বাবেই সুশীল মোডীয়ে আজি শপত গ্ৰহণৰ পৰা বিৰত থাকিল।

# মই বিপিএফ ত্যাগ কৰাত

প্ৰতিকৃতি দাহ কৰাৰ পিছত আজি সন্ধিয়া তামুলপুৰ প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদমেলত প্ৰতিক্ৰিয়া ব্যক্ত কৰে সাংসদ দৈমাৰীয়ে। বিশ্বজিৎ দৈমাৰীয়ে কয়— মই বিপিএফ ত্যাগ কৰাৰ পিছত বিপিএফ দলটো অভিভাৱকহীন হৈ পৰে আৰু মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে। সেইবাবে বিপিএফ ত্যাগী নেতা-কৰ্মীৰ প্ৰতিকৃতি দাহনকে আদি কৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। সংবাদমেলত সাংসদগৰাকীয়ে এইবুলি উল্লেখ কৰে যে— হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বিপিএফ দলে কোনো জনহিতকাৰী আঁচনি গ্ৰহণ নকৰিলে। সোতৰ বছৰে বিটিচি উন্নয়নৰ বাবে কেন্দ্ৰই যোগান ধৰাৰ ধন অপব্যৱহাৰ কৰি আহিছে ফলত বিটিচিৰ সামগ্ৰীক উন্নয়ন স্থবিৰ হৈ পৰে আৰু অহা বহু বছৰ বিপিএফ দলে কোনো উন্নয়নৰ কাম কৰিব নোৱাৰে বিবেচিত তিনি হাজাৰ কোটি টকা ধাৰত পোত গৈ আছে। ২২ নৱেম্বৰত বিজেপিত যোগদান কৰিবলৈ প্ৰস্তুতি চলোৱা সাংসদ বিশ্বজিৎ দৈমাৰীক বিজেপিত যোগদান কৰাৰ প্ৰথম কাম কি হব বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়— বিটিচি অঞ্চলত বিজেপি দলক আগবঢ়াই নিয়াটোৱেই হ'ব প্ৰথম মিছন। বিপিএফ দল ত্যাগ কৰাৰ সময়ত আগতেও ব্যক্ত কৰিছিল— হাগ্ৰামা মহিলাৰীৰ অপশাসনৰ প্ৰতি বিতুষ্ট হৈয়ে বিপিএফ দল ত্যাগ কৰাৰ সিদ্ধান্ত লৈছে। বিপিএফ নেতৃত্বৰ দিয়াৰ সৈতে মনোমালিন্য ঘটাৰ পৰিণতিতহে দল ত্যাগ কৰি বিজেপিত যোগদানৰ প্ৰস্তুতি চলায় বুলি তেওঁ সংবাদ মেলত উল্লেখ কৰে। বিপিএফক ধাৰা কোনো কাম নহয়। বিটিচিত বাহিৰৰ পৰা কোনো চিফ হবলৈ নাহে। বিটিচিত বাইজে নিৰ্বাচন কৰিব বিটিৰ নেতাক, চিফ কৰাব বিটিচিৰ বাইজে। বিটিচিৰ বাহিৰৰ মানুহ চিফ হব বুলি বিপিএফৰ দলে ভুল ধাৰণা এটা লৈ আছে। বিপিএফৰ দল হৈ সোতৰবছৰে বিভিন্ন ঘাট -প্ৰতিঘাটৰ মাজেদি বিপিএফ দলৰ কাম কৰিলো এতিয়া সময় পৰিবৰ্তন হব লাগে। কোনো জনমুখী কামৰ আঁচনি গ্ৰহণ কৰিব নোৱাৰা বিপিএফ পৰাৰ লগতে মোৰো বিপিএফৰ চিফ হোৱা ধাৰণ ওপৰত সন্দেহ জন্মাত বিপিএফ দল ত্যাগ কৰাৰ সিদ্ধান্ত লৈছো। মোৰ এটা কাম কৰাৰ মানসিকতা আছিল, কিন্তু বিপিএফ নেতৃত্বই কোনো সুবিধা নিদিয়াত এনে সিদ্ধান্ত ল'বলগীয়া হ'ল। আজিৰ সংবাদমেলত সাংসদগৰাকীৰ লগতে বিজেপিৰ বাজিক কাৰ্যনিৰ্বাহক সদস্য বিপিন কুমাৰ দাস, গয়াবাৰী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী হেমন্ত বাসু, শুকুৰ সিং বাক্সা জিলা সংখ্যা লঘুমৰ্চাৰ সভাপতি ইমামুদ্দিন আহমেদকে ধৰি বিপিএফ দল ত্যাগী নেতা আৰু তামুলপুৰ মণ্ডল বিজেপিৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# দলঙৰ পৰা ব্ৰহ্মপুত্ৰত পৰিল

দলঙখনৰ ১৪ নম্বৰ খুঁটাত সংঘটিত এই দুৰ্ঘটনাটোত ট্ৰাক চালক সুৰেন্দ্ৰ সিং সন্ধান নাই বুলি জনা গৈছে। নিশা হোৱাৰ বাবে আৰক্ষী আৰু অভিযানকাৰী দলে উদ্ধাৰৰ বাবে অভিযান চলাব পৰা নাই। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি কলিয়াভোমোৰা দলঙৰ সেতুঁৰ লাইট নজ্বলাৰ বাবে প্ৰায়েই সংঘটিত হৈ আহিছে এনে দুৰ্ঘটনা। যোৱা ২৮ অক্টোবৰত অনুৰূপ ধৰণৰ এক পথ দুৰ্ঘটনাত এখন তেল টেংকাৰ ব্ৰহ্মপুত্ৰৰ বালিচৰত পৰি গৈছিল আৰু উক্ত টেংকাৰখনৰ চালক থিতাতে নিহত হৈছিল। দলঙত লাইট নজ্বলাৰ সন্দৰ্ভত বাতৰি কাকতত বাতৰি প্ৰকাশ কৰি নগাঁও আৰু শোণিতপুৰৰ প্ৰশাসনক দৃষ্টিগোচৰ কৰা হৈছিল যদিও আজিকোপিটো লাইট জ্বলোৱাৰ সন্দৰ্ভত প্ৰশাসনে কোনো উদ্যোগ গ্ৰহণ নকৰিলে দুয়োখন জিলাৰ প্ৰশাসনে। যাৰ ফলত প্ৰায়েই সংঘটিত হ'বলৈ ধৰিছে এনে ধৰণৰ পথ দুৰ্ঘটনা।

# ইউপিপিএল-বিজেপি, গণ

বিজেপিৰ কাম নাই আদি প্ৰতিবাদী ধ্বনিৰে গোসাঁইগাঁও চহৰৰ প্ৰতিটো প্ৰান্ত উত্তাল কৰি তোলে। বিটিচি নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ যৈ আজি চাইবিলা সমষ্টিৰ বিপিএফৰ দলৰ প্ৰাৰ্থী মৃত্যুঞ্জয় নাৰ্জাৰীৰ সমৰ্থনত এক বিশাল সমদল উলিওৱা হয়। বিপিএফৰ বিহাৰী ব্ৰক কমিটিৰ উদ্যোগত আয়োজিত উক্ত সমদলত হাগ্ৰামা মহিলাৰীৰ জিন্দাবাদ, লাভলৰ ছবিত ভোট দিয়ক, মৃত্যুঞ্জয় নাৰ্জাৰী জিন্দাবাদ আদি ধ্বনি দিয়াৰ লগতে বিজেপিৰ বিৰুদ্ধে প্ৰতিবাদী ধ্বনিৰে চহৰ খনক-কঁপাই তোলে। চাইবিলা সমষ্টিৰ প্ৰাৰ্থী তথা ব্লক কমিটিৰ সভাপতি-সম্পাদক বিশ্রা কুমাৰ ব্ৰহ্ম আৰু অসমক মাৰাংগীয়ে নেতৃত্ব দিয়া সমদলটোত বি পি এফ দলৰ নেতা-নেত্ৰীৰ লগতে তিনি সহস্ৰাধিক কৰ্মী-সমৰ্থকে গোসাঁইগাঁও চহৰৰ উপপ্ৰান্তৰ পৰা সমদল কৰি গোসাঁইগাঁও চহৰ প্ৰদক্ষিণ জনবসতি অঞ্চল পৰিভ্ৰমণ কৰি বাইজৰ দৃষ্টি আকৰ্ষণ কৰে। উক্ত সমদলত বিপিএফ জাতি-জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰে। সমদলৰ অন্তত চাইবিলা ব্লক বি পিএফৰ সভাপতি বিশ্ৰা কুমাৰ ব্ৰহ্মই সংবাদ মাধ্যমৰ আগত কয় যে 'বিজেপি চৰকাৰৰ প্ৰশাসনক বিপিএফৰ বিৰুদ্ধে ব্যৱহাৰ কৰি থকাৰ লগতে বিজেপি দলে ইউপিপিএল আৰু গণ সুৰক্ষা পাৰ্টিক লগত লৈ বিটিচিত লোকক আৰু বিভাজনৰ নীতি গ্ৰহণ কৰি বাইজক বিভ্ৰান্ত কৰাৰ অপচেষ্টা চলাই আছে। গণতন্ত্ৰক মযিমূৰ কৰি বিটিচিৰ নিৰ্বাচন চলাৰ কৰি বিজেপি দলটোৱে নিজৰ নিমিলা কামক ঢাকি ৰাখিছে যদিও বিটিচি নিৰ্বাচনত হাগ্ৰামাৰ বিজয় ৰথক সিহঁতে বোধিব নোৱাৰিব। বিটিচিত বিজেপি দলৰ কোনো ভেটি নাই বুলি পৰিষদীয় নিৰ্বাচনত বিজেপিলৈ বিটিচিৰ প্ৰশাসনত হাগ্ৰামাৰ নেতৃত্বত বিপিএফৰ শৰ্মাই কুটনীতি কৰাত নামি পৰিছে। তেওঁ বি টি চি আৰু প্ৰচাৰ সভাসমূহত বিপিএফৰ অপ-ভাষা প্ৰয়োগ কৰি আছে। সেই ভাষা এজন মন্ত্ৰীৰ মুখত শোভা নাপায়। বিটিচিৰ ৰাইজে তেওঁৰ এই বিভাজন আৰু ভাষাৰ উপযুক্ত উত্তৰ দিব'। বিটিচিৰ মন্ত্ৰীগৰাকীয়ে বিটিচিৰ বি টি চি চিফ সমানে থকাৰ কথা কৈ বি পি এফ দলৰ নাম হ'ব। বিপিএফৰ দল লেখ জোন্ত নোতাগাৰাইমহে আৰু কয় যে বিজেপি দলৰ ৰাইজৰ মুদ্ৰাৰ ইণ্ডি-সিণ্ডি। গণ সুৰক্ষা পাৰ্টিয়ো আৰু গণতন্ত্ৰৰ জাতি-জনগোষ্ঠী ভোটাৰ কাজেৰে বিটিচিৰ বিটিচিৰ জাতিবৰ্গৰ আৰু বিজেপিত হিমন্তৰ আৰু শান্তি-সম্প্ৰীতি হৈ আছে তেওঁ দেহ নিজে শিক্ষা মন্ত্ৰী হৈ নিয়ম উলংঘা কৰি কেন্দ্ৰৰ শিক্ষাচাকৰিৰ চৌহদত সভা অনুষ্ঠিত কৰি আছে বুলি প্ৰশ্ন কৰে। উল্লেখ্য যে কালি গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিজেপি দলৰ হৈ শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ চলাৱ। সাংবাদিক আগত চাইবিলা সমষ্টিৰ বিপিএফ দলৰ প্ৰাৰ্থী মৃত্যুঞ্জয় নাৰ্জাৰীয়েও বিজেপিৰ সাম্প্ৰদায়িক বিভাজনৰ নীতিৰ সমালোচনা কৰি কয় বাৰ, জাত-পাতৰ উৰ্ধত উঠি হাগ্ৰামা মহিলাৰীয়ে সমগ্ৰ জনগণ, সমদলৰ আৰু শান্তি-সম্প্ৰীতি অটুট ৰাখি যোৱাৰ বিটিচিৰ শাসন চলাইছে তাৰ প্ৰতি বিটিচিৰ বাইজৰ আস্থা অটুট আছে। অপপ্ৰচাৰ চলাই আৰু দলৰ এজন ও বিপিএফৰ নেতাক নিজৰ দলত লৈ বিজেপি দলৰ নেতাক কেইজন জনপ্ৰতিনিধি বিটিচিৰ ৰাইজৰ আস্থা প্ৰাপ্তৰ হোৱাৰ শেষ বিটিচিৰ আৰু পুনৰ বাৰ হাগ্ৰামাৰ শাসন ক্ষমতালৈ আনিব বুলি দৃঢ়তাৰে কয়। চাইবিলা সমষ্টিৰ প্ৰাৰ্থী মৃত্যুঞ্জয় নাৰ্জাৰীয়ে বিজেপি আৰু ইউপিপিএল দল তেওঁৰ বাবে কোনো ফেক্টৰ নহয় বুলি কয়। শান্তিপূৰ্ণ পৰিবেশ বৰ্তাই ৰাখি স্বচ্ছতাৰে নিৰ্বাচন অনুষ্ঠিত হ'লে বিটিচিৰ অধিকাংশ সমষ্টিত বিপিএফৰ বিজয় সুনিশ্চিত বুলি তেওঁ আশা ব্যক্ত কৰে।

# 'চৰকাৰ অহাৰ পোন্ধৰ

পট্টা দিয়াৰ ব্যৱস্থা কৰিব - এই বক্তব্য দেওৱা আহ্বানক তথা বিত্ত, শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি বাক্সা জিলাৰ ৩০নং গোবৰ্দ্ধনা পৰিষদীয় সমষ্টিৰ বেজোৰাখাটী সম খেলপথাৰত আয়োজিত বিশাল নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শৰ্মাই কয়— আমি গুচিবলৈ পাৰ্ট বিটিচিৰ প্ৰথম শ্ৰেণী আৰু দ্বিতীয় শ্ৰেণীৰ মানুহ হ'ব। এইটো কি নিয়ম। এটা অংশেই মাটি কিনিব পাৰে আৰু এটা অংশই কিনিব নোৱাৰে। চৰকাৰৰ খাছ মাটি, মাটি মাটি কিয় কিনিব নোৱাৰে? আমিয়ো সকলোৱে ভাৰতীয়। বিটিচিৰ ভিচিভিচিসকল ভিআৰ মেকুৰী, ৰৰ ভাৰৰ মেকুৰী। বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন মানুহৰ পৰাও ঘোচ খায়, ঘোচ নিদিলে পেঞ্চন নিদিয়ে। ভাৰকাৰ্ড তেওঁলোকৰ হাতত ঘোচ খাবে এইটো কি নিয়ম। হাগ্ৰামা মহিলাৰীয়ে বিটিচিৰ প্ৰথম বৰ্ষপূৰ্তিত মোক মাতিছিল মোৱে তেতিয়া বৰ্ষপূৰ্তিত দেখিছোঁ। তাতে দেখিলোঁ আনন্দ কৰিলো হাগ্ৰামা মহিলাৰীয়ে ইমান খুনীয়া কুঁৱাছাত ভাবিছ দিয়ে, চৈত্ৰৰ আমায় নাচ-গান কৰে কিন্তু কোনেও হাত চাপৰি নামাৰে। কিয় আৰু কি কাৰণে ইমান উন্নয়ন বিছোৱাতে গালো আজিলৈকে হাগ্ৰামা মহিলাৰীৰ ভাল নাপায়। হাগ্ৰামাই গৰিব বাহিনক ডেকা ভাই শুৰু কৰিছে। মানুহে বেকাৰ খুঁটি যেতেকৈ পুষ্টি বাৰ তচকল হাগ্ৰামা মহিলাৰীয়ে বিটিচিৰ মানুহ কৰিব নোৱাৰিব। নিৰ্বাচনী ফুল ভাল-মন্দৰ খুঁটৰ ৰেডাক বজল বৰঁহেৰে কৌশল কৰি যাৰ পোৱাৰ বছৰ বাৰৰ কৰি আহিছে। এইবাৰ কিন্তু সেইটো নহয়, বি টি চাকৰি কৰিবা বলা পৰিবে যাতে উন্নয়নৰ আজি প্ৰকৃত সুখ পোৱা যাব আৰু অধিকাংশ যাতে হিমান্ত লৈ নিৰ্বাচন আহে। এই চুক্তিত বৰ্ডোল্যাণ্ড বিবলৈ চুক্তি নাগৰিকসকলৰ বাবে গৰিকাৰ দিয়ে কিন্তু এতিয়া সাম কৰিবা পাৰ নিচেকলে বহিৰা। সেইসকলৰ আহিবা কৰি আৰা চুক্তিৰ গৰীৱক ভাল বাটৰ সোণ কৰিব। দৃঢ়তাৰে উল্লেখ কৰে। এইবাৰ সকলোৰে চিহ্নত কৰিবা আমাৰ আৰু বোডোলেণ্ড ঘোষণা কৰিব বুলি জানিবলৈ দিয়ে। বিটিচিৰ অঞ্চলৰ মাটিৰ পট্টা আৰু ৩০খন বিজুলীকৰণ চিকিৎসালয়ত খ্ৰীষ্টীয়ান, এখন মেডিকেল আৰু শিক্ষক-কৰ্মচাৰীৰ ৰাখি ট্ৰেজাৰীৰ যোগেৰে পোৱাৰ পৰিব বুলি ঘোষণা কৰে হিমন্ত বিশ্ব শৰ্মাই। আৱেলি প্ৰায় তিনি ৰজাৰ আঁতৰৰ সুপৰি পোৱাৰ পৰিব বুলি ঘোষণা কৰে হিমন্ত বিশ্ব শৰ্মাই। আৱেলি প্ৰায় তিনি ৰজাৰ স্থানীয় বাইজৰ উপস্থিতিত আয়োজিত আজিৰ সভাত উপস্থিত থকাসকল হৈ বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাস, মণ্ডলৰ লোকসভাৰ সাংসদ তথা বিজেপিৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক দিলীপ শইকীয়া, তামুলপুৰ সমষ্টিৰ বিধায়ক লীলাধৰ দাসকে আদি কৰি বিজেপিৰ নেতা-কৰ্মীসকল। উল্লেখ্য যে বিটিচি নিৰ্বাচনত বিজেপিৰ তৰফৰ পৰা ৩০ নং আৰু ২৯ নং গোবৰ্দ্ধনা, ৰৌতা কেন্দ্ৰৰ পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ক্ৰমে গণেশ চন্দ্ৰ বড়ো আৰু কমল বড়োয়ে নাৰ্জাৰী উপস্থিত থাকি বিজেপিলৈ চিহ্ন পদুম ফুলত ভোট দি বিপুল ভোটত জয়ী কৰাৰ আহ্বান জনায়।

**চিৰাঙৰ বিজনীৰ আনন্দ বজাৰত হিমন্ত বিশ্ব শৰ্মাৰ বিশাল নিৰ্বাচনী প্ৰচাৰ ঃঃ হাগ্ৰামা মহিলাৰীক মেকুৰী ঃ হিমন্ত বিশ্ব শৰ্মা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজিকপুৰ ঃ** বিটিচি নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই আৰম্ভ হৈছে প্ৰতিটো ৰাজনৈতিক দলৰে বিৰতিহীন নিৰ্বাচনী প্ৰচাৰ। আজি বিজনীৰ আনন্দ বজাৰত ১৮নং মানাহ প্ৰেৰ্যাছ পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী বিজেপি দলৰ প্ৰাৰ্থী শিবনাথ ব্ৰহ্মক জয়ী কৰাবলৈ চলালে নিৰ্বাচনী প্ৰচাৰ। প্ৰচাৰ সভাত উপস্থিত হয় অসমৰ বিজেপি দলৰ অন্যতম বৰিষ্ঠ সভাপতি ৰঞ্জিত দাস, ১৮নং মানাহ প্ৰেৰ্যাছ পৰিষদীয় সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী শিবনাথ ব্ৰহ্ম, বিজনীৰ বিধায়ক তথা উপাধ্যক্ষ কুমাৰ দীপক দাস, বিজনীৰ বিজেপি দলৰ কেইগৰাকী নেতা আৰু দলৰ বিজনীৰ কৰ্মকৰ্তাসকল। উক্ত সভাত হিমন্ত বিশ্ব শৰ্মাই হাগ্ৰামা মহিলাৰীক আক্ৰমণ কৰি কয় যে, দিল্লীৰ পৰা আহা দিহ্ননপুৰৰ বাৰ আহা টকাৰাৰ হাগ্ৰামা মহিলাৰীয়ে খাইছে। বিটিচিত এতিয়া মেকুৰীৰ শাসন চলি আছে বুলি আজি তাৰংবৰ্মকিৰ মঞ্চত আসনত আলোচনা কৰিলে ড° হিমন্ত বিশ্ব শৰ্মাই। এইবাৰ বিটিএডিত বিজেপিৰ চৰকাৰ হ'ব এটা নিশ্চিত বুলি দাবী কৰে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণত কয় যে বাইজে বুজি পাইছে বিটিএডিত উন্নয়ন কৰিবলৈ হ'লে বিপিএফক হটাই বিজেপি চৰকাৰক আনিব লাগিব।

# সাংবাদিক সুৰক্ষা আইন আৰু

হেঙ্গেৰাবাৰীস্থিত কেন্দ্ৰীয় কাৰ্যালয়ত আয়োজিত সভাই দেশৰ সকলো সাংবাদিক আৰু সংবাদ মাধ্যমৰ কৰ্মচাৰীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। সভাত অংশগ্ৰহণ কৰি নেচনেল ইউনিয়ন অব জাৰ্নেলিষ্ট ইণ্ডিয়া'(এন ইউ জে আই) ৰ ৰাষ্ট্ৰীয় উপ সভাপতি ভূপেন গোস্বামীয়ে অসমৰ সাংবাদিক আৰু সংবাদ কৰ্মীৰ সামগ্ৰিক নিৰাপত্তাৰ বাবে দেশত এখন সুকীয়া সাংবাদিক সুৰক্ষা আইনৰ অতি প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। অসমত বৰ্তমান ক্ৰমাগতভাৱে অসমত সাংবাদিক নিৰ্যাতন, অপদস্থ, মাৰপিট আদিৰ ঘটনা বৃদ্ধি পাই আহিছে বুলি উল্লেখ কৰি তেওঁ গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ তথা সমাজৰ অতন্ত্ৰ প্ৰহৰী সংবাদ মাধ্যমৰ স্বাধীনতা অক্ষুন্ন ৰাখি মৌলিক সমস্যা সমূহ সমাধানত গুৰুত্ব দিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ নেতৃত্বাধিন মিত্ৰজোঁটৰ চৰকাৰৰ প্ৰতি আহ্বান জনায়। বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সংবাদ মাধ্যম আৰু সাংবাদিকৰ সমস্যা স্বাধীনতা আৰু অধিকাৰসমূহৰ ওপৰত বিতং আলোচনা কৰি এখন সুকীয়া সাংবাদিক সুৰক্ষা আইনৰ দাবী পুনৰ উত্থাপন কৰাৰ লগতে সকলো সাংবাদিক আৰু সংবাদ মাধ্যমক চুব পৰাকৈ এক শক্তিশালী 'মেডিয়া কাউঞ্চিল' গঠন কৰাৰো দাবা জনোৱা হয়। । 'জা' ৰ সাধাৰণ সম্পাদক ডালিম ফুকনে আতঁধৰা সভাত জোম এপৰ জড়িয়তে হাফলঙৰ পৰা 'জা'-ৰ কাৰ্যকৰী সভাপতি অনুপ বিশ্বাস, মৰিগাৱঁৰ পৰা সম্পাদক পৰমানন্দ ডেকা,ধুবুৰীৰ পৰা ইন্দ্ৰাণী সৰকাৰ, জ্যেষ্ঠ সাংবাদিক তথা সম্পাদক সুদীপ শৰ্ম্মা চৌধুৰী, অঞ্জন বৰা আদি বক্তা সকলে নিজৰ নিজৰ বক্তব্যত সংবাদ মাধ্যম আৰু সাংবাদিকৰ ওপৰত বাঢ়ি অহা ভাবুকি আৰু নিৰ্যাতন প্ৰতিৰোধ কৰাৰ বাবে তথা কত্তব্যৰত সাংবাদিকৰ নিৰাপত্তা সুনিশ্চত কৰাৰ স্বাৰ্থত ৰাজ্যত এখন বলিষ্ঠ 'সাংবাদিক সুৰক্ষা আইন' প্ৰনয়ণ কৰি সন্মান সহকাৰে সাংবাদিক সকলক জীয়াই থকাত সহায় কৰিবলৈ চৰকাৰ তথা শাসক- বিৰুধী সমূহ নিৰ্বাচিত বিধায়কৰ প্ৰতি অনুৰোধ জনায়। জোম এপৰ জড়িয়তে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ ৫৫ জন সাংবাদিকে অংশগ্ৰহণ কৰা আজিৰ সভাই শেহতীয়াকৈ সংঘটিত মিৰ্জাৰ সাংবাদিক মিলন মহন্তৰ ওপৰত হোৱা শাৰিৰীক আক্ৰমণ আৰু তিনিচুকীয়াৰ সাংবাদিক পৰাগ ভূঞাৰ হত্যাৰ ঘটনাক তীব্ৰ গৰিহণা দি দোষীক কঠোৰ শাস্তিৰ দাবী জনাইছে।

# হ'ব পাৰে বাণৰ নগৰী

সত্যতা নিৰূপণত সহায় কৰে। বিষ্ণু পুৰাণত বাণৰ বলিৰ পুত্ৰ বুলি কোৱা হৈছে। অগ্নি পুৰাণ আৰু ভাগৱত পুৰাণতো বাণৰ জীয়াৰী ঊষাৰ লগত শ্ৰীকৃষ্ণৰ নাতিয়েক অনিৰুদ্ধৰ গন্ধৰ্ব প্ৰথা মতে বিয়া হোৱা আৰু হৰিহৰ যুদ্ধৰ পিছত ঊষা-অনিৰুদ্ধৰ পৰিণয় হোৱা কথা উল্লেখ আছে। হৰিবংশত ৰজা বাণ আৰু ঊষা-অনিৰুদ্ধৰ কাহিনী আছে। কালিকা পুৰাণত প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকৰ লগত বাণৰ সম্পৰ্কৰ কথা উল্লেখ আছে। প্ৰাচীন শোণিতপুৰৰ অৱস্থিতিৰ বিষয়ে ইতিহাসবিদসকলৰ মাজত মত পাৰ্থক্য দেখা যায় যদিও কালিকা পুৰাণত বাণক লৌহিত্যৰ অধিপতি বোলা হৈছে। বাণে অগ্নিগড় দুৰ্গ নিৰ্মাণ কৰিছিল। অগ্নিগড় পাহাৰৰ অৱস্থিতিলৈ চাই প্ৰাচীন শোণিতপুৰেই বৰ্তমানৰ তেজপুৰ বুলি অনুমান কৰিব পাৰি। শোণিতপুৰৰ বিভিন্ন ঠাইত উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সমলবোৰ পঞ্চম শতিকাৰ পৰা আৰম্ভ কৰি অষ্টমৰ পৰা দ্বাদশ শতিকালৈকে। তাৰ আগৰ হ'লেও সন্দেহ কৰিবলগীয়া নাই। দ্বাপৰ যুগত এই শোণিতপুৰত বাণাসুৰে ৰাজত্ব কৰিছিল। দ্বাপৰ যুগৰ কাল নিৰ্ধাৰণ আমাৰ অজ্ঞাত। কিন্তু প্ৰাচীন কালৰে পৰা ৰাজত্ব কৰি অহা ৰাজবংশবোৰৰ কাল নিৰ্ধাৰণ কৰিবলৈ পুৰাতাত্ত্বিকসকল সক্ষম হৈছে আৱিষ্কৃত ঐতিহাসিক সমলবোৰৰ দ্বাৰা। সেই অনুসৰিয়েই তেজপুৰ তৰাজান কুমাৰগাঁৱৰ নিকটৱৰ্তী স্থানত অৱস্থিত গড়দৌলৰ ভগ্নাৱশেষ খ্ৰীষ্টীয় সপ্তম-অষ্টম শতিকাৰ বুলি ক'ব বিচৰা হৈছে। ব্ৰিটিছ শাসনৰ সময়ৰ গড়দৌলৰ প্ৰকাণ্ড শিলাখণ্ড আৰু ফটা ইটাবোৰ সেই স্থানৰ পৰা আঁতৰাই আনি বিভিন্ন গৃহ নিৰ্মাণত লগোৱা হৈছিল বুলি আমি পূৰ্বজসকলৰ মুখত শুনিছিলোঁ। বৰ্তমান ইয়াৰ মাটিকালি ২৫০ মিটাৰ। ২৫০ মিটাৰ। সপ্তম শতিকাৰ পৰা দশম শতিকালৈ এই সময়ছোৱাত ইয়াতেই (তেজপুৰতেই) শালস্তম্ভ বংশৰ ৰজাসকলৰ ৰাজধানী আছিল বুলি কোৱা হয়। সেই সময়ৰ নে তাতোকৈ পুৰণি গড়দৌলৰ পুৰাতাত্ত্বিক ভগ্নাৱশেষ তাক নিশ্চিতকৈ ক'ব নোৱাৰি। এয়া বাণৰ নগৰী শোণিতপুৰৰ কিয়দংশ নে শালস্তম্ভীয় বংশৰ ৰজাসকল হাটপেশ্বৰ বা হড়পেশ্বৰৰ একাংশ তাক জনাৰ সুযোগ এতিয়াও হোৱা নাই। পুৰাতত্ত্ব বিভাগে খননকাৰ্য আধাতে সামৰাত কোনো নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব পৰা অৱস্থাত নাই। গড়দৌলৰ পূৰ্বৰ যি প্ৰাকৃতিক সৌন্দৰ্য সি হ্ৰাসহে হ'ল। বৰঞ্চ চৌদিশে অটব্য হাবি-জংঘল আৱৰি ধৰি পৰ্যটকক আহুকালতহে পেলোৱা পৰিলক্ষিত হয়। চৰকাৰৰ হেমাহিৰ লগতে স্থানীয় ৰাইজৰ অৱহেলাৰ বাবেই এনে এখন সম্ভাৱনাপূৰ্ণ পৰ্যটনথলী এৰাপৰলীয়া হৈ থাকিবলগীয়া হৈছে। আনকি তেজপুৰৰ প্ৰাচীন ইতিহাসৰ বিষয়ে লিখা প্ৰবন্ধ-পাতিতো গড়দৌলৰ বিষয়ে বিস্তৃত বিৱৰণ পোৱা নাযায়। ইয়াৰ ভৌগলিক অৱস্থিতিলৈ চাই এটা কথাত পতিয়ন যাব পাৰি যে খুবসম্ভৱ ৫১০ খ্ৰীষ্টাব্দৰ পৰা ৫৫৫ খ্ৰীষ্টাব্দলৈ ৰাজত্ব কৰা শালস্তম্ভ নৃপতি ভূমি বৰ্মনৰ 'ময়ূৰ শালমলা অগ্ৰাহাৰ'ত উল্লেখ কৰা স্থানখণ্ড গড়দৌলৰ আশে-পাশেই আছিল। কাৰণ ভূমি বৰ্মনে দান কৰা মাটিৰ বৰ্ণনাত শুষ্ক কৌশিকী নদীৰ উল্লেখ আছে। নিধানপুৰ তাম্ৰশাসনত 'সীমানো যত্ৰ পূৰ্বেন শুষ্ক কৌশিকী। পূৰ্ব শুষ্ক কৌশিকা চেতি'। বুলি থাকিলেও কুমাৰ গাঁৱৰ পশ্চিমেদি দক্ষিণলৈ বৈ যোৱা জানটোৱেই কৌশিকী জান বুলি মানুহৰ মুখে মুখে আজিও প্ৰচলিত হৈ আহিছে। এই কৌশিকী জানৰ পাৰতেই কুম্ভকাৰ গৰ্ত আছিল। বৰ্তমানৰ দলনি পথাৰৰ মাটি গুণাগুণ চাই কুম্ভকাৰ গৰ্ত ইয়াতে আছিল বুলি ভবাৰ থল আছে। এই কুম্ভকাৰ গৰ্তৰ মাটিৰেই কুম্ভকাৰ (কুমাৰ)সকলে বিভিন্ন মৃৎ পাত্ৰ আৰু প্ৰয়োজনীয় মাটিৰ সামগ্ৰী নিৰ্মাণ কৰিছিল। তাৰ সাক্ষী তৰাজান কুমাৰ গাঁওখন এতিয়াও বিদ্যামান। কৌশিকী জানৰ পাৰৰ মাতিত এটা সময়ত তৰাগছৰ প্ৰাচুৰ্যৰ বাবেই পিছলৈ জানটোৰ নাম তৰাজান হৈছিল। বাৰিষা এই জান ব্ৰহ্মপুত্ৰৰ পানীৰে চপচপীয়া হৈ পৰিছিল আৰু দলনি পথাৰ নদীৰ মাছেৰে উভৈনদী হৈছিল। এই এলেকাটোত শালস্তম্ভ বংশৰ ৰজাসকলৰ দিনৰ পৰাই নে তাৰো আগৰ পৰাই, এসময়ত অসংখ্য শালগছ আছিল, যাৰ সঁচ এতিয়াও বিদ্যমান। আৰু এই শালগছবোৰ আৰু অনান্য ওখ গছবোৰত অসংখ্য ময়ূৰ চৰাইৰ বাস আছিল। এই ভূমিখণ্ডৰে দক্ষিণ-পূব দিশত সাতী পুখুৰীৰ অৱস্থিতি। তৰাজান কুমাৰগাঁও, শাকৰ চুবুৰি দ-পৰ্বতীয়া আৰু বেছেৰীয়াৰ মধ্যৱৰ্তী এলেকাত গড়দৌলৰ অৱস্থিতি। আমাৰ শৈশৱৰ লীলাভূমি আছিল এই গড়দৌল। গড়দৌলৰ আশে-পাশে স্থানীয় ৰাইজৰ বহুতো মাটি-বাৰী আছে। সেইবোৰত এসময়ত আম, কঁঠাল, জামু, পনিয়ল, মিৰিকা, কাউৰীপকা আদি গছবোৰ আমাৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল। তদুপৰি চাৰিওফালৰ কুঁহিয়াৰবাৰীবোৰৰ কুঁহিয়াৰ, গুড়, লেটেকা গুড়ত দিয়া কচু, নাৰিকলবোৰলৈ মনত পৰিলে এতিয়াও জিভাৰ পানী পৰে। জাৰকালি তিল, সৰিয়হ, মাটিমাহ, মগুমাহ তুলিবলৈ গৈ মই আৰু বাইদেউহঁতে কিমান যে আনৰ বাৰীৰ কুঁহিয়াৰ মনে মনে খাইছিলোঁ। তদুপৰি বতৰৰ ফল-মূলবোৰতো আছেই। গড়দৌলত পুৰাতাত্ত্বিক খনন কাৰ্য সফলভাৱে সম্পাদন হ'লে হয়তো বহুতো ঐতিহাসিক সমল ওলাব। আগেয়ে গড়দৌল বাকৰিখন উন্মুক্ত আছিল। দুয়োখন পথাৰৰ মাজত এটা চাপৰ টিলা আছে। টিলাটোত খনন কাৰ্য চলালেও হয়তো কিবা সমল ওলাব পাৰে। টিলাটোৰ ইটো পাৰে এখন বৃহৎ ফুটবল খেলা পথাৰ আছিল য'ত বহু আগেয়ে স্থানীয় ৰাইজে ফুটবল খেল অনুষ্ঠিত কৰিছিল। বৰ্তমান খেলপথাৰখনৰ অৱস্থা শোচনীয়, তথৈবচ। দৌলৰ সন্মুখৰ পথাৰখনো হাবি-জংঘলে আৱৰি ধৰিছে। এঠাইত দেখিলোঁ পটা ইটা কিছুমান গোট খুৱাই থোৱা আছে। কিমান দিনলৈ তেনেদৰে থাকে। দৌলৰ খনন কাৰ্য অৰ্দ্ধ সমাপ্ত কৰি ৰখা হৈছে। যি ঠাইত দৌলৰ ভগ্নাৱশেষ আছে সেই ঠাইত বোধহয় মন্দিৰ বা প্ৰাসাদ আছিল। কোনোবা বৰভূঁইকঁপত এই মন্দিৰ বা প্ৰাসাদ ধ্বংস হৈ মাটিৰ লগত মিহলি হৈ গৈছিল। দৌল মন্দিৰৰ ভগ্নাৱশেষ দেখিলে এনে লাগে যেন দুটা মন্দিৰ আৰু দৌল একেলগে সজা হৈছিল। হয়তো দুয়োটা উচ্চ চূড়াবিশিষ্ট মন্দিৰ আছিল আৰু ভূঁইকঁপৰ ফলত চূড়া ভাগি গৰ্ভগৃহৰ সৈতে ভূগৰ্ভত লীন গ'ল। সাধাৰণতে দেখা যায় প্ৰাচীন মন্দিৰৰ মূল বিগ্ৰহ থকা স্থান সদায় মূল মন্দিৰতকৈ বহু তলৰ গৰ্ভগৃহত অৱস্থিত। এই দৌলৰ ভেটিৰ মধ্য অংশ খনন কৰিলে হয়তো ঐতিহাসিক সমল বাহিৰ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। আকৌ পুৰণি ইটাৰ গঠনলৈ চাই ইয়াক সপ্তম-অষ্টম নাই দশম-একাদশৰ বুলিও ভাবিবৰ থল আছে। কিন্তু ব্ৰিটিছসকলে যি হাৰত গড়দৌলৰ পৰা শিল, ইটা আদি আনি ঠাই খণ্ড বিনষ্ট কৰিছিল সেইবাবে তাৰ কাল অনুমান কৰাত সন্দেহৰ অৱকাশ আছে। যিয়েই নহওক গড়দৌলৰ উপযুক্ত ৰক্ষণাবেক্ষণ হোৱাটো আমি বিচাৰোঁ। এই ক্ষেত্ৰত চৰকাৰৰ লগতে স্থানীয় ৰাইজেও সদিচ্ছা প্ৰকাশ কৰিব লাগিব। যি স্থানৰ বাবে সেই অঞ্চলৰ মানুহে গৌৰৱ কৰিব পাৰে, তেনে স্থলক অৱহেলা কৰি হাবি-জংঘলেৰে পূৰ্ণ বনভোজৰ থলী কৰি কদৰ্য কৰিবলৈ ভাবিবৰ হ'ল। গড়দৌল আৰু সাতপুখুৰীক লৈ সৰুৰে পৰা আমি বহু কাহিনী শুনিছিলোঁ। অগ্নিগড়ত যেনেদৰে চাৰিওফালে ওখ গড় সাজি তাৰ বহু ভাগত অনবৰত জুই জ্বলাই নিশ্ছিদ্ৰ পহৰাৰ ব্যৱস্থা কৰা হৈছিল, ঠিক তেনেদৰে গড়দৌলতো চাৰিওফালে ওখ গড় মাৰি প্ৰাসাদত হেনো ৰজা বাণে ঊষাক সুৰক্ষিত কৰি ৰাখিছিল। হৰিহৰ যুদ্ধৰ পিছত যেতিয়া ঊষাক অনিৰুদ্ধলৈ বিয়া দিবলৈ স্থিৰ কৰিলে তেতিয়া সাত ঠাইত সাত ছাব মাৰি সাতপুখুৰী খান্দিলে। এই সাতপুখুৰীয়েই ঊষাৰ 'নোৱনী পানীতোলা ঘাট' বুলি এই অঞ্চলৰ ৰাইজে কয়। এই সাতপুখুৰী হ'ল- বৰপুখুৰী, আটাহ পুখুৰী, মেমেই পুখুৰী, গেলা পুখুৰী, চলচলি পুখুৰী, হুৰাই পুখুৰী, হাড়িবৰ পুখুৰী। তদুপৰি ইয়াৰ আশে-পাশে বহুতো প্ৰাচীন পুখুৰী এতিয়াও বিদ্যামান। গড়দৌলতে ঊষাৰ তাঁতৰ শালো আছিল বুলি আমি শুনিছিলোঁ। গড়দৌলৰ চৌদিশে সিঁচৰতি হৈ থকা শিলাখণ্ডবোৰৰ প্ৰায়বোৰ মনুহৰ ভঁৰালৰ গাধৈত এতিয়াও দেখিবলৈ পোৱা যায়। কাৰো কাৰো নামঘৰৰ ভিতৰতো ভাস্কৰ্যযুক্ত শিলাখণ্ড দেখিবলৈ পোৱা যায়। তেজপুৰৰ পাৰ্বতী নগৰৰ শিলৰ খুঁটাৰ নামঘৰতো শিলৰ স্তম্ভ দেখিবলৈ পোৱা যায়। গড়দৌলক পুৰাতত্ত্ব বিভাগৰ আউটিলৈ অনাৰ পিছত বিস্তৃত এলেকাত স্থানীয় শিল্পী প্ৰফুল্ল শইকীয়া প্ৰমুখ্যে ৰাইজ মিলি ৰাস ভাওনা আদি উদ্যাপন কৰাৰ ব্যৱস্থা কৰিছিল। সেই উপলক্ষে প্ৰফুল্ল শইকীয়াই তাতে এটি নামঘৰ স্থাপন কৰি বৈষ্ণৱ সংস্কৃতি চৰ্চা কৰিবলৈ চেষ্টা কৰিছিল। ১৯৯৫ চনৰ পৰা তাত ৰাস, ভাওনা আদিৰ উপৰি মুকলি বিহুও অনুষ্ঠিত কৰা হৈছিল। নামঘৰটিও নিয়মীয়াভাৱে নাম-প্ৰসংগৰো ব্যৱস্থা কৰিছিল। কিন্তু আচৰিত কথা যে ২০০৬ চন মানলৈকে ইয়াত হাতীয়ে উপদ্ৰৱ চলাই নামঘৰৰ সিংহাসন উঠাই পেলায় আৰু সিংহাসনখন দৌলৰ ওপৰত পাতি থৈ যায়। প্ৰতিবাৰে সিংহাসহ নামঘৰত স্থাপন কৰা হয় আৰু প্ৰতি বছৰেই হাতীয়ে তাৰ পৰা সিংহাসন উঠাই দৌলৰ ওপৰত পাতি থৈ যায়। উপায় নাপাই ৰাইজে নামঘৰৰ স্থানেই সলনি কৰি পেলায়। তাৰ পিছৰ পৰা হাতীৰ উপদ্ৰৱো কমিল আৰু নামঘৰৰ সিংহাসনো সুৰক্ষিত হ'ল।

# সবাতোকৈ কম মূল্যৰ হ'ব

আজিৰ পৰা আৰম্ভ হোৱা এই সম্পৰীক্ষা ভাৰতত প্ৰথম তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষা। আইচিএমআৰৰ সৈতে ভাৰত বায়'টেকে পঞ্জীয়ন কৰা তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষাক অনুমোদন জনাইছে ভাৰতৰ ড্ৰাগছ কণ্ট্ৰলাৰ জেনেৰেলে। এই তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষা ২০২১ বৰ্ষৰ আৰম্ভণিৰ ফালে সম্পূৰ্ণ হ'ব। এই পৰীক্ষাৰ সবাটোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল সবাটোকৈ কম মূল্যৰ কভিক্সিন হ'ব। তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষাত দুটা ইণ্ট্ৰামাস্কোলাৰ ইনজেকচন দিয়া হ'ব। এই ইনজেকচন লোৱা ভলণ্টিয়াৰসকলক ২৮ দিনৰ বাবে নিৰীক্ষণ কৰা হ'ব যাতে ক'ভিড-১৯ ৰ লক্ষণবোৰে কেনে স্থিতি লয়। উল্লেখ্য প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ ক্লিনিকেল সম্পৰীক্ষা কৰা কভেক্সিনৰ এহেজাৰটা বিভিন্ন বিষত অধ্যয়ন কৰা হৈছিল, য'ত গুৰুত্ব দিয়া হৈছিল বিশেষকৈ নিৰাপত্তাক। এই সম্পৰীক্ষাত যিসকল ভলণ্টিয়াৰে নিঃস্বৰ্তভাৱে সহযোগিতা আগবঢ়াইছে সেই সকলোবোৰ ১৮ বছৰ বয়সৰ উৰ্ধ্বৰ। ভাৰত বায়'টেকে ক'ভিড-১৯ ৰ ভেক্সিনৰ কভেক্সিন ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিচাৰ্চ (আইচিএমআৰ) আৰু নেশ্যনেল ইনষ্টিটিউট অব ভাইৰ'লজি (এনআইভি)ৰ সৈতে একেলগে পৰীক্ষা চলাইছে। তৃতীয় পৰ্যায়ৰ এই ক্লিনিকেল সম্পৰীক্ষাত সফলতা লাভ কৰিলে ভাৰতৰ লগতে বিশ্ববাসীয়ে লাভ কৰিব সবাটোকৈ কম মূল্যৰ কভেক্সিন। ইতিমধ্যেই লাখৰ ওপৰত ক'ভিড-১৯ ৰ বাবে মৃত্যুবৰণ কৰিছে।

# মুখাগ্নি কৰিলে কণমানি পুত্ৰই

পৰিলক্ষিত হয়। ব্যতিক্ৰম দৃশ্য তথা আৱেগিক পৰিৱেশৰ মাজেৰে ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক সভাপতি ৰঞ্জিৎ দাসৰ লগতে মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্ম আৰু খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ফণী ভূষণ চৌধুৰীয়ে শ্বহীদগৰাকীৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। পোনে পোনে নিকট আত্মীয় আৰু জিলাখনৰ আৰক্ষী অধীক্ষকে হৰধন চন্দ্ৰ ৰায়ৰ নশ্বৰদেহ নিজ কান্ধেৰে স্থানীয় আঞ্চলিক শশ্মানঘাটত কঢ়িয়াই আনে। কাৰ্যসূচী অনুসৰি শ্বহীদ হৰধন চন্দ্ৰ ৰায়ক ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক সভাপতি ৰঞ্জিৎ দাসৰ লগতে মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্ম, খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ফণীভূষণ চৌধুৰীৰ লগতে জিলাখনৰ উপায়ুক্ত অনন্তলাল জ্ঞানী, আত্মীয়, গুণমুগ্ধ, জিলাখনৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ লগতে ভাৰতীয় সেনাৰ উচ্চ প্ৰদস্থ বিষয়া আৰু সামাজিক দল-সংগঠন তথা ৰাজনৈতিক দলৰ নেতাকে ধৰি বিধায়কসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পিছত বীৰ শ্বহীদ ধৰধন চন্দ্ৰ ৰায়ক ৰাষ্ট্ৰীয় মৰ্যাদাৰে সামৰিকভাৱে গুলীবৰ্ষণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছত ভাৰতীয় সেনা হৰধন চন্দ্ৰ ৰায়ৰ নশ্বৰদেহৰ অন্ত্যেষ্টিক্ৰিয়াৰ বাবে কাঠৰ চিতাত সমৰ্পণ কৰাৰ পিছত ধৰ্মীয় ৰীতি-নীতিৰে একমাত্ৰ দুবছৰীয়া পুত্ৰ, ভনীয়েক আৰু স্ত্ৰীয়ে মুখাগ্নি কৰি অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। অগণন গুণমুগ্ধৰ উপস্থিতিত শ্বহীদজনৰ নশ্বৰদেহ পঞ্চভূতত বিলীন হৈ যায়।

# ৰাজ্যজুৰি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস

বিভাগৰ উদ্যোগত গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত ২০২০ বৰ্ষৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এইদৰে কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ভাৰতবৰ্ষৰ শক্তি বৃদ্ধি কৰাৰ ক্ষেত্ৰত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম তথা সাংবাদিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। জনসাধাৰণক দেশৰ স্বাৰ্থত অধিক সজাগ-সচেতন কৰাৰ লগতে মূল্যবোধৰ ভেটি গঢ় দিয়াৰ বাবে সাংবাদিকসকলে জনসাধাৰণক উৎসাহিত কৰিব লাগিব। ক'ভিড-১৯ৰ সময়ত অসমৰ ৰাইজে সুস্থিৰতা, শৃংখলাবদ্ধতা বজাই ৰাখি তথা স্বাস্থ্য বিভাগে দিয়া পৰামৰ্শাৱলী মানি চলি এই সংক্ৰমণ প্ৰতিহত কৰাৰ দিশত যি সহযোগিতা আগবঢ়ালে তাৰ বাবে অসমৰ ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ মাজত এই সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে সংবাদ মাধ্যমে সন্মুখৰ পৰা কষ্ট স্বীকাৰ কৰিছে। এই সংকটে অন্যান্য খণ্ডৰ লগতে সংবাদ মাধ্যমৰ ওপৰতো যথেষ্ট নেতিবাচক প্ৰভাৱ পেলাইছে, সংবাদকৰ্মীসকল নানা অসুবিধাৰ সন্মুখীন হৈছে। লকডাউনৰ সময়ত জনসাধাৰণৰ মৌলিক প্ৰয়োজনীয় সামগ্ৰী যোগানৰ ক্ষেত্ৰত কেনেধৰণৰ উত্তম ব্যৱস্থা হাতত লোৱা হ'ব, ইয়াৰ বাবে কোন কোন বিভাগক অধিক দায়িত্বশীল কৰি তোলা হ'ব ইয়াৰ প্ৰতি লক্ষ্য ৰাখি নিজেই ৰাজ্যখনৰ ৩৬ খনকৈ জিলা ভ্ৰমণৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ভ্ৰমণৰ সময়ত সাংবাদিকসকলৰ ইতিবাচক ভূমিকা আৰু কষ্ট তেওঁ নিজেই প্ৰত্যক্ষ কৰিছে। ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজখন অকল স্বাস্থ্য বিভাগৰে নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সেই সময়ত ৰাইজক ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিবলৈ চৰকাৰে আহ্বান জনাইছিল। জনসাধাৰণে যাতে অসুবিধাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছিল। নিজৰ ভ্ৰমণকালত তেওঁ জিলাসমূহৰ উপায়ুক্ত, আৰক্ষী, কৃষি, স্বাস্থ্য, পশুপালন, পৰিবহন, জনস্বাস্থ্য কাৰিকৰী, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা, শক্তি, অগ্নিনিৰ্বাপক বাহিনী আদি প্ৰতিটো বিভাগৰে মাজত সু-সমন্বয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল। সেই সময়ত এটা 'টীম' হিচাপে কাম কৰাৰ পৰিৱেশ নিৰ্মাণ হৈছিল বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ সংকটৰ সময়ত সাংবাদিকসকলে নিজৰ জীৱনকো তুচ্ছ কৰি সেৱা আগবঢ়াইছিল। জনতাৰ স্বাৰ্থত নিষ্ঠাৰে কৰ্তব্য পালন কৰিছিল। স্বাস্থ্য বিভাগৰ সকলোৱে ভাবিব নোৱৰাকৈ দিনে-নিশাই কাম কৰাৰ সমান্তৰালভাৱে আৰক্ষী বাহিনীৰ বিষয়া-কৰ্মচাৰীয়েও দিনে-নিশাই সেৱা আগবঢ়াইছিল। এখন সমাজ যেতিয়া ঐক্যবদ্ধতাৰে প্ৰাণৱন্ত হৈ উঠে, সজীৱ আৰু সজাগ হৈ উঠে, তেতিয়া যিকোনো প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিয়া সম্ভৱ। জনপ্ৰতিনিধিকে ধৰি সকলোৰে লগত মিলি এই অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হৈছোঁ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় এখন সমাজ সকলো সময়তে সমন্বয়ৰ জৰিয়তে শক্তিশালী হৈ থাকিব লাগে। সমাজে যেতিয়া ঐক্যবদ্ধভাৱে কাম কৰে তেতিয়া যিকোনো দুৰ্যোগ নিৰ্ভীকতাৰে অতিক্ৰম কৰিব পাৰে। তেওঁ কয় যে ক'ৰনাকালত আমি সকলোৱে বহু অভিজ্ঞতা সঞ্চয় কৰিবলৈ সমৰ্থ হৈছোঁ। ৰাজ্যখনৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে সাংবাদিকসকলে আগবঢ়োৱা অৰিহণাৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে সাংবাদিকসকলৰ ভূমিকাই প্ৰশাসনক জনমুখী কৰাৰ ক্ষেত্ৰত বহু উদগণি যোগাইছে। ৰাজ্য চৰকাৰেও সাংবাদিকৰ বাবে নিজৰ কৰণীয় কামখিনি কৰি যোৱাৰ বাবে নিষ্ঠাৰে প্ৰয়াস চলাই আহিছে। সাংবাদিকসকলৰ বহু সমস্যা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সমস্যাবোৰ উপলব্ধি কৰি বৰ্তমানৰ চৰকাৰে বহু আঁচনি গ্ৰহণ কৰিছে। অনাগত দিনত সাংবাদিকৰ বাবে চৰকাৰে আৰু আঁচনি গ্ৰহণ কৰিব বুলিও তেওঁ ভাষণত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ প্ৰধান লক্ষ্য হৈছে ভাৰতবৰ্ষৰ প্ৰতিগৰাকী নাগৰিককে সন্মান সহকাৰে জীৱন নিৰ্বাহৰ সুযোগ প্ৰদান কৰা, মৰ্যাদাসহকাৰে উন্নয়নৰ দিশে ধাৱমান হোৱা আৰু প্ৰতিগৰাকী নাগৰিকৰ স্বাভিমান ৰক্ষা কৰা। সেই দৃষ্টিভংগীৰে আমি বৃহত্তৰ স্বাৰ্থত কাম কৰিব লাগিব। আমি সংকীৰ্ণতালৈ ধাৱমান হ'ব নোৱাৰো। আমি সাৰ্বজনীন চিন্তা ধাৰাৰে সমাজখনক আঁকোৱালি ল'ব লাগিব। প্ৰধানমন্ত্ৰীয়ে ছয়বছৰীয়া কাৰ্যকালত এই কথা কামে-কাজে দেখুৱাই দিছে। সাৰ্বজনীন চিন্তা, মানৱীয় চিন্তা, সকলোকে মৰম আৰু শ্ৰদ্ধা কৰা, সকলোৰে বাবে কাম কৰা এই সকলোবোৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিত নিহিত হৈ আছে। প্ৰধানমন্ত্ৰীয়ে ভাৰতবৰ্ষক বিশ্বৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ প্ৰয়াস কৰিছে আৰু ইয়াৰ বাবে তৃণমূল পৰ্যায়ত সকলোকে আস্থা আৰু বিশ্বাসত লৈ কাম কৰিছে। প্ৰশাসনৰ সংস্কাৰ প্ৰধানমন্ত্ৰীয়ে সম্ভৱ কৰি তুলিছে। ন্যায়িক ব্যৱস্থাৰ সংস্কাৰ সাধন কৰাৰ বাবে বিচাৰ প্ৰক্ৰিয়াও এতিয়া দ্ৰুত হৈ পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে যথেষ্ট সহায় কৰিছে। দুৰ্নীতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে অৰ্জন কৰা সফলতাৰ অন্তৰালত সাংবাদিকসকলৰো বহু সহযোগিতা আছে। সাংবাদিকে মনোবল দিয়া বাবে চৰকাৰ উৎসাহিত হৈছে। সন্ত্ৰাসবাদমুক্ত, প্ৰদূষণমুক্ত অসম গঢ়াৰ ক্ষেত্ৰতো সাংবাদিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি তেওঁ কয়। সাংবাদিকসকলে জীৱ-বৈচিত্ৰ্য ৰক্ষাৰ কথা বুজাই দিলে সমাজখনত অধিক প্ৰভাৱ পৰে বুলি উল্লেখ কৰি শাসক আৰু আইনৰ মাজৰ সাকোঁ নিৰ্মাণৰ দায়িত্বও সাংবাদিকৰ আছে বুলি তেওঁ কয়। আজিৰ অনুষ্ঠানত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপিকা তথা গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ মূৰব্বী জয়া চক্ৰৱৰ্তীয়ে নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে। নিজৰ ভাষণত তেওঁ ক'ভিড-১৯ অতিমাৰীৰ সময়ত সংবাদ মাধ্যমে লোৱা ভূমিকা, সাংবাদিকৰ সমস্যা, সমাজ এখন শক্তিশালী কৰাৰ ক্ষেত্ৰত সাংবাদিকৰ দায়িত্ব আৰু কৰ্তব্য ইত্যাদি বিভিন্ন বিষয় আলোকপাত কৰে। স্বাস্থ্যৰ দৰে বিষয়ভিত্তিক সংবাদ পৰিৱেশনৰ ক্ষেত্ৰত সাংবাদিকসকলৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। ক'ভিড সংকটৰ সময়ত একাংশ সাংবাদিকে চাকৰি হেৰুওৱা, দৰমহা কৰ্তন কৰাৰ দৰে পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগতে সংবাদগোষ্ঠীয়েও বিজ্ঞাপনৰ ৰাজহ হেৰুৱাব লগা হোৱাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে সাংবাদিকতাৰ নৈতিকতা অক্ষুন্ন ৰখাৰ বাবে সংবাদিকসকলক আৰ্থিকভাৱে স্বচ্ছল কৰাৰ লগতে অন্যান্য সা-সুবিধা প্ৰদানৰ দিশটোৰ প্ৰতিও সংবাদ গোষ্ঠীসমূহে চকু দিব লাগিব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কয় যে কলম নিঃসন্দেহে তৰোৱালতকৈ অধিক শক্তিশালী, কিন্তু সংবাদ মাধ্যমে নিজৰ শক্তি প্ৰয়োগ কৰোতে অধিক সচেতন হ'ব লাগিব — কিয়নো সমাজক বাট দেখুওৱাৰ দায়িত্বও তেওঁলোকৰ হাততেই ন্যস্ত আছে। ক'ভিড-১৯ৰ সময়ত বিশ্বৰ সংবাদ মাধ্যমে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লৈ এই সংকটত কৰ্তব্যৰ সময়ত নিজৰ প্ৰাণ হেৰুৱাবলগা হোৱা সংবাদকৰ্মীসকলৰ প্ৰতি তেওঁ শ্ৰদ্ধা জ্ঞাপন কৰে। সাংবাদিকসকলৰ বাবে ৰাজ্য চৰকাৰে বহু অভিলাষী আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে সাংবাদিকসকলৰ বাবে সকলোবোৰ বিষয় আন্তৰিকতাৰে আগুৱাই নিবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস কৰিছে। সাংবাদিকসকলৰ বাবে কৰণীয় কিবা থাকিলে তাৰ পৰামৰ্শ দিবলৈও তেওঁ আহ্বান জনায়। সেই পৰামৰ্শৰ ভিত্তিতে সমাজৰ বিবেকস্বৰূপ চতুৰ্থ স্তম্ভৰ বাবে চৰকাৰে কাম কৰি যাব বুলি তেওঁ উল্লেখ কৰে। তথ্য আৰু জনসংযোগ বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই আদৰণী ভাষণ দিয়া আজিৰ অনুষ্ঠানত সাংবাদিক ৰঞ্জিত কুমাৰ শৰ্মাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্যৰ সংবাদিকতা আৰু সাহিত্যৰ জগতখনলৈ আগবঢ়োৱা মূল্যৱান অৰিহণাৰ বাবে বিশিষ্ট সাহিত্যিক পদ্মশ্ৰী এলি আহমেদ, সাংবাদিক তথা সাহিত্যিক শিৱচৰণ কলিতা, প্ৰবীণ ক্ৰীড়া সাংবাদিক প্ৰেমধৰ শৰ্মা, ফটো সাংবাদিক তথা লেখক মহেশ চন্দ্ৰ মেধি, সাংবাদিক তাপস সমাদ্দাৰ, ৰঞ্জিত কুমাৰ শৰ্মা আৰু কুঞ্জ মোহন ৰায়ক মুখ্যমন্ত্ৰীয়ে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত তথ্য আৰু জনসংযোগ বিভাগৰ সচিব নীৰা গগৈ সোণোৱাল, জনসংযোগ বিভাগৰ সঞ্চালক অনুপম চৌধুৰীকে প্ৰমুখ্য কৰি বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল তথা বহুকেইগৰাকী বিশিষ্ট সাংবাদিকে অংশগ্ৰহণ কৰে।

# বেচেৰা ট্ৰাম্প ! পৰাজয় স্বীকাৰ কৰিবলৈ নাই সাহস

## টুইটাৰত ক'লে 'মই বিজয়ী হৈছোঁ নিৰ্বাচনত'

**ৱাশ্বিংটন, ১৬ নৱেম্বৰ ঃ** হঠাতে এটা টুইটাৰ বাৰ্তাই আমোদৰ খোৰাক যোগালে বিশ্ববাসীক। প্ৰত্যুত্তৰত বিভিন্নজনে তাচ্ছিল্য-ইতিকিংসূচক মন্তব্যৰে ভৰাই পেলালে পৃষ্ঠা। এই টুইটাৰ বাৰ্তা প্ৰেৰণ কৰাজন এলাপেছা ব্যক্তি নহয়। তেওঁ হ'ল ড'নাল্ড ট্ৰাম্প। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪৫সংখ্যক ৰাষ্ট্ৰপতি। টুইটাৰৰ জৰিয়তে কয় যে নিৰ্বাচনত 'মই জয়ী হৈছোঁ'। উল্লেখ্য যে



বিগত ৩ নৱেম্বৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন সমাপ্ত হৈছে। ইয়াৰ পিছত হৈছিল ভোট গণনা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানমতে ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হ'বলৈ নিম্নতম ২৭০ ইলেক্ট্ৰ'ৰেল ভোট লাভ কৰিব লাগিব। ড'নাল্ড ট্ৰাম্পে লাভ কৰিলে ২১৪টা ভোট। ইয়াৰ বিপৰীতে জ' বিডেনে লাভ কৰিলে ৩০৬টা ভোট। ফলস্বৰূপে ট্ৰাম্পৰ পৰাজয় হ'ল, কিন্তু নিজৰ পৰাজয়ক স্বীকাৰ কৰিবলৈ সাহস হোৱা নাই মহাপ্ৰতাপী ট্ৰাম্পৰ। সেয়ে আজি টুইটাৰৰ জৰিয়তে দাবী কৰে যে প্ৰকৃততে তেওঁ ভোট যুদ্ধত জয়ী হৈছে। ইয়াৰ বিপৰীতে এদিন পূৰ্বে অৰ্থাৎ কালি ১৫ নৱেম্বৰত অন্য এটা টুইটাৰ বাৰ্তাৰ জৰিয়তে তেওঁ কৈছিল যে যোৱা তিনি নৱেম্বৰত অনুষ্ঠিত হোৱা ভোট গণনাত বিজয়ী হৈছে জ' বিডেন। কাৰণ বিডেনে আশ্ৰয় লৈছিল ৰিগিং আৰু ভুৱা বেলটৰ। এনেকৈয়ে নিতৌ নতুন বাৰ্তাৰে বিদায়ী ৰাষ্ট্ৰপতি ট্ৰাম্পে নিজকে অধিক হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে। ট্ৰাম্পৰ টুইটাৰৰ প্ৰত্যুত্তৰত অনেকজনে উল্লেখ কৰিছে লঘু মন্তব্য।



*দক্ষিণ-পশ্চিম চীনৰ গুইজ' প্ৰদেশৰ ৰাজধানীত অনুষ্ঠিত এখন বিবাহস্থলীত দৰা-কইনাই পৰম্পৰাগত পোছাক পৰিধান কৰাৰ দৃশ্য*

# বিহাৰত আৰ জে ডি নেতাৰ সমালোচনা ৰাহুল-প্ৰিয়ংকাক

## কংগ্ৰেছৰ ব্যৰ্থতাৰ বাবেই চৰকাৰ গঠন কৰিবলৈ সক্ষম নহ'ল মহাজোঁট বন্ধন

**পাটনা, ১৬ নৱেম্বৰ ঃ** কংগ্ৰেছ দলৰ দুৰ্বলতা তথা নেতাৰ অহংকাৰৰ বাবে বিহাৰ চৰকাৰ গঠন কৰিবলৈ সক্ষম নহ'ল মহাজোঁট বন্ধন। এনেকৈয়ে আৰ জে ডি দলে এতিয়া কঠোৰ ভাষাৰে সমালোচনা কৰিছে কংগ্ৰেছক। দলটোৰ নেতা শিৱানন্দ তিৱাৰীয়ে সংবাদ মাধ্যমৰ আগত কয় মহাজোঁট বন্ধনত সবাতোকৈ



বেয়া ফলাফল প্ৰদৰ্শন কৰিছে কংগ্ৰেছ দলে। তেওঁলোকে ৭০ আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে যদিও ৭০খন নিৰ্বাচনী সভাই অনুষ্ঠিত নকৰিলে। বিহাৰত ৰাহুল গান্ধীয়ে মাত্ৰ তিনিখন নিৰ্বাচনী সভাতহে উপস্থিত আছিল। প্ৰিয়ংকা গান্ধীয়ে বিহাৰলৈ নাহিলেই। যিসকলক ৰাইজে চিনি নাপায়, তেওঁলোকক বিহাৰলৈ পঠালে কংগ্ৰেছে। যাৰ বাবে মহাজোঁট বন্ধনে চৰকাৰ গঠন কৰিব পৰাকৈ প্ৰয়োজনীয়সংখ্যক আসন লাভ কৰিব নোৱাৰিলে। উল্লেখ্য যে ২৪৩ আসনবিশিষ্ট বিহাৰত কংগ্ৰেছে কেৱল ১৯খন আসনতহে জয়ী হ'ল। মহাজোঁট বন্ধনৰ শক্তিশালী অংশীদাৰ আৰ জে ডি দলে অকলেই ৭৫খন আসনত জয়ী হৈ বিধানসভাৰ একক সংখ্যাগৰিষ্ঠ দল হিচাপে পৰিগণিত হ'ল। বামপন্থী দলবোৰে ১৬টা সমষ্টিত জয়লাভ কৰিছিল। আছাদুদ্দিন ৱাইছিৰ পাঁচজন সদস্যই বিহাৰ বিধানসভাত প্ৰৱেশ কৰে। বি এছ পি, এল জে পি আদি দলৰ প্ৰাৰ্থীও বিধানসভালৈ এজনকৈ নিৰ্বাচিত হৈছে। তেনে স্থানত বিহাৰত যেতিয়া নিৰ্বাচনী প্ৰচাৰ চলি আছিল সেই সময়ত ৰাহুল গান্ধীয়ে শিমলাত থকা প্ৰিয়ংকা গান্ধীৰ বাসভৱনত পিকনিক খাবলৈ গৈছিল। গতিকে কংগ্ৰেছৰ সততা আৰু দক্ষতা বিলুপ্ত হৈছে বাবেই ৰাইজে তেওঁলোকক আদৰি নল'লে।

# হিমাচল প্ৰদেশৰ পথ দুৰ্ঘটনাত নিহত ৭

## ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ শোক প্ৰকাশ

**মাণ্ডি, ১৬ নৱেম্বৰ ঃ** হিমাচল প্ৰদেশৰ মাণ্ডি জিলাত আজি পুৱতি নিশা সংঘটিত এক ভয়াৱহ পথ দুৰ্ঘটনাই প্ৰাণ কাঢ়ি নিলে সাতজন ব্যক্তিৰ। এই দুৰ্ঘটনাত অন্য এজন গুৰুতৰভাৱে আহত হৈছে। প্ৰাপ্ত তথ্য মতে এখন পিক-আপ ভানত এই লোকসকল আহি থকা অৱস্থাত মাণ্ডি জিলাৰ পুলঘাট অঞ্চলত পথচ্যুত হৈ কাষৰ খাৱৈত পৰেগৈ বাহনখন। পুৱতি নিশা প্ৰায় ২.৩০ বজাত সংঘটিত এই দুৰ্ঘটনাৰ কাৰণ হিচাপে নিৰ্ণিত হৈছে চালকৰ অসাৱধানতা। প্ৰথমে ছজন লোকৰ ঘটনাস্থলীতে মৃত্যু হৈছিল আৰু আহত অন্য দুজনক চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল। কিন্তু এজন আঘাতপ্ৰাপ্তৰ মৃত্যু হয় চিকিৎসালয়ত। ইফালে এই ঘটনাৰ খবৰ পোৱাৰ লগে লগে দেশৰ ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। টুইটাৰ বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয় যে মাণ্ডিৰ এই ঘটনা



অতিশয় দুখজনক। হিমাচল প্ৰদেশৰ চৰকাৰ তথা স্থানীয় প্ৰশাসনে হতাহতৰ পৰিয়ালৰ কাষত থিয় দিব লাগে। প্ৰধানমন্ত্ৰী মোডীয়েও এই ঘটনাত শোক প্ৰকাশ কৰিছে আৰু মৃত্যু হোৱা লোকসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিছে। উক্ত লোকসকলৰ পৰিয়ালবৰ্গৰ কাষত স্থানীয় প্ৰশাসনক থিয় দিয়াৰ আহ্বান জনাইছে।

# মহাৰাষ্ট্ৰত খোল খালে মঠ-মন্দিৰৰ দুৱাৰ

**মুম্বাই, ১৬ নৱেম্বৰ ঃ** মহাৰাষ্ট্ৰ চৰকাৰে ৰাজ্যখনৰ সকলোবোৰ মঠ-মন্দিৰৰ দুৱাৰ দৰ্শনাৰ্থীৰ বাবে আজিৰে পৰা খুলি ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ সংশ্লিষ্ট পৰিচালনা সমিতিসমূহৰ প্ৰতি নিৰ্দেশনা জাৰি কৰিছে। মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে যোৱা শনিবাৰে এইক্ষেত্ৰত কয় যে ধৰ্মীয় স্থান, আৰাধনা ক্ষেত্ৰ, গিৰ্জা, দৰগাহ আদিৰ দুৱাৰ ১৬ নৱেম্বৰৰ পৰা খুলিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে। এইসমূহৰ ভিতৰত সিদ্ধি সাইবাবা মন্দিৰ, মাহিম দৰগাহ, ডগ্‌দুশেঠ হালোৱাই মন্দিৰ আদিৰো



দুৱাৰ খুলি দিয়াৰ সিদ্ধান্ত লৈছে দৰ্শনাৰ্থীৰ বাবে। সেয়েহে আজিৰে পৰা ৰাজ্যখনত পৰ্যটকৰ ভিৰ পৰিলক্ষিত হৈছে। কিন্তু মঠ-মন্দিৰৰ দুৱাৰ খোল খালেও দৰ্শনাৰ্থী তথা পৰ্যটক, ভক্ত আদিয়ে ক'ভিড-১৯ প্ৰট'কল মানি চলিব লাগিব। কাৰণ দেশৰ ভিতৰতে এতিয়াও মহাৰাষ্ট্ৰত কৰ'না ভাইৰাছ সংক্ৰমণৰ সংখ্যা অব্যাহত আছে আৰু প্ৰতিদিনে বৃদ্ধি পাই আছে। সেই অনুপাতে বাঢ়িছে মৃত্যুৰ সংখ্যা। গতিকে স্বাস্থ্যবিধি মানি চলি যাতে সকলোৱে মঠ-মন্দিৰ, ঈদগাহ আদি দৰ্শন কৰে তাৰ প্ৰতি প্ৰশাসনে সতৰ্কতা জাৰি কৰিছে।

# ৰাজহুৱা পুখুৰী-জলাশয়ত নিষিদ্ধ ষট্‌পূজা

## ঝাৰখণ্ড চৰকাৰৰ নিৰ্দেশনাক লৈ প্ৰতিক্ৰিয়া

**ৰাঁচী, ১৬ নৱেম্বৰ ঃ** উত্তৰ ভাৰতৰ বিহাৰী-ৰাজস্থানী আদিৰ পৱিত্ৰ ধৰ্মীয় উৎসৱ ষট্ পূজালৈ বেছি দিন নাই। এইবাৰ কৰ'না ভাইৰাছ আৰু লকডাউনৰ বাবে দুৰ্গা পূজাকে ধৰি বিভিন্ন পূজা-উৎসৱ আদি ৰাজহুৱাকৈ অনুষ্ঠিত কৰা নাই। ইয়াৰ মাজতে ঝাৰখণ্ড চৰকাৰে নিষিদ্ধ কৰিছে ৰাজহুৱা জলাশয় আদিত এই পূজা অনুষ্ঠিত কৰা। মুখ্যমন্ত্ৰী হেমন্ত সুৰেন নেতৃত্বাধীন চৰকাৰে নিৰ্দেশনা জাৰি কৰি কয় যে ক'ভিড-১৯ৰ জলাশয় আদি য'তেই যেনেকৈ পাৰে সকলোৱে নিৰ্দিষ্ট সময়ত ক'ভিড প্ৰট'কল অমান্য কৰাটো স্বাভাৱিক। গতিকে চৰকাৰে ষট্ পূজাৰ পিছতে যাতে অধিক পৰিমাণে কৰ'না ভাইৰাছৰ সংক্ৰমণ নহয় তাৰ বাবেই সতৰ্কতামূলক পদক্ষেপ লৈছে। সেই অনুসৰি এইবাৰ ষট্ পূজা নিজৰ বাসভৱনত আয়োজন কৰিবলৈ আহ্বান জনাইছে। বিহাৰ, ঝাৰখণ্ড উত্তৰ প্ৰদেশ আদিত বিশেষভাৱে আয়োজন হ'ব লগা ষট্ পূজাৰ



সংক্ৰমণৰ আশংকাতে এনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কাৰণ ষট্ পূজাৰ নীতি অনুসৰি এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত স্নান কৰিব লাগে। কিন্তু ক'ভিড প্ৰট'কল অনুসৰি এইবাৰ উক্ত নিৰ্দিষ্ট সময়ত সকলোৱে স্নান কৰাটো সম্ভৱ নহ'ব। ৰাজহুৱা ঘাট, পুখুৰী, নদী, হ্ৰদ, সময় পুৱতি নিশা সূৰ্য উদয় হোৱাৰ লগে লগে পানীত নামি স্নান কৰিব লাগে। চলিত মাহৰ ১৮ তাৰিখৰ পৰা ২০ নৱেম্বৰলৈকে ষট্ পূজাৰ পৰম্পৰা আৰম্ভ হ'ব। ইয়াৰ পূৰ্বেই ঝাৰখণ্ড চৰকাৰে জাৰি কৰা নিৰ্দেশনাক লৈ সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়াৰ।

# ১৫২ পাকিস্তানী সন্ত্ৰাসবাদীক হত্যা

## আফগান সেনাবাহিনীৰ সফলতা

**কাবুল, ১৬ নৱেম্বৰ ঃ** আফগানিস্তান চৰকাৰে নিজৰ ভূমিৰ পৰা পাকিস্তানৰ সন্ত্ৰাসবাদীক উৎখাত কৰাৰ পদক্ষেপ লৈছে। সেই অনুসৰি দেশখনৰ কাণ্ডাহাৰ, হেলমাণ্ড আদি অঞ্চলত অভিযান চলাই বহুসংখ্যক তালিবানী নেতা-কৰ্মী আৰু অন্যান্য মৌলবাদীক হত্যা কৰিবলৈ সক্ষম হয়। আফগান চৰকাৰৰ আভ্যন্তৰীণ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰ তাৰিক আৰিয়ানে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। তেওঁ কয় যে আফগান সেনাৰ অভিযানত এনেদৰে ১৫২তকৈ অধিক পাক সন্ত্ৰাসবাদী নিহত হৈছে। ইফালে সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি আফগান সেনাৰ আক্ৰমণৰ সমান্তৰালভাৱে পাকিস্তানী সন্ত্ৰাসবাদীয়েও প্ৰত্যাক্ৰমণ চলাইছিল। যাৰ বাবে দুয়ো পক্ষৰে হতাহতি হৈছে। তথাপি হেলমাণ্ড আৰু কাণ্ডাহাৰ প্ৰদেশত তালিবানৰ ৫৫ জন বিষয়া নিধন হৈছে। সংবাদ প্ৰতিষ্ঠানক ইউনাইটেড নেচন চিকিউৰিটি কাউন্সিলৰ তৰফৰ পৰা অৱগত কৰা অনুসৰি আফগানিস্তানত চাৰে ছহেজাৰতকৈ অধিক পাক উগ্ৰবাদীয়ে আশ্ৰয় লৈ আছিল। কিন্তু আফগান সেনাৰ অভিযানত তেওঁলোক পলাই যাবলৈ বাধ্য হৈছে। এই অভিযানত মৃতসকলৰ অধিকাংশই তেহৰিক-ই তালিবান পাকিস্তান নামৰ সংস্থাটোৰ সদস্য বুলি কোৱা হৈছে। মুঠৰ ওপৰত বিভিন্ন নামেৰে পাকিস্তানৰ চৰকাৰী সাহায্যপুষ্ট সন্ত্ৰাসবাদীয়ে হিংসাত্মক কাৰ্য সংঘটিত কৰাৰ বাবে সমবেত হ'লেও এতিয়া ভাৰতৰ দৰে চুবুৰীয়া আফগানিস্তানেও পাকিস্তানক ফেপেৰিপাতি ধৰা পৰিলক্ষিত হৈছে।

# কৰ'নাত আক্ৰান্ত হ'ল ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছন

**লণ্ডন, ১৬ নৱেম্বৰ ঃ** কৰ'নাত আক্ৰান্ত হ'ল ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছন। কোনোবা কৰ'নাক্ৰান্তৰ সংস্পৰ্শলৈ অহাৰ ফলতে দেশখনৰ প্ৰধানমন্ত্ৰীজন এনেদৰে সংক্ৰমিত হ'ল। উল্লেখ্য যে যোৱা কিছুদিন ধৰি ব্ৰিটেইনত ৰাজনৈতিক অস্থিৰতা বিৰাজ কৰিছে। সমান্তৰালভাৱে কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈ দেশখনৰ বহু জ্যেষ্ঠ নাগৰিকে মৃত্যুৰ মুখত পৰিছে। ফলত সাধাৰণ ৰাইজে সমালোচনা কৰিছে প্ৰধানমন্ত্ৰী জনছন আৰু তেওঁৰ চৰকাৰক। এনে সময়তে স্বয়ং প্ৰধানমন্ত্ৰীজন এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱা বিষয়টো বিশেষভাৱে চৰ্চিত হৈছে। লণ্ডনৰ এখন চিকিৎসালয়ত তেওঁক ইতিমধ্যে স্বাস্থ্য পৰীক্ষা কৰাৰ পিছত নিজৰ বাসভৱনতে কোৱাৰেণ্টাইনত ৰখা হৈছে। প্ৰণিধানযোগ্য এয়ে



যে ইয়াৰ পূৰ্বেও বৰিছ জনছন কৰ'না ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছিল আৰু পিছত অৱশ্যে এই ৰোগৰ পৰা মুক্তি পাবলৈ সক্ষম হৈছিল।

## দেৱালীৰ ধামাকা ঃ ভোকেল ফৰ লোকেলত লোকচান হ'ল চীনৰ ৪০ হাজাৰ কোটি

# ভাৰতে আৰ্জিলে ৭২ হাজাৰ কোটি



**নতুন দিল্লী, ১৬ নৱেম্বৰ ঃ** কাইট অৰ্থাৎ কনফেডাৰেশ্বন অৱ অল ইণ্ডিয়া ট্ৰেডাৰ্ছ নামৰ ব্যৱসায়ী সংস্থাটোৱে প্ৰকাশ কৰা তথ্যত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভোকেল ফৰ লোকেল শ্ল'গান হাতেকামে ৰূপায়িত হোৱাৰ দিশটো উন্মোচিত হৈছে। বিশেষকৈ দেৱালীৰ বজাৰত প্ৰতি বছৰে কম দামৰ চীনা সামগ্ৰী উভৈনদী হৈ পৰে আৰু গ্ৰাহকে এই সামগ্ৰীবোৰ গো-গ্ৰাসে ক্ৰয় কৰে। কিন্তু এইবাৰ বিপৰীত দৃশ্য পৰিলক্ষিত হ'ল ভাৰতৰ বজাৰত। ব্যৱসায়িক সংস্থাটোৰ সমীক্ষা অনুসৰি যোৱা ১৫ নৱেম্বৰৰ মাজনিশা পৰ্যন্ত দেৱালীৰ বজাৰত ভাৰতীয় সামগ্ৰীৰ আধিপত্য অব্যাহত থাকিল। এই সময়ছোৱাত কমেও ৭২ হেজাৰ কোটি টকাৰ লেনদেন তথা ব্যৱসায় সম্পন্ন হৈছে। ইয়াৰ বিপৰীতে চীনৰ আমদানিকৃত সামগ্ৰীৰ প্ৰতি দেশবাসীৰ অনীহাৰ ফলত চল্লিশ হাজাৰ কোটি টকাতকৈ অধিক লোকচান হ'ল সেই দেশৰ সামগ্ৰী আমদানিকাৰীসকলৰ। উল্লেখ্য যে কাইট আৰু অন্যান্য ব্যৱসায়িক সংস্থাবোৰে এইবাৰ দেৱালীত চীনৰ সামগ্ৰী বৰ্জনৰ আহ্বান জনাইছিল। লাডাখৰ পূৰ্বাঞ্চল আৰু বিভিন্ন সীমান্তৱৰ্তী অঞ্চলত চীনা সৈন্যই এল এ চিৰ সমীপত অৱস্থান গ্ৰহণ কৰি ভাৰতৰ প্ৰতি ভাবুকি সৃষ্টি কৰা বিষয়টো আঙুলিয়াই দিয়া হৈছিল। ফলত চীনৰ প্ৰতি ভাৰতীয় জনতাৰ মোহভংগ ঘটিল। ভাৰতৰ দৰে ১৩০ কোটি বাসিন্দাৰ উপভোক্তা দেশ এখনত চীনৰ প্ৰতি সৃষ্টি হোৱা বিৰূপ মনোভাৱে দেৱালীৰ বজাৰত সঠিকভাৱে প্ৰতিফলন ঘটিল। কেৱল নতুন দিল্লীতে নহয়, এইবাৰ স্থানীয় সামগ্ৰীৰ বজাৰ লাভজনকভাৱে চলিল মুম্বাই, ছেন্নাই, বেংগালুৰু, হায়দৰাবাদ, কলকাতা, নাগপুৰ, ৰায়পুৰ, ভুৱনেশ্বৰ, ৰাচী, ভূপাল, লক্ষ্ণৌ, কানপুৰ, নয়দা, জম্মু, আহমেদাবাদ, চুৰাট, কোচিন, জয়পুৰ, চণ্ডীগড়, গুৱাহাটী আদিতো থলুৱা সামগ্ৰীৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছিল সৰ্বসাধাৰণ ক্ৰেতাই। ফলস্বৰূপে দেৱালীৰ বজাৰত এইবাৰ ভোকেল ফৰ লোকেলৰ আধিপত্য বৰ্তি থকাৰ বিপৰীতে দাম কম হ'লে চীনা সামগ্ৰীৰ প্ৰতি ৰাইজৰ অৱহেলা আৰু বৰ্জনৰ মনোভাৱ প্ৰতিফলিত হ'ল।

## বৈদেশিক মন্ত্ৰী জয়শংকৰৰ স্পষ্ট অভিযোগ

# সন্ত্ৰাসবাদক পোহপাল দিছে পাকিস্তানে

**নতুন দিল্লী, ১৬ নৱেম্বৰ ঃ** ৰাষ্ট্ৰসংঘৰ মজিয়াত অনুষ্ঠিত কপ্ৰেহেনছিভ কনভেনচন অন ইণ্টাৰনেচনেল টেৰ'ৰিজম শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণৰ কৰি ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ




জয়শংকৰে স্পষ্ট ভাষাৰে পাকিস্তানক তুলাধুনা দিয়ে। তেওঁ কয় যে ভাৰতে সদায় অহিংসা, সহযোগিতা আৰু সমন্বয়ৰ বাবে কাম কৰি আহিছে। কিন্তু চুবুৰীয়া ৰাষ্ট্ৰখনে কেৱল হত্যা আৰু হিংসাৰ বাবেহে নিজৰ ধন আৰু সময় ব্যয় কৰিছে। ইয়াৰ উদাহৰণ দাঙি ধৰি তেওঁ কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৯/১১ আক্ৰমণ তথা টুইনটাৱাৰ ধ্বংসৰ আক্ৰমণত জড়িত আছিল পাকিস্তানত আশ্ৰিত সন্ত্ৰাসবাদী। ভাৰতৰ ২৬/১১ মুম্বাই আক্ৰমণত জড়িত আছিল পাকিস্তানৰ সন্ত্ৰাসবাদী। দেশখনে অলপতে এই আক্ৰমণত জড়িত একাধিক সন্ত্ৰাসবাদীক আশ্ৰয়-প্ৰশ্ৰয় তথা সাহায্য দিয়াৰ বিষয়টো স্বীকাৰ কৰিছে। কেৱল ইমানেই নহয় জম্মু-কাশ্মীৰৰ সীমান্তত পাক সন্ত্ৰাসবাদীয়ে নিতৌ আক্ৰমণ চলাই আছে। এই ঘটনাত কোন জড়িত এতিয়া বিশ্ববাসীক নতুনকৈ কোৱাৰ প্ৰয়োজন নাই বুলি জয়শংকৰে মন্তব্য কৰে।

# মুখ্যমন্ত্ৰী জগনমোহন ৰেডডীৰ বিৰুদ্ধে গোচৰৰ শুনানি স্থগিত



**নতুন দিল্লী, ১৬ নৱেম্বৰ ঃ** অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী ৱাই এছ জগনমোহন ৰেড্ডীৰ বিৰুদ্ধে উত্থাপিত এটা অভিযোগৰ ভিত্তিত দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে ন্যায়াধীশ ইউ ইউ ললিতে। আজি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ললিতে কয় যে এগৰাকী ন্যায়াধীশ হিচাপে, এগৰাকী আইনজ্ঞ হিচাপে উক্ত গোচৰৰ শুনানি ল'বলৈ অসুবিধা পাইছো। কাৰণ কোনো এটা পক্ষ মই প্ৰতিনিধিত্ব কৰো। গতিকে এই গোচৰটো খণ্ড বিচাৰপীঠলৈ প্ৰেৰণৰ বাবে মই নিৰ্দেশ জাৰি কৰিছো। এনেকৈ ন্যায়াধীশগৰাকীয়ে নিজৰ অপাৰগতা প্ৰকাশ কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী জগনমোহন ৰেড্ডীৰ বিৰুদ্ধে ন্যায়ালয়ত অভিযোগ দাখিল কৰা বিষয়টোৰ শুনানিৰ দায়িত্বত আছিল ইউ ইউ ললিত, বিনীত সৰণ আৰু এছ ৰবীন্দ্ৰ ভাট। মুখ্যমন্ত্ৰী ৰেড্ডীয়ে দেশৰ মুখ্য ন্যায়াধীশলৈ যোৱা ৬ অক্টোবৰত প্ৰেৰণ কৰিছিল এখন অভিযোগপত্ৰ। অন্ধ্ৰপ্ৰদেশৰ উচ্চ ন্যায়ালয়ে তেওঁৰ চৰকাৰৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিব খুজিছে আৰু চৰকাৰখন নিস্ক্ৰিয় কৰিব খোজা বুলি এই পত্ৰত উল্লেখ আছিল। ইয়াৰ ভিত্তিতে অনুষ্ঠিত কৰা হৈছিল শুনানি। কিন্তু নিজকে আইনজ্ঞ হিচাপে অভিহিত কৰি আৰু কোনো এটা পক্ষৰ প্ৰতিনিধি হিচাপে ব্যক্ত কৰি এই গোচৰৰ শুনানি গ্ৰহণ নকৰিবলৈ সিদ্ধান্ত লয় ন্যায়াধীশ ললিতে।



*পেলেস্তাইনৰ গাজা নগৰত পৰম্পৰাগত মিঠাই প্ৰস্তুত কৰিছে এগৰাকী ব্যৱসায়ীয়ে*

# স্পেচ-এক্স ৰকেট ঃ 4 মহাকাশচাৰীক লৈ মাৰিলে উৰা

**ৱাশ্বিংটন, ১৬ নৱেম্বৰ ঃ** নাছাৰ কেনেডী মহাকাশ কেন্দ্ৰৰ পৰা এক ঐতিহাসিক অভিযান আৰম্ভ হ'ল। স্পেচ-এক্স ৰকেটৰ জৰিয়তে চাৰিজন মহাকাশচাৰীয়ে উৰা মাৰিলে সফলতাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ তিনিজন আৰু জাপানৰ এজনে এই যাত্ৰাত সংলগ্ন হৈছে। এই স্পেচ-এক্স ৰকেটৰ গৰাকী হ'ল বিলিয়নাৰ ব্যৱসায়ী এলন মাস্ক। তেওঁ মহাকাশ গৱেষণাৰ বাবে এই বিশেষ ৰকেটটোত ধন বিনিয়োগ কৰিছে। ইফালে এই অভিযানৰ সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে আমেৰিকাৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি জ' বিডেনে। তেওঁ টুইটাৰৰ জৰিয়তে কয় যে নাছা আৰু স্পেচ এক্স কৰ্তৃপক্ষ অভিনন্দনৰ যোগ্য। এই অভিযানে জাপান আৰু আমেৰিকাৰ যৌথ বৈজ্ঞানিক অভিযান আৰু কাম কাজক অধিক শক্তিশালী কৰিব।



## বোকাখাতৰ মুক্তানাথ গগৈৰ দেহাৱসান



**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৬ নৱেম্বৰ ঃ** বোকাখাতৰ কৰৈআটী গাঁও নিবাসী মুক্তানাথ গগৈৰ (৮৩) যোৱা ১৪ নৱেম্বৰ তাৰিখে বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। পূৰ্বে তেওঁ বোকাজান বিলাতী মাটিৰ কাৰখানাত মেকানিকেল বিভাগত কৰ্মৰত হৈ তাৰ পৰাই অৱসৰ লৈ পৰৱৰ্তী সময়ত বোকাখাতৰ বাসিন্দা হয়। মৃত্যুৰ সময়ত তেখেতে পত্নী সুজয়া গগৈ, দুই পুত্ৰ, এগৰাকী জীয়াৰী আৰু চাৰি নাতি-নাতিনী এই সংসাৰত এৰি থৈ যায়। তেখেতৰ জন্ম হৈছিল তিনিচুকীয়াৰ ককৰাতলী গাঁৱত। সাত ককাইভাই আৰু চাৰি বাই-ভনীৰ ভিতৰত মুক্তানাথ গগৈ দ্বিতীয় পুত্ৰ আছিল। মানৱ দৰদী, জনপ্ৰিয় আৰু সৰ্বৰহী গগৈ বোকাখাতৰ বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আছিল। গগৈৰ মৃত্যুত কৰৈআটী গাঁৱৰ লগতে সমগ্ৰ বোকাখাততে শোকৰ ছাঁ পৰিছে।

## বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৬ নৱেম্বৰ ঃ** বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক প্ৰতিনিধি সভা ১২ নৱেম্বৰত অনুষ্ঠিত হৈ যায়। বোকাখাত নাট্য মন্দিৰত অনুষ্ঠিত হোৱা বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক প্ৰতিনিধি সভাৰ সভাপতিত্ব কৰে বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি দিব্যজ্যোতি গগৈয়ে। ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰাঞ্জল শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বোকাখাত মহকুমা ছাত্ৰ সন্থাৰ অন্তৰ্গত পাঁচখন আঞ্চলিক সমিতিৰ সভাপতি সম্পাদকৰ লগতে তিনি শতাধিক ছাত্ৰ কৰ্মী উপস্থিত থাকে। পৰৱৰ্তী পৰ্যায়ত হোৱা বিষয় বাছনি সভাই চিন্ময়জ্যোতি শৰ্মাক সভাপতি, বিশ্বজিৎ দেৱনাথক সাধাৰণ সম্পাদক আৰু গীতাৰ্থ শইকীয়াক জিলা প্ৰতিনিধি হিচাপে লৈ এখন ৫১জনীয়া সমিতি গঠন কৰা হয়। বিষয় বাছনি সভাৰ পৰ্যবেক্ষক হিচাপে গোলাঘাট জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য শিৱাশিস ভৰদ্বাজ আৰু দীপাংকৰ মৰাণ উপস্থিত থাকে। সভাত গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দাদুল বৰা, অভিৱৰ্তন গোস্বামী, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰঞ্জন সোণোৱাল, সাধাৰণ সম্পাদক প্ৰীন্স দলে, বোকাখাত মহকুমা ছাত্ৰ সন্থাৰ সভাপতি মানৱ গগৈ, সাধাৰণ সম্পাদক গীতাৰ্থ শইকীয়া, জিলা কাৰ্যনিৰ্বাহক জগতজ্যোতি হাজৰিকা, গোলাঘাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদককে আদি কৰি জিলা, মহকুমা আৰু আঞ্চলিকৰ সদস্য-সদস্যাসকল উপস্থিত থাকে।

### পলাশবাৰী তিনিআলিত সাংবাদিক মিলন মহন্তক প্ৰহাৰ কৰা কাণ্ডক ৰাজ্যজুৰি তীব্ৰ গৰিহণা

# দোষীক কৰায়ত্ত কৰিব নোৱৰা পলাশবাৰী আৰক্ষীৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ ক্ষোভৰ জুই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৬ নৱেম্বৰ ঃ** পুনৰবাৰ পলাশবাৰীৰ তিনিআলিত ভূ-মাফিয়া আৰু জুৱাৰীৰ আক্ৰমণৰ বলি হ'ল বহিৰ্চাট তথা গুৱাহাটীৰ পৰা প্ৰকাশিত দুখনকৈ আগশাৰীৰ কাকত মিৰ্জা আৰু বহিৰ্চাটৰ সংবাদকৰ্মী মিলন মহন্ত। পলাশবাৰীৰ তিনিআলিত সাংবাদিক মিলন মহন্তক প্ৰহাৰ কৰি হত্যাৰ চেষ্টা চলোৱা জুৱাৰীক কালিৰে পৰা ২৪ ঘণ্টা উকলি যোৱাৰ পিছতো পলাশবাৰী আৰক্ষীয়ে কৰায়ত্ত কৰিব নোৱাৰাত ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। জানিব পৰা মতে, কিছুদিন আগতে সাংবাদিক মিলন মহন্তই তিনিআলিত চলি থকা জুৱাৰ বিৰুদ্ধে বাতৰি কাকতত সংবাদ পৰিৱেশন কৰিছিল। উক্ত জুৱাৰ বাতৰি সন্দৰ্ভত তিনিআলিৰ একাংশ জুৱাৰীয়ে ক্ষোভিত হৈ কালি দুপৰীয়া সাংবাদিক মিলন মহন্তই ঘৰৰ পৰা বাতৰি সংগ্ৰহৰ বাবে আহি তিনিআলি পদপথত থৈ থকা অৱস্থাত আক্ৰমণ কৰিছিল। তিনিআলিৰ ৰাজপথ আগচি ধৰি ভূ-মাফিয়া সঞ্জয় ঠাকুৰীয়া, বুদু ঠাকুৰীয়া আৰু বিশ্বজিৎ দাস নামৰ জুৱাৰী তিনিজনৰ নেতৃত্বত এটা দলে মহন্তক খেদি আহি অতৰ্কিতে প্ৰহাৰ কৰিছিল। পিছত লাইট পোষ্টত বান্ধি লৈ লেবেজান কৰি মহন্ত পিন্ধি থকা সোণৰ চেইন কাঢ়ি লৈ যোৱাৰ লগতে অন্য ঠাইলৈ নি প্ৰাণে মৰাৰ যো-জা চলাইছিল। মুখ, কাণ আৰু পিঠিত গুৰুতৰভাৱে আহত মহন্তক স্থানীয় একাংশ সচেতন লোকে কোনোমতে জুৱাৰীৰ দলটোৰ খোৱৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। ঘটনাস্থলীৰ পলাশবাৰী আৰক্ষী উপস্থিত হৈ সাংবাদিক মিলন মহন্তক উদ্ধাৰ কৰি থানালৈ আনি চিকিৎসা গ্ৰহণৰ ব্যৱস্থা কৰিছিল। পিছত পলাশবাৰী থানাত বহিৰ্চাটৰ ৰাইজ তথা দল-সংগঠনে লোকসকল উপস্থিত হৈ ঘটনাৰ লগত জড়িত জুৱাৰীকেইজনক আটক কৰি ২৪ ঘণ্টাৰ ভিতৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছিল। অন্যথা আৰক্ষীৰ বিৰুদ্ধে দল-সংগঠনৰ সহযোগত আন্দোলন কৰাৰ হুংকাৰ দিছিল। গুৰুতৰভাৱে আহত মিলন মহন্তই ভূ-মাফিয়া সঞ্জয় ঠাকুৰীয়া, বুদু ঠাকুৰীয়া আৰু বিশ্বজিৎ দাসৰ বিৰুদ্ধে পলাশবাৰী থানাত এজাহাৰ দাখিল কৰাত পলাশবাৰী আৰক্ষীয়ে ঘটনা সন্দৰ্ভত গোচৰ নং ৫১৫/২০ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত ৩৪১/৩২৪/৩২৫/৩৪ নম্বৰ ধাৰাত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে যদিও এজনকো কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। উক্ত ঘটনাক দক্ষিণ কামৰূপ বৈদ্যুতিন আৰু ছপা মাধ্যম উমৈহতীয়া সংগঠন ইপিমিডিয়া ফ'ৰাম ছাউথ কামৰূপ, কামৰূপ জিলা সাংবাদিক পৰিষদ, কামৰূপ জিলা সাংবাদিক সন্থা, দক্ষিণ কামৰূপ সংবাদিক সন্থা, আপৰু কামৰূপ জিলা সমিতি, ছয়গাঁও প্ৰেছ ক্লাব, দক্ষিণ কামৰূপ প্ৰেছ ক্লাব, দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাব, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, বৃহত্তৰ আমৰাংগা বহিৰ্চাট নাগৰিক মঞ্চ, সচেতন নাগৰিক মঞ্চ, বহিৰ্চাট আমৰাংগাৰ ত্ৰিধাৰা আঞ্চলিক কলা সংঘ, লক্ষীপুজা সমিতি, উদীয়মান যুব বিকাশ কেন্দ্ৰ, কলিকাত্ৰ নিউজ এজেন্সী আদিকে ধৰি বিভিন্ন দল-সংগঠনে তীব্ৰ ভাষাৰে গৰিহণা দি দোষীক ২৪ ঘণ্টাৰ ভিতৰত কৰায়ত্ত কৰি উপযুক্ত শাস্তি বিহিবৰ বাবে দাবী জনায়। আজি পুনৰ কালি হৈ যোৱা ঘটনাস্থলী তিনিআলিত মিলন মহন্তক লগত লৈ অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে দোষীক কৰায়ত্ত কৰি উচিত শাস্তি দিয়াৰ বাবে দাবী উত্থাপন কৰে।

## লাহদৈগড় আৰক্ষী চকীৰ কনিষ্টবলৰ আকস্মিক মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৬ নৱেম্বৰ ঃ** যোৰহাট জিলা লাহদৈগড় আৰক্ষী চকীৰ কৰ্তব্যৰত কনিষ্টবল অশোক সোণাৰ (৪১) যোৰহাটৰ এখন বে-চৰকাৰী চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। দীপাৱলী উপলক্ষে সোণাৰে আৰক্ষী চকী আলোকিত কৰাৰ উদ্দেশ্যে প্ৰস্তুতি চলোৱাৰ লগতে নিশা আহাৰৰ বাবে লাহদৈগড় চাৰিআলিত ব্যস্ত আছিল। কিন্তু নিশা আহাৰ গ্ৰহণৰ পাছতে কনিষ্টবলজনে পেটৰ অসহ্য বিষ অনুভৱ কৰাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীয়ে তত্তালিকৈ যোৰহাটলৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। কিন্তু নিশালৈ সোণাৰ আকস্মিক মৃত্যু ঘটে। আৰক্ষী চকীৰ গাড়ীচালক হিচাপেও থকা অমায়িক, সৎ প্ৰকৃতিৰ আৰক্ষী কনিষ্টবলজনৰ মৃত্যুত আৰক্ষী চকীৰ লগতে লাহদৈগড় চাৰিআলিত শোকৰ ছাঁ পৰে। পাছত সোণাৰৰ নশ্বৰ দেহ তিতাবৰৰ নিজা গৃহলৈ লৈ যোৱা হয়। পত্নীৰ লগতে তিনিটি সন্তানক এৰি থৈ যায় সোণাৰে।

## প্ৰাইজমানী ফুটবলত যোগীপথাৰৰ জয়লাভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, চাবুৱা, ১৬ নৱেম্বৰ ঃ** চাবুৱা বৰবাৰী যুৱক সংঘৰ সৌজন্যত অনুষ্ঠিত প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত জেৰাই যোগীপথাৰ ফুটবল দলে জয়লাভ কৰি খিতাপ অৰ্জন কৰে। কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত বিজয়ী দলে বৰবাৰী এফ চি দলক একমাত্ৰ গ'লৰ ব্যৱধানত পৰাজিত কৰি এই খিতাপ অৰ্জন কৰে। বৰবাৰী দলৰ পূবেৰুণ গগৈ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয়।

### ওদালগুৰিত কেওট জাতীয় পৰিষদৰ সাধাৰণ সভা সম্পন্ন

# বিটিআৰত কেওটসকলৰ বাবে বিশেষ সংৰক্ষণৰ দাবী

### অনুসূচিত জাতিৰ মৰ্যাদাৰ পৰা বছৰ বছৰ ধৰি বঞ্চিত কৰাৰ অভিযোগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৬ নৱেম্বৰ ঃ** অসমত যুগ যুগ ধৰি বসবাস কৰি অহা কেওটসকলক অধিকাৰ সুৰক্ষাৰ বাবে জন্মলাভ কৰা সদৌ অসম কেওট জাতীয় পৰিষদৰ ওদালগুৰি জিলা সমিতিৰ সাধাৰণ সভাখন ১৫ নৱেম্বৰত ওদালগুৰি পৌৰ সভাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। সাধাৰণ সভাৰ কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে কেওট জাতীয় পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বসন্ত কুমাৰ বৰা আৰু জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মুকুট দাসে। ১০.৩০ বজাত প্ৰতিনিধি সভা মুকলি কৰে কেন্দ্ৰীয় সমিতিৰ সম্পাদক দিলীপ বৰাই। প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰি সদৌ অসম কেওট জাতীয় পৰিষদৰ কেন্দ্ৰীয় প্ৰধান সম্পাদক পংকজ শইকীয়াই কেওটসকল বছৰ বছৰ ধৰি ন্যায্য প্ৰাপ্তিৰ কৰা বঞ্চিত হৈ থকা বুলি অভিযোগ কৰি কেওটসকলে নিজৰ অধিকাৰ কাঢ়ি আনিবলৈ সু-সংগঠিত হৈ আগবাঢ়িব লাগিব বুলি মন্তব্য কৰে। ওদালগুৰি জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মুকুট দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সাধাৰণ সভাৰ প্ৰতিনিধি সভাখনৰ আঁত ধৰে জিলা সমিতিৰ ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক ধনদীপ বৰাই। সভাত গৌতমজ্যোতি তালুকদাৰ, সদৌ অসম কেওট জাতীয় পৰিষদৰ সম্পাদক উদ্ধৱ ডেকা, সাংগঠনিক সম্পাদক যোগেন ডেকা, বীৰেন বৰা, বলেন ডেকা, ভানুপ্ৰভা শইকীয়া, বিপুল শইকীয়া আদিয়ে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়াই কেওটৰ সমস্যা সমাধানৰ বাবে সকলোকে সজাগ আৰু সচেতন হৈ কাম কৰি যাবলৈ আহ্বান জনায়। ইপিনে প্ৰতিনিধি সভাৰ পিছতেই কেন্দ্ৰীয় সমিতিৰ সম্পাদক উদ্ধৱ ডেকা আৰু সাংগঠনিক সম্পাদক যোগেন ডেকাৰ পৰ্যবেক্ষণত অনুষ্ঠিত বিষয় বাছনি সভাত যাদৱ ডেকাক সভাপতি, মুকুট দাসক কাৰ্যকৰী সভাপতি, কুলেন্দ্ৰ বড়া, হৰেশ্বৰ ডেকা, কণ্ঠ কুমাৰ দাসক উপ-সভাপতি, ধনদীপ বৰাক প্ৰধান সম্পাদক, হেমেন শইকীয়া, পৰেশ বৰুৱা, বলেন ডেকা, ৰাজীৱ তালুকদাৰক সম্পাদক, ভানুপ্ৰিয়া শইকীয়া, মহন্ত দাস, বিপুল শইকীয়া, প্ৰাঞ্জল দাস, ভৱানী ডেকাক সাংগঠনিক সম্পাদক, নিতু শইকীয়াক বিত্তীয় সম্পাদক আৰু মঞ্জু কুমাৰ তালুকদাৰক সাংস্কৃতিক সম্পাদক হিচাপে লৈ ওদালগুৰি জিলা কেওট জাতীয় পৰিষদৰ ৫১জনীয়া সমিতিখন গঠন কৰা হয়। উক্ত সাধাৰণ সভাতে আজি গঠন কৰা নৱ-নিৰ্বাচিত ওদালগুৰি জিলা কেওট জাতীয় পৰিষদৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাসকলে কাৰ্যভাৰ গ্ৰহণ কৰে। সমিতিখনে অসমৰ কেওটসকলৰ বাবে অনুসূচিত মৰ্যাদা প্ৰদান, কেওট উন্নয়ন পৰিষদ গঠন আদি বিভিন্ন দাবী পূৰণৰ বাবে সংগ্ৰাম কৰাৰ লগতে বিটিআৰ পৰিষদত কেওটসকলৰ বাবে আসন সংৰক্ষণ, কেওট উন্নয়ন পৰিষদ গঠন, কেন্দ্ৰীয় বাছনি ব'ৰ্ডত কেওটৰ প্ৰতিনিধি অন্তৰ্ভুক্তকৰণকে ধৰি বিভিন্ন দাবীৰে সংগ্ৰাম চলাই যাব বুলি নৱ-নিৰ্বাচিত সভাপতি, কাৰ্যকৰী সভাপতি আৰু প্ৰধান সম্পাদকে জানিবলৈ দিয়ে।

### কাকপথাৰৰ সাংবাদিক পৰাগ ভূএঞাৰ মৃত্যু

# বিহালী প্ৰেছ ক্লাব-বিশ্বনাথ জিলা বাৰ্তাজীৱী সংঘৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি-প্ৰতিবাদী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৬ নৱেম্বৰ ঃ** ১১ নৱেম্বৰত তিনিচুকীয়া কাকপথাৰৰ প্ৰতিদিন টাইমৰ সাংবাদিক পৰাগ ভূএঞাক দ্ৰুতবেগী বাহনে মহটিয়াই নি হত্যা কৰা সন্দৰ্ভত ৰাজ্যৰ সাংবাদিক সন্থা, সাংবাদিক সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰি অহাৰ সময়তে আজি বিহালী প্ৰেছ ক্লাব আৰু বিশ্বনাথ জিলা বাৰ্তাজীৱী সঙঘৰ যুটীয়া উদ্যোগত বেদেতী চেণ্টাৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। পৰাগ ভূএঞাৰ লগতে পৰিয়ালটিয়ে ন্যায় পোৱা 'পৰাগেই সাংবাদিকৰ শেষ মৃত্যু হওক' এই বিষয়ত বিহালী প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক দিগন্ত কুমাৰ দাসে আঁত ধৰা সভাত শিক্ষাবিদ, সাহিত্যিক প্ৰদীপ কুমাৰ শৰ্মা, বিশ্বনাথ জিলা বাৰ্তাজীৱী সঙঘৰ সভাপতি নগেন শইকীয়া, প্ৰতিমা পাণ্ডে বঁটাপ্ৰাপক, নাট্য শিল্পী বিনোদ খনাল, বিহালীৰ '(নৰ্থ-ইষ্ট) প্ৰকৃতি প্ৰেমী সংগঠনৰ উপ-সভাপতি জয় কুমাৰ সূতাৰ, প্ৰেছ ক্লাবৰ সভাপতি দীপক শৰ্মা, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ সভাপতি বাহাদুৰ কায়স্থ, বিহালী ক্ষুদ্ৰ চাহ সন্থাৰ সভাপতি ৰাতুল দাস আদিয়ে বক্তব্য প্ৰদান কৰে। ইয়াৰ পিছতে খগেন মটকে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভণি কৰে অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ লক্ষীকান্ত শৰ্মাই অংশ লয়। বেদেতী কবি চক্ৰৰ সম্পাদক চাও চন্দন বৰুৱা বেদেতীৰ স্বেচ্ছাসেৱী অনুষ্ঠান মৰ্ণিং ক্লাব, মধ্য বিহালী, পূব বিহালীৰ দক্ষিণ বিহালী শাখা সাহিত্য সভাৰ বিষয়ববীয়া, বেদেতীৰ বণিক সন্থা, ৰাংছালী আৰ্থ-সামাজিক উন্নয়ন সমিতিৰ সম্পাদক দিগন্ত দাস আদিয়ে। এই সভাত জ্যেষ্ঠ সাংবাদিক অম্লান কাশ্যপ সাহা, পলাশ প্ৰিয়ম আৰু জ্যেষ্ঠ সাংবাদিক বীৰেন্দ্ৰনাথ গোস্বামীয়ে অংশ লয়। পৰাগ ভূএঞাৰ লগতে পৰিয়ালটিয়ে ন্যায় পাওক, পৰাগ অমৰ হওক আদি শ্ল'গানেৰে সভাৰ সামৰণি মৰা হয়।

# সুতাৰপাৰাত এআইইউডিএফৰ সভাত পাঁচ শতাধিকৰ যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৬ নৱেম্বৰ ঃ** নিৰ্বাচনৰ দিন ক্ৰমাৎ চমু চাপি অহাৰ লগে লগে ৰাজ্যত আৰম্ভ হৈছে ৰাজনৈতিক কুচকাৱাজ। প্ৰতিটো ৰাজনৈতিক দলে ভোটাৰৰ মাজত নিজ দলৰ সাংগঠনিক দিশ মজবুত কৰাৰ লগতে দলীয় প্ৰাৰ্থীত্ব প্ৰত্যাশী সকলে নিজৰ নিজৰ প্ৰভাৱ বিস্তাৰ কৰা পৰিলক্ষিত হৈছে। গোৱালপাৰা জিলাৰ ৩৭নং পূব গোৱালপাৰা সমষ্টিতো এ আই ইউ ডি এফে দলীয় স্থিতি মজবুত কৰাত উঠি পৰি লগা পৰিলক্ষিত হৈছে। কংগ্ৰেছৰ দখলত থকা সমষ্টিটো পুনৰ এ আই ইউ ডি এফৰ দখললৈ আনিবলৈ কেন্দ্ৰীয় আৰু জিলা নেতৃত্বই চেষ্টা অব্যাহত ৰাখিছে। শনিবাৰে সমষ্টিটোৰ সুতাৰপাৰা বজাৰত দলৰ গোৱালপাৰা জিলা সমিতিৰ উদ্যোগত আৰু জিলা সমিতিৰ উপ-সভাপতি আবুল কালাম হুছেইনৰ তৎপৰতাত এখন বিশাল যোগদান সভা অনুষ্ঠিত হয়। গোৱালপাৰা জিলা সমিতিৰ সভাপতি ছফিউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাত এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আমিনুল ইছলামে উপস্থিত থাকি নিজৰ ভাষণত বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰে। অসমৰ মুছলমান জনগণৰ বিভিন্ন স্বাৰ্থ তথা অধিকাৰ অক্ষুণ্ণ ৰাখিবলৈ আগন্তুক নিৰ্বাচনত এ আই ইউ ডি এফক ভোট দিবলৈ আহ্বান জনায়। দলৰ কেন্দ্ৰীয় নেতাগৰাকীয়ে ৰাজ্যত সাংবাদিক নিগ্ৰহৰ ঘটনাক গৰিহণা দিয়াৰ লগতে পৰাগ ভূএঞাৰ হত্যাৰ চি বি আইৰ তদন্ত দাবী কৰিছে। সভাত জিলা সমিতিৰ উপ-সভাপতি আবুল কালাম হুছেইনে সমষ্টিটোৰ কংগ্ৰেছী বিধায়কজনে ৰাইজৰ কামৰ ক্ষেত্ৰত গুৰুত্ব নাই বুলি উল্লেখ কৰি সমষ্টিটো এ আই ইউ ডি এফ দলক এৰি দিলেহে সমষ্টিটো উদ্ধাৰৰ লগতে উন্নয়নৰ মুখ দেখা কথা ব্যক্ত কৰে। উক্ত সভাতেই কংগ্ৰেছ, অগপ, বিজেপি দল ত্যাগ কৰি পাঁচ শতাধিক পুৰুষ-মহিলাই এ আই ইউ ডি এফ দলত যোগদান কৰে। সভাত দলৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ইন্তাজ আলী, যুটীয়া সম্পাদক কাছেম মোল্লা, জিলা সমিতিৰ সাধাৰণ সম্পাদক জাকিৰ হুছেইন, মহিলা মৰ্চাৰ সভানেত্ৰী মফিদা আহমেদ, সাধাৰণ সম্পাদিকা মৰিয়ম নেছাৰ লগতে দলৰ বহু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। দলত যোগদান কৰাসকলক ফুলাম গামোচাৰে দলীয় নেতৃত্বই সম্বৰ্ধনা জনায়।

## বিলাসীপাৰাত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন




**দৈনন্দিন বাৰ্তাৰ সেৱা, বিলাসীপাৰা, ১৬ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমা তথ্য আৰু জনসংযোগ বিষয়া স্নিগ্ধাৰাণী দাসৰ উদ্যোগত আৰু লগতে বিলাসীপাৰা মহকুমা প্ৰশাসনৰ সহযোগত সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু সংবাদ মাধ্যমৰ ভূমিকা ওপৰত লক্ষ্য ৰাখি আজি বিলাসীপাৰা ডঃ বি আৰ অম্বেদকাৰ ভৱনত আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত উপস্থিত থাকে মুখ্য বক্তা তথা মুৰব্বী আৰু সহযোগী অধ্যাপক, চাপৰ ৰত্নপীঠ কলেজৰ ইংৰাজী বিভাগ শ্বেখ হেদায়েতুল্লাহ, বিলাসীপাৰা মহাবিদ্যালয়ৰ লাইব্ৰেৰীয়ান হৰিচৰণ দাস, বিশিষ্ট সাংবাদিক দয়াল পাল, বিশিষ্ট সাংবাদিক মছলেম উদ্দিন আদিকে ধৰি বিভিন্ন পৰ্যায়ৰ সাংবাদিক ৰাষ্ট্ৰীয় প্ৰেছ দিৱস অনুষ্ঠানটোত উপস্থিত থাকে।

## বকোত ৰাস মহোৎসৱৰ উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৬ নৱেম্বৰ ঃ** বিগত বছৰবোৰৰ দৰে এই বৰ্ষও কামৰূপ জিলাৰ বকোত বকো আঞ্চলিক ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত একৈছ সংখ্যক বৰ্ষৰ বাবে ৰাস মহোৎসৱ উদযাপনৰ প্ৰস্তুতি চলিছে। এই উপলক্ষে আজি অনুষ্ঠিত হয় সাধাৰণ সভা। বকো আঞ্চলিক ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ননীগোপাল ৰাভাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সাধাৰণ সভাৰ আঁত ধৰে সম্পাদক বিষ্ণু কলিতাই। সভাত সৰ্বসন্মতিক্ৰমে বকোত ৰাস মহোৎসৱ উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু আজিৰ পৰাই যাৱতীয় কাম-কাজ কৰিবলৈ সভাপতি-সম্পাদকক সভাই পৰামৰ্শ প্ৰদান কৰে। ইফালে সম্পাদকে সাজঘৰ আৰু মূৰ্তি নিৰ্মাণ কৰা কাৰিকৰৰ লগত যোগাযোগ কৰা হৈছে বুলি সন্ধিয়া পৰত জানিবলৈ দিয়ে।

## ৩০০ বছৰীয়া দুলীয়া গাঁও নামঘৰলৈ অসম দৰ্শন আঁচনিৰ অনুদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৬ নৱেম্বৰ ঃ** অসম দৰ্শন আঁচনিৰ যোগেদি ৩৭৭খন ধৰ্মানুষ্ঠানলৈ আৰ্থিক অনুদান অসম চৰকাৰে আগবঢ়াইছে। উক্ত আঁচনিত গোলাঘাট জিলাৰ ১৪টা অনুষ্ঠানলৈ এনে অনুদান আগবঢ়াইছে তাৰ ভিতৰত দেৰগাঁৱৰ ৩০০বছৰ গৰকা দুলীয়াগাঁও বৰনামঘৰো অন্যতম। ১৭১৮ চনতেই স্থাপিত হোৱা দুলীয়া গাঁও বৰনামঘৰে ইতিমধ্যেই অতিক্ৰম কৰিলে ৩০০ বছৰ। এই সময়ছোৱাত বহু লোকৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত দুলীয়া গাঁওখনে শিক্ষা, সাংস্কৃতিক আদি বিভিন্ন দিশত সমগ্ৰ মৌজাৰ লগতে গোলাঘাট জিলাখনতে এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। গাঁওখনৰ গাঁওবাসীৰ ভগৱানক উপাসনাৰ একমাত্ৰ স্থলী দুলীয়াগাঁও বৰনামঘৰ ভাগে অসম দৰ্শন আঁচনিৰ যোগেদি অনুদান পাবলৈ সক্ষম হোৱাত উৎফুল্ল হৈ পৰিছে গাঁওখনৰ সমূহ ৰাইজ। এই মহিমামণ্ডিত নামঘৰ ভাগৰ চৌপাশৰ ভিতৰত থকা বৃহৎ আকাৰ পুখুৰীটোত মাছ, কাছৰ সংৰক্ষণ কৰাৰ লগতে, ওচৰৰে থকা দুজোপা গছত কেইবাটাও বৰটোকোলা চৰাই বাসস্থানৰ উপযোগী কৰি তুলি পক্ষী প্ৰেমৰো অনন্য নিদৰ্শন দাঙি ধৰিছে। আজি সংবাদ মাধ্যমৰ যোগেদি দুলীয়া গাঁও কৰ্ম পৰিষদৰ সাধাৰণ সম্পাদক মনজিৎ বৰা, দুলীয়া গাঁও উন্নয়ন সমিতিৰ সম্পাদক ৰূপজ্যোতি বৰা, কৰ্ম পৰিষদৰ সহকাৰী সম্পাদক পংকজজ্যোতি বৰাকে প্ৰমুখে বিষয়ববীয়া তথা গাঁৱৰ ৰাইজে অসম চৰকাৰক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰে।

## টিএমপিকেৰ সভাপতিসহ ১৪জনৰ অগপত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৬ নৱেম্বৰ ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অসম গণ পৰিষদ দলৰ সভাপতি তথা বোকাখাত সমষ্টিৰ বিধায়ক অতুল বৰাৰ সবল নেতৃত্বৰ প্ৰতি আকৃষ্ট হৈ সমষ্টিটোৰ ভিন্ন প্ৰান্তৰ লোকে অসম গণ পৰিষদ দলত যোগদান কৰাৰ উজান উঠা দেখা গৈছে। কালি অসম গণ পৰিষদৰ সভাপতি তথা বিধায়ক অতুল বৰাৰ বাসগৃহত উত্তৰ মহুৰা মিছিং ছাত্ৰ সংগঠনৰ সভাপতি শংকৰজ্যোতি মৰাঙৰ নেতৃত্বত এদল মিছিং সংগঠনৰ সদস্যই অতুল বৰাৰ বাসগৃহত অসম গণ পৰিষদ দলত যোগদান কৰে। এই যোগদানৰ সময়ত দলটোৰ বোকাখাত বিধান পৰিষদৰ সভাপতি জগত কলিতা, সম্পাদক উৎপল বৰদলৈ, উত্তৰ মহুৰা আঞ্চলিক সমিতিৰ উপ-সভাপতি ধীৰেন লইঙকে ধৰি ভালেসংখ্যক অগপৰ কৰ্মী উপস্থিত আছিল। মিছিং ছাত্ৰ সংগঠনৰ কৰ্মীবৃন্দক অগপৰ কৰ্মীসকলে বিপুল আদৰণি জনায়।

## ৰহাত কণ্ঠশিল্পী পিনাদেৱৰ কণ্ঠত 'সোণচেং' শীৰ্ষক অডিঅ' মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৬ নৱেম্বৰ ঃ** ৰহাৰ উদীয়মান কণ্ঠশিল্পী পিনাদেৱ ৰাগৰ 'সোণচেং' শীৰ্ষক এটি অডিঅ' এলবাম শ্ৰোতাৰ বাবে আজি মুকলি কৰা হয়। দেৱৰাজৰ কথা-সুৰ আৰু জিমজিতৰ সংগীত তথা পিনাদেৱ ৰাগৰ কণ্ঠৰ 'সোণচেং' শীৰ্ষক অডিঅ'টো ৰহাৰ সৰাগাঁৱত মুকলি কৰা হয়। উল্লেখ্য ৰহাৰ উদীয়মান কণ্ঠশিল্পী পিনাদেৱ ৰাগৰ ইতিমধ্যে মুক্তি পোৱা কেইবাটাও অডিঅ'-ভিডিঅ' এলবামে শ্ৰোতা দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। খেতি কৰি পেট প্ৰৱৰ্তোৱা ৰহাৰ সৰাগাঁওৰ প্ৰয়াত চন্তসিং ডেকা আৰু হীৰেমাই দেৱীৰ কনিষ্ঠ পুত্ৰ পিনাদেৱ ৰাগে শৈশৱৰ পৰাই বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত গীত পৰিৱেশন কৰি স্থানীয় ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হয়। পিতৃৰ আৰ্থিক দুৰৱস্থাৰ বাবে জ্যেষ্ঠ ভগ্নীৰ আশ্ৰয়ত উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হৈ শিক্ষা সমাপ্ত কৰে যদিও অদম্য মনোবলৰ অধিকাৰী পিনাদেৱ ৰাগে নিজ প্ৰচেষ্টাত নগাঁৱৰ গীতামণি শৰ্মাৰ ওচৰত সংগীতৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে আৰু ২০১২বৰ্ষত প্ৰথমটো অডিঅ' এলবাম 'মৰমৰ লগৰী' ৰাইজৰ মাজলৈ আগবঢ়াই দিয়ে। পি আৰ প্ৰডাকশ্বনৰ বেনাৰত বজাৰত মুকলি কৰা অডিঅ' এলবামটোত পিনাদেৱে সুৰ দিয়া আৰু লিখা এটি গীতত কণ্ঠদান কৰে জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ ভৰেশে। আৰ্থিকভাৱে পিছপৰা এটি পৰিয়ালৰ সন্তান পিনাদেৱ ৰাগে জীৱিকাৰ স্বাৰ্থত বিদ্যুৎ বিভাগৰ জাগীৰোড উপ-সংমণ্ডলত ঠিকাভিত্তিক এটি কামত জড়িত হ'ব লগা হয় যদিও সংগীতৰ সাধনা অব্যাহত ৰাখি ২০১৬বৰ্ষত পি আৰ প্ৰডাকশ্বনৰ বেনাৰত 'দেহাজান' নামৰ আন এটি অডিঅ' এলবাম মুকলি কৰে আৰু এলবামটোৰ সংগীত পৰিচালনা কৰিছিল কুমাৰ ভৰেশে। এলবামটোৰ জৰিয়তে ৰাইজৰ মাজত জনপ্ৰিয় হৈ পৰা পিনাদেৱ ৰাগে ২০১৭বৰ্ষত পি আৰ প্ৰডাকশ্বনৰে বেনাৰত 'পানচৈ' নামৰ আন এটি অডিঅ' এলবাম মুকলি কৰে। উল্লেখ্য এলবামটোত যুৱ-প্ৰজন্মৰ হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ লগত পিনাদেৱে কণ্ঠদান কৰা 'ব'হাগতে পাতিম বিয়া' শীৰ্ষক গীতটিয়ে জনপ্ৰিয়তা বুটলিবলৈ সক্ষম হয়। শেহতীয়াকৈ ব'হাগ বিহুৰ মঞ্চৰ লগতে অনান্য অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তত কেইবাবছৰমান গীত পৰিৱেশনেৰে নিজৰ এক সুকীয়া পৰিচয় গঢ়িবলৈ সক্ষম হোৱা পিনাদেৱ ৰাগে ২০১৯বৰ্ষত চেনিমাই -Vol-2 নামেৰে আন এটি অডিঅ' এলবাম বজাৰত মুকলি কৰি সাংস্কৃতিক জগতখনত সবল খোজ পেলাবলৈ সক্ষম হোৱা পিনাদেৱে আজি শ্ৰোতাৰ বাবে আগবঢ়োৱা 'সোণচেং' শীৰ্ষক অডিঅ'টো ৰাইজে আদৰি ল'ব বুলি আশাবাদী বুলি মন্তব্য কৰে।

# মাজুলীৰ প্ৰসিদ্ধ গড়মূৰ সত্ৰত পালনাম আৰম্ভ

### দূৰ দূৰণিৰ অসংখ্য ভক্তই ল'লে সেৱা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৬ নৱেম্বৰ ঃ** মাজুলীৰ প্ৰসিদ্ধ শ্ৰীশ্ৰীগড়মূৰ সত্ৰত পৰম্পৰাগতভাৱে আজি পুৱাৰ পৰা আৰম্ভ হোৱা অহোৰাত্ৰ পালনামৰ পুৱতি নিশা সামৰণি পৰিব। শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ পালনামৰ সামৰণিৰ পিছদিনা গড়মূৰ সত্ৰত এই আধ্যাত্মিক পালনাম প্ৰতি বৰ্ষতে আড়ম্বৰতাৰে উদ্‌যাপন কৰা হয়। আজি পুৱা আইসকলৰ নামেৰে অহোৰাত্ৰ পালনামৰ আৰম্ভ হয়। তাৰ পিছতে পুৱা নিত্য-নৈমিত্তিক নাম-প্ৰসংগ আৰু দিনৰ এক বজাৰ পৰা পালনাম আৰম্ভ হয়। নামঘৰত বৰনাম লগোৱাৰ পৰিচালনাত দুটা শাৰীত মুখামুখিকৈ বহি বৈষ্ণৱে এফালে কীৰ্তন আৰু আনফালে ঘোষা অবিৰতভাৱে পাঠ কৰা হয় । দুটা খণ্ডৰ নাম বিয়লি সামৰণি পৰে। পুনৰ দ্বিতীয় খণ্ডৰ নাম ৰাতি আঠ বজাৰ পৰা আৰম্ভ হৈ পুৱা ৪-৩০মান বজাত সামৰণি পৰিব। আজি পুৱাৰ পৰাই আধ্যাত্মিক অনুষ্ঠান ভাগিত সেৱা ল'বলৈ মাজুলীৰ লগতে মাজুলীৰ বাহিৰৰ শিষ্য-প্ৰশিষ্য, ভক্তপ্ৰাণ ৰাইজ আহি এগছি বন্তি, ধূপ, লোণ, অৰিহণা দি মনৰ অভীষ্ট সিদ্ধিৰ বাবে নামত সেৱা কৰে। অৱশ্যে ক'ভিড অতিমাৰীৰ বাবে দূৰ-দূৰণিৰ ভক্তৰ সমাগম কিছু সেৰেঙা দেখা যায়। পুৱা নাম সামৰণিৰ পূৰ্বে সত্ৰাধিকাৰসহ সত্ৰৰ বৰপূজাৰী, বিষয়ববীয়াই নামঘৰ সাতবাৰ প্ৰদক্ষিণ কৰে আৰু তাৰ পিছতে সত্ৰাধিকাৰে নামত শৰাই দি সেৱা লয়। বৰ আশীৰ্বদীয়াই প্ৰয়াত সত্ৰাধিকাৰ, বৰ্তমানৰ সত্ৰাধিকাৰ, শিষ্য-প্ৰশিষ্য তথা বিশ্ববাসীৰ মংগলৰ বাবে আশীৰ্বাদ প্ৰদান কৰাৰ সময়ত হৰিধ্বনিৰ মাজত ডবা, তাল আৰু উৰুলি ধ্বনিৰ সময়খিনিত আধ্যাত্মিকতাত ডুব যায় সমস্ত ভক্তিপ্ৰাণ ৰাইজ। তাৰ পিছতে প্ৰসাদ বিতৰণেৰে অহোৰাত্ৰ পালনামৰ সামৰণি পৰে।

## বোকাখাতত প্ৰেছ দিৱসৰ কাৰ্যসূচীত দুই প্ৰবীণ সাংবাদিকক সম্বৰ্ধনা

# ১৯৯২ চনৰ পৰা ২০১৮লৈ ভাৰতত ২৬জন সাংবাদিকক হত্যা কৰা হৈছিল ঃ জিতু শৰ্মা ৰাজখোৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৬ নৱেম্বৰ ঃ** 'সাংবাদিক হত্যা আৰু নিৰ্যাতন যেন উৎসৱলৈ পৰ্যবসিত হৈছে। ২০১০ বৰ্ষৰ পৰা ২০১৯ বৰ্ষলৈকে বিশ্বত ৪৫১জন সাংবাদিক দুষ্কৃতিকাৰী অথবা চৰকাৰী ষড়যন্ত্ৰৰ বলি হৈছে। ১৯৮৭ চনৰ পৰা ২০১২লৈ হত্যা কৰা হৈছিল ২৩গৰাকী সম্পাদকক, ১৯৯২ চনৰ পৰা ২০১৮লৈ ভাৰতত ২৬জন সাংবাদিকক হত্যা কৰা হৈছিল। ১৯১৪ চনৰ পৰা ২০১৯ চনলৈ হত্যা কৰা হৈছিল ৪০ জন ভাৰতীয় সাংবাদিকক। ১৯৮৭ চনৰ পৰা আজিলৈকে অসমত ২৯জন সাংবাদিকক হত্যা কৰা হ'ল'। এই তথ্য সদৰী কৰিছে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই ১৬ নৱেম্বৰত বোকাখাতত। বোকাখাত মহকুমা প্ৰশাসনৰ উদ্যোগত মহকুমা সাংবাদিক সংস্থা, কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থা, বোকাখাত প্ৰেছ ক্লাব, ইমজা বোকাখাত, কমাৰগাঁও প্ৰেছ ক্লাব, কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থা আৰু নুমলীগড় প্ৰেছ ক্লাবৰ সহযোগত বোকাখাত মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীৰ উদ্বোধনী ভাষণত সভাপতিগৰাকীয়ে এই তথ্য সদৰী কৰে। মহকুমাধিপতি বিপুল দাসৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি বোকাখাত জে ডি এছ জি মহাবিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত গগৈয়ে 'মহামাৰী ক'ভিড-১৯ৰ সময়ছোৱাত সংবাদ মাধ্যমৰ ভূমিকা আৰু সংবাদ মাধ্যমত ইয়াৰ প্ৰভাৱ' শীৰ্ষক আলোচনা চক্ৰত বক্তব্য প্ৰদান কৰি কয় যে কভিড ১৯ মহামাৰী সন্দৰ্ভত ভাৰতৰ প্ৰথমটো বাতৰি প্ৰচাৰ হৈছিল যোৱা চাৰি জানুৱাৰীত। চীন দেশৰ ইউহান প্ৰদেশত আৰম্ভ হোৱা ক'ভিড-১৯ৰ বিষয়ে চীনে তথ্য লুকুৱাইছিল। ভাৰত তথা অসমৰ মাধ্যমযোগে ক'ভিড-১৯ নিয়ন্ত্ৰণত প্ৰভূত সেৱা আগবঢ়াইছিল। জ্যেষ্ঠ সাংবাদিক ক্ৰমে বুবুল দত্ত, হেমেন হাজৰিকা, বাবুলাল ম'ৰ, স্বপন নাথ, দেবাশিস বৰুৱাৰ লগতে সাংবাদিক ৰোমান বৰুৱা, বঞ্জিত ৰজক, ধ্ৰুৱজ্যোতি সাহায়ো বক্তব্য প্ৰদান কৰে। শলাগ জ্ঞাপন কৰে মহকুমা তথ্য আৰু জনসংযোগ বিষয়া মামন বৰকটকীয়ে। ইফালে আজি অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সিদ্ধান্ত অনুসৰি বোকাখাত মহকুমা সাংবাদিক সংস্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, সম্পাদক নীলু আচাৰ্য, জ্যেষ্ঠ সাংবাদিকদ্বয় হেমেন হাজৰিকা আৰু বুবুল দত্ত, সাংবাদিক অমৰ শৰ্মা, প্ৰদ্যুত মহন্ত, বীণা কটকী, প্ৰদীপ হাজৰিকাই প্ৰবীণ সাংবাদিক ৰাতুল বৰুৱা আৰু সুময় পুৰকায়স্থক নিজা গৃহতে একোটিকৈ গড়ৰ স্মাৰক আৰু একোখনকৈ ফুলাম গামোচাৰ লগতে সম্বৰ্ধনা-পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

## সাংবাদিক অত্যাচাৰ তীব্ৰ গৰিহণা মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বহা, ১৬ নৱেম্বৰ ঃ** গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ কাণ্ডাৰী স্বৰূপ সাংবাদিকসকলৰ এগৰাকী প্ৰতিদিনৰ জ্যেষ্ঠ, নিৰ্ভীক সাংবাদিক কাকপথাৰৰ পৰাগ ভূএঞাৰ দুষ্কৃতিকাৰীৰ চক্ৰান্ত, ষড়যন্ত্ৰৰ বলি হ'ল। পৰাগ ভূএঞাৰ মৃত্যুৰ ঘটনাৰ কেইদিনমানৰ পাছতে একে গোষ্ঠীৰ মিৰ্জাৰ সংবাদদাতা মিলন মহন্তক মাফিয়া দালালে দিন-দুপৰতে বৰ্বৰভাৱে অত্যাচাৰ কৰিছে। এনেদৰে মুক্তহস্তা, গুণ্ডহস্তাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সাংবাদিকৰ ওপৰত চলা কাৰ্যক গৰিহণা, ধিক্কাৰ জনাইছে মানৱ অধিকাৰ সংগ্ৰাম সমিতি মাছে। মাছৰ কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত প্ৰধান সচিব লক্ষ্মী প্ৰসাদ ডেকাই কাকতলৈ দিয়া এটা প্ৰেছ টোকাত প্ৰধান সচিবগৰাকীয়ে আৰু উল্লেখ কৰে, অসমত নিতৌ সংঘটিত হ'ব ধৰা এনে ধৰণৰ ঘটনাই অসম চৰকাৰৰ জনসাধাৰণক নিৰাপত্তা দিয়াত ব্যৰ্থতাকে সূচাইছে। সাংবাদিকৰ ওপৰত চলা এই কাৰ্যক মানৱ অধিকাৰ সংগ্ৰাম সমিতি মাছে তীব্ৰ ভাষাৰে গৰিহণা দিয়া লগতে উচিত তদন্ত কৰি দোষীক দৃষ্টান্তমূলক শাস্তি বিহিবলৈ দাবী জনাইছে, লগতে পৰাগ ভূএঞাৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ দিবলৈকো দাবী জনাইছে।

### সাংবাদিকৰ নিৰাপত্তা প্ৰদানত ব্যৰ্থ চৰকাৰ

## সাংবাদিক মিলন মহন্তক আক্ৰমণৰ গৰিহণা আইৰাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৬ নৱেম্বৰ ঃ** ভাৰতবৰ্ষৰ সৰ্ববৃহৎ সাংবাদিক সংগঠন অল ইণ্ডিয়ান ৰিপোৰ্টাৰ্চ এছোচিয়েচন চমুকৈ আইৰাৰ অসম ৰাজ্যিক সমিতিয়ে এইখন বিজেপি চৰকাৰৰ শাসনত ৰাজ্যত সঘনাই হৈ থকা সাংবাদিক আক্ৰমণক কঠোৰ ভাষাৰে সমালোচনা কৰে । কালি ৰবিবাৰে দক্ষিণ কামৰূপৰ মিৰ্জাৰ অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক মিলন মহন্তক এদল দুৰ্বৃত্তই ও জুৱাৰীয়ে আক্ৰমণ কৰি ৰাজহুৱা স্থানত অপদস্থ কৰা কাৰ্য্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে আইৰাৰ অসম ৰাজ্যিক সমিতিয়ে । জুৱা, অবৈধ খনন আদি দুৰ্নীতিৰ বিষয়ে বাতৰি পৰিৱেশন কৰি থকাৰ বাবেই সাংবাদিক মিলন মহন্তই তেনেদৰে ৰাজহুৱা স্থানত জুৱাৰী আৰু ভুমাফিয়াৰ দ্বাৰা অপদস্থ হবলগীয়া হোৱাত জাঙুৰ খাই উঠিছে আইৰাৰ অসম ৰাজ্যিক সমিতি। চৰকাৰৰ গৃহ বিভাগৰ দুৰ্বলতাৰ বাবে দুৰ্নীতিগ্ৰস্ত ব্যক্তি, ভুমাফিয়া, জুৱাৰী আদিয়ে তেনেদৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ ৰূপে পৰিগণিত সংবাদ মাধ্যম ও সাংবাদিকৰ ওপৰত অত্যাচাৰ কৰিবলৈ সাহস পাইছে বুলি আইৰাৰ ৰাজ্যিক সভাপতি কিৰণ কুমাৰ গগৈয়ে মন্তব্য কৰি শীঘ্ৰেই গৃহ বিভাগক এইসকল সাংবাদিক অপদস্থকাৰীৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী তুলিছে আৰু গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম সাংবাদিকৰ ওপৰত হৈ থকা আক্ৰমণ ৰোধ কৰিব নোৱাৰাটো এই চৰকাৰৰ দুৰ্বলতা বুলি অভিহিত কৰি চৰকাৰক ধিক্কাৰ প্ৰদান কৰিছে। আনহাতে ৰাজ্যিক সাধাৰণ সম্পাদক পঙ্কজ নাথে এইখন বিজেপি চৰকাৰে সাংবাদিকক নিৰাপত্তা প্ৰদানত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি উল্লেখ কৰি দুৰ্বৃত্তই সাংবাদিক মিলন মহন্তক আক্ৰমণ কৰা কাৰ্য্যক তীব্ৰ ভাষাৰে গৰিহণা দি শীঘ্ৰেই সেইসকলক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। ইয়াৰ লগতে কেইদিনমান আগতে তিনিচুকীয়াৰ কাকপথাৰৰ প্ৰতিদিন টাইমৰ সাংবাদিক প্ৰয়াত পৰাগ ভূএঞাৰ ৰহস্যজনক মৃত্যুৰ উচিত আৰু সঠিক তদন্ত কৰি দোষীক কঠোৰতম শাস্তি প্ৰদান কৰাৰ বাবে দাবী জনাই পৰাগ ভূএঞাৰ ৰহস্যময় মৃত্যুৰ ঘটনা চিবিআইৰ দ্বাৰা তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ও অসম চৰকাৰৰ ওচৰত সজোৰে দাবী উত্থাপন কৰিছে।



## বৰপেটাত প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৬ নৱেম্বৰ ঃ** জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত জিলা প্ৰশাসনৰ উদ্যোগত আজি বৰপেটাত পালন কৰা হয় ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। সেই উপলক্ষে জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত" সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ৰ প্ৰভাৱ আৰু সংবাদ মাধ্যমৰ ভূমিকা" শীৰ্ষক আলোচনাত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা প্ৰাক্তন সাংবাদিক বাবুল চন্দ্ৰ দাসে মুখ্য বক্তা হিচাপে উপস্থিত থাকে কয়-" কৰোণা মহামাৰী প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত সাংবাদিক-চিকিৎসকসকল প্ৰথম শাৰীৰ যোদ্ধা। ক'ৰোনাৰ সময়ত আনকি বহু ক্ষেত্ৰত চিকিৎসকতকৈও অধিক ভূমিকা পালন কৰি আহিছে সাংবাদিকসকলে। সাংবাদিক সকল অকল গণতন্ত্ৰৰেই চতুৰ্থ স্তম্ভই নহয় সমাজৰো স্তম্ভ, সমাজৰ এগৰাকী দ্বায়িত্বশীল ব্যক্তি। এগৰাকী সাংবাদিকৰ ৰাজনীতি সন্দৰ্ভত জ্ঞান থকাটো প্ৰয়োজন কিন্তু সেই সাংবাদিকজনে ৰাজনীতিকৰ দৰে চাল চলন, কথা বতৰা সংবাদ মাধ্যমৰ জৰিয়তে কোৱাতো অনুচিত। এইয়া দেশৰ গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহয়। কাৰণ সংবাদ মাধ্যমৰ ওপৰতেই নিৰ্ভৰ কৰে দেশৰ খবৰ। জনতাই সংবাদ মাধ্যমে কোৱা কথাবোৰ বিশ্বাস কৰে"। এই অনুষ্ঠানতে জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই উপস্থিত থাকি ক'ৰোনা ভাইৰাছ সংক্ৰমণৰ সময়ত সাংবাদিক সকলে পালন কৰি অহা ভূমিকাৰ সলাগ লয়। এই ক্ষেত্ৰত সাংবাদিকসকলে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি বাতৰি সংগ্ৰহেৰে কৰোনা ভাইৰাছ সন্দৰ্ভত ৰাইজক সজাগ কৰাৰ বাবে সাংবাদিক সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰি সকলো সাংবাদিকে ভূয়সী প্ৰশংসা কৰে। উপায়ুক্ত গৰাকীয়ে সাংবাদিক সকলে ইতিবাচক দৃষ্টিভংগীৰে সমাজৰ বাতৰি পৰিৱেশন কৰিলে সমাজৰ হিত সাধন হয় বুলিও ভাষণত কয় । বাতৰিৰ ওপৰত সমাজৰ সকলোলোকৰ দৃষ্টি থাকে হেতুকে সচা বাতৰি পৰিৱেশন কৰিলে ৰাইজ উপকৃত হয়। দেশখন আগুৱাই যোৱাত সহায়ক হয় বুলিও কয় উপায়ুক্ত গৰাকীয়ে। এই অনুষ্ঠানতে কেইবাগৰাকী সাংবাদিকে সাংবাদিকৰ সুৰক্ষা, দ্বায়িত্ব আৰু কৰ্তব্য বিষয়ক বহু গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে ।"আজু"ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক নকুল তালুকদাৰে ভাষণত সাংবাদিকক মাহিলী পাৰিতোষিক দিয়াৰ লগতে সাংবাদিকৰ জীৱন সুৰক্ষিত হব পৰাকৈ আইন প্ৰণয়ন কৰাৰ বাবে চৰকাৰলৈ দাবী জনায়। এই অনুষ্ঠানতে উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই বৰপেটাৰ প্ৰবীন সাংবাদিক সুনীল কুমাৰ দাসক বিশেষ সম্বৰ্ধনা জনায়। সাংবাদিকৰ বাক স্বাধীনতা ৰক্ষাৰ ক্ষেত্ৰত আইন প্ৰণয়ন কৰাৰ বাবে সাংবাদিক সুনীল কুমাৰে চৰকাৰৰ ওচৰত আহ্বান জনায়। অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ সাংবাদিক উপস্থিত থাকে।

## বিশ্বনাথত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা বিশ্বনাথ চাৰিআলি, ১৬ নৱেম্বৰ ঃ** বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগ আৰু বিশ্বনাথ মহকুমা তথ্য আৰু জনসংযোগ বিভাগ তথা বিশ্বনাথ চাৰিআলি প্ৰেছ ক্লাৱৰ সহযোগত আজি বিশ্বনাথ চাৰিআলি পৌৰহভাৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। আজিৰ এই অনুষ্ঠানৰ মুখ্য অতিথি হিচাবে অংশ গ্ৰহণ কৰি বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ সাংবাদিক ইন্দ্ৰ প্ৰসাদ শ ইকীয়াই "সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভূমিকা" শীৰ্ষক বিষয়ৰ ওপৰত বিস্তৃত বক্তব্য আগবঢ়াই বিশ্বব্যাপী মহামাৰী ক'ভিড-১৯ক পৰাস্ত কৰিবলৈ স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা মানি চলাৰ প্ৰয়োজনীতাৰ বিষয়ে উল্লেখ কৰে। সাংবাদিকৰ দায়িত্ব পালনৰ কৰি কৰ্তব্যত নিয়োজিত সাংবাদিক সকলৰ সুৰক্ষাৰ বিষয়ে ইন্দ্ৰ প্ৰসাদ শ ইকীয়াই ভাষণ প্ৰসংগত উল্লেখ কৰে । ৰাষ্ট্ৰীয় প্ৰেছ দিৱস অনুষ্ঠানত অংশ গ্ৰহণ কৰি বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিশ্বনাথৰ জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, আৰক্ষী অধীক্ষক ৰাজেন সিং, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ত্ৰিলিনা টাইড, বিশ্বনাথ চাৰিআলি প্ৰেছ ক্লাৱৰ সম্পাদক বসন্ত বৰা, সাংবাদিক ৰাতুল ভূএঞা, আমিৰ খান, পুলক হাজৰিকাই বক্তব্য আগবঢ়ায়। সাংবাদিক সকলৰ কৰ্তব্য নিষ্ঠাৰ প্ৰতি সন্মান জনাই সাংবাদিক সকলক আজিৰ এই বিশ্বনাথ জিলা প্ৰশাসনে অভিনন্দন জনায়।

# উজনি-নামনিত বিভিন্ন কাৰ্যসূচীৰে প্ৰেছ দিৱস

## 'সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু সংবাদ মাধ্যমৰ ভূমিকা' বিষয়ত আলোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ১৬ নৱেম্বৰ ঃ** চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত তথা জনসংযোগ বিভাগ আৰু জিলা সংবাদকৰ্মীসকলৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। চৰাইদেউ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই দিৱসৰ কাৰ্যসূচী অনুসৰি প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াই নিৰ্ধাৰণ কৰা বিষয়ৰ ওপৰত আলোচনা অনুষ্ঠিত হয়। সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ আৰু সংবাদ মাধ্যমৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰা হয় সভাখনত। চৰাইদেউ জিলাৰ অতিৰিক্ত উপায়ুক্ত জিতু কুমাৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত চৰাইদেউ জিলাৰ অতিৰিক্ত মুখ্য স্বাস্থ্য বিষয়া ডাঃ অমৃত শইকীয়া, চৰাইদেউ মহকুমা স্বাস্থ্য বিষয়া (সদৰ) ডাঃ নৃপেন বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকে। চৰাইদেউ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃনাল ডেকা, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ চৰাইদেউ জিলা প্ৰগ্ৰাম মেনেজাৰ অভিজিত শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানত সোণাৰি প্ৰেছ ক্লাব, চৰাইদেউ প্ৰেছ গীল্ড, বৰহাট প্ৰেছ ক্লাব, মাহমৰা প্ৰেছ ক্লাবৰ লগতে জিলাখনৰ সংবাদকৰ্মীসকলক সম্বৰ্ধনা জনাই চৰাইদেউ জিলা প্ৰশাসনৰ তৰফৰ পৰা। চৰাইদেউৰ তথ্য আৰু জনসংযোগ বিষয়া জয়ন্ত মাউতে আঁত ধৰা অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নাৰায়ণ দে', সঞ্জীৱ গগৈ, সোণাৰি প্ৰেছ ক্লাবৰ সভাপতি আলিম আহমেদ, প্ৰাক্তন সভাপতি মৃত্যুঞ্জয় দাস, সম্পাদক হানচেং কোঁৱৰ, চৰাইদেউ প্ৰেছ গীল্ডৰ সম্পাদক অৰূপ দিহিঙ্গীয়া, বৰহাট প্ৰেছ ক্লাবৰ সভাপতি ভাস্কৰ ভাজনী, মাহমৰা প্ৰেছ ক্লাবৰ সভাপতি সঞ্জয় নেৱাৰে ক'ভিড ১৯ৰ পৰিপ্ৰেক্ষিতত ঘোষণা কৰা লক ডাউনৰ সময়ছোৱাত সন্মুখীন হোৱা পৰিস্থিতিৰ বৰ্ণনা তথা ক'ভিড১৯ৰ প্ৰভাৱৰ বিষয়ে মতামত আগবঢ়ায়। আনহাতে, সমল ব্যক্তি হিচাপে উপস্থিত থকা চৰাইদেউ জিলাৰ অতিৰিক্ত মুখ্য স্বাস্থ্য বিষয়া ডাঃ অমৃত শইকীয়াই এই সময়ছোৱাত সন্মুখীন হোৱা পৰিস্থিতিৰ বৰ্ণনা কৰা লগতে কয়— 'সংবাদ মাধ্যমত ক'ভিড১৯ মহামাৰীৰ প্ৰাদুৰ্ভাৱ সন্দৰ্ভত প্ৰচাৰিত বাতৰিৰ বাবেই জনসাধাৰণ বহুখিনি সজাগ হ'ল। কিন্তু সামাজিক মাধ্যমত প্ৰচাৰিত কিছুমান উৱা বাতৰিয়ে সমাজত কিছু বিৰূপ প্ৰভাৱ পেলাইছিল যদিও সংবাদ মাধ্যমে গ্ৰহণ কৰা সক্ৰিয় ভূমিকাৰ বাবেই ৰাইজ সজাগ হয় আৰু ৰাজ্যৰ পৰিস্থিতি শোচনীয় হোৱাৰ পৰা ৰক্ষা পৰে"। আনহাতে, চৰাইদেউ মহকুমা স্বাস্থ্য বিষয়া ডাঃ নৃপেন বৰুৱাই কয়— "লক ডাউনৰ সময়ছোৱাত সংবাদ মাধ্যমে স্বাস্থ্য বিভাগক যথেষ্টখিনি সহযোগিতা আগবঢ়াইছে। যাৰ ফলত সংবাদ মাধ্যমৰ প্ৰভাৱতেই জনসাধাৰণ বহুখিনি সজাগ হোৱাত ক'ভিড মহামাৰী অধিক বিয়পাৰ পৰাৰ পৰা ৰক্ষা পৰে"।

## গহপুৰত ব্যতিক্ৰমী ৰূপত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা , গহপুৰ, বিহালী, বিশ্বনাথ চাৰিআলি, ১৬ নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে বিশ্বনাথ জিলা বিভিন্ন স্থানত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা লগতে আন বছৰ দৰে এই বছৰো গহপুৰৰ সাংবাদিকসকলে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসটি ব্যতিক্ৰম ৰূপত উদযাপন কৰে । ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি গহপুৰৰ কেইগৰাকী মান সাংবাদিকে বিগত বৰ্ষৰে পৰা গ্ৰহণ কৰি আহিছে ব্যতিক্ৰমী পদক্ষেপ। পৰিৱেশ সংৰক্ষণৰ বাৰ্তাৰে গহপুৰৰ একাংশ সাংবাদিকে ২০১৯ বৰ্ষৰে পৰা ৰাষ্ট্ৰীয় প্ৰেছ দিৱস দিনটোত গছপুলি ৰোপণেৰে দিৱসটো পালন কৰিছে। গহপুৰ ডুবিয়া বড়িগাঁৱৰ 'আমাৰ বনানী' নামৰ প্ৰকৃতি সংগঠনৰ গছ বিহু বাকৰিত প্ৰেছ দিৱসৰ দিনটোত গছপুলি ৰোপণ কৰি ৰাইজক পৰিৱেশ সংৰক্ষণৰ বাৰ্তা প্ৰেৰণৰ প্ৰেচেষ্টা চলাইছে সাংবাদিকৰ দলটোৱে। উল্লেখ্য যে সাংবাদিকসকলে প্ৰেছ দিৱসৰ দিনটোত এইদৰে গছ পুলি ৰোপণ কৰা কাৰ্যত বিশেষভাৱে সহযোগিতা আগবঢ়াইছে প্ৰকৃতি সংগঠন 'আমাৰ বনানী'ৰ সঞ্চালক তথা বৃক্ষ মানৱ হিচাপে পৰিচিত বকুল গগৈ লগতে গহপুৰৰ সংবাদ কৰ্মীসকলে ।

## তেজপুৰতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা , তেজপুৰ, ১৬ নৱেম্বৰ ঃ** আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস । শোণিতপুৰ জিলা প্ৰশাসন আৰু জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত তেজপুৰৰ জিলা পুথিভঁৰালত আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয় । শোণিতপুৰ জিলা উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে আদৰণী ভাষণ দিয়াৰ লগতে "সংবাদিক মাধ্যমৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ প্ৰভাৱ" শীৰ্ষক বিষয়ত আলোচনা আগবাঢ় তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ডঃ অভিজিৎ বৰাই । অনুষ্ঠানটিত তেজপুৰৰ সাংবাদিক সকল উপস্থিত থাকে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ পবিত্ৰ ক্ষণত নিৰপেক্ষ ভাৱে সংবাদ সেৱা আগবঢ়াই অহা প্ৰতিজন জ্যেষ্ঠ আৰু সতীৰ্থ নিৰপেক্ষ দৃষ্টিভংগী আগবাঢ়ি যাবলৈ আহ্বান জনায়।

## বঙাইগাঁৱত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন




**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৬ নৱেম্বৰ ঃ** সমগ্ৰ দেশ তথা ৰাজ্যখনৰ লগতে আজি বঙাইগাঁৱতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। বঙাইগাঁও অঞ্চলৰ সাংবাদিকসকলৰ অনুষ্ঠান বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত উদযাপন কৰা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ পতাকা উত্তোলন কৰে প্ৰেছ ক্লাবৰ সভাপতি সুজিৎ কুমাৰ ৰায়ে । ইয়াৰ পিচতে স্মৃতি তৰ্পণ কৰে প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি তেজেশ ত্ৰিপাঠীয়ে। অনুষ্ঠানত সভাপতি আৰু কাৰ্যকৰী সভাপতিয়ে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ তাৎপৰ্যও ব্যাখ্যা কৰে। আনহাতে বঙাইগাঁও জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত আৰু বঙাইগাঁও জিলা প্ৰশাসনৰ সহযোগতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয় । এই উপলক্ষে বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ অনুষ্ঠানত সভাপতিত্ব কৰে জিলাৰ অতিৰিক্ত উপায়ুক্ত ছৈয়দ তহিদুৰ ৰহমানে। বঙাইগাঁও জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া চুম্পী চুতীয়াই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত এই বাৰৰ প্ৰেছ দিৱসৰ মূল আলোচ্য বিষয় 'সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ অতিমাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক বিষয়বস্তুৰ ওপৰত এখন আলোচনা চক্ৰও অনুষ্ঠিত হয় । আলোচনা চক্ৰত বিশিষ্ট শিক্ষাবিদ তথা বঙাইগাঁও বি এড কলেজৰ অধ্যক্ষ ডঃ বি এল শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি আলোচ্য বিষয়ৰ ওপৰত বক্তব্য ৰাখে ।তেওঁ কয় যে ক'ভিড-১৯ অতিমাৰীৰ সময়ত সংবাদ মাধ্যম আৰু সাংবাদিকসকলৰ ভূমিকা প্ৰশংসনীয় । সাংবাদিকসকলে সদায় এই অতিমাৰীৰ সময়তো নিজৰ কথা নাভাবি প্ৰথমশাৰীত থাকি সংবাদ পৰিৱেশনেৰে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে কাম কৰি আহিছে । তেওঁলোকৰো পৰিয়াল আছে যদিও পৰিয়াল আৰু নিজৰ কথা নাভাবি ৰাইজৰ ওচৰলৈ গৈ খবৰ কৰাই নহয় বৰং বহু লোকক সহায়ো কৰিছেয়। সাংবাদিকসকলৰ বাবেই ৰাইজে এই অতিমাৰীৰ ভয়াৱহতাৰ খবৰসমূহ লাভ কৰিবলৈ সক্ষম হৈছে আৰু সজাগ হৈছিল । তেওঁলোকে এই সময়ত নিজৰ দায়িত্ব আৰু কৰ্তব্য ঠিকেই পালন কৰিলে যদিও সাংবাদিকসকলৰ আৰু তেওঁলোকৰ পৰিয়ালৰ খবৰ কোনেও নললে। সাংবাদিকসকলে ৰাইজৰ কথা , প্ৰশাসনৰ কথা ,চৰকাৰৰ কথা প্ৰকাশ কৰে যদিও নিজৰ কথা প্ৰকাশ কৰাৰ সুবিধা নাথাকে । ফলত এই ক'ভিড অতিমাৰীৰ সময়ত সাংবাদিকসকলো বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। ক'ভিড অতিমাৰীৰ প্ৰভাৱ সংবাদ মাধ্যমৰ ওপৰতো পৰিছে । সংবাদ গোষ্ঠী ক্ষতিৰ সন্মুখীন হোৱাত বহু সংবাদকৰ্মীয়ে চাকৰি হেৰুৱাবলগীয়া হৈছে। সাংবাদিকসকলৰ জীৱনৰ কোনো সুৰক্ষা নাই। আৰ্থিক দিশত সাংবাদিকসকল সমস্যাৰ সন্মুখীন হৈছে। কিন্তু তেওঁলোকক কিছু সকাহ দিয়াৰ বাবে চৰকাৰৰ পৰা যি সুবিধা পাব লাগিছিল পোৱা নাই । তাৰ পিচতো কিন্তু সাংবাদিকসকলে ৰাইজৰ লগতে দেশৰ কথা ভাবি নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি গৈছে । নিজে ক'ভিড প'জিটিভ হৈছে আৰু সুস্থ হোৱাৰ পিচত পুনৰ কামত গৈছে । এই সময়চোৱাত কেইবাগৰাকীও সাংবাদিকক হেৰুৱাবলগীয়াও হৈছে । আনহাতে ক'ভিড অতিমাৰীৰ সময়ত প্ৰথম শাৰীৰ যোদ্ধাসকলক বিভিন্ন প্ৰকাৰে উৎসাহিত কৰা হ'ল যদিও সাংবাদিকসকলেও কিন্তু প্ৰথম শাৰীতে থাকি নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰাৰ পিচতো তেওঁলোকৰ কামক উৎসাহ যোগোৱা দেখা নগ'ল । কিন্তু তাৰ পিচতো এই অতিমাৰীৰ সময়ত ৰাইজক খবৰ যোগান ধৰি গ'ল বুলি কৈ সাংবাদিকসকলোক সন্মান জনোৱাৰ ব্যৱস্থা কৰিব লাগে বুলিও তেওঁ প্ৰশাসনক অনুৰোধ জনায় । লগতে তেওঁলোকৰ সমস্যাসমূহৰ যিখিনি সম্ভৱ হয় সেয়া সমাধান কৰাৰ বাবেও আহ্বান জনায় । অনুষ্ঠানত বঙাইগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ নীল মাধৱ দাসে ক'ভিড অতিমাৰীৰ সময়ত সংবাদ মাধ্যমৰ ভূমিকাক প্ৰশংসা কৰি কয় যে সংবাদ মাধ্যমৰ বাবেই ৰাইজৰ মাজত অধিক সজাগতা আহিছিল । সাংবাদিকসকলে এই অতিমাৰীৰ সময়তো নিষ্ঠাৰে কাম কৰি যোৱাই নহয় বৰং আমাকো বহু সহায় - সহযোগ আগবঢ়াইছে । তেওঁ স্বাস্থ্য বিভাগৰ বিভিন্ন দিশৰ ওপৰতো বক্তব্য ৰাখে । অনুষ্ঠানত স্বাস্থ্য বিভাগৰ চাৰ্ভিলেন্স বিষয়া ডাঃ বাদল সৰকাৰেও বক্তব্য ৰাখে । আনহাতে সাংবাদিকসকলক তৰফৰ পৰা প্ৰেছ ক্লাবৰ সভাপতি সুজিৎ কুমাৰ ৰায় আৰু কাৰ্যকৰী সভাপতি তেজেশ ত্ৰিপাঠীয়ে বক্তব্য ৰাখে । কাৰ্যকৰী সভাপতিগৰাকীয়ে ক'ভিড অতিমাৰীৰ এই সময়চোৱাত সংবাদকৰ্মীসকলক বিভিন্ন তথ্য যোগান ধৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসনৰ ভূমিকা নিৰাশজনক আছিল বুলি কয় । অনুষ্ঠানত সভাপতিৰ বক্তব্যত অতিৰিক্ত উপায়ুক্তগৰাকীয়ে কয় যে সংবাদ মাধ্যমৰ ভূমিকা অবিহনে ৰাইজৰ মাজত ক'ভিডকলৈ সজাগতা সৃষ্টি কৰাটো সহজসাধ্য নাছিল । এতিয়াও আপোনালোকে কাম কৰি আছে । তেওঁ কয় যে সাংবাদিকসকলে গোটেই বছৰৰ ২৪ ঘণ্টাই ৰাইজৰ উন্নয়ন তথা স্বাৰ্থৰ বাবে কাম কৰে । তাৰ মাজত কেৱল এটা দিন পায় । যিটো সাংবাদিকসকলৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ দিন হিচাপে বিবেচিত হৈ আহিছে বুলি কয় । তেওঁ জিলাখনৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ যথেষ্ট দায়ৱদ্ধতা আছে বুলি কৈ এই ক্ষেত্ৰত সাংবাদিকসকলৰ সহায়- সহযোগিতা বিচাৰে । অনুষ্ঠানৰ শেষত জিলা তথ্য আৰু জন সংযোগ বিষয়া চুম্পী চুতীয়াই শলাগৰ শৰাই আগবঢ়ায় । অনুষ্ঠানত প্ৰেছ ক্লাবৰ সদস্যসমূহৰ লগতে জিলা তথ্য আৰু জনসংযোগ বিভাগৰ কৰ্মচাৰীসকল উপস্থিত থাকে ।

## মৰিগাঁৱত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন


**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে আজি মৰিগাঁৱতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হয় ।মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সহযোগত চহৰখনৰ মাজমজিয়াস্থিত পবিতৰা হাট প্ৰক্ষাগৃহত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ সভাখনত সভাপতিত্ব কৰে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জাকিৰ হুছেইনে ।সভাখন উদ্বোধন কৰে জিলা উপায়ুক্ত লীনা দাসে। মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকা, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ মুখ্য উপদেষ্টা বুবুমনি গোস্বামী, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাৰ লগতে আৰক্ষী অধীক্ষক নন্দ সিং বৰকলাই ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ তাৎপৰ্য আৰু সাংবাদিক সকলে ক'ভিড-১৯ অতিমাৰীৰ সমস্যাৰ কেনেদৰে মুখামুখি হৈ দায়বদ্ধতা আৰু সাহসেৰে সাংবাদিকতা আগবঢ়াইছিল সেই সম্পৰ্কে বক্তা সকলে ব্যাখ্যা আগবঢ়াই ।সম্পাদক জিতুমনি নাথে আঁত ধৰা উক্ত সভাতে লাহৰীঘাটৰ সাংবাদিক আবুল কালাম আৰু জাগীৰোডৰ সাংবাদিক মৃদুল ডেকাক জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয় ।আনহাতে, মৰিগাঁও জিলা সাংবাদিক সংস্থাই প্ৰতি বছৰে প্ৰদান কৰি অহা খগেন কলিতা স্মাৰক সাংবাদিকতা বঁটা জিলা খনৰ জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাক প্ৰদান কৰা হয় । ইপিনে, জাৰ্ণেলিষ্ট এচ'চিয়েচন ফৰ আসামৰ উদ্যোগত কামৰূপ মহানগৰ জিলা সমিতিৰ সহযোগত আজি দিশপুৰ প্ৰেছক্লাবত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত মৰিগাঁৱৰ জেষ্ঠ্য সাংবাদিক অজিত শৰ্মালৈ সাংবাদিকতাৰ লগতে সামাজিক ক্ষেত্ৰখনলৈ বিশেষ অৱদান আগবঢ়োৱা বাবে সম্বৰ্ধনা জ্ঞাপন কৰে। জেষ্ঠ্য সাংবাদিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অজিত শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰাত বহু অনুষ্ঠান-প্ৰতিষ্ঠানে অভিনন্দন জ্ঞাপন কৰে।




## তামুলপুৰ ৰাষ্ট্ৰীয় সংবাদ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৬ নৱেম্বৰ ঃ** তামুলপুৰ মহকুমা প্ৰশাসনৰ দ্বাৰা অতি জাক- জমকতাৰে আৰু গাম্ভিৰ্য পূৰ্ণ পৰিবেশত আজি উদযাপন কৰে ৰাষ্ট্ৰীয় সংবাদ দিৱস । তামুলপুৰ মহকুমা প্ৰশাসনৰ সভা গৃহত আয়োজিত এই দিৱসটিত উপস্থিত থাকে তামুলপুৰ মহকুমাৰ মহকুমাধিপতি বেদাংগ তালুকদাৰ তামুলপুৰ ৰাজহ চক্ৰ বিষয়া ৰূপকমল ৰাভা তামুলপুৰ প্ৰেছ ক্লাৱৰ জ্যোষ্ঠ সাংবাদিক তীৰ্থ ৰঞ্জন মহন্ত, সাংবাদিক আৰিফ আহমেদ তথা তামুলপুৰ মহকুমা প্ৰশাসনৰ বিভিন্ন পদত কৰ্মৰত কৰ্মচাৰী বৃন্দ আৰু স্হানীয় বিশিষ্ট সমাজ কৰ্মী । বিভিন্ন ক্ষেত্ৰত জৰিত প্ৰায় শতাধিক ৰাইজৰ উপস্থিতিত আয়োজন কৰা এই দিৱসটিত ভাষণ ৰাখি তামুলপুৰ মহকুমাৰ মহকুমাধিপতি বেদাংগ তালুকদাৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে তামুলপুৰ প্ৰেছ ক্লাৱৰ সাংবাদিক সকলোক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে । নিষ্ঠা আৰু সাহসেৰে সংবাদ সেৱাৰ যোগেদি সমাজিক ক্ষেত্ৰ খন বলিষ্ঠ দিশত আগবঢ়াই নিয়া সাংবাদিক সকলক তেখেতে ধন্যবাদ জ্ঞাপন কৰে । তামুলপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰূপকমল ৰাভাই সাংবাদিকৰ ক্লান্তিহীন জীৱনৰ ওপৰত আলোকপাত কৰে ।তামুলপুৰ প্ৰেছ ক্লাৱৰ জ্যোষ্ঠ সাংবাদিক তীৰ্থ ৰঞ্জন মহন্তই ৰাষ্ট্ৰীয় সংবাদ দিৱসত ভাষণ ৰাখি কোভিড যোদ্ধা সকলোক কৃতজ্ঞতা জনায় । কোভিডৰ ভয়াবহ সময়চোৱাত কিদৰে সাহসেৰে কোভিডৰ সতে মুখামূখি হৈছিল তাৰে বাস্তৱ ছবি আলোকপাত কৰে আৰু তামুলপুৰ প্ৰশাসনৰ যি ইতিবাচক সহাৰি লাভ কৰিছিল তাৰে ওপৰতো বক্তব্য ৰাখে । তামুলপুৰ মহকুমা প্ৰশাসনৰ তৰফৰ পৰা সাংবাদিক তীৰ্থ ৰঞ্জন মহন্ত আৰু আৰিফ আহমেদক ফুলাম গামোছাৰে আদৰণি জনায় লগতে মহকুমাধিপতি বেদাংগ তালুকদাৰেও সাংবাদিক দ্বয়ক ফুলাম গামোছাৰে আদৰণি জনায় । ইয়াৰোপৰি দুয়োগৰাকী সাংবাদিককে কোভিড কালৰ যোদ্ধা হিচাপে মহকুমা প্ৰশাসনে বিশেষ ভাৱে শলাগ জনায় । সভাত ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ ওপৰত বিশেষাত্মক বক্তব্য ৰাখে ।

## ধুবুৰীত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৬ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে ধুবুৰী জিলা প্ৰশাসনৰ সৌজন্যত আৰু জিলা জনসংযোগ বিষয়াৰ উদ্যোগত আজি ধুবুৰী জিলা পৰিষদ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। ধুবুৰী জিলা জনসংযোগ বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া পাৰ্থ প্ৰতিম বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ সভাপতিত্ব কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ধুবুৰী জিলাৰ অতিৰিক্ত উপায়ুক্ত পল্লৱ মজুমদাৰে কয়— সাংবাদিক হৈছে সমাজৰ দাপোণ। কৰ'নাৰ সময়ত সাংবাদিকসকলে নিজৰ জীৱন তুচ্ছ কৰি দিনে-নিশাই ৰাইজক সেৱা আগবঢ়াইছে। তথাপি সাংবাদিকৰ ওপৰত নিৰ্যাতন চলিছে। সভাত বিশিষ্ট শিক্ষাবিদ প্ৰতিমা নিয়োগী, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুৰ ৰহমানে ভাষণ প্ৰদান কৰে। সভাত এইবাৰ প্ৰয়াত সাংবাদিক কুলধৰ দাস আৰু ছাজাহান আহমেদৰ পৰিয়ালৰ সদস্যৰ হাতত স্মৃতি ৰক্ষা বঁটা প্ৰদান কৰা হয়। আনহাতে উৎকৃষ্ট বঁটা হিচাপে ৰাজীৱ শৰ্মা আৰু যুৱ সাংবাদিক গোবিন্দ অধিকাৰীক বঁটা প্ৰদান কৰা হয়।




# পঞ্চম নৰ্থ ইষ্ট গ্ৰীণ ছামিট উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভিবজিউৰ এন ই ফাউণ্ডেশ্যনে আই আই টি, গুৱাহাটী আৰু ইউ এন এনভাইৰ'নমেণ্টৰ সহযোগত আই আই টি, গুৱাহাটীত আয়োজন কৰা পঞ্চম নৰ্থ ইষ্ট গ্ৰীণ ছামিট আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্য চৰকাৰে পৰিৱেশ সংৰক্ষণৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ আলোকপাত কৰি কয় যে পাৰিপাৰ্শ্বিক ভাৰসাম্য বিনষ্ট কৰি অৰ্থনৈতিক উন্নয়ন গঢ়ি উঠিব নোৱাৰে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সমগ্ৰ ৰাজ্যখনত ১০ কোটি বৃক্ষ ৰোপনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি এই পদক্ষেপে ৰাজ্যখনৰ পৰিৱেশ সন্তুলন অটুট ৰখাৰ দিশত বিশেষ বৰঙনি যোগাব বুলি তেওঁ কয়। এই ১০ কোটি বৃক্ষ ৰোপনৰ পদক্ষেপ গ্ৰহণ কৰি ইতিমধ্যে ৮ কোটি বৃক্ষ ৰোপন কাৰ্য সম্পূৰ্ণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পৰিৱেশ সংৰক্ষণৰ দিশত নৰ্থ ইষ্ট গ্ৰীণ ছামিটৰ লেখীয়া মঞ্চৰ গুৰুত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই ছামিটত অংশ গ্ৰহণ কৰা নীতি প্ৰণয়নকাৰী, পৰিৱেশৰ ওপৰত কাম কৰা স্বেচ্ছাসেৱী অনুষ্ঠান, গৱেষক, শিক্ষাবিদ, ৰাজনীতিবিদসকলক পৰিৱেশৰ বিভিন্ন বিষয়ৰ ওপৰত আলোচনা-বিলোচনা অনুষ্ঠিত কৰাৰ বাবে আহ্বান জনায় যাতে পাৰিপাৰ্শ্বিক সংৰক্ষণৰ দিশত ফলপ্ৰসূ পদক্ষেপ লোৱাৰ ক্ষেত্ৰত এক বিস্তৃত পৰিকল্পনা ল'ব পৰা যায়। ক'ভিড-১৯ অতিমাৰীয়ে প্ৰকৃতিৰ সন্তুলন কিয় অটুট ৰাখিব লাগে সেইকথা আমাক ভালদৰে অৱগত হোৱাৰ বাবে সুবিধা প্ৰদান কৰিছে বুলি উল্লেখ কৰি এই ক্ষেত্ৰত সময়-সাপেক্ষ পদক্ষেপ লোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলক দেশৰ জৈৱিক হাৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ লেখীয়া আঁচনিৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়। এই আঁচনিৰ জৰিয়তে দুখীয়া গৃহিনীলৈ বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ যোগান ধৰাৰ জৰিয়তে তেওঁলোকৰ কষ্ট বহুলাংশে লাঘৱ হোৱাৰ উপৰি ৰন্ধাৰ বাবে কাঠখৰিৰ প্ৰয়োগ হ্ৰাস কৰি নিৰ্বনানীকৰণ বহুলাংশে হ্ৰাস হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কৃষিখণ্ডত ৰাজ্য চৰকাৰে ইজৰাইলৰ সহযোগিতাত অলপতে আৰম্ভ কৰা প্ৰকল্পৰ বিষয়েও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰাকৃতিক জলসম্পদৰ সম্ভাৱনীয়তাৰ প্ৰযুক্তিগত সমাধান সূত্ৰ উলিওৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ পাৰিপাৰ্শ্বিক সন্তুলন অটুট ৰাখি ৰাজ্যখনৰ বিকাশত সহায়ক হোৱাকৈ ঔদ্যোগিক খণ্ডৰ বিকাশৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। আই আই টি, গুৱাহাটীৰ সঞ্চালক টি জি সীথাৰামে আদৰণী ভাষণ প্ৰদান কৰা আৰু শিলচৰ লোকসভা সমষ্টিৰ সাংসদ ড° ৰাজদ্বীপ ৰয়ে উদ্দেশ্যে ব্যাখ্যা কৰা আজিৰ এই উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মণিপুৰৰ সাংসদ ৰাজকুমাৰ ৰঞ্জন সিঙে অংশ গ্ৰহণ কৰে।

# টংলাত বিজেপিৰ বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

## আছু, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৬ নৱেম্বৰ ঃ** বি টি চি পৰিষদীয় নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নিৰ্বাচনী বাক্‌যুদ্ধ তুংগত উঠিছে। ৰাজনৈতি নেতাৰ বাক্‌যুদ্ধৰ ঢৌয়ে বি টি চিৰ আকাশ-বতাহ কঁপাই তুলিছে। বি পি এফ চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বিজেপি চৰকাৰ। শাসনৰ বাঘজৰি নিজৰ মুঠিত অনিবলৈ উঠিপৰি লাগিছে ৰাজ্যখনৰ প্ৰভাৱশালী মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। এই সন্দৰ্ভত সোমবাৰে ভাৰতীয় জনতা পাৰ্টী ওদালগুৰি জিলা সমিতিৰ উদ্যোগত আৰু খালিংদুৱাৰ ব্লক সমিতিৰ সহযোগত বি টি চি পৰিসদীয় নিৰ্বাচন উপলক্ষে টংলাস্থিত মডেল হাইস্কুল খেলপথাৰত বিশাল জনসভা আৰু যোগদান কাৰ্যসূচীত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ কয় যে মই আজি ভাতৃ দ্বিতীয়াৰ দিনা এই সভাত উপস্থিত হ'বলৈ পাই সুখী অনুভৱ কৰিছোঁ আৰু সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছোঁ। আগৰ ওদালগুৰি জিলা আৰু বৰ্তমান ওদালগুৰি জিলা বহু পৰিৱৰ্তন হ'ল। টংলা নগৰত বহু সমস্যা যেনে হাস্পতাল, ড্ৰেইন, পেন্সনৰ পৰা বঞ্চিত আদি বহু সমাধান কৰিব লগা আছে। বি টি চিত এতিয়া আৰু মেকুৰীৰ শাসন নচলিব, বিগত দিনত বি পি এফ চৰকাৰে অন্য জাতি-জনগোষ্ঠীৰ লোকক দ্বিতীয় শ্ৰেণীৰ মৰ্যাদা প্ৰদান কৰি আহিছে। যেনেদৰে মাটি-বাৰী কিনিব-বেচিব নোৱৰা, মাটিৰ পট্টা লাভ নকৰা, পেন্সন, অৰুণোদই আঁচনি, ঘৰ বনোৱা নামত ভি চি ডি চিয়ে টকা আত্মসাৎ কৰিছে বুলি কয়। লগতে হিমন্তই ব্যক্ত কৰি ভি চি ডি চিক মেকুৰীৰ আখ্যা দি কয় যে এইবাৰ বিজেপি চৰকাৰ আহিলে ভি চি ডি চিক ব্ৰহ্মপুত্ৰত দলিয়াই দিয়া হ'ব আৰু কেতিয়াও ভি চি ডি চি জন্ম হ'ব দিয়া নহ'ব। আনহাতে, বি পি এফক কটাক্ষ কৰি কয় যে এতিয়া আৰু নাঙলৰ কাম নাই, নাঙল চাবলৈ মানুহে যাদুঘৰলৈ যাব লাগিব। দুখীয়া লোকৰ টকা খাই হাগ্ৰাম চীফ হ'ব নোৱাৰে। ৬০ বছৰৰ সকলো পুৰুষ-মহিলা বিধৱা পেন্সন, বৃদ্ধ পেন্সন ঘোষ নিদিয়াকৈ পাব লাগিব। অনুষ্ঠানত তেওঁ কেইবাটাও আঁচনি ঘোষণা কৰি কয় যে ২৮ তাৰিখৰ পৰা বি টি চিত অৰুনোদই আঁচনি আৰম্ভ হ'ব।পানেৰী সমষ্টিত এইবাৰ এই আঁচনি ২২ লাখ পৰিয়ালে মাহে ৮৩০ টকাকৈ লাভ কৰিব বুলি ঘোষণা কৰে। আনফালে হিমন্ত বিশ্ব শৰ্মাৰ আগমনক লৈ 'কা'ৰ বিৰোধিতাৰে আছু আৰু জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে টংলা চাৰিআলিত হিমন্ত বিশ্ব গ'বৈক, বিজেপি চৰকাৰ হুচিয়াৰ আদি শ্ল'গানেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আছু আৰু জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদ সাব্যস্ত কৰা স্থানৰ পৰা আৰক্ষীয়ে ওদালগুৰি আছুৰ বিষয়ববীয়া, টংলা আঞ্চলিক আছুৰ বিষয়ববীয়া আৰু জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিষয়ববীয়াৰ লগতে বহুকেইজন 'কা' বিৰোধী প্ৰতিবাদকাৰীক আটক কৰে।

### আইপিএল— ১৩ সংখ্যক সংস্কৰণ

## চেম্পিয়ন দলৰ দুই বেটছমেন সূৰ্যকুমাৰ-ঈষাণক মুখ্য প্ৰশিক্ষক জয়াবৰ্ধেনেৰ উচ্চ প্ৰশংসা

**নতুন দিল্লী, ১৬ নৱেম্বৰ ঃ** ১০নৱেম্বৰত সামৰণি পৰা আইপিএলৰ ১৩ সংখ্যক সংস্কৰণত এইবাৰ চূড়ান্ত বিজয়ী হয় মুম্বাই ইণ্ডিয়ানছ দলে। ক'ভিড মহামাৰীৰ বাবে বিদেশৰ মাটিত তথা ইউএইত খেলা আইপিএলত চেম্পিয়ন হোৱা ভাৰতীয় জাতীয় ক্ৰিকেট দলৰ উপ-অধিনায়ক ৰোহিত শৰ্মাই নেতৃত্ব দিয়া মুম্বাই ইণ্ডিয়ানছ দলৰ দুই বেটছমেন সূৰ্যকুমাৰ যাদৱ আৰু অপেনাৰ ঈষাণ কিষাণক উচ্চ প্ৰশংসা কৰি মুখ্য প্ৰশিক্ষক মহেলা জয়াবৰ্ধেনে কয়— সূৰ্যকুমাৰ আৰু ঈষাণ কিষাণ ভাৰতীয় ক্ৰিকেট দলৰ সম্ভাৱনাপূৰ্ণ দুগৰাকী খেলুৱৈ। আইপিএলত যিধৰণে দুয়োগৰাকী খেলুৱৈয়ে খেলিলে সেয়া প্ৰশংসনীয়।

## ২৭ নৱেম্বৰৰ পৰা অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতৰ আৰম্ভ হ'ব তিনিখন এদিনীয়া, তিনিখন টি-২০ আৰু চাৰিখন টেষ্ট ছিৰিজৰ

# ৰাণ নকৰাটোৱেই আশা কৰে, কিন্তু চাই ভাল পায় কোহলিৰ ক্ৰীড়াশৈলী





### অধিনায়ক বিৰাট কোহলি এগৰাকী ক্ৰীড়া প্ৰতিভাধৰ খেলুৱৈ— অষ্ট্ৰেলিয়াৰ টেষ্ট দলৰ অধিনায়ক টিম পেইন

**ছিডনী, ১৬ নৱেম্বৰ ঃ** ক'ভিড মহামাৰীৰ ফলত অচলাৱস্থাৰ সন্মুখীন হোৱা ক্ৰীড়া ক্ষেত্ৰলৈ লাহে লাহে প্ৰাণ আহিবলৈ ধৰিছে। ফলত খেলুৱৈসকলে পুনৰ নিজৰ ক্ৰীড়াশৈলী অটুট ৰাখিবৰ বাবে খেলপথাৰত নামিছে। ইউ এইত কেইদিনমানৰ পূৰ্বে সামৰণি পৰা আইপিএলত ১৩সংখ্যক সংস্কৰণত ভাগ লৈ খেলুৱৈসকলে ঘৰমূখী হোৱাৰ বিপৰীতে একাংশ খেলুৱৈয়ে অষ্ট্ৰেলিয়াৰ মাটিত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে সম্পূৰ্ণ শৃংখলাত অংশগ্ৰহণ কৰিবৰ বাবে ইতিমধ্যে গৈ উপস্থিত হৈছে। ভাৰত-পাকিস্তানৰ মাজত খেল বুলি ক'লে যিধৰণে ক্ৰীড়া বিশ্বত উষ্ণতাৰ চাপ সৃষ্টি হয়, ঠিক তেনেদৰে অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মাজত ক্ৰিকেট খেল বুলি কোৱাৰ লগে লগে একেই চাপৰ সৃষ্টি হয়। অনুৰাগীসকলে বাট চাই থাকে অষ্ট্ৰেলিয়াৰ ফাষ্ট বলাৰ নে ভাৰতৰ বিস্ফোৰক বেটছমেনৰ ক্ৰীড়াই কোনে কাক পেলাব পাৰে চাপত। তাকে লৈ খেল আৰম্ভ হোৱাৰ পূৰ্বেই অনুৰাগীৰ লগতে দলৰ খেলুৱৈৰ মাজত আৰম্ভ হয় উক্তিৰ প্ৰক্ষেপৰ প্ৰতিযোগিতা। কেতিয়াবা কোনো বিপক্ষৰ খেলুৱৈ কটুক্তি কৰাৰ বিপৰীতে কোনো খেলুৱৈক প্ৰশংসা কৰি মনোবল ইফাল-সিফাল কৰা পৰিলক্ষিত হয়। ইয়াৰে এটা ধাৰা অৱলম্বন কৰি অষ্ট্ৰেলিয়াৰ টেষ্ট দলৰ অধিনায়ক টিম পেইনে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক বিৰাট কোহলিক প্ৰশংসা কৰাৰ সমান্তৰালকৈ অনুৰাগীয়ে যে কোহলিক বেয়া পাই সেয়াও বুজাই দিছে, কিন্তু এইবোৰৰ মাজতো সবাতোকৈ শ্ৰেষ্ঠ ক্ৰীড়াই; তাকেই প্ৰতিয়ন নিয়াই অধিনায়ক টিম পেইনে কোহলিৰ খেল চাই ভাল পাই বুলিও উল্লেখ কৰে। ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক বিৰাট কোহলি এগৰাকী সম্পূৰ্ণ ক্ৰীড়া প্ৰতিভাধৰ খেলুৱৈ বুলি উল্লেখ কৰি কয়— বিৰোধী দলৰ অধিনায়ক কোহলি এগৰাকী সম্পূৰ্ণ ক্ৰীড়া প্ৰতিভাধৰ খেলুৱৈ। কিন্তু ক্ৰিকেট অনুৰাগী অষ্ট্ৰেলিয়াই আটাইতকৈ বেয়া পোৱা খেলুৱৈগৰাকীয়েই হ'ল বিৰাট কোহলি, কিন্তু বিৰাট কোহলিক যিমান বেয়া পাই, সিমানেই এগৰাকী খেলুৱৈ হিচাপে কোহলিৰ বেটিং শৈলী চাই ভাল পায়। ইউএইত আইপিএল সামৰি ইতিমধ্যে অষ্ট্ৰেলিয়াত উপস্থিত হোৱা ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক বিৰাট কোহলিয়ে তিনিখনীয়া এদিনীয়া আৰু তিনিখনীয়া টি-২০ শৃংখলাত ভাগ লৈ চাৰিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেল আৰম্ভ হোৱাৰ পূৰ্বেই ভাৰতলৈ ঘূৰি আহিব। সন্তানসম্ভৱা অভিনেত্ৰী পত্নী অনুষ্কা শৰ্মাক লগত লৈয়ে ইউ এইত আইপিএলত কোহলিয়ে অংশগ্ৰহণ কৰিছিল। কিন্তু প্ৰথম সন্তানৰ জন্মদিন ওচৰ চাপি অহাত কোহলিয়ে শৃংখলা আধাতে এৰি ঘৰমুখী হ'বলৈ সিদ্ধান্ত ল'বলগীয়া হয়। টেষ্টত বিৰাট কোহলিৰ অনুপস্থিতিত ভাৰতীয় ক্ৰিকেট দলে কিছু সমস্যাত পৰিব যদিও কোহলিৰ উপস্থিতিত উপ-অধিনায়কৰ দায়িত্ব লৈ থকা আজিংক্য ৰাহানেক অধিনায়কৰ দায়িত্ব অধিনায়কৰ দায়িত্ব অৰ্পন কৰাৰ সম্ভাৱনা আছে।



# লুড' কাপ ফুটবল প্ৰতিযোগিতাত নাজিৰা একাদশ কোৱাৰ্টাৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১৬ নৱেম্বৰ ঃ** লোকেল ইউনাইটেড ডেভেলপমেণ্ট অৰ্গেনাইজেশ্বন চমুকৈ লুড'ৰ উদ্যোগত গোগামুখ উচ্চচতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কালিৰে পৰা আৰম্ভ হোৱা প্ৰাইজমানী ফুটবল খেল প্ৰতিযোগিতাত শিৱসাগৰ নাজিৰা এফ চিয়ে ধেমাজি জোনাইৰ ৰাইন' এফ চিক হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত খেলত টাইব্ৰেকাৰৰ জৰিয়তে নাজিৰা এফ চিয়ে ৰাইন' এফ চিক পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত দুয়োটা দলে এটাকৈ গ'ল দিবলৈ সক্ষম হোৱাত খেল পৰিচালকে পেনাল্টিৰ সহায়ত খেলৰ ফলাফল নিৰ্ণয় কৰে। আজিৰ খেলখন উদ্বোধন কৰে গোগামুখ গাঁও পঞ্চায়তৰ সভাপতি মাধৱ চেতিয়াই। খেল পৰিচালনা কৰে গৌৰী শংকৰ ভৰালী, ব্ৰজেন বুঢ়াগোহাঁই, দীপক বুঢ়াগোহাঁয়ে। চতুৰ্থ পৰিচালক হিচাপে সহযোগিতা আগবঢ়ায় দীপক গগৈ, মণিৰাম পেগুৱে। ৰেফাৰীৰ তত্বাৱধায়ক হিচাপে উপস্থিত থাকে লক্ষী গগৈ। মেচ কমিছনাৰ হিচাপে উপস্থিত থাকে বিমল স্বৰ্গীয়াৰী।



MINISTRY OF MICRO, SMALL & MEDIUM ENTERPRISES
GOVT. OF INDIA

## এদিনীয়া সজাগতা কাৰ্যসূচী

'কয়ৰ ব'ৰ্ড, উপ-ক্ষেত্ৰীয় কাৰ্যালয়, গুৱাহাটী'য়ে ইং ১৭ নৱেম্বৰ, ২০২০ তাৰিখে বৰপেটা জিলাৰ বামুন্দীত কয়ৰ উদ্যোগ বিকাশৰ বিষয়ত অনুষ্ঠিত হ'বলগীয়া "এদিনীয়া সজাগতা কাৰ্যসূচী"ৰ অৰ্থে আগ্ৰহী প্ৰাৰ্থীক নিম্নোলিখিত ঠিকনাত যোগাযোগ কৰিবলৈ আহ্বান কৰিছে।

**ভাৰপ্ৰাপ্ত বিষয়া**
উপ-ক্ষেত্ৰীয় কাৰ্যালয়
গুৱাহাটী, অসম
ই-মেইল ঃ cbsroghty@gmail.com
ফোন ঃ ০৩৬১-২৫৫৬৮২৮



CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি